মহাপুৰুষীয়া সাহিত্য

॥ কেইটিমান দিশ ॥

—কেশদা মহন্ত

॥ মহাপুৰুষীয়া সাহিত্য ঃ কেইটিমান দিশ ।

লেখিকা —

কেশদা মহন্ত, প্ৰবক্তা, সংস্কৃতবিভাগ

জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট ১

প্ৰকাশক —

ৰূপচন্দ্ৰ মহন্ত

কেশদা মহন্ত

গোহাঁইটেকেলা গাওঁ, যোৰহাট ১

প্ৰথম প্ৰকাশ —

১৯৮৭ চন, অক্টোবৰ

মূল্য — পঁচিছ টকা

ছপাশাল —

ৰূপম প্ৰিণ্টাৰ্চ

যোৰহাট ।

বেটুপাত ছপাইছে —

পূৰ্বশ্ৰী প্ৰিণ্টাৰ্চ

॥ উৎসৰ্গা ॥

পৰম পূজনীয় পিতৃব্যগুৰু, তেলপানী সত্ৰৰ ডেকা অধিকাৰ ৺কুমুদচন্দ্ৰ মহন্ত (বি এ, বি টি) দেৱৰ পৱিত্ৰ স্মৃতিত —

ৰৰখুৰা,

আপোনাৰ নিজ কন্যাৰ আগতেই কোলাৰ মৰম পোৱা এই অভাজন আপোনাৰ ওচৰত বহু প্ৰকাৰে ঋণী। স্কুলীয়া শিক্ষাৰ কালছোৱাত মোৰ তত্বাৱধায়ক আছিলে আপুনি ; তাল-মৃদঙেৰে গীত-মাত গাই ভাই-ভনীহঁতক লৈ কৰা মোৰ ধেমালি ভাওনাৰ সহৃদয় দৰ্শক আছিলে আপুনি ; পুতলানাচৰ আহিলা-পাতি গোটাই দি মোৰ কলাসুলভ ৰুচি এটা জীয়াই ৰখাৰ প্ৰেৰণা দিছিলে আপুনি। শৈশৱৰ ধেমালি সামৰি কৈশোৰৰ দেওনা পাৰ হোৱাৰ সময়ত এটি মাহেন্দ্ৰ ক্ষণত অগ্নিত আহুতি ঢালি আপুনিয়েই মোক সমৰ্পণ কৰিছিলে আপোনাৰ অভিপ্ৰেত বৰৰ হাতত, মোৰ জন্মদাতা পিতৃয়ে নহয় ; কাৰণ তেখেতৰ মতে মোৰ সংসাৰখন কেনেকুৱা হ'ব লাগে সেই কথা 'দেউকণেহে জানে'। আপোনাৰ অন্তিমক্ষণৰ মাত্ৰ এমাহৰ আগতে বাৰ্ধক্যপীড়িত থৰকৃবৰক্ দেহাটিৰে আপুনি নিজে আহি এই অভাজনক গৃহতে অনুগৃহীত কৰি থৈ গ'ল।

আপুনি মোৰ ধৰ্মতঃ পিতৃ, অনানুষ্ঠানিক শিক্ষাগুৰু। কি পাৰ্থিৱ সম্পদেৰে মই আপোনাক কৃতজ্ঞতা জনাম ? আজি আপোনাৰ বছেৰেকীয়া শ্ৰাদ্ধ তিথিৰ দিনা যৎকিঞ্চিত চিন্তাসম্ভাৰকে 'মহাপুৰুষীয়া সাহিত্য'ৰ ঠাঁগত আগবঢ়াই এই অকিঞ্চনে আপোনাৰ চৰণত এটি সেৱা জনাইছোঁ, আপোনাৰ সেই অন্তিম কামনা ফেৰিকে মনলৈ আনি—

"শ্ৰীপূৰ্ণানন্দ পদ মকৰন্দ জন্মে জন্মে মোৰ গতি।
ৰাম নাম জপি তাৰি পাৰে মজি হুয়োক নিৰ্মল মতি।" ইতি,

তেলপানী সত্ৰ, কৰঙা
কাতিৰ কৃষ্ণা প্ৰতিপদ
১৯০৯ শক

আপোনাৰ স্নেহধন্যা
ভতিজা জীয়েক

॥ সূচীপত্ৰ ॥

॥১॥ শংকৰদেৱৰ সাহিত্যত শিশুৰ স্থান ॥১॥

॥২॥ শংকৰদেৱৰ সাহিত্যত নাৰদ ॥১৩॥

॥৩॥ মহাপুৰুষীয়া সাহিত্যত শক্তিৰ স্থান ॥৩৯॥

॥৪॥ মহাপুৰুষীয়া কবিৰ আৰাধ্যদেৱতাবিষয়ক শৃংগাৰ-বৰ্ণন ॥৭০॥

॥৫॥ ৰামসৰস্বতীৰ গীতগোবিন্দত ৰাধা-কৃষ্ণ ॥৯৩॥

॥৬॥ ৰামসৰস্বতীৰ ভীমচৰিতত শিশু ॥১১৬॥

॥৭॥ মহাপুৰুষীয়া সাহিত্যত ফল্গুৎসৱ ॥১২৬॥

॥৮॥ মহাপুৰুষীয়া সমাজত নাৰীৰ ভূমিকা ॥১৩৫॥

॥৯॥ অসমীয়া মহিলা বৈষ্ণৱ কবি পদ্মপ্ৰিয়া ॥১৪১॥

॥১০॥ প্ৰসংগ-নিৰ্ঘণ্ট ॥১৪৮॥

॥ পাতনি ॥

ইংৰাজ সমালোচক ডি-কুইন্সিয়ে কৈছে বোলে, সাহিত্য দুবিধ—সৃষ্টিধৰ্মী সাহিত্য আৰু জ্ঞানধৰ্মী সাহিত্য। সৃষ্টিধৰ্মী সাহিত্য যেনেকৈ লিখকৰ মৌলিক প্ৰতিভা, কল্পনা আৰু ৰচনা ৰীতিৰ পৰশত ৰমণীয় হৈ উঠে, সেইদৰে জ্ঞানধৰ্মী সাহিত্যও লিখকৰ অধ্যয়নলব্ধ বিশাল অভিজ্ঞতা সংক্ৰান্ত বিচাৰ-বুদ্ধি আৰু উপস্থাপনৰীতিৰ সংস্পৰ্শত চহকী হৈ উঠে। আলোচনাত্মক ৰচনা-সাহিত্য পিছৰ বিধত পৰে।

অসমীয়া বৈষ্ণৱ সাহিত্যৰ মৌলিক বৈশিষ্ট্য হ'ল বিশাল সংস্কৃত সাহিত্যৰ আনুগত্য। একে আষাৰতে ক'বলৈ গ'লে অসমীয়া বৈষ্ণৱ সাহিত্য ভাৱানুবাদ, ছায়ানুবাদ নতুবা মুকলি অনুবাদ মাত্ৰ। বৈষ্ণৱ কবিসকলে তাকে মাধুৰ্য্যময় থলুৱা পৰিবেশত তুলি লৈছিল। সেয়েহে অসমীয়া বৈষ্ণৱ সাহিত্যৰ আলোচনা কৰি বলৈ, অৰ্থাৎ মূল সংস্কৃত গ্ৰন্থবিলাকৰ লগত নিজ ই চাই সিদ্ধান্তলৈ আহিবলৈ হ'লে সংস্কৃত সাহিত্যৰ লগত সম্যক পৰিচয় থকা উচিত; নহ'লে আলোচনা আধুৰা নতুবা 'চৰ্বিত-চৰ্বণ' মাত্ৰ হৈ পৰে। সংস্কৃত সাহিত্যৰ বিষয়ত স্নাতকোত্তৰ উপাধি লাভ কৰা আৰু আশৈশৱ শংকৰী সাহিত্যৰ চৰ্চ্চা-আলোচনাৰ পৰিবেশত ডাঙৰ-দীঘল হোৱা শ্ৰীমতী কেশদা মহন্তই অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে নতুনকৈ আলোচনা কৰিবলৈ লোৱাটো সমুচিত কাম হৈছে। পুৰণি অসমীয়া সাহিত্যৰ আলোচনাৰ বাটকটীয়া আছিল ডঃ বাণীকান্ত কাকতি। তাৰ পিছত ৺ডিম্বেশ্বৰ নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ভিতৰেদি কোনো কোনো বিষয়ৰ বিস্তৃত আলোচনা আগ বঢ়াইছিল। ইয়াৰ বাহিৰে ঐকান্তিক ভাৱে মৌলিক উপস্থাপন ৰীতিৰে পুৰণি অসমীয়া সাহিত্যৰ আলোচনা হোৱা নাই। যদিওবা হৈছে সিও বিক্ষিপ্ত মাত্ৰ। শ্ৰীমতী মহন্তই ইতিমধ্যে দুখন

আলোচকে আঁচোৰ নমৰা বিষয় কেইটিমান সম্পৰ্কে আলোচনাৰ পাতনি মেলিছে আৰু তাকে নিজা দৃষ্টিভংগীৰে আৰু অধ্যয়নলব্ধ অভিজ্ঞতাৰে সজাই তুলিছে। শ্ৰীমতী মহন্তই তেওঁৰ আঠখন ৰচনাৰ প্ৰায় আটাইবোৰতে প্ৰসংগক্ৰমে আৱশ্যকীয় উদ্ধৃতি আদিৰ সহায়ত আলোচ্য বিষয়ত নতুন পোহৰ পেলাবলৈ সক্ষম হৈছে। অকল সেয়ে নহয়, বিষয় কেইটিত নতুনত্বও বৰ্তমান। অসমীয়া বৈষ্ণৱ সাহিত্যৰ বহুত এতিয়াও অপৰ্য্যাপ্ত বিষয় থূপ খাই আছে। শ্ৰীমতী মহন্তৰ হাতত এইবোৰ বিষয়েও প্ৰকাশ পোহৰ পাব বুলি আশা কৰাটো নিশ্চয় অনুচিত নহ'ব। 'মহাপুৰুষীয়া সাহিত্য' অসমীয়া আলোচনা সাহিত্যৰ এখনি লেখৰ পুথি বুলি ক'ব পাৰি।

শ্ৰীলীলা গগৈ

১৮।১০।৭০

নিৱেদন ॥

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মত উপাস্য দেৱতাজন হৈছে পৰমেশ্বৰ, পৰমপুৰুষ বা মহাপুৰুষ। এই 'মহাপুৰুষৰ সেৱক' সকলেই 'মহাপৌৰুষিক বা 'মহাপুৰুষীয়া, মহাপুৰুষ-সম্বন্ধিত ধৰ্মই মহাপুৰুষীয়া ধৰ্ম', সেই সম্পৰ্কীয় সাহিত্যই মহাপুৰুষীয়া সাহিত্য। গতিকে মহাপুৰুষীয়া সহিত্যৰ অৰ্থ শ্ৰীমন্তশংকৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মৰ লগত জড়িত সাহিত্যৰাজি। উপাস্য দেৱ আৰু গুৰুক অভিন্ন ৰূপত গ্ৰহণ কৰাৰ কাৰণে শ্ৰীমন্ত শংকৰদেৱ তেখাৰ অনুৱৰ্তীসকলৰ কাৰণে 'মহাপুৰুষ' হ'ল; সেই ক্ৰমেই মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, ভৱানীপুৰীয়া গোপালদেৱ প্ৰভৃতি গুৰুসকলেও নিজ নিজ পৰম্পৰাত মহাপুৰুষ আখ্যা পালে। গতিকে গুৰুসকলৰ ক্ষেত্ৰত প্ৰয়োগ হৈ অহা 'মহাপুৰুষ' শব্দৰ অৰ্থ মহৎ ব্যক্তি বুলি কৰাটো অযুগুত।

মহাপুৰুষীয়া সাহিত্য সুদৃঢ়মূল ভাৰতীয় ঐতিহ্যৰ ভেটিত প্ৰতিষ্ঠিত। থলুৱা পৰিৱেশত খাপ খুৱাই উপস্থাপন কৰা হৈছে যদিও মহাপুৰুষীয়া সাহিত্যৰ আঁতিগুৰি বিচাৰি আমি সেই ভেটিত থিয় হ'বগৈ লাগিবই। সেই ভেটিক অস্বীকাৰ কৰি যদি মহাপুৰুষীয়া সাহিত্যৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ যোৱা হয়, তেনে সেই চিন্তা ঠেক ছিগা হ'ব। মহাপুৰুষীয়া সাহিত্যৰ কেইটিমান দিশত আঁতিগুৰি বিচাৰি চাবলৈ যাওঁতেই এই পুথিত সন্নিবিষ্ট লেখাখিনিৰ জন্ম। যদিও মহাপুৰুষীয়া সাহিত্য মহাপুৰুষীয়া ধৰ্মৰ লগত ওতঃপ্ৰোতভাৱে জড়িত, তথাপি মহাপুৰুষীয়া সাহিত্যত এই ধৰ্ম নিহিত হৈ থকা নাই। গতিকে এই পুথিত আগ বঢ়োৱা আমাৰ বিচাৰ-বিবেচনাখিনি মহাপুৰুষীয়া ধৰ্মবিষয়ক

সিদ্ধান্ত নহয়; সাহিত্য বিষয়ক বিশ্লেষণহে। মহাপুৰুষীয়া ধৰ্মবিষয়ক বিচাৰ-বিবেচনা কেৱল সাহিত্যৰে নহয়; তাৰ বাবে পৰম্পৰালব্ধ সাধন আৰু সাধনাৰো একান্ত আৱশ্যক।

বাইছ বছৰৰ আগৰেপৰা লিখি প্ৰবন্ধৰূপে প্ৰকাশ কৰি অহা এই পুথিৰ অন্তৰ্ভুক্ত ভালে কেইটা বিষয়েই যথেষ্ট বিতৰ্কমূলক। দুখৰ বিষয়, কোনো সুধীজনে আমাৰ সিদ্ধান্ত পৰিৱৰ্তন কৰিব লগাকৈ কʼতো সেইবিলাকৰ সমালোচনা কৰা আমাৰ চকুত নপৰিল। তেনে সমালোচনাৰে সিদ্ধান্ত-সমূহ পৰিশোধিত হোৱাৰ আশাতে লেখাখিনি পুথিৰ আকাৰত প্ৰকাশ কৰাত বিলম্ব ঘটিল; পিছে তাৰ সুফল হʼলে পোৱা নহল। ১৯৭০ চনতে আঠোটা শিতানত ভাগ কৰি পুথিৰূপত সজাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰদ্ধেয় (ডঃ) লীলা গগৈক কিতাপখনিৰ সম্পৰ্কত এটি মন্তব্য লিখি দিবলৈ খাটি-ছিলোঁ*। তেখেতে সেই কাম সহৃদয়তাৰে সৈতে সময়মতেই কৰি দিছিলে। 'মহাপুৰুষৰ সেৱক' মোৰ অগ্ৰজপ্ৰতিম ডঃ লীলা গগৈদেৱলৈ তেখেতৰ সহৃদয়-তাৰ বাবে কৃতজ্ঞতা জনাইছোঁ।

'মহাপুৰুষীয়া সাহিত্য'ত সন্নিবিষ্ট বিষয়সমূহ বিভিন্ন শিৰোনামেৰে বিভিন্ন পত্ৰ-পত্ৰিকাত প্ৰকাশ হৈছিল। শংকৰদেৱৰ সাহিত্যত শিৱৰ স্থান (নাম-চল, ৪ৰ্থ বছৰ, দ্বিতীয় সংখ্যা, অক্টো, ১৯৬৬), শংকৰদেৱৰ সাহিত্যত নাৰদ (নীলা: ৫ম বছৰ, ২য় সংখ্যা, অক্টো: ১৯৬৭); শংকৰদেৱৰ সাহিত্যত শক্তিৰ স্থান (ৰামধনু, ১৯ শ বছৰ, ৪/৫ সংখ্যা, ১৯৬৬), মাধৱদেৱৰ ৰচনাত শক্তিৰ স্থান (আলোক, পূজাসংখ্যা ১৯৬৯), ৰঘুনাথ মহন্তৰ অদ্ভুত ৰামায়ণত শক্তি (নীলা:, ৭ম, ২য়, ১৯৬৯), মহাপুৰুষীয়া সাহিত্যত আৰাধ্যদেৱতাবিষয়ক শৃংগাৰ-বৰ্ণন (নীলা: ৫ম, ১ম, ১৯৬৭), ৰামসৰস্বতীৰ গীতগোবিন্দত ৰাধা-কৃষ্ণ (নীলা: ৬ষ্ঠ, ১ম, ১৯৬৮), ৰামসৰস্বতীৰ ভীমচৰিতৰ শিৱ (নতুন অসমীয়া, ৭ মাৰ্চ, ১৯৬৬), মহাপুৰুষীয়া সাহিত্যত কলংগৃংসৰ (সম্ভৱতঃ অসমবাতৰি, ফাকুৱা সংখ্যা, ১৯৬৯) — এইদৰে প্ৰকাশ হৈ যোৱা প্ৰবন্ধসমূহকে পুথিৰ উপযুক্ত কৰি ইয়াত সন্নিবিষ্ট কৰা হৈছিল। শেহতীয়াকৈ এই পুথিত আৰু দুটি লেখা সন্নিবিষ্ট কৰা হʼল আৰু আগতে দুটা শিতানত সমুৱা শক্তিবিষয়ক কথাখিনি

এতিয়া একেটা শিতানৰ অন্তৰ্ভুক্ত কৰি দিয়া হ'ল।

অমাক এনে আলোচোনাত একাণপন্তীয়াকৈ আগ বাঢ়ি যোৱাৰ সুযোগ দিয়াৰ বাবে ওপৰত উল্লেখ কৰি অহা পত্ৰ-পত্ৰিকাসমূহৰ মাননীয় সম্পাদক-সকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যাৱতীয় ছপাৰ কামত সহায় কৰাৰ বাবে গৃহস্থ শ্ৰীযুত ৰাপচন্দ্ৰ মহন্তদেৱক আনুষ্ঠানিকভাৱে শলাগ জনাইছোঁ। ছপা-শালৰ উপদ্ৰৱৰ হাত সাৰিব নোৱাৰিলোঁ, যদিও 'ৰূপম প্ৰিণ্টাৰ্চ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত ৰদন বৰুৱাই অশেষ সহানুভূতিৰে সৈতেই যত্ন কৰিছিলে। বৰুৱাদেৱৰ আন্তৰিক সহযোগিতাৰ কথা মনত ৰাখিম। শেষত সহৃদয় সুধী পাঠকসমাজৰ ওচৰত সমস্ত ভুল-ত্ৰুটীৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। ইতি

সমূহৰ কৃপাপ্ৰাৰ্থী
কেশদা মহন্ত
৮।১০।৮৭

॥ শংকৰদেৱৰ সাহিত্যত শিৱৰ স্থান ॥

অসমৰ বৈষ্ণৱ ধৰ্মপ্ৰৱৰ্তক শংকৰদেৱে কীৰ্তনৰ 'নামাপৰাধ' অধ্যায়ত লিখিছে —

যত গুণ নাম বিষ্ণু শিৱৰ ।
তাক ভিন্ন বুদ্ধি কৰে যি নৰ ॥
নামৰ সিও মহা অপৰাধী ।
নৰকত পৰে দৈৱে নৰাধি ॥

পদ্মপুৰাণৰ আধাৰত লিখা এই কথাখিনিত বিষ্ণু আৰু শিৱৰ অভিন্নতা প্ৰতিপাদিত হৈছে । কোনো কোনোৰ মতে ইয়াত 'শিৱ' পদে বৈষ্ণৱক প্ৰতিনিধিত্ব কৰিছে; কাৰণ বৈষ্ণৱ পৰম্পৰাত শিৱ এজন পৰম বৈষ্ণৱ ৰূপে স্বীকৃত । বিষ্ণু বৈষ্ণৱৰ অভিন্নতা প্ৰকাশ কৰা অনেক উক্তি শংকৰদেৱৰ ৰচনাসমূহত পোৱা যায় । উদাহৰণ স্বৰূপে —

বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতেকো নাহি ভেদ ।
দুইবো কথা পাতকৰ কৰে কন্ধ ছেদ ॥ ভাঃ ১।১৫

কিন্তু 'নামাপৰাধ'ত থকা পূৰ্বোক্ত পদফাকিত শিৱ শব্দই বৈষ্ণৱক বুজোৱা নাই । ইয়াত যদি সেই শব্দৰ অভিপ্ৰেত অৰ্থ বৈষ্ণৱেই হ'লহেঁতেন, তেনেহ'লে শংকৰদেৱে তাত শিৱৰ নাম নিদি বাৰজন বৈষ্ণৱৰ ভিতৰত কপিল, নাৰদ আদি বিষ্ণুৰ অৱতাৰৰূপে স্বীকৃত বৈষ্ণৱ এজনৰ নাম দিব পাৰিলে-হেঁতেন । গতিকে ইয়াত 'শিৱ' পদে বিষ্ণুৰ সমপৰ্য্যায়ৰ দেৱতাকহে বুজাইছে ।

বিষ্ণু-শিৱৰ অভিন্নতা মানি লোৱাৰ পৰম্পৰা বহু আগৰেপৰা চলি আহিছে । সগুণ স্তৰত বিষ্ণু-শিৱৰ ভেদ থাকে, কিন্তু নিৰ্গুণস্তৰত দুয়ো যে অভিন্ন তত্ত্ব, তাৰ প্ৰমাণ শংকৰদেৱৰ ৰচনাতো অনেক ঠাইত আছে ।

বৈষ্ণৱ সাহিত্যত বিষ্ণুপদে নিৰ্গুণ পৰম ব্ৰহ্ম (পৰমপুৰুষ, মহাপুৰুষ, নাৰায়ণ বা হৰি) আৰু সত্ত্বগুণৰ দেৱতা সগুণ বিষ্ণু — এই উভয়কে বুজায়। ভাগৱতৰ দশম স্কন্ধত ব্ৰহ্মাই দেৱতাসকলক কৈছে — "বিষ্ণুৰ আদেশ শুনিয়োক দেৱগণ"। এই বিষ্ণু ব্ৰহ্মাৰ সমপৰ্য্যায়ৰ সগুণ দেৱতা বিষ্ণু মহয়। ব্ৰহ্মাই সমাধিতহে তেওঁৰ বাণী শুনিবলৈ পাইছে — 'শুনিলা আকাশী বাণী ব্ৰহ্মা সমাধিত' (ভাঃ ১০।১১)। ব্ৰহ্মাক আদেশ দিয়া বিষ্ণু সমাধিলভ্য নিৰ্গুণ ব্ৰহ্মহে। সেই একেটি বিষ্ণু শব্দই সত্ত্বগুণৰ অধিকাৰী পালক দেৱতা বিষ্ণুকো বুজায়। শংকৰদেৱৰ 'অনাদিপাতন'ত ঈশ্বৰপুৰুষে (ব্ৰহ্মই) কৈছে —

হে ব্ৰহ্মা হে বিষ্ণু হে ত্ৰিপুৰাৰি।
আজি ধৰি তিনিকো পাতিলো অধিকাৰী ॥
× × × মোৰ নিজ অংশ তুমি বিষ্ণু বনমালী।
থাকিবা সততে তুমি জগতকে পালি ॥

'বিষ্ণু'পদে নিৰ্গুণ ব্ৰহ্ম আৰু সগুণ 'বিষ্ণু' — উভয়কে বুজোৱাৰ দৰে শংকৰদেৱৰ ৰচনাত 'শিৱ' পদেও শৈৱসকলৰ পৰম দেৱতা নিৰ্গুণ ব্ৰহ্ম আৰু তমোগুণৰ অধিকাৰী সগুণ দেৱতা শিৱ — এই উভয়কে বুজোৱা দেখা যায়। শিৱচৰিত্ৰৰ ঐতিহাসিক ক্ৰমবিকাশ বিশ্লেষণ কৰি চালে তাত বিভিন্ন যুগৰ বিভিন্ন অৱদান চকুত পৰে। দেৱতা শিৱত কেতিয়াবা 'শিৱ' নামেৰে অভিহিত শৈৱ আচাৰ্য্য, কেতিয়াবা যোগী শৈৱ সাধকৰ, কেতিয়াবা আকৌ সাধাৰণ শ্ৰেণীৰ শিৱভক্তৰ চৰিত্ৰ আৰোপ কৰি মহাদেৱ শিৱৰ চৰিত্ৰটো গঢ় লৈ উঠিছে। এই সকলো ধৰণৰ শিৱকে শংকৰদেৱে তেওঁৰ ইষ্টদেৱ বিষ্ণুৰে সৈতে অভিন্ন বোলা নাই। নিৰ্গুণ ব্ৰহ্মৰ স্তৰতহে বিষ্ণু শিৱ অভিন্ন। এই স্তৰত শিৱ-বিষ্ণুক অভিন্ন ৰূপত গ্ৰহণ কৰিব নোৱাৰাজনেই 'নামাপৰাধ'ৰ ভাগী হ'ব। নামাপৰাধ কৰি ত্ৰাণ পোৱাৰ কোনো উপায় নাই, আনকি হৰিয়েও সেই অপৰাধীক ৰাখিব নোৱাৰে —

শুদ্ধ হৰিনাম সমস্তৰে।
তাৰ অপৰাধ যি নৰে কৰে ॥
তাহাৰ ৰক্ষাৰ নাহি উপায়।
অৱশ্যে সিটো অধোগতি যায় ॥
হৰিও ৰাখিব নোৱাৰে তাক। (কীৰ্ত্তন ৪৪-৪৫)

এই নামাপৰাধৰ তালিকাত থকা দহোটা অপৰাধৰ ভিতৰত বিষ্ণু-শিৱৰ ভেদ-ভাৱকো অন্তৰ্ভুক্ত কৰা হৈছে।

নিৰ্গুণ বিষ্ণু আৰু নিৰ্গুণ শিৱৰ অভিন্নতা উপলব্ধি নোহোৱালৈকে বিষ্ণুমায়াৰো অতীত হ'ব নোৱাৰি। এই কথাৰ ইংগিত পোৱা যায় দ্বাদশ-স্কন্ধ ভাগৱতৰ মাৰ্কণ্ডেয় ঋষিৰ আখ্যানত। বিষ্ণুমায়া দৰ্শন কৰাৰ অভিলাষেৰে তপস্যা কৰি কৰি অন্তত গৈ মাৰ্কণ্ডেয়ঋষি বিষ্ণুমায়াত স্বলা-কলা হ'ল। সেই সময়তে শিৱ গৈ তেওঁৰ ওচৰত উপস্থিত হ'ল। পাৰ্বতীয়ে তপস্যাৰত ঋষিক তেওঁৰ বাঞ্ছিত বৰ দান কৰিবলৈ শিৱক অনুৰোধ কৰাত শিৱই ক'লে —

নলৈবন্ত ইটো ঋষি কদাচিতো বৰ ॥
কোন আন কামনা মোক্ষতো নাহি ইচ্ছা।
বিনা হৰি ভকতি দেখন্ত সব মিছা ॥ (ভাগ: ১২।৪২২-২৩)

তথাপি মহাভাগৱত মাৰ্কণ্ডেয়ৰ লগত সম্ভাষণ কৰাৰ ইচ্ছাৰে শিৱ তেওঁৰ কাষ চাপিল। একান্ত চিত্তেৰে হৰিক ধ্যান কৰি থকা ঋষিয়ে সন্মুখত ৰৈ থকা সত্ত্বেও শিৱক দেখা নোপোৱা দেখি শিৱই ভাবিলে —

কৃষ্ণৰ মূৰ্তিত আন প্ৰৱেশিল মতি।
যিহেতু নাহিকে শৰীৰত আসকতি ॥ ৪২৬
এতেকেসে নচান্ত আমাক চক্ষু মেলি।

তেতিয়া শিৱই যোগমায়াৰ বলত ঋষিৰ হৃদয়-কমলত প্ৰৱেশ কৰিলে অৰ্থাৎ ভগৱৎ মায়াই ঋষিক শিৱৰ স্বৰূপ উপলব্ধি কৰালে। ঋষিয়ে তেওঁৰ হৃদয়ত কৃষ্ণৰ ঠাইত শিৱক দেখি বিস্ময়াভিভূত হ'ল। ইয়াত কৃষ্ণৰ ঠাইত শিৱ প্ৰকট হোৱা কথাই ঋষিৰ মনত বিষ্ণু-শিৱৰ অভেদ উপলব্ধি হোৱাৰ ইংগিত দিছে। এই উপলব্ধি হোৱাত ঋষিয়ে শিৱক নিৰ্গুণ ব্ৰহ্মৰ ৰূপত স্তুতি কৰিবলৈ ধৰিলে —

× × × পৰম ঈশ্বৰ কৰো চৰণে প্ৰণাম ॥
নমো নমো শংকৰ নিৰ্গুণ গতিদাতা।
সত্ত্ব ৰজ তম তিনি গুণে অধিষ্ঠাতা ॥ ৪৩৪

এনে তত্ত্বজ্ঞান উপলব্ধি কৰা ঋষিক শিৱই ক'লে —

এক মূৰ্তি জানা ব্ৰহ্মা বিষ্ণু ত্ৰিনয়ন ।
× × মোত মাধৱত অণুমাত্ৰ নাহি ভেদ ॥

শিৱৰ কথা শুনি ঋষিৰ বিষ্ণু মায়াজনিত ক্লেশ দূৰ হ'ল —

বিষ্ণুৰ মায়াত যত পাইলা মহাক্লেশ ।
মহেশৰ আলাপত গুচিল নিঃশেষ ॥

এই আখ্যানৰ অন্তৰ্নিহিত তত্ত্ব হৈছে — বিষ্ণু-শিৱৰ অভেদ বুদ্ধি নোহোৱালৈকে বিষ্ণু উপাসক মায়াৰ অতীত হ'ব নোৱাৰে ।

শংকৰদেৱৰ ৰচনাত শিৱক কেনেকৈ বিভিন্ন ৰূপত পোৱা যায় এতিয়া তাৰ আলোচনালৈ আহোঁ । 'নামাপৰাধ'ত চাৰিসিদ্ধই নাৰদক কৈছে —

পুছিলা পৰম ৰহস্য কথা ॥
পূৰ্বত কহিলা মোত শংকৰে ।
× × এহি দশ অপৰাধ নামৰ ।
আমাত কৃপায়ে কহিলা হৰ ॥

চাৰিসিদ্ধক ৰহস্যকথা কওঁতা এই শংকৰজন শিৱ-বিষ্ণুক অভিন্ন ৰূপত গ্ৰহণ কৰা কোনোবা শৈৱ আচাৰ্য হোৱাই সম্ভৱ । শিৱৰ উপাসকক কেনেকৈ শিৱ বোলা হ'ল আৰু দেৱতা শিৱত তেওঁলোকৰ চৰিত্ৰ কেনেকৈ আৰোপ কৰা হ'ল, সেই বিষয়ে পাছত আলোচনা কৰা হৈছে ।

কীৰ্তনৰ 'হৰমোহন'ত (অষ্টমস্কন্ধ ভাগৱততো) বিষ্ণুৰ মায়াত বন্দী হোৱা শিৱচৰিত্ৰৰ মাজেদি যোগৰ দ্বাৰা ব্ৰহ্ম সাক্ষাৎকাৰৰ সাধনা কৰা যোগীৰ চৰিত্ৰ প্ৰকাশ পাইছে । মোহিনী ৰূপ চোৱাৰ অভিলাষেৰে শিৱই গৈ বিষ্ণুক স্তুতি কৰিলে —

তুমি কাৰ্য কাৰণ সমস্ত চৰাচৰ ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ ॥
× × অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন ॥ ইত্যাদি

অদ্বৈত তত্ত্বৰূপে বিষ্ণুক এইদৰে স্তুতি কৰাৰ পাছত শিৱই নিজৰ অভিলাষ জনোৱাত বিষ্ণুৱে ক'লে —

কামুক জনৰ তাত মহা কৌতুহল ।
তুমি মহাযোগীৰ দেখিবে কোন ফল ॥
× × × দৰশনে কৰে তপ জপ যোগ ভংগ ।

তেতিয়া শিৱই গৰ্ব কৰি ক'লে —

মহাযোগ বলে শুদ্ধ কৰি আছোঁ কায়া ।
ব্ৰহ্মময় দেখোঁ কি কৰিবে পাৰে মায়া ॥
দহি আছোঁ মদনক আৰ শংকা নাই ।

শিৱৰ প্ৰাৰ্থনামতে হৰিয়ে যেতিয়া মোহিনীৰূপ প্ৰকাশ কৰিলে, তেতিয়া শিৱৰ এই গৰ্ব নৰ্বাজল —

নাহি স্মৃতি বুদ্ধি জ্ঞান কামানলে দহে প্ৰাণ
লাজ কাজ এৰিলা শংকৰ ॥
সৱে যোগ ধ্যান গৈল কন্যাক মাতিবে লৈল
প্ৰাণেশ্বৰী চাপ মোৰ কাষ ।

সেই মোহিনী নাৰীক কামাতুৰ শিৱই খেদি খেদি গৈ আলিংগন কৰিলে, কিন্তু সেই নাৰীমূৰ্তি শিৱৰ বাহু বন্ধনৰপৰা মুক্ত হৈ আঁতৰি পলাল। তেতিয়া শিৱৰ এই অৱস্থা হ'ল —

নাহি স্মৃতি বুদ্ধি যেন বাতুল লক্ষণ ।
নাৰীময় দেখন্ত সমস্ত বৃক্ষগণ ॥

যোগৰ বলত মদনক দগ্ধ কৰা অৰ্থাৎ কামভাৱক দমন কৰা শিৱৰ অৱচেতন মনত সুপ্ত হৈ থকা কামপ্ৰবৃত্তি উপযুক্ত আলম্বন (মোহিনী নাৰী) আৰু উদ্দীপন (দিব্য উপবন) পাই সাৰ পাই উঠিল। 'হৰমোহন'ৰ এই শিৱ শৈৱ যোগসাধকহে, শৈৱদৰ্শনৰ পৰশিৱ (ব্ৰহ্ম) নহয়।

অৱশেষত যেতিয়া শিৱই কামাতুৰ অৱস্থাৰপৰা চেতনা ঘূৰাই পালে, তেতিয়া তেওঁৰ অনুশোচনা হ'ল। এইখিনিত শিৱৰ উক্তিত বিষ্ণুক পৰমেশ্বৰ আৰু সেই বিষ্ণুৰ তুলনাত শিৱক নগণ্য কৰি দেখুৱা হৈছে —

কটাক্ষতে সৃজন্তে ব্ৰহ্মাণ্ড কোটি কোটি ।
এগোটা তিন্বৰ মই ক্ষুদ্ৰ এক গুটি ॥

যাহাৰ অংগত চৰাচৰ ভৈল বাজ।
হেন হৰি নুহিলে ইহাত কোন লাজ ॥
বিষ্ণুৰ আগত মই পৰম অজ্ঞানী।
জিনিলো মায়াক বুলিলোহো গৰ্বৰ্বাণী ॥

ইয়াত সংহাৰকৰ্তা ৰুদ্ৰৰ চৰিত্ৰও ওপৰত আলোচনা কৰি অহা যোগী শিৱৰ চৰিত্ৰত সংযোজিত হৈছে। সংহাৰকৰ্তা ৰুদ্ৰৰ বিষয়ে 'অনাদিপাতন'ত কোৱা হৈছে —

অহংকাৰ অধিষ্ঠাতা ৰুদ্ৰ যাৰ নাম ॥
× × যেৰে গৈল একশত বৰিষ ব্ৰহ্মাৰ।
ৰুদ্ৰৰূপে কৰে হৰে জগত সংহাৰ ॥

এই ৰুদ্ৰ অন্য প্ৰাকৃত (প্ৰকৃতিসম্ভূত) তত্ত্বৰ দৰে প্ৰলয় কালত ব্ৰহ্মত লীন হয়। 'হৰমোহন'তো বিষ্ণুৱে শিৱক কৈছে —

সুখে থাকি নিজস্থানে মহাকল্প অৱসানে
মোৰ শৰীৰতে যাইবা লীন ॥
বিষ্ণুমায়াৰ স্বৰূপ উপলব্ধি কৰা শিৱক বিষ্ণুৱে কৈছে —
শুনা শুনা শূলপাণি জানো তুমি মহাজ্ঞানী
তৰিলা দুস্তৰ মায়া ঘোৰ।
তুমিসে তত্ত্বক জানা নাহি আৰ তুমি বিনা
আউৰ অপৰ প্ৰিয় মোৰ ॥
শুনা মহাজ্ঞানশালী তোমাৰেসে বাক্য পালি
দেখাইলো দুস্তৰ স্ত্ৰীৰ মায়া।
আত নকৰিবা খেদ কিঞ্চিতেকো নাহি ভেদ
তোমাৰে আমাৰে একে কায়া ॥

ইয়াত বিষ্ণু-শিৱৰ যি অভিন্নতা দেখুওৱা হৈছে, সেয়া ব্ৰহ্ম আৰু ব্ৰহ্মজ্ঞানীৰ মাজৰ অভিন্নতা; 'ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি'।

ইয়াৰ পাছত শংকৰদেৱে মূল ভাগৱতত নথকা কথাৰ অৱতাৰণা কৰিছে। শিৱই পাৰ্বতীক কৈছে —

যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কিছু নোহে ।
বিজন ভকতিহীন সি দেখে হৰিক ভিন্ন
হৰিৰ মায়ায়ে তাক মোহে ॥
× × হেন জানি তুমি দেৱী হৰিৰ চৰণ সেৱি
কৰিয়ো কীৰ্ত্তন হৰি নাম ।

শিৱৰ এই উক্তিৰ সহায়ত শংকৰদেৱে নিজৰ মতকে দাঙি ধৰিছে । 'হৰমোহন'ত অদ্বৈত জ্ঞান আৰু ভক্তিৰ সমন্বয় সাধন কৰা হৈছে । যাৰে জগতৰে অভিন্ন হৰিকে শিৱই 'সহস্ৰ বৰ্ষৰ মানে' ধ্যান কৰিছিল বুলি তেওঁ পাৰ্ব্বতীক কৈছে । শিৱৰ উপদেশ মতে পাৰ্ব্বতীয়ে হৰিভক্তি গ্ৰহণ কৰিলে বুলি 'হৰমোহন'ত যি কথা কোৱা হৈছে, সেই কথা মূল ভাগৱতত নাই । সম্ভৱতঃ থলুৱা দেৱতা শিৱ-গৌৰীৰ গভীৰ প্ৰভাৱ থকা অসমত হৰিভক্তি জনপ্ৰিয় কৰাৰ উদ্দেশ্যেই শংকৰদেৱে এই কথাখিনি সংযোজনা কৰিছে । এই প্ৰসংগত বৰ্ণিত হৰ-গৌৰী, শৈৱদৰ্শনে যাক 'পৰশিৱ আৰু 'পৰা গৌৰী' বুলিছে, সেই তত্ত্বৰে একে নহয় । তাত্ত্বিক দৃষ্টিত 'পৰশিৱ আৰু 'পৰাগৌৰী' 'ভমাদিপাতন'ৰ 'ভগৱন্ত' আৰু 'মহামায়া'ৰে অভিন্ন তত্ত্ব ।

কীৰ্ত্তনৰ 'ওৰেষাবৰ্ণন'ত ব্ৰহ্মাই মুনিগণক শিৱ আৰাধনাৰ ব্যৱস্থা দিছে । মাৰ্কণ্ডেয় হ্ৰদত উত্তৰ ফালে মুখ কৰি তিনিবাৰ বুৰ মৰাৰ পাছত শিৱৰ এই স্তুতিমন্ত্ৰ উচ্চাৰণ কৰিব —

নমো নমো ত্ৰিনয়ন শিৱে শশীবিভূষণ
প্ৰভু বিৰূপাক্ষ মহাদেৱ ।
তুমি বিনে নাহি আন কৰা মোক পৰিত্ৰাণ
তোমাৰ চৰণে কৰোঁ সেৱ ॥

এই স্তুতিৰ পাছত শিৱৰ দোলত থকা লিংগক তিনিবাৰ প্ৰদক্ষিণ কৰি মন্ত্ৰোচ্চাৰণপূৰ্ব্বক পূজা কৰিব । লিংগৰ অৰ্থ হৈছে চিহ্ন । ওপৰত উদ্ধৃত শিৱস্তুতিত 'তুমি বিনে নাহি আন' বোলা কথাই শিৱক অদ্বৈত তত্ত্বৰ ৰূপত স্বীকাৰ কৰাটো প্ৰমাণ দিছে । শিৱলিংগ মানে শিৱৰূপী পৰম ব্ৰহ্মৰ প্ৰতীক । মূলতে লিংগ যিয়েই নাথাকক লাগে, পাছলৈ ইয়াক পৰম ব্ৰহ্মৰ প্ৰতীক

ৰূপে গ্ৰহণ কৰা হ'ল। লিংগপূজা মূলতে নিউলিথিক যুগত (প্ৰস্তৰ যুগৰ দ্বিতীয়াৰ্ধত) ভাৰতৰ আদিবাসী নেগ্ৰিটোসকলৰ পূজাপদ্ধতি আছিল বুলি পণ্ডিতসকলে কয়। ঋগ্বেদতো লিংগপূজাৰ উল্লেখ আছে।

'ওবেৰা বৰ্ণন'ত ব্ৰহ্মাই দিয়া উক্ত ব্যৱস্থামতে যি শিৱক উপাসনা কৰিব, সেই জনে শিৱলোকত ভোগ ভুঞ্জি শেষত 'শিৱযোগে যজি' অৰ্থাৎ শৈৱ পদ্ধতিৰে যোগ কৰি "শিৱৰ শৰীৰে যাইবা লীন" বোলা হৈছে। ইয়াৰ দ্বাৰা মুক্তিৰ সাধনমাৰ্গত বৈষ্ণৱ সম্প্ৰদায়েও যোগৰ প্ৰাধান্য স্বীকাৰ কৰাটো ধ্বনিত হৈছে। শিৱৰ শৰীৰত লীন হোৱাটো 'লীনমুক্তি'ৰ বাহিৰে অন্য বুলি ধৰাৰ যুক্তি দেখা নাই।

'হৰিবংশ' আৰু 'ভাগৱত'ৰ আধাৰত ৰচনা কৰা শংকৰদেৱৰ 'ৰুক্মিণী-হৰণ'কাব্যত কৃষ্ণৰ বিয়াত দেৱতা, নাগ প্ৰভৃতি সকলোৱে অনেক মূল্যবান বস্তু উছৰ্গা কৰা দেখি শিৱই নিজৰ নিঃকিন অৱস্থাৰ কাৰণে কি বস্তু উছৰ্গিব ভাবি বিমোৰত পৰা দেখা গৈছে। শংকৰদেৱে শিৱৰ এই অৱস্থা এটা ঝুনা ছন্দৰ পদ্যত বৰ্ণনা কৰিছে (শংকৰে ভণিলা শিৱৰ ঝুনা)। সমুদ্ৰ-মন্থনৰ সময়ত লক্ষ্মীৰ ৰূপ দেখি শিৱ কামাৰ্ত হৈ পৰাৰ বৰ্ণনাও শংকৰদেৱে এটা ঝুনাত দাঙি ধৰিছে। এই দুয়োটা ঝুনাৰে যেযুত শংকৰদেৱে শিৱক যথেষ্ট শ্ৰদ্ধাও দেখুৱাইছে —

(১) এ হৰি নমো নমো মহাদেৱ
  শিৱাই শংকৰ নমো গোসাঁই এ ॥
(২) এ নমো নমো মহাদেৱ শিৱাই
  শংকৰ নমো গোসাঁই এ ।।

যাৰ বসন বাঘছাল, হাতত ত্ৰিশূল-ডম্বৰু, ঘৰত মাত্ৰ একেটি গৰু, সৰ্পই ভূষণ, কণ্ঠত নৰমুণ্ডৰ মালা আৰু গাত ভস্ম, সেই শিৱই বিয়াত কৃষ্ণ-ৰুক্মিণীক কি উছৰ্গা কৰিব ভাবি বিমোৰত পৰা, তেতিয়া কৃষ্ণই "দায়াসে লাগে নলাগয় আন। হুয়ো সুপ্ৰসন্ন দেৱ ঈশান ॥" বুলি কোৱা আৰু শিৱই সেই অৱস্থাৰ বাবে লাজ পাই গুচি যোৱাৰ কাহিনীটো ৰুক্মিণী-হৰণ কাব্যত শংকৰদেৱৰ নিজা সংযোজনা। শংকৰদেৱৰ এই বৰ্ণনাত প্ৰলুব্ধ শিৱৰ চৰিত্ৰ প্ৰকাশ পাইছে।

'অনাদিপাতন'ত শিৱৰ উৎপত্তি সম্পৰ্কে কোৱা হৈছে —

তমোগুণে ভৈলা ৰুদ্ৰৰূপে মনোহৰ।
স্ফটিকতো অধিক ধৱল কলেৱৰ॥
প্ৰকাশন্তে আছে পঞ্চ বদনে সুন্দৰ।
প্ৰতিমুখে ত্ৰিতয় লোচন ৰুচিকৰ॥
জ্বলে সুবলিত মহাবাহু যে বাহুল।
নানা অস্ত্ৰ আছে তাতে ডম্বৰু ত্ৰিশূল॥
কটিত বাঘৰ ছাল গলে মুণ্ডমালা।
ললাটত জটা অতি জ্বলে চন্দ্ৰকলা॥
বিকট পিংগল জটাজুট জ্বলে মাথে।
সৰ্বাংগত শোভে সৰ্প জগতৰ নাথে॥
ডুৰ ডুৰ ডম্বৰু বজায়ে সৰ্বক্ষণ॥
হৃদয়ে ধিয়ান্ত সদা দেৱ নিৰঞ্জন॥

এই বৰ্ণনাত শিৱচৰিত্ৰৰ ক্ৰমবিকাশত অৱিহণা যোগোৱা প্ৰাক্ সকলো উপাদান প্ৰকাশ পাইছে। 'স্ফটিকতো ধৱল কলেৱৰযুক্ত' শিৱত আৰ্য উপাদান প্ৰকাশ পাইছে। তমোগুণৰ অধিকাৰীজন পুৰাণৰ যুগৰ অৱদান সংহাৰকৰ্তা শিৱ। বিভিন্ন অস্ত্ৰেৰে সজ্জিত শিৱ আৰ্যেতৰ সংস্কৃতিৰ অৱদান। প্ৰাচীন মিহৰৰ 'ৰা' নামৰ দেৱতাৰ হাতত ত্ৰিশূল, মূৰত সৰ্পৰ ভূষণ আৰু লগত এটা বৃষভ আছিল। গতিকে শিৱৰ এই ৰূপ ভূমধ্যসাগৰীয় (দ্ৰাবিড়) জাতিৰ অৱদানেৰে পুষ্ট। দ্ৰাবিড় দেৱতা 'সেম্বু' (সংস্কৃতত শম্ভু বা 'সিৱন' (শিৱ) কালক্ৰমত বৈদিক দেৱতা ৰুদ্ৰৰ লগত মিলি গ'ল। শিৱ আৰু ৰুদ্ৰ যে মূলতে ভিন্ন আছিল তাৰ প্ৰমাণ বহু ঠাইত পোৱা যায়। ৰামায়ণত ৰুদ্ৰক শিৱৰ বা শিৱপুত্ৰৰ সেৱক বুলিছে। কালিদাসৰ 'কুমাৰসম্ভৱ' মহাকাব্যত তাৰকাসুৰ-পীড়িত দেৱগণৰ লগতে একাদশ ৰুদ্ৰও ব্ৰহ্মাৰ ওচৰলৈ গৈছে (কুঃ ২২৬) আৰু ব্ৰহ্মাই তেওঁলোকৰ আগত শিৱৰ পৰম ব্ৰহ্মস্বৰূপৰ কথা কৈছে (কুঃ ২'৫৮)।

ডম্বৰু বজাই ভিক্ষা কৰি ফুৰা শিৱৰ ৰূপটো অষ্ট্ৰিক সংস্কৃতিৰ অৱদান। ডোম্ব বা ডম্বৰু নামৰ অষ্ট্ৰিক গোষ্ঠীৰ অন্তৰ্ভুক্ত এজাতি শিল্প

শ্ৰেণীৰ লোকে বাদ্যযন্ত্ৰ কৰি আৰু গীত গাই জীৱিকা নিৰ্বাহ কৰিছিল। ডম্বৰুবাদক শিৱৰ সম্পৰ্ক এই জাতিৰ লগত বুলি ধাৰণা হয়। শিৱৰ নৰমুণ্ডধাৰী ৰূপ মংগোল বা কিৰাত জাতিৰ অৱদান। মহাভাৰতত অৰ্জুনে শিৱক কিৰাত ৰূপত লগ পোৱাৰ কথা আছে। মাংসেৰে কৰা শিৱৰ পূজা-পদ্ধতি এটাক কৈৰাত পূজা বোলা হয়। তিব্বতৰ বিশেষ তান্ত্ৰিক সাধক কিছুমানে নৰ-অস্থিৰ মালা আজিও পিন্ধে।

হৃদয়ত সদায় নিৰঞ্জনক ধ্যান কৰাজন যোগী শিৱ। বৈদিক ধৰ্মৰ বহিৰ্ভূত হৈয়ে অতি প্ৰাচীন কালৰেপৰা যোগৰ সাধনমাৰ্গ কিছুমান চলি আছিল। পাছত এই সম্প্ৰদায়সমূহ শৈৱ আৰু শাক্ত সম্প্ৰদায়ত মিলি গৈ বৈদিক সমাজত সোমাই পৰিল। যোগী শিৱৰ ৰূপটো এনে অবৈদিক (সম্ভৱতঃ দ্ৰাবিড়)* যোগ সম্প্ৰদায়ৰ অৱদান।

'অমৃতমন্থন'ত (ভাগঃ ৮ম স্কন্ধ) হলাহল উদ্ভৱ হোৱাত ত্ৰস্ত হৈ ব্ৰহ্মাদি দেৱতা আৰু অসুৰগণে হলাহলৰ গ্ৰাসৰপৰা জগৎ ৰক্ষা কৰিবলৈ শিৱক স্তুতি কৰিলেগৈ। সেই স্তুতিত কোৱা হৈছে —

তুমি ব্ৰহ্মা তুমি পালা তুমিসে সংহাৰা।
নানা অৱতাৰে তুমি ভূমিক উদ্ধাৰা॥
তুমি চৰাচৰময় পুৰুষ অনাদি।
জগত স্বৰূপে তুমি আছা ব্ৰহ্মবাদী॥

ইয়াত শিৱক বিৰাট পুৰুষৰ ৰূপতো স্তুতি কৰা হৈছে। এই স্তুতিতে শিৱক বেদান্ত গায়ক, জগত নায়ক, সৃষ্টিবিধায়ক আৰু মুকুতি-দায়কো বুলিছে আৰু 'অচিন্ত্য মহিমা তুমি পুৰুষ পুৰাণ' বুলিও কোৱা হৈছে। এই স্তুতিত শিৱ যে পৰম ব্ৰহ্ম ৰূপত বৰ্ণিত হৈছে সি নিশ্চিত; নহ'লে কেওঁ স্ৰষ্টা, পালক আৰু সংহাৰকৰ্তা একেলগে কেনেকৈ হ'ব? শংকৰদেৱে এই স্তুতিত শিৱক পৰমপুৰুষ বিষ্ণুৰে সৈতে অভিন্ন কৰি প্ৰতিপাদন কৰিছে। নাৰায়ণৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ ক্ষেত্ৰত প্ৰয়োগ কৰা 'অচিন্ত্য মহিমা' 'পুৰাণ পুৰুষ' বিশেষণটি শিৱৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছে। ভাগৱতৰ মূল প্ৰতিপাদ্য নিৰঞ্জন হৰিক 'গুণমালা'ত বেদান্ত গায়ক, জগত নায়ক আৰু মুকুতিদায়ক

বোলাৰ দৰে ইয়াত শিৱকো বোলা হৈছে। 'নানা অৱতাৰে ভূমিক উদ্ধাৰ' কৰা শিৱও নাৰায়ণৰে স্বৰূপ। শৈৱ সম্প্ৰদায়ত শিৱই নকুলীশ আদিৰ অৱতাৰ ধৰাৰ কথা আছে; পিছে সেই অৱতাৰবাদ শৈৱসম্প্ৰদায়ত পাছতহে সোমোৱা। তদুপৰি অৱতাৰ ধৰি শিৱই ভূমি উদ্ধাৰ কৰাৰ কথাও শুনা নাযায়। আনহাতে নাৰায়ণে বৰাহ আদি অৱতাৰ ধৰি ভূমি উদ্ধাৰ কৰাৰ ঐতিহ্য বহুকালৰ আগৰ।

শিৱৰ এই স্তুতিত "প্ৰণামো কন্দৰ্প দিব্যনাৰী মনোহাৰী" বুলি কোৱা হৈছে। দিব্যনাৰীৰ মন হৰণ কৰা কন্দৰ্পৰ ৰূপত শিৱক কিবা কাহিনী আছে যদি আমি এতিয়ালৈকে পোৱা নাই। কিন্তু এই কথাষাৰত এটা ঐতিহাসিক তথ্য নিহিত হৈ আছে। ৰক্ষ আৰু যক্ষ নামৰ আৰ্যেতৰ গোষ্ঠী জাতি দুটাৰ (যাক আৰ্যসকলে পাছত দেৱযোনি বুলি স্বীকৃতি দিলে) মাজত ক্ৰমে শিৱ আৰু কামদেৱৰ পূজা চলি আছিল। এই দুই জাতিৰ মাজত হোৱা সংঘৰ্ষত শিৱ-উপাসক ৰক্ষবিলাকৰ হাতত কাম-উপাসক যক্ষ-বিলাক পৰাস্ত হ'ল। কাম-ভস্ম আখ্যানৰ ঐতিহাসিক তাৎপৰ্যও এয়ে বুলি পণ্ডিতসকলে কয়। বিজিত পক্ষ যক্ষবিলাকে সম্ভৱতঃ কামদেৱ আৰু শিৱক অভিন্ন ৰূপত উপাসনা কৰিবলৈ ধৰিলে। শিৱক কন্দৰ্পৰে অভিন্ন বোলাৰ কাৰণ এয়ে বুলি ধাৰণা হয়।

সুৰাসুৰৰ স্তুতিত সন্তুষ্ট হৈ জগতৰ কল্যাণৰ অৰ্থে হলাহল বিষ-পান কৰিবলৈ শিৱ ক্ষীৰসমুদ্ৰ পালেগৈ। শিৱই হেলাৰঙে হলাহল পান কৰি অৱশিষ্ট অংশ 'যোগবলে জাৰিয়া' গলত ৰাখিলে। এই 'জাৰিয়া' কথাষাৰত ডোমৰ জাতিৰ উপাদান আছে বুলি ধাৰণা হয়। জৰা-ফুকাৰ প্ৰাচুৰ্য কিৰাত গোষ্ঠীৰ লোকৰ মাজতো আছে। হলাহল পান কৰাৰ পাছত শিৱৰ নাম 'নীলকণ্ঠ' হ'ল। শুক্লযজুৰ্বেদত (১৬।২৮) শিৱক 'নীলগ্ৰীৱ' কণ্ঠ নীলা) আৰু 'শিতিকণ্ঠ' (যাৰ কণ্ঠ বগা) বোলা হৈছে — "নমঃ শিৱায় নীলগ্ৰীৱায় শিতিকণ্ঠায়"। এই বগা আৰু নীলা ৰঙৰ সংমিশ্ৰণে আৰ্য আৰু আৰ্যেতৰ উপাদানৰ সংমিশ্ৰণৰ সংকেতো বহন কৰিব পাৰে।

সমুদ্ৰমন্থনৰ প্ৰসংগত (ভাগঃ ৮ম স্কন্ধ) শংকৰদেৱে শিৱৰ ৰুদ্ৰনাটিত দিয়া বৰ্ণনামতে লক্ষ্মীক দেখিয়েই কামাতুৰ হৈ পৰা শিৱৰ হাতৰপৰা ত্ৰিশূল-

ডম্বৰু সৰি পৰিল, কটিৰ বাঘছাল সুলকি গ'ল । শিৱক উলংগ হৈ পৰা দেখি অপ্সৰাবিলাকে উপহাস কৰিবলৈ ধৰিলে । শিৱই তেতিয়া হাতেৰে গুপ্তাংগ ঢাকি তিৰাই লৰ দিলে । সংস্কৃত ভাগৱতত এই আখ্যানটো নাই; এয়া শংকৰ দেৱৰ নিজা সৃষ্টিহে । এই সময়ত যদি বিষ্ণুৰ চকুৰ আগতে শিৱই লক্ষ্মীক দেখা মাত্ৰকে এইদৰে কামাতুৰ হৈ পৰিছিল, তেনেহলে এই ঘটনাৰ কিছু পাছতে শিৱই বিষ্ণুৰ মোহিনীৰূপ চাবলৈ অভিলাষ কৰি "দহি আছোঁ মদনক তাৰ শংকা নাই" বুলি কৰা গৰ্বোক্তি অৰ্থহীন হৈ পৰে । সেই সময়ত বিষ্ণুৱে শিৱৰ এই লক্ষ্মীক দেখি হোৱা কামাতুৰ অৱস্থাৰ কথা সোঁৱৰাই নিজৰ মোহিনীৰূপ দেখুৱাবলৈ অসন্মত হ'ব লাগিছিল । পতিকে এই 'শিৱযুনা'ত সংগতি ৰক্ষা পৰা নাই ।

'বলিছলন'ত মূল ভাগৱতৰ অনুৰূপেই বিষ্ণু পাদোদকত উৎপত্তি হোৱা গংগাক শিৱই শিৰ পাতি লোৱাৰ কথা বৰ্ণনা কৰা হৈছে । এই কাহিনীত শৈৱসকলে প্ৰভাবে বৈষ্ণৱ আদৰ্শ স্বীকাৰ কৰি লোৱাৰ ইংগিত আছে বুলি ধাৰণা হয় ।

শংকৰদেৱৰ সাহিত্যত প্ৰধানভাবে বৰ্ণনা কৰা শিৱৰ কথা এইখিনিয়েই । এতিয়া এই বৰ্ণনাসমূহৰ পৃষ্ঠভূমি স্বৰূপে শিৱ-চৰিত্ৰৰ ঐতিহাসিক ক্ৰম-বিকাশৰ ওৰ কেইটা চমুকৈ দাঙি ধৰা হ'ব । শিৱ চৰিত্ৰত অতি প্ৰাচীন-তম উপাদানৰ পৰা একেবাৰে অৰ্বাচীন উপাদানলৈকে পোৱা যায় । সম্ভৱতঃ হিন্দু দেৱতাসকলৰ ভিতৰত শিৱৰ চৰিত্ৰটোৰে নানা জাতিৰ অৱদানেৰে পুষ্ট অতি বিচিত্ৰ আৰু সুদীৰ্ঘ ইতিহাস আছে । বেদৰ মৰুৎপতি ৰুদ্ৰই নেগ্ৰিটো, অষ্ট্ৰিক, মংগোল আৰু দ্ৰাবিড় অৱদানেৰে পুষ্ট হৈ বৰ্তমানে পোৱা শিৱ চৰিত্ৰটো গঢ় দিলে । আৰ্যেতৰ উপাদানসমূহে বৈদিক দেৱতা ৰুদ্ৰৰ অনেক বৈশিষ্ট্য নিঃশেষ কৰি দিলে । উদাহৰণ স্বৰূপে বৈদিক ৰুদ্ৰ সহস্ৰাক্ষ বা সহস্ৰ নয়নযুক্ত আছিল; পিছত শিৱ ত্ৰিনয়ন হ'লগৈ । লিংগ পূজাৰ কথা আগতে কৈ অহা হৈছে । কৃষক শিৱ আৰু ভাং-ধতুৰা খোৱা, বাঘছাল পিন্ধা আদি বিদ্যমান শিৱৰ ৰূপ অষ্ট্ৰিক সংস্কৃতিৰ অৱদান । মংগোল জাতিৰ পূজিত দেৱতাৰ উপাদানো ৰুদ্ৰৰ লগত বিলীন হৈ পৰিল । শিৱচৰিত্ৰত থকা দ্ৰাবিড় উপাদানৰ কথা আগতে কৈ অহা হৈছে । এইবিলাকৰ উপৰিও শিৱৰ চৰিত্ৰত

কিছুমান মানৱীয় চৰিত্ৰও আৰোপ কৰা হ'ল। শ্মশানত বাস কৰা, ভাংক নজাই ভিক্ষা মাগি ফুৰা আদি এই শ্ৰেণীত পৰে। আৰ্যেতৰ গোষ্ঠীৰ অনেক তান্ত্ৰিক শৈৱ সাধকে শ্মশানত সাধনা কৰি ভিক্ষাৰে জীৱিকা চলাইছিল। উপাস্য দেৱতাৰ নামেৰে উপাসকক নামকৰণ কৰাটো বহু প্ৰচলিত আছিল। তান্ত্ৰিক পদ্ধতিত গুৰু আৰু উপাস্য দেৱতাৰ স্থান একে হোৱা দেখা যায়। কুলাৰ্ণৱ-তন্ত্ৰত আছে — "গুৰুদেৱ পৰং ব্ৰহ্ম গুৰুদেৱ শিৱঃ স্বয়ং" (১।১।২৩)। গতিকে শৈৱ সাধকক শিৱ বোলা আৰু সাধকৰ চৰিত্ৰ কালক্ৰমত দেৱতা শিৱত আৰোপিত হোৱা অসম্ভৱ নহয়। এই প্ৰসংগত এটা কথা আঙুলিয়াব পাৰি।

আঠাইছখন শৈৱতন্ত্ৰৰ ভিতৰত দহখনৰ বক্তা পৰম শিৱ আৰু শ্ৰোতা প্ৰণৱাদি ওঠৰজন শিৱ; বাকী ওঠৰখনৰো বক্তা পৰমশিৱ আৰু শ্ৰোতা অঘোৰাদি ওঠৰজন ৰুদ্ৰ। কোনো কোনো সম্প্ৰদায়ত ধৰ্মপ্ৰৱৰ্তকজনৰ নামেৰে উত্তৰাধিকাৰীসকলৰো নামাকৰণ হোৱাৰ প্ৰথা আজিও চলি আছে। ৰামানুজ, শংকৰাচাৰ্য আৰু মাধৱাচাৰ্যৰ সম্প্ৰদায়ত আজিও মুখ্য আচাৰ্যজনক প্ৰথম প্ৰৱৰ্তকজনৰ নামেৰে অভিহিত কৰা হয়। গতিকে শৈৱ সাধকক শিৱ বোলাটো অসম্ভৱ নহয়। এনেকুৱা শিৱসাধকৰ চৰিত্ৰও কালক্ৰমত দেৱতা শিৱৰ চৰিত্ৰত বিলীন হৈ পৰিল। বৈদিক যুগৰ ঐশ্বৰ্যসম্পন্ন দেৱতা ৰুদ্ৰ, পুৰাণৰ শক্তিশালী মহাদেৱ আৰু শৈৱদৰ্শনৰ পৰমশিৱই সেইদৰেই ভিক্ষাৰীৰ ৰূপ লাভ কৰিলেগৈ। শিৱক অৱস্থাহীন গৃহস্থৰ ৰূপত সজাই বংগত খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে অনেক বিচিত্ৰ কাব্যৰ ৰচনা হৈছিল। ওচৰ-চুবুৰীয়া বংগৰ দৰে অসমতো শিৱ সম্পৰ্কে তেনে ধাৰণা বহুলভাৱে হৈছিল। শিৱৰ জনপ্ৰিয় ভিক্ষাৰী ৰূপৰ লগত পুৰাণৰ শ্ৰেষ্ঠ দেৱতা মহাদেৱ আৰু দৰ্শনৰ পৰমশিৱৰ সমন্বয় ঘটাই শংকৰদেৱে তেওঁৰ ৰচনাৱলীত শিৱ-চৰিত্ৰ গঢ় দিছে।

অসমৰ ঐতিহাসিক পৰিস্থিতি বিশেষৰ বাবে "অন্য দেৱী-দেৱ, নকৰিবা সেৱ" বুলি সাধাৰণ লোকক ভক্তি-ব্যভিচাৰ হোৱাৰ পৰা ৰখা সত্ত্বেও শংকৰদেৱে অসাধাৰণ তাত্ত্বিক দৃষ্টিৰে শিৱক 'অচিন্ত্য মহিমা' 'প্ৰধান পুৰুষ' নাৰায়ণৰে সমান মৰ্যাদা দি গৈছে। যিবিলাক ৰূপত বৈষ্ণৱসকলে শিৱক আদৰ্শ বুলি আৰু উপাস্য দেৱ বিকল্পে স্বতন্ত্ৰ ঈশ্বৰ বুলি ধৰিব নোৱাৰে,

সেইবিলাক ৰূপত শিৱক বিষ্ণুতকৈ নিম্ন পৰ্য্যায়ৰ কৰি চিত্ৰিত কৰিছে। যি-বিলাক ৰূপত শিৱ বৈষ্ণৱ আদৰ্শৰ অনুকূল, সেই ৰূপত মহান্ সমন্বয়ক আজীৱন সাধক শংকৰদেৱে শিৱৰ প্ৰতি উপাস্য দেৱতাৰ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে।

সহায়ক গ্ৰন্থ :

১) দত্তবৰুৱা প্ৰকাশিত 'শ্ৰীশংকৰ বাক্যামৃত'।
২) ডঃ ৰাঙ্গেয় ৰাঘৱৰ 'প্ৰাচীন ভাৰতীয় পৰম্পৰা ঔৰ ইতিহাস'।
৩) অধ্যাপক বলদেৱ উপাধ্যায়ৰ 'ভাৰতীয় দৰ্শন'।
৪, ৰামধাৰী সিংহ দিনকৰৰ 'সংস্কৃতিকে চাৰ অধ্যায়'।
৫। শশিভূষণ দাশগুপ্তৰ 'ভাৰতেৰ শক্তিসাধনা ও শাক্ত সাহিত্য'।

॥ শংকৰদেৱৰ সাহিত্যত নাৰদ ॥

বৈষ্ণৱ সম্প্ৰদায়ত তত্ত্বজ্ঞ আৰু তত্ত্বজিজ্ঞাসু নাৰদে এক মহত্ত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। শংকৰদেৱে কীৰ্ত্তনৰ 'চতুৰ্বিংশতি অৱতাৰ'ত লিখিছে —

ভৈলাহা নাৰদ ঋষি নামে অৱতাৰ।
পঞ্চৰাত্ৰ নামে তন্ত্ৰ কৰিলা প্ৰচাৰ ॥
যাক আচৰিলে মহা মোক্ষপদ পায়।
হৰিৰ কীৰ্ত্তন কৰি ফুৰা বীণা বাই ॥ ১৬

ইয়াতে 'ভাগৱতপুৰাণ'ৰ অনুৰূপে দেৱৰ্ষি নাৰদক নাৰায়ণৰ অৱতাৰ ৰূপে স্বীকাৰ কৰা হৈছে আৰু নাৰদ অৱতাৰৰ বৈশিষ্ট্য ৰূপে পঞ্চৰাত্ৰ নামে মহামোক্ষপদদায়ক তন্ত্ৰ প্ৰচাৰ কৰা তথা হৰিৰ কীৰ্তন কৰা কাৰ্যক দেখুৱা হৈছে। বৈষ্ণৱ সম্প্ৰদায়ত পঞ্চৰাত্ৰ তন্ত্ৰৰ বিশেষ স্থান আছে। এই তন্ত্ৰৰ প্ৰাচীনতা সম্পৰ্কে নিশ্চিতভাৱে কবলৈ আৱশ্যকীয় প্ৰমাণৰ অভাৱ যদিও এই তন্ত্ৰৰ প্ৰতিপাদিত মত যে অতি প্ৰাচীন তাৰ প্ৰমাণ মহাভাৰতে দিয়ে। পাঞ্চৰাত্ৰ মত মহাভাৰততকৈ প্ৰাচীন; কাৰণ 'শতপথ ব্ৰাহ্মণ'তে (১৩।৬।১) নাৰায়ণে পাঁচ দিন জুৰি 'পাঞ্চৰাত্ৰ সত্ৰ' কৰি থকাৰ উল্লেখ আছে। তদুপৰি মহাভাৰতত (শান্তি পৰ্ব ৩৩৫ অঃ) ভীষ্মই ইতিহাসৰ ৰূপত পাঞ্চৰাত্ৰ মতৰ প্ৰাচীনতা, উৎপত্তি আৰু ক্ৰমিক প্ৰচাৰৰ কাহিনী যুধিষ্ঠিৰক কৈছে। ভীষ্মই কোৱামতে চিত্ৰশিখণ্ডী নামৰ সাতজন ঋষিয়ে পঞ্চৰাত্ৰ শাস্ত্ৰ প্ৰণয়ন কৰিছিল আৰু ৰজা উপৰিচৰ বসুৱে ইয়াক প্ৰচাৰ কৰিছিল। তদুপৰি মহাভাৰতত এই শাস্ত্ৰৰ অনেকবাৰ বিলুপ্তি আৰু পুনৰুৎপত্তি হোৱাৰ বৰ্ণনা দিয়া হৈছে। তাৰ দ্বাৰাও পাঞ্চৰাত্ৰ মতৰ প্ৰাচীনতা প্ৰমাণিত হয়। পাঞ্চৰাত্ৰ মতৰ এই ইতিহাস ভীষ্মই নাৰদে শান্তনুৰ আগত কোৱাৰ সময়ত শুনিবলৈ পাইছিল বুলি কৈছে। শান্তিপৰ্বৰ ৩৪৯ অধ্যায়ত নাৰদে পাঞ্চৰাত্ৰৰ জ্ঞান শ্বেতদ্বীপবাসী নাৰায়ণৰ পৰা পোৱা বুলিছে। এই মহাজ্ঞানত চাৰিও বেদৰ তত্ত্ব আৰু সাংখ্য যোগৰ জ্ঞানো নিহিত হৈ আছে। নাৰায়ণৰ পৰা শুনা এই জ্ঞান নাৰদে ব্ৰহ্মাৰ সভাত শুনাইছিল [1]।

ওপৰত উদ্ধৃত কবি অহা কীৰ্তনৰ পদফাঁকিৰ আধাৰ ভাগৱতৰ মূল শ্লোকত নাৰদক 'সাত্বত তন্ত্ৰ'ৰহে প্ৰচাৰক বুলিছে —

তৃতীয়মৃষিসৰ্গং বৈ দেৱৰ্ষিত্বমুপেত্য সঃ।
তন্ত্ৰং সাত্বতমাচষ্ট নৈষ্কৰ্ম্যং কৰ্মণাং যতঃ ॥ (ভাঃ ১।৩।৮)।

---

১ ইদং মহোপনিষদং চতুৰ্বেদসমন্বিতম্ ॥
সাংখ্যযোগকৃতং তেন পঞ্চৰাত্ৰানুশব্দিতম্।
নাৰায়ণমুখোদ্গীতং নাৰদোঽশ্ৰাৱয়ৎ পুনঃ ॥
ব্ৰহ্মণঃ সদনে তাত যথাদৃষ্টং যথাশ্ৰুতম্। (শান্তিঃ ৩৩৯।১১১-১১৩)।

কীৰ্তনৰ পূৰ্বোক্ত পদ আৰু ভাগৱতৰ এই শ্লোকত তন্ত্ৰ শব্দটোৱে মতবিশেষকহে বুজাইছে। পঞ্চৰাত্ৰতন্ত্ৰ এখন মাত্ৰ গ্ৰন্থ নহয়, পঞ্চৰাত্ৰ মত প্ৰতিপাদন কৰা বিশাল সাহিত্যৰাজিয়েই 'পঞ্চৰাত্ৰতন্ত্ৰ' নামে পৰিচিত। যদিও মহাভাৰতৰ সময়ত এনে গ্ৰন্থ ৰচনাৰ প্ৰমাণ পোৱা নাযায়, পঞ্চৰাত্ৰসংহিতাৰ অনেকখিনিয়েই ভাগৱত পুৰাণৰ আগৰ ৰচনা। পঞ্চৰাত্ৰ মতৰে অন্য নাম হৈছে সাত্বত বা ভাগৱত মত। পঞ্চৰাত্ৰ আৰু সাত্বতমত যে অভিন্ন, সেই কথা শান্তিপৰ্বত[২] থকা সাত্বত মতৰ বৰ্ণনাৰ পৰা বুজিব পাৰি আৰু [illegible] মতে পাঞ্চৰাত্ৰৰ দৰে সাত্বতমততো চতুৰ্ব্যূহ সিদ্ধান্ত মানি লোৱা হৈছে।

পাঞ্চৰাত্ৰ মতটো মূলতে অবৈদিক আছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। দ্ৰাবিড় গোষ্ঠীৰ (ভূমধ্য সাগৰীয়) সুমেৰীয় ভাষাত নাৰদ শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে শ্ৰেষ্ঠ গায়ক (নৰ = ঋষি বা গায়ক, অদ = পিতা অৰ্থাৎ শ্ৰেষ্ঠ)। নাৰদ শব্দৰ এই ব্যুৎপত্তিয়ে নাৰদ চৰিত্ৰত দ্ৰাবিড় উপাদান থকাৰ ইংগিত দিয়ে আৰু মঠ-মন্দিৰ, পূজা-সেৱা আদিত গুৰুত্ব দিয়া পাঞ্চৰাত্ৰ মততো পূজা-ব্যৱস্থা নথকা বৈদিক আৰ্যৰ অৱদানতকৈ পূজা প্ৰধান দ্ৰাবিড় অৱদানৰ আধিক্য সূচায়। মূলতঃ অবৈদিক পাঞ্চৰাত্ৰ মতে ক্ৰমান্বয়ে অবৈদিক উপাদান-সমূহক বৈদিক সমাজত খাপ খোৱাকৈ গঢ় দিলে। মহাভাৰতৰ সময়তে পাঞ্চৰাত্ৰ শাস্ত্ৰই বেদৰ সমকক্ষ স্থান পালে —

তৈৰেকমতিভিৰ্ভূত্বা যৎ প্ৰোক্তং শাস্ত্ৰমুত্তমম্।
বেদৈশ্চতুৰ্ভিঃ সম্মিতং কৃতং মেৰৌ মহাগিৰৌ॥

(শান্তি ৩৩৫।২৮)।

পাঞ্চৰাত্ৰ মতৰ প্ৰচাৰক নাৰদ ঋষি গায়ক হোৱাৰ পৰা এই মতত শ্ৰৱণ-কীৰ্তনৰ প্ৰাধান্য আছিল যেন ধাৰণা হয়। মহাভাৰতত পাঞ্চৰাত্ৰ শাস্ত্ৰক সামবেদৰ তুল্য (সম্মিতঃ সামবেদেন শান্তিঃ ৩৪৮।১০) বোলাৰ পৰাও ইয়াৰ সংগীত প্ৰধানতাৰ ইংগিত পোৱা যায়।

'ছান্দোগ্যোপনিষদত সনৎকুমাৰৰ ওচৰত তত্ত্বজ্ঞান লাভাৰ্থী হৈ নাৰদে আৰু কেউত বিদিত বিষয়ৰ তালিকা কওঁতে ঋক্ যজুঃ আদি চাৰিবেদ, ইতিহাস

---

২ একব্যূহবিভাগো বা ক্বচিদ্দ্বিব্যূহসংজ্ঞিতঃ।
ত্ৰিব্যূহশ্চাপি সংখ্যাতশ্চতুৰ্ব্যূহশ্চ দৃশ্যতে॥ (শান্তিঃ ৩৪৯।৭৭)।

পুৰাণ প্ৰভৃতিৰ লগত গন্ধৰ্ববিদ্যাও জানে বুলি কৈছিল [৩]। তেতিয়া সনৎকুমাৰে এই সমস্ত বিদ্যাকে 'নাম' আখ্যা দি সেই 'নাম' ৰূপী ব্ৰহ্মৰ উপাসনা কৰিবলৈ নাৰদক কৈছিলে [৪]। পাঞ্চৰাত্ৰ মতৰ প্ৰচাৰক বুলি প্ৰখ্যাত হোৱা নাৰদৰ লগত জড়িত এই আখ্যানেও পাঞ্চৰাত্ৰ মতত নামৰ প্ৰাধান্য সম্পৰ্কে ইংগিত দিয়ে। আধ্যাত্মিক সাধনাৰ মুখ্য সাধন বুলি নামে স্বীকৃতি লাভ কৰা ভাগৱত সম্প্ৰদায়ত সেই নাৰদে অৱতাৰৰ মৰ্যাদা লাভ কৰাটো স্বাভাৱিক। অসমত উল্লিখিত কীৰ্তনৰ পদকীৰ্তিকতো হৰিৰ কীৰ্তন কৰি ফুৰাটো নাৰদৰ বৈশিষ্ট্য বুলি ধৰা হৈছে। গায়ক নাৰদ বীণাবাদনতো নিপুণ আছিল। প্ৰাচীন কালত সংগীত সাধনকো মোক্ষ-প্ৰাপ্তিৰ সাধন স্বৰূপে গণ্য কৰা হৈছিল [৫]।

গতিকে মহামোক্ষপদদায়ক পাঞ্চৰাত্ৰ মতৰ প্ৰচাৰক নাৰদ সঙ্গীতজ্ঞ হোৱাটো স্বাভাৱিক। নাৰদৰ নামত প্ৰচলিত 'সঙ্গীতমকৰন্দ' নামৰ বীণাবাদন বিষয়ক গ্ৰন্থ এখন পোৱা যায়; অৱশ্যে এই গ্ৰন্থৰ ৰচনা-কাল সম্পৰ্কে সবিশেষ জনা নাযায়। মহাভাৰতত সঙ্গীতপ্ৰধান সামবেদৰ লগত পাঞ্চৰাত্ৰ মতৰ তুলনা কৰাৰ পৰা নাৰদ-প্ৰচাৰিত এই মতত সঙ্গীতৰ বিশেষ স্থান থকাটো প্ৰমাণিত হয়।

'পদ্মপুৰাণ'ৰ (ব্ৰহ্মখণ্ড, ২৫ অধ্যায়) আধাৰত ৰচনা কৰা 'নামাপৰাধ' খণ্ডত নাৰদে সনৎকুমাৰ প্ৰভৃতি চাৰিসিদ্ধক মহাপাপ সমূহৰ বিনাশৰ উপায় সোধাত সনৎকুমাৰে ভাগৱত-ধৰ্মবিদ নাৰদক নামমাহাত্ম্য আৰু নামাপৰাধৰ বিশদ বৰ্ণনা দিয়াৰ কথা আছে। পদ্মপুৰাণত নাৰদ-সনৎকুমাৰৰ সংবাদ ৰূপত নামৰ মাহাত্ম্য প্ৰতিপাদন কৰা এই আখ্যানটো 'ছান্দোগ্যোপনিষদ'ৰ পূৰ্বোক্ত নাৰদ-সনৎকুমাৰ-সংবাদৰ আৰ্হিত ৰচিত বুলি ধাৰণা হয়।

---

৩ ঋগ্বেদং ভগবোঽধ্যেমি ... ... সৰ্পদেৱজনবিদ্যামেতদ্ ভগবোঽধ্যেমি।
(ছান্দোগ্য: ৭।১।২)।

৪ যদ্বৈ কিঞ্চৈতদধ্যগীষ্ঠা নামৈবৈতৎ। (ছা: ৭।১।৩)

৫ বীণাবাদনতত্ত্বজ্ঞঃ শ্ৰুতিজাতিবিশাৰদঃ।
তালজ্ঞশ্চাপ্ৰয়াসেন মোক্ষমাৰ্গং স গচ্ছতি॥ (যাজ্ঞবল্ক্য স্মৃতি)।

কীৰ্তনৰ 'পাষণ্ডমৰ্দন'ত নাৰদে মুনিক ৬ নাম-মাহাত্ম্যৰ উপদেশ দিয়াৰ কথা 'বৃহন্নাৰদীয়পুৰাণ'ৰ পৰা দিয়া হৈছে। 'পাষণ্ডমৰ্দন'ত আছে —

আশ্চৰ্য আশ্চৰ্য দেখিলোঁ আজি ॥
হৰি হেন নাম আছে বিনাশি।
নৰকাৰ তাপত মৰে তথাপি ॥ ৮২
হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৰদে কয় ॥

'নাৰদৰ বাণী শিলৰ ৰেখা' বুলি ইয়াত শংকৰদেৱে নাৰদৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। মহাপুৰুষীয়া সম্প্ৰদায়ত শংকৰদেৱৰ গুৰু-পৰম্পৰাত নাৰায়ণ, ব্ৰহ্মা, নাৰদ, ব্যাস আৰু শুকক স্থান দিয়া হয় *। 'পাষণ্ড-মৰ্দন'ত শংকৰদেৱে নাৰদক দিয়া গুৰুত্বৰ কাৰণ ইয়েই হ'ব পাৰে।

কীৰ্তনৰ 'প্ৰহ্লাদ চৰিত্ৰ'ত শুকে পৰীক্ষিতৰ আগত কোৱা প্ৰহ্লাদৰ আখ্যানটো পূৰ্বে 'যুধিষ্ঠিৰ আগে নাৰদে বোলা' বুলি কোৱা হৈছে। (কী: ২১৭)। 'প্ৰহ্লাদ-চৰিত্ৰ'ৰ আধাৰ সপ্তম স্কন্ধ ভাগৱতত ৰাজসূয়যজ্ঞৰ পাছতে নাৰদে যুধিষ্ঠিৰক কৈছিল বুলি আছে। পিছে মহাভাৰতত ৰাজসূয়ৰ প্ৰসংগত নাৰদে এই আখ্যান কোৱাৰ কথা নাই। পদ্মপুৰাণত নাৰদে যুধিষ্ঠিৰক কাম্যকবনত কোৱা বুলি ভালেখিনি আখ্যান পোৱা যায়। নাৰদক এইদৰে পুৰাণসমূহে অনেক গুৰুত্বপূৰ্ণ বিষয়ৰ বক্তা পাতিছে।

'প্ৰহ্লাদ চৰিত্ৰ'ত শিশু প্ৰহ্লাদে সমনীয়া দৈত্যশিশুসকলক মানৱ জীৱনৰ ক্ষণস্থায়িত্ব আৰু হৰিনাম-মাহাত্ম্যৰ বিষয়ে তেওঁ নাৰদৰ পৰা উপদেশ পাইছিল বুলিছে (কীৰ্তন ৩৬২)। অন্তেষপুৰত থাকি প্ৰহ্লাদেনো নাৰদক ক'ত লগ পালে বুলি দৈত্যশিশুবোৰে সোধাত প্ৰহ্লাদে জনালে যে পূৰ্বে হিৰণ্যকশিপুৱে দুৰ্ঘোৰ তপ আচৰণ কৰাৰ সময়ত ইন্দ্ৰই প্ৰহ্লাদৰ মাতৃক হৰণ কৰি লৈ যোৱা দেখি নাৰদে বাধা দিলে। তেতিয়া ইন্দ্ৰই দৈত্যৰাণীৰ উদৰত থকা সন্তানটি বধ কৰি ৰাণীক মুক্তি দিব বুলি কোৱাত নাৰদে ক'লে —

৬ 'নাৰদে কহন্ত মুনিক মাতি' — এই মুনিনো কোন মূল আধাৰগ্ৰন্থ 'বৃহন্নাৰদীয়পুৰাণ' খন নোপোৱাত ক'ব পৰা নহ'ল।

* ভাগ: ১০।৪২৬ পদ

নিষ্পাপ পুৰুষে আছে যতেক ।
সাক্ষাৎ ইটো মহা ভাগৱত ॥ ৩৬৯
তোমাৰ মহিমে নাহি শকতি ।

তেতিয়া ইন্দ্ৰই দৈত্যৰাণীক এৰি দিলে আৰু নাৰদে ৰাণীক আশ্ৰমলৈ লৈ গ'ল । শুশ্ৰূষাপৰায়ণা ৰাণীক নাৰদে অনেক ভক্তিমূলক জ্ঞান দিলে — 'ভক্তিৰ লক্ষণ সবে কহিল/গৰ্ভতে মোক উপদেশ দিল ॥'

'শান্তিপৰ্ব'ত কৃষ্ণই উগ্ৰসেনৰ আগত নাৰদ সকলোৰে পূজনীয় হোৱাৰ কাৰণসমূহ বৰ্ণাওঁতে কৈছে — নাৰদে সদায় আনৰ কল্যাণ সাধন কৰে; তেওঁৰ কোনো পাপ বুদ্ধি নাই [৭]। অন্য মানুহে নাৰদক নিজৰ কল্যাণ সাধনত নিয়োগ কৰে [৮]। সকলোৰে প্ৰতি সমদৰ্শী হোৱাৰ কাৰণে নাৰদৰ কোনো প্ৰিয়-অপ্ৰিয় নাই [৯]। প্ৰহ্লাদচৰিত্ৰ'ৰ নাৰদৰ চৰিত্ৰতো মহাভাৰতত কোৱা এই লক্ষণসমূহ প্ৰকাশ পাইছে । সমদৰ্শী নাৰদে দেৱৰ্ষি হৈয়ো অসহায় দৈত্য অবলাক আশ্ৰয় দিছে । তেওঁৰ এই কাৰ্য্যৰ পৰিণতি স্বৰূপেই অন্ততঃ দুৰ্দান্ত দৈত্য হিৰণ্যকশিপুৰ নিধনৰূপত জগতৰ কল্যাণ সাধন হৈছে । এইখিনিতে উল্লেখযোগ্য যে 'প্ৰহ্লাদচৰিত্ৰ'ত নাৰদৰ বৰ্ণনা মূল সপ্তম স্কন্ধ ভাগৱতৰ অনুৰূপ ।

কীৰ্ত্তনৰ 'নাৰদৰ কৃষ্ণদৰ্শন'ত থকামতে কৃষ্ণই নৰকাসুৰক বধ কৰি একেদিনাই ষোল হাজাৰ কন্যা বিয়া কৰোৱাৰ কথা শুনি বিস্মিত হৈ নাৰদ দ্বাৰকা পালেহি । তাত তেওঁ ষোল হাজাৰ দিব্য ভৱন শোভিত হৈ থকা দেখিবলৈ পালে । তাৰে এটাত ৰত্নময় সিংহাসনত বিতোপন হংসতুলি পাৰি শুই থকা জগতপতিক ৰুক্মিণীয়ে উপাসি থকা দেখিবলৈ পালে । তেতিয়া নাৰদক দেখি হৰিয়ে উঠি গৈ প্ৰণাম কৰিলে, স্তুতিবাণী বুলি নিজে আসনত বহুৱালে আৰু —

লক্ষ্মী পানী দেন্ত ভৃঙ্গাৰ ধৰি ।
ধুৱাইল ঋষিৰ চৰণ হৰি ॥ ১৪৯৯

---

৭ কল্যাণং কুৰুতে বাঢ়ং পাপমস্মিন্ন বিদ্যতে। (শান্তি : ২৩০।১৩)

৮ নিযুক্ত : শ্ৰেয়সে পৰৈঃ -(শান্তিঃ ২৩০।২২)।

৯ সমত্বাচ্চ প্ৰিয়ো নাস্তি নাপ্ৰিয়শ্চ কদাচন। (শান্তি : ২৩০।১৩)

তেন্তা পাতোসক শিৰত আনি ।
বুলিলা অমৃত মধুৰ বাণী ॥
পবিত্ৰ ভৈলো আজি ঋষিৰাজ ।
কৰিয়ো আজ্ঞা সাধোঁ কোন কাজ ॥ ১৫০০

তেতিয়া নাৰদে তেওঁ কৃষ্ণৰ চৰণ দৰ্শন কৰিবলৈ যেছে বুলি কৈ এই প্ৰাৰ্থনা জনালে —

হেন পাদপদ্ম চিন্তো সদায় ।
তোমাৰ গুণ মুখে ফুৰোঁ গাই ॥ ১৫০২
তোমাৰ পায়ে মহাভোক মতি ।
দিয়ো এহি বৰ জগত পতি ॥

ৰুক্মিণীৰ ভৱনৰ পৰা ওলাই গৈ নাৰদে অন্য এক ভৱনত প্ৰৱেশ কৰি দেখিবলৈ পালে — কৃষ্ণই হাস-পৰিহাস কৰি ভাৰ্য্যাৰ সৈতে পাশা খেলি আছে আৰু 'কাষতে উদ্ধৱে আছে নিৰেখি'। ইয়াতো নাৰদে কৃষ্ণৰ যথা-যোগ্য সৎকাৰ লাভ কৰি অন্য গৃহলৈ গৈ —

দেখন্ত ঋষি ভৈত বদুৰায় ।
আছন্ত বসি শিশু ওমলাই ॥
দেখিলা পাছে আৰ গৃহ পশি ।
স্নানক উদ্যমে আছন্ত বসি ॥ ১৫০৭

তাৰ পাছতে নাৰদে কৃষ্ণক ক্ৰমান্বয়ে বিভিন্ন পত্নীৰ বাসভৱনত হোমৰ পাছত ভোজ দি অৱশেষ ভোজন কৰা, মৌন হৈ গায়ত্ৰী জপ কৰি সন্ধ্যা উপাসনা কৰা, হাতী-ঘোঁৰাত উঠি কৌতুক কৰা, উদ্ধৱ প্ৰমুখ্যে মন্ত্ৰী-সকলৰ লগত মন্ত্ৰণা কৰা, পুৰাণ শ্ৰৱণ কৰা প্ৰভৃতি বিভিন্ন ধৰ্ম, অৰ্থ,কাম সম্বন্ধীয় কাৰ্য্যত ৰত হৈ থকা দেখিবলৈ পালে । তেতিয়া —

দেখিয়া নাৰদে তুলিলা হাসি ।
আমাকো প্ৰভু ভুৰুকোৱা আসি ॥
তোমাৰ চৰণ সেৱাৰ বলে ।
তবু যোগমায়া জানো সকলে ॥১৫১৮
জানিয়ো প্ৰভু মই মুখ্য দাস ।
কৰিয়া তোমাৰ যশ প্ৰকাশ ॥

তিনিও লোকে ফুৰোঁ বীণা বাই ।
তোমাৰ পবিত্ৰ চৰিত্ৰ গাই ॥ ১৫১৯
মাধৱে বোলন্ত শুনিয়ো মুনি ।
যেন ভক্ত তুমি কায়ো আপুনি ॥
লোকক শিখাওঁ হু ধৰ্মভেদ ।
নকৰা মুনি আত কিছু খেদ ॥ ১৫২০

নাৰদে এইদৰে কৃষ্ণৰ পৰা সংকাৰ লাভ কৰি বীণা বাই গোবিন্দৰ চৰণ চিন্তি গোবিন্দৰ গুণ-কীৰ্তন কৰি গুচি গ'ল । নাৰদৰ নিচিনা ভক্ত মুনিয়ে গৃহস্থ ধৰ্মৰ অন্তৰ্ভুক্ত সকলো যাৱতীয় কাৰ্যতে ঈশ্বৰৰ লীলা উপলব্ধি কৰাটো স্বাভাৱিক কথা । মূল ভাগৱতেও এই প্ৰসংগত পূৰ্ণকাম ভগৱন্তই ধৰ্ম বা সামাজিক আচৰণৰ শিক্ষা সাধাৰণ মানুহক দিবৰ কাৰণেই সেই আচৰণসমূহ পালন কৰা বুলিছে । তাত আছে — "মই (ভগৱন্ত) ধৰ্মৰ উপদেষ্টা, পালনকৰ্তা আৰু অনুমোদনকৰ্তা । সেই কাৰণেই লোকশিক্ষাৰ উদ্দেশ্যে মই এইবোৰ আচৰণ কৰোঁ [10] ।" শংকৰদেৱৰ 'নাৰদৰ কৃষ্ণ-দৰ্শন'ৰ কথাখিনি মূল ভাগৱতৰ দশমস্কন্ধত থকা কথাতকৈ বেলেগ নহয় ।

শংকৰদেৱৰ 'প্ৰথমস্কন্ধ ভাগৱত'ত থকামতে পৰাশৰপুত্ৰ ব্যাস এদিন বদৰিকাশ্ৰমত বহি আছে । তেওঁৰ —

উতুল খুতুল মনে নাহি সুখ শান্তি ।
নপান্ত উপায় একো মনে গুণ পাহি ॥ ২২
ব্ৰহ্মজ্ঞান চিন্তন্ত মনত নাহি সুখ ।
নজানন্ত কিসক মনত মিলে দুখ ॥
অধোমুখে আছে বসি হুয়া নিশবদ ।

সেই সময়তে হাতত বীণা লৈ উচ্চগীতেৰে হৰিনাম গাই শৰীৰ পুলকিত হৈ নাৰদ ঋষি তাত উপস্থিত হ'ল । নাৰদক ব্যাসে যথাযোগ্য সংকাৰ কৰাৰ পাছত নাৰদে চাঁহি মাৰি ব্যাসৰ অশান্তিৰ কাৰণ সুধিলে —

১০ ব্ৰহ্মন্ ধৰ্মস্য বক্তাহং কৰ্তা তদনুমোদিতা ।
তচ্ছিক্ষন্ লোকমিমাস্থিতঃ পুত্ৰ মা খিদঃ ॥ (ভা: ১০।৬৯।৪০)

চাৰিও বেদৰ কৰিলাহা শাখা ভেদ ।
যাৰ যেন জাতি ধৰ্ম দিলা পৰিচ্ছেদ ॥
কৰিলাহা ভাৰত পুৰাণ অষ্টাদশ ।
× × ব্ৰহ্মকো সাক্ষাত কৰি আছা সমাধিত ।
তথাপি তোমাৰ কেন অসন্তুষ্ট চিত্ত ॥ ২৯

তেতিয়া ব্যাসে উত্তৰ দিলে —

হওঁ যদি আমি বেদ শাস্ত্ৰত পাৰ্গত ।
কৰো নিতে ঈশ্বৰ অৰ্পণা কৰ্ম যত ॥
মহাজ্ঞানপূৰ্ণ আমি জগতে প্ৰখ্যাত ।
হোন্ত সমাধিতে ব্ৰহ্ম আপুনি সাক্ষাত ॥ ৩০
তথাপি নুগুচে মোৰ মনে অসন্তোষ ।
নপাওঁ বিমৰিষি কিবা কৰি আছো দোষ ॥
আপুনি অগাধ বুদ্ধি, অংশে অৱতাৰ ।
পুছোহোঁ তোমাক কৈয়ো কাৰণ ইহাৰ ॥ ৩১

মূল ভাগৱতত ব্যাসে নাৰদক ব্ৰহ্মাৰ পুত্ৰ স্বৰূপেহে মহাজ্ঞানী বুলিছে শংকৰদেৱে ইয়াত নাৰদক (নাৰায়ণৰ) 'অংশ অৱতাৰ' বুলি অধিক মৰ্যাদা দান কৰিছে । তাৰ পাছত নাৰদে ব্যাসক ক'লে —

তুমিসি কৰিলা সবে জগতকে নাশ ॥
নিঃস্তৰে পশুৰ লৱাইলা তুমি প্ৰাণ ।
নাহি মন্দ কৰ্ম আৰ ইহাৰ সমান ॥ ৩২
আকস্মিতে লোকক কৰাইলা হিংসা ধৰ্ম ।
নুবুজিলা তুমিও বেদৰ তত্ত্ব মৰ্ম ॥
পৰিহিত কৰ্মকো কহিলা ধৰ্ম বুলি ।
তোমাৰ বচনে লোক নাশিলে সমূলি ॥ ৩৩
স্বভাৱে লম্পট বিষয়ত অনুৰাগ ।
স্বৰ্গ পাইবো বুলি যজ্ঞে কাটে হংস ছাগ ॥
কৰে নানা হিংসা কৰ্ম আন দেৱ পূজে ।
পুণ্যক্ষয় ভৈলে দুনাই নৰকত মজে ॥ ৩৪

যদি জ্ঞানীসবে তাক কৰে নিবাৰণ।
আউৰ তাৰ বাক্যক নমানে একোজন॥
বোলে উপালম্ভ কৰি বচনে খণ্ডিত।
ব্যাসতো অধিক ভৈল এহেন্তে পণ্ডিত॥ ৩৫

নাৰদৰ এই উক্তিটো মূলত এইদৰে আছে — "স্বভাৱতে বিষয়ানুৰাগী লোকৰ ধৰ্ম লাভৰ বাবে নিন্দিত কৰ্মসমূহৰ বিধান দি তুমি মহান বিপৰ্যয় কৰিছা; কাৰণ তোমাৰ কথা বুলি মানি সাধাৰণ মানুহবোৰে এই কাম্য কৰ্মবোৰৰ নিষেধ-বচন মুঠেই নামানে। জ্ঞানীলোকে নিবৃত্তিমাৰ্গ অৱলম্বন কৰি তাৰপৰা অসীম সৰ্বব্যাপী ভগৱানৰ লীলাসমূহ অনায়াসে জানিব পাৰে। গতিকে তুমি সত্ত্বাদি গুণত্ৰয়ৰ দ্বাৰা পৰিচালিত (তজ্ঞ) সকলৰ কাৰণে ভগৱানৰ লীলাসমূহ প্ৰচাৰ কৰা [১১]।"

এসময়ত শ্ৰৌতকৰ্মৰ নামত প্ৰচলিত হোৱা যজ্ঞ-ব্ৰত আদি সকাম কৰ্মৰ ঠাইত সাৰ্বজনীন ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নাৰদে এইদৰে ব্যাসক উপদেশ দিছিল; যুগনায়ক শংকৰদেৱেও অসমৰ ঐতিহাসিক পৰিবেশৰ লগত খাপ খুৱাই নানা দেৱতাৰ উদ্দেশ্যে কৰা হিংসা প্ৰধান সকাম পূজাৰ ঠাইত ভক্তি ধৰ্ম প্ৰচাৰ কৰিবলৈ বুলি তেওঁৰ ৰচিত ভাগৱতৰ ওপৰত উদ্ধৃত কৰি অহাৰ দৰে নাৰদৰ মুখেদি ব্যাখ্যা দিয়াটো আৱশ্যক যেন দেখিলে। ভক্তি-প্ৰধান সাৰ্বজনীত ভাগৱত (সাত্বত) ধৰ্মৰ প্ৰচাৰক নাৰদৰ মুখত শংকৰদেৱে আৰু এক মহত্ত্বপূৰ্ণ বাণী সংযোগ কৰিছে —

ঊৰ্ধ্ববাহু কৰি হে'ৰা কৰো অঙ্গীকাৰ।
অধম জাতিতো যদি জন্ম ভৈল তাৰ॥
জ্ঞানীতো কৰ্মীতো কৰি তথাপি অধিক।
দেৱৰো বন্দনি সিটো ভকতি ৰসিক॥ ৪৪

---

১১ জুগুপ্সিতং ধৰ্মকৃতেঽনুশাসতঃ স্বভাৱৰক্তস্য মহান্ ব্যতিক্ৰমঃ।
যদ্বাক্যতো ধৰ্ম ইতীতৰঃ স্থিতো ন মন্যতে মন্যতে তস্য নিবাৰণং জনঃ॥
বিচক্ষণোঽস্যাৰ্হতি বেদিতুং বিভোৰনন্তপাৰস্য নিবৃত্তিতঃ সুখম্।
প্ৰৱৰ্তমানস্য গুণৈৰনাত্মনস্ততো ভৱান্ দৰ্শয় চেষ্টিতং বিভো॥
(ভাগ ১।৫।১৫-১৬)

ইয়াৰ দ্বাৰা শংকৰদেৱে উপনিষদৰ জ্ঞান আৰু বেদৰ কৰ্ম অনুষ্ঠান কৰোতাজনতকৈ অধম জাতিত জন্মিও বিষ্ণুৰ ভক্তিধৰ্ম আচৰণ কৰিছে, সেইজনক দেশকালৰ উপযোগী ভাবে শ্ৰেষ্ঠত্ব দি দেখুৱাইছে। এই বিষয়ত উদাহৰণ স্বৰূপে নাৰদৰ কথাকে কোৱা হৈছে। শংকৰদেৱৰ ভাগৱততো মূলৰ দৰেই নাৰদে ব্যাসৰ আগত তেওঁৰ উৎপত্তি জন্মৰ কথা কৈছে। পূৰ্বে নাৰদ এজন ব্ৰাহ্মণৰ ঘৰত থকা দাসীৰ পুত্ৰেক আছিল। সেই ব্ৰাহ্মণৰ ঘৰতে চাৰিজন সন্ন্যাসীয়ে থাকিবা কালছটা কটাবৰ মনেৰে আশ্ৰয় লৈছিলেগৈ। পাঁচ-বছৰীয়া নাৰদে তেওঁলোকৰ মুখত কৃষ্ণকীৰ্তন শুনিলে, সন্তৰ সংগতিয়ে তেওঁৰ মনৰ, মল দূৰ কৰিলে, কৃষ্ণ হেন দেৱত তেওঁৰ মতি হ'ল আৰু 'ভকতৰ সংগত পবিত্ৰ ভৈল চিত্ত' (ভাঃ ১।৪৮-৪৯ পদ)। যথাসময়ত এই সন্ন্যাসী কেইজনে ব্ৰাহ্মণৰপৰা বিদায় মাগি যাবলৈ ওলাল। তেতিয়া নাৰদে এই চাৰি ভক্তৰ পাছে পাছে গৈ "গুৰুসব দিয়ো মোক ভক্তি উপদেশ" বুলি কাতৰ প্ৰাৰ্থনা জনালে। তেওঁলোকে নাৰদৰ আগত 'পৰম ৰহস্য কথা কৰিল প্ৰকাশ' আৰু 'কহিলন্ত ঈশ্বৰ ভকতি মহাজ্ঞান/যেন অন্ধলাক দিলা দিব্য চক্ষু দান ॥' নাৰদে এই মহাজ্ঞান লভি 'বান্ধৱ বৃক্ষক' ভালকৈ চিনি পালে আৰু 'আন দেৱধৰ্মক মায়াময়' দেখিলে। দাসীপুত্ৰ নাৰদে এইদৰে বৈষ্ণৱৰ সংগত থাকি মহাজ্ঞান লাভ কৰা কথাৰে ভক্তিমাৰ্গত সাধুসঙ্গৰ মাহাত্ম্য দেখুৱা হৈছে। 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণ' খণ্ডত শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে —

কৰ্মবন্ধ এৰাইবে প্ৰবন্ধ যাৰ আছে ॥
বৈষ্ণৱৰ সংগ সিটো লৈব প্ৰথমত।
মোহোৰ চৰিত্ৰ শুনিবেক ভকতত ॥
মোৰ নাম কীৰ্তন কৰিবে সৰ্বক্ষণে।
হৃদয়ত মোৰ ৰূপ চিন্তিবে যতনে ॥
মোৰ যশ গায়া যিটো কৰে গীত নৃত্য।
নাহি তাৰ চিন্তা সিটো ভৈল কৃতকৃত্য ॥

(কীৰ্তন, ১৮১৮-১৯)

নাৰদৰ সাধনাও এই পদ্ধতিৰেই আগ বাঢ়িল। তেওঁ বৈষ্ণৱৰ সংগ লৈ হৰিৰ চৰিত্ৰ শ্ৰৱণ-কীৰ্তন কৰি, হৰিৰ ৰূপ হৃদয়ত ধ্যান কৰি 'ৰাত্ৰি দিনে কেশৱৰ গুণ-যশ' গাবলৈ ধৰিলে। মাতৃৰ মৃত্যুৰ পাছত দাসীসুত নাৰদে গৈ

বনত একান্ত মনে হৰিক চিন্তিবলৈ ধৰিলে। তেতিয়া তেওঁ 'সাক্ষাতে ঈশ্বৰ মূৰ্তি' দেখিবলৈ পালে। দৰ্শন দিয়াৰ ক্ষন্তেক পাছতে কৃষ্ণ অন্তৰ্ধান হোৱাত নাৰদে --

এখনে আছিলা হৃদয়ত দেখা দিয়া।
কেক গৈলা বন্ধু বুলি ধাকুৰিল হিয়া ॥

তেতিয়া নাৰদে আকাশবাণী শুনিলে (অকস্মাৎ হৃদয়ত উপলব্ধি হ'ল) —

এৰিয়োক মোক লাগি বালক ক্ৰন্দন ॥
নতু গুছে সম্যক মনৰ মল যত।
নপাইবা মোহোক দেখা আউৰ ইজন্মত ॥ ৫৮
মোৰ গুণ নাম মাত্ৰ কৰিয়ো কীৰ্ত্তন।
পাইবা আউৰ জনমত সদা দৰিশন ॥ ৫৯

এইমতে আচৰণ কৰাত নাৰদৰ 'কাল উপগত' হ'ল আৰু --
পৰিল শৰীৰ কৰ্ম্ম ছিণ্ডিল সকলে।
পাইলো পাৰিষদী তনু ভকতিৰ বলে ॥ ৬০
সেহি সময়ত আসি মিলিলা প্ৰলয়।
প্ৰৱেশিলো গৈয়া মই (নাৰদ) ব্ৰহ্মাৰ হৃদয় ॥
তাহান মানস-পুত্ৰ হুয়া ভৈলো জাত।

নাৰদে ব্যাসক কৈছে —

দেখা ভকতিৰ কিনো মহিমা সাক্ষাত ॥ ৬১
ভকতিৰ প্ৰভাৱ কহন্তে অদভুত।
ভৈলো অৱতাৰ মই হুয়া দাসীসুত ॥
মহাহৰি প্ৰসাদে তৰিলো ঘোৰ মায়া।
হেন জানি ব্যাস সকলোকে কৰা দয়া ॥ ৬২
কৃষ্ণ গুণ নাম ধৰ্ম্ম কৰিয়ো বেকত।
শ্ৰৱণ কীৰ্ত্তন কৰি তৰোক জগত ॥

দাসীসুত হৈয়ো নাৰদে হৰিভক্তিৰ বলত অৱতাৰৰ স্বীকৃতি

লাভ কৰাৰ কথাত শংকৰদেৱে মূলতকৈও অধিক গুৰুত্ব দিয়া দেখা গৈছে। এই কাহিনীৰ দ্বাৰা অসমৰ জনসাধাৰণক জাতিবৰ্ণ নিৰ্বিশেষে এনে ভক্তি ধৰ্ম আচৰণ কৰি আধ্যাত্মিক উৎকৰ্ষ সাধন কৰাৰ পথ দেখুৱাইছে। ভাগৱত উপদেষ্টা নাৰদে ব্যাসক শ্ৰৱণ-কীৰ্তনপ্ৰধান ভক্তি - ধৰ্মৰ উপদেশ দিয়াৰ পৰা ভাগৱত ধৰ্মৰ লগত শ্ৰৱণ-কীৰ্তনপ্ৰধান পাঞ্চৰাত্ৰ মতৰ সমন্বয় বা ঐক্য সাধন হোৱাৰ ইংগিত পোৱা যায়। মূল ভাগৱতত নাৰদে ব্যাসক উপদেশ দিয়াৰ আৰম্ভণিতে তলত দিয়া মন্ত্ৰ উচ্চাৰণ কৰিছে —

ওঁ নমো ভগৱতে তুভ্যং বাসুদেৱায় ধীমহি।
প্ৰদ্যুম্নায়ানিৰুদ্ধায় নমঃ সংকৰ্ষণায় চ ॥ (ভাঃ ১।৩৭)

ইয়াৰ বাহিৰেও 'ভাগৱতপুৰাণ'ৰ অনেক ঠাইত উল্লেখ কৰা এই মন্ত্ৰত পাঞ্চৰাত্ৰ মতৰ চতুৰ্ব্যূহ সিদ্ধান্তৰ প্ৰভাৱ স্পষ্টভাৱে ওলাই আছে। শংকৰদেৱৰ 'কালীয়দমন নাট'ত থকা নাগপত্নীসকলৰ স্তুতিতো এই তত্ত্ব প্ৰকাশ পাইছে —

যাহেৰ চাৰিও মুখ্য মূৰ্তি অনুপাম।
ৰাম (সংকৰ্ষণ) কাম (প্ৰদ্যুম্ন) অনিৰুদ্ধ বাসুদেৱনাম ॥

'নামঘোষা'তো এই তত্ত্ব প্ৰতিপাদন কৰা হোৱা আছে। এই-বিলাকৰ দ্বাৰা মহাপুৰুষীয়া ধৰ্মলৈকো পাঞ্চৰাত্ৰৰ প্ৰভাৱ অহাটো প্ৰমাণিত হয়।

দাসীপুত্ৰ হৈয়ো নাৰদে সাধনাৰ বলত পৰজন্মত ব্ৰহ্মাৰ পুত্ৰ হৈ জন্মি দেৱৰ্ষি হোৱাৰ কাহিনীত এক ঐতিহাসিক তথ্য সোমাই আছে যেন লাগে। নাৰদ আৰু পাঞ্চৰাত্ৰ মতত দ্ৰাবিড় উপাদান থকাৰ কথা আগতে কৈ অহা হৈছে। 'ছান্দোগ্যোপনিষদ'ত থকা নাৰদৰ কথা আৰু অস্পষ্ট হ'লেও 'শ্বেতাশ্বতৰোপনিষদ'ত থকা পাঞ্চৰাত্ৰ সাৰ উল্লেখে নাৰদ আৰু পাঞ্চৰাত্ৰ মতৰ প্ৰাচীনতা প্ৰমাণ কৰে। বেদত উল্লেখ নাই যদিও উপনিষদৰ যুগত আৰ্য সমাজত স্থান পোৱা নাৰদ আৰু পাঞ্চৰাত্ৰ মতে প্ৰাক্ বৈদিক কালতো অনাৰ্যৰ সমাজত গুৰুত্বপূৰ্ণ স্থান পাই আছিল। কাল-ক্ৰমত খোৱিয়া নাৰদ প্ৰচাৰিত পাঞ্চৰাত্ৰ মতে বৈদিক ধৰ্মত বিশিষ্ট স্থান

পালে, মূলতে তেতিয়া আৰ্যেতৰ ব্যক্তি নাৰদক, আৰ্য দেৱতা ব্ৰহ্মাৰ মানস-পুত্ৰ ৰূপে নতুন জন্ম পোৱা কাহিনীৰ সহায়ত বৈদিক আৰ্যৰ লগত স্থান দিয়া হ'ল। কোনো লোক বা বংশৰ প্ৰাচীনতা দেখুৱাবলৈ ব্ৰহ্মাক আদি পুৰুষ বুলি কোৱাৰ প্ৰথাটো বহুলভাবে প্ৰচলিত। নাৰদৰ ক্ষেত্ৰতো ব্ৰহ্মাৰ পুত্ৰ বুলি পৰিচয় দি নাৰদৰ প্ৰাচীনতা প্ৰতিপন্ন কৰা হ'ল। নাৰদক ব্ৰহ্মাৰ মানস পুত্ৰ বোলাৰ পৰা আৰ্যেতৰ বস্তুৰ নাৰদ আৰু ব্ৰহ্মা অৰ্থাৎ আৰ্য আদৰ্শৰ মানসিক সম্পৰ্ক ঘটাৰ ইংগিত পোৱা যায়। বহুমুখী ব্যক্তিত্বসম্পন্ন আৰ্যীকৃত নাৰদে নিজৰ যোগ্যতাৰেই আৰ্যসমাজত দেৱৰ্ষিৰ মৰ্যাদাও লাভ কৰিলে। ভাগৱতত নাৰদক নাৰায়ণৰ তৃতীয় অৱতাৰ বোলা কথায়ো নাৰদৰ প্ৰাচীনতাৰ প্ৰমাণ দিয়ে।

শংকৰদেৱৰ 'দ্বিতীয় স্কন্ধ ভাগৱত'ত আছে — এদিন কৃষ্ণৰ সেৱক ব্ৰহ্মাৰ তনয় নাৰদ ব্ৰহ্মাৰ ওচৰলৈ গ'ল, 'জানিবাক মহামুনি কৃষ্ণৰ মায়াক' নাৰদক দেখি তুষ্ট হৈ ব্ৰহ্মাই তেওঁৰ আগমনৰ উদ্দেশ্য সুধিলে। তেতিয়া —

নাৰদ বদতি নমো দেৱ সৃষ্টিকৰ।
বুজায়োক মোক জ্ঞান সাধন সুন্দৰ ॥
জগত প্ৰকাশে কোনে কাহাত আশ্ৰয়।
কোনে স্ৰজে কোনে পালে কাহাত থাকয় ॥
× × কোন জ্ঞানদাতা গুৰু তযু পিতামহ।
তযু সেৱা দেৱ কোন অধীন কাহাৰ ॥
× × মোৰ মনে তোমাকে ঈশ্বৰ বুলি লয়।
তযু ৰূপ দেখি তাত সংশয় লাগয় ॥
এতেকে তোমাত কাৰ আছে শ্ৰেষ্ঠ দেৱ।
× × মোৰ মহা সংশয় ছেদিয়ো কৃপাময় (ভাগঃ ২।৪৮৫-৯০)

মূল ভাগৱতত নাই যদিও এনে প্ৰশ্ন কৰা নাৰদৰ প্ৰতি এটি প্ৰশংসাৰ বাণী শংকৰদেৱে ব্ৰহ্মাৰ মুখত দিছে —

ধন্য ধন্য কৃপালু নাৰদ মহামতি।
মোক পুনু আসি তুমি কৃপাসে কৰিলা।
যাতো গোবিন্দৰ গুণ কহিবে বুলিলা ॥ ৪৯১

মহাধৰ্ম কৃষ্ণকথা শ্ৰৱণ কীৰ্তন ।
এতেকে বৰ্ণাও শুনা কৰি একমন ॥

শ্ৰৱণ-কীৰ্তনৰ মহত্ত্ব দেখুৱাবলৈকে নাৰদক এইদৰে প্ৰশংসা কৰোৱা হৈছে । নাৰদৰ প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই বিৰাট পুৰুষৰ বিভূতি আৰু ভগ-ৱানৰ লীলাৱতাৰ সমূহৰ বৰ্ণনা কৰি 'ইষ্টদেৱ কৃষ্ণৰ কহো লীলাচয়' বুলি কৃষ্ণলীলা সমূহৰ বিস্তৃত বৰ্ণনা দিছে । এইদৰে ব্ৰহ্মাই কৃষ্ণলীলা বৰ্ণনা কৰাৰ কথাটো মূল ভাগৱতত নাই । শংকৰদেৱৰ মতে 'কৃষ্ণলীলা কহি বিধি মন নোহে ভংগ/নাৰদৰ উঠি গৈলা প্ৰেমৰ তৰংগ ॥'

ব্ৰহ্মাই নাৰদক এই সময়ত কোৱা কথাখিনিহেই বিস্তৃত ৰূপ হ'ল 'ভাগৱতপুৰাণ' । এই কথাকে নাৰদে ব্যাসক আৰু ব্যাসে শুকক ক'লে, শুকৰ-পৰা শ্লোকত মহাভাগৱতশাস্ত্ৰ প্ৰচাৰিত হ'ল । 'দ্বাদশস্কন্ধ ভাগৱত'ত শুকে পৰীক্ষিতক কৈছে —

পাছে পদ্ম কল্পত কেশৱ সাক্ষাত ।
ইটো মহাভাগৱত কহিলা ব্ৰহ্মাত ॥ ১৯২
পৰম দয়ালু দেৱ জগতৰে পিতা ।
কৈলা নাৰদত ইটো পুৰাণ সংহিতা ॥
কৃষ্ণ দ্বৈপায়ন যিটো মোৰ পিতৃ ব্যাস ।
দায়ায়ে নাৰদে ভাগত কৰিলা প্ৰকাশ ॥ ১৯৩
নাৰদৰ উপদেশে ব্যাস সৰ্বজান ।
কৰিলা বিস্তৰ ইটো শাস্ত্ৰক নিৰ্মাণ ॥
মহাভাগৱত ইটো পুৰাণ সংহিতা ।
পৰম স্নেহত মোক কহিলন্ত পিতা । ১৯৪

ইয়াত নাৰায়ণৰপৰা শুকলৈকে ভাগৱত-বক্তাৰ যি পৰম্পৰা দেখুৱা হৈছে, তেওঁলোকে যে আমি বৰ্তমানে পোৱা ভাগৱতখনকে শাৰীয়ে শাৰীয়ে কৈছিল সেইটো নহয়; তেওঁলোকে ভাগৱতৰ সাৰতত্ত্বখিনিহে কৈছিল । সেইদৰে নাৰদে 'পঞ্চৰাত্ৰ তন্ত্ৰ' প্ৰচাৰ কৰা মানে 'নাৰদপঞ্চৰাত্ৰ'খন লিখি প্ৰচাৰ কৰা নহয়; সমগ্ৰ পাঞ্চৰাত্ৰ সংহিতাৰ মূল প্ৰতিপাদ্য তত্ত্বৰ প্ৰচাৰক বুলিহে নাৰদক বুজিব লাগিব ।

'দশম স্কন্ধ ভাগৱত'ত বসুদেৱে পূৰ্বৰ প্ৰতিশ্ৰুতিমতে প্ৰথম সন্তানটি জন্ম হোৱা মাত্ৰকে কংসক সমৰ্পণ কৰাত দয়া উপজি কংসই শিশুটি বসুদেৱক ঘূৰাই দিয়ে। সেই সময়তে —

অনন্তৰে আসি নাৰদে বোলন্ত শুন ৰে অবোধ কংস।
বসুদেৱ আদি কৰিয়া যতেক দেখস যাদৱ বংশ॥
নন্দ আদি কৰি যতেক গুৱাল আছে মনুষ্যৰ ৰূপে।
ইটো সবে দেৱ জানিবি নিশ্চয় কহিলো তোত স্বৰূপে॥ ৪৮
দৈৱকী যশোদা আদি কৰি যত সবে দেৱতাৰ নাৰী।
তই কালনেমি আছিলি পূৰ্বত মাৰিলা তোক মুৰাৰি॥
দৈৱকীৰ গৰ্ভে উপজি দনুাই তোক মাৰিবন্ত হৰি।
যাক জ্ঞাতি বুলি আপুনি মানস সবায়ে তোহোৰ বৈৰী॥ ৪৯
তোক মাৰিবাক সবাৰো যতন সত্বৰে চিন্ত উপায়।

শংকৰদেৱৰ 'দশম'ত থকা নাৰদৰ এই উক্তি মূলৰ অনুৰূপ নহয়। মূলত নাৰদে বসুদেৱ, নন্দ প্ৰভৃতি প্ৰকৃততে দেৱতা আৰু পৃথিৱীৰ ভাৰ লঘু কৰিবলৈ ভগবান অৱতীৰ্ণ হ'ব বুলি মাত্ৰ কৈছিলে (ভাগঃ ১০।১।৬২-৬৪) দৈৱকীৰ পুত্ৰৰূপে হৰিয়ে কংসক মাৰিব বুলি নাৰদে কংসক তাৰ উপায় চিন্তিবলৈ তাত কোৱা নাছিল। মহাভাৰতত নাৰদ সৰ্বলোকে পূজনীয় হোৱাৰ কাৰণ স্বৰূপে এই বুলিও কোৱা হৈছে — 'সৰল স্বভাৱৰ আৰু সত্যবাদী নাৰদে কাৰো গোপনীয় কথা প্ৰকাশ নকৰে[12]।' ইয়াৰ প্ৰথম লক্ষণটো ভাগ-ৱতৰ নাৰদত দেখা গৈছে, কিন্তু দ্বিতীয়টি হ'লে নাই। পৰৰ গোপনীয় কথা প্ৰকাশ কৰি কাজিয়া লগাই বং চোৱাৰ প্ৰবৃত্তি নাৰদচৰিত্ৰত 'হৰিৱংশ'ৰ যুগতে জুৰি দিয়া হ'ল, মহাভাৰতে কোৱা নাৰদৰ যুদ্ধ প্ৰিয় স্বভাৱেই (যুদ্ধ-গান্ধৰ্বসেৱী সভা ঃ ৫।৯) ইয়াৰ আধাৰ যেন ধাৰণা হয়। 'হৰিৱংশ'ত নাৰদৰ বৈশিষ্ট্য সমূহৰ লগতে কোৱা হৈছে — নাৰদ জগতত গোপন ৰহস্যৰ

---

১২ ঋজুশ্চ সত্যবাদী চ তস্মাৎ সৰ্বত্ৰ পূজ্যতে।

আৰু

অভেত্তা পৰগুহ্যানাং তস্মাৎসৰ্বত্ৰ পূজ্যতে (শান্তি পৰ্ব ২৩০৮,২২)।

প্ৰকাশ কৰোঁতা এক অনৰ্থ ঘটোৱাত ধূমকেতুৰ নিচিনা (উৎপাতহেতুত্বাদ্ ধূমকেত্বাদিসম নীলকণ্ঠ); বৈৰ অৰ্থাৎ কলহৰূপ কৌতুকত তেওঁ আমোদ পায়। তেওঁ যেন দ্বিতীয় কলিহে [১৩]। নাৰদৰ এনে চৰিত্ৰৰ উদাহৰণো হৰিবংশতহে আছে। কংসবধৰ উদ্দেশ্যে দেৱতাসকলে বিভিন্ন ৰূপত পৃথিৱীত জন্ম লোৱাৰ পাছত নাৰদে কংসক কৈছেহি — "মই এদিন ব্ৰহ্মাৰ সভালৈ গৈ ব্ৰহ্মাদি দেৱতাগণে মন্ত্ৰণা কৰি থকা শুনিবলৈ পালোঁ, তেওঁলোকে অনুচৰ বৰ্গৰে সৈতে তোমাক বধ কৰাৰ উপায় চিন্তিছে। তোমাৰ ভনীয়েৰা দেৱকীৰ অষ্টম গৰ্ভত উৎপন্ন হৈ দেৱতাসকলৰ গতিস্বৰূপ স্বয়ম্ভু, পুৰুষোত্তম দেৱ বিষ্ণুৱে তোমাৰ বিনাশ সাধন কৰিব। গতিকে তুমি দেৱকীৰ গৰ্ভনাশৰ কাৰণে যত্নপৰ হোৱাঁ। তোমাৰ প্ৰতি থকা মৰমৰ কাৰণেহে মই এই কথা কবলৈ আহিলোঁ [১৪] (ভাৱানুবাদ)।" ইফালে এই নাৰদেই ভূ-ভাৰ হৰণৰ কাৰণে বিষ্ণুৱে স্বয়ং অৱতীৰ্ণ হোৱাত বিলম্ব দেখি বিষ্ণুৰ ওচৰলৈ গৈ কৈছে— "হে বিষ্ণু, তুমি অৱতীৰ্ণ হ'লেহে কংসৰ বিনাশ সাধন হ'ব। যি উদ্দেশ্যে

---

১৩ তেষাং জনতি গুহ্যানাং বিগ্ৰহাণাং গ্ৰহোপমঃ।
× × বৈৰকেলিকিলো নিত্যং ব্ৰহ্ম. কামবিৰাগৰঃ।। (হৰি: ১।৫৪।১০-১২)

১৪ সোঽহং কদাচিদ্দেৱানাং সমাজে মেৰুমূৰ্দ্ধনি।
সংগৃহ্য বীণাং সংসক্তাং গচ্ছন্ ব্ৰহ্মণঃ সভাম্ ॥
সোঽহং তত্ৰ সিতোষ্ণীষান্নানাৰত্নবিভূষিতান্ ।
দিব্যাসনগতান্ দেৱানপশ্যং সপিতামহান্ ॥
তত্ৰ মন্ত্ৰয়তামেৱং দেৱতানাং ময়া শ্ৰুতঃ ।
ত্বত : সানুগস্যৈৱ বধোপায়ঃ সুদাৰুণঃ ॥
তত্ৰৈষা দেৱকী যা তে মথুৰায়াং লঘুস্বসা ।
যোঽস্যাং গৰ্ভোঽষ্টমঃ কংস স তে মৃত্যুৰ্ভৱিষ্যতি ॥
দেৱানাং স তু সৰ্বস্বং ত্ৰিদিৱস্য গতিশ্চ সঃ ।
পৰং ৰহস্যং দেৱানাং স তে মৃত্যুৰ্ভৱিষ্যতি ॥
× × যত্নশ্চ ক্ৰিয়তাং কংস দেৱক্যা গৰ্ভকৃন্তনে।
এষা মে ত্বৎকৃতা প্ৰীতিৰ্যদৰ্থং চাহমাগতঃ (হৰি: ১।৫।৪৮৩)

লৈ পৃথিৱী তোমাৰ ওচৰলৈ আহিছিল সিও সিদ্ধ হ'ব । গতিকে হে হৃষীকেশ, তুমি পৃথিৱীলৈ গৈ দানৱবোৰক নিধন কৰা [১৫] ।" এইদৰে দেখা গ'ল যে শংকৰদেৱৰ দশমত মূলত নথকা নাৰদৰ কংসৰ প্ৰতি "তোক মাৰিবাক, সবাৰে বতন, সদৰে চিন্ত উপায়" বোলা কথাষাৰৰ আধাৰ হৰিবংশহে হোৱা সম্ভৱ ।

শংকৰদেৱৰ 'দশম'ত নাৰদে কংসক পুনৰ সাৱধান বাণী শুনাইছে —

নিচিন্তে আছস বসি এতো ভোজৰাজ ॥ ১৬৫৪
বাঢ়ন্ত ব্ৰজত কৃষ্ণ তোৰ চিন্তিত মাৰ ।
আফালিলি কন্যা যিটো জীউ যশোদাৰ ॥
বসুদেৱসুত ৰাম-কৃষ্ণ দুয়ো ভাই ।
মিত্ৰ নন্দ ঘৰে ভয়ে থৈলা পলুৱাই ॥ ১৬৫৫
তোৰ যত বীৰগণ প্ৰৱেশে গোকুল ।
সবাকো দোভাই মাৰি কৰন্ত নিৰ্মূল ॥
স্বৰূপ কহিলো চিন্ত সতৰে উপায় ।

এই কথা শুনি কংসই খঙত বসুদেৱক কাটিবলৈ খাণ্ডা তুলি লৈছিল, তেতিয়া নাৰদে কলে —

এৰ বসুদেৱক সম্প্ৰতি শুই ৰাগ ।
পিতৃ হত শুনি দুই নৈদিবন্ত লাগ ॥
মাৰ ৰাম-কৃষ্ণক সতৰ কৰি আগে ।
পাছে বসুদেৱক মাৰিবি যেহি লাগে ॥ ১৫৫৮

কীৰ্তনৰ 'কংসবধ' খণ্ডতো নাৰদে গৈ কংসক এনেদৰে কোৱাৰ কথা আছে । পিছে কীৰ্তনত ভাগৱতভকৈ ঘটনাক্ৰমৰ কিছু পৰিৱৰ্তন কৰা হৈছে । ভাগৱতৰ মতে নাৰদে কংসক এইদৰে কোৱাৰ পাছত কংসই কেশীদৈত্যক

---

১৫ তৱাৱতৰণে বিষ্ণো কংস : স বিনশিষ্যতি ।
সেৎস্যতে চ স কাৰ্যাৰ্থো মমাৰ্থে ভূমিৰাগতা ॥
× × তদাগচ্ছ হৃষীকেশ ক্ষিতো তাং জহি দানৱান ॥
(হৰি : ১।৫।৫৮৬)

গোকুললৈ পঠাইছে আৰু সেই দৈত্যক কৃষ্ণই বধ কৰাৰ পাছত নাৰদ কৃষ্ণৰ ওচৰলৈ গৈছে; কিন্তু কীৰ্তনত থকামতে কেশীক বধ কৰাৰ পাছতে নাৰদ কৃষ্ণৰ ওচৰলৈ গৈছে আৰু তাৰ পাছতহে কংসৰ ওচৰলৈ গৈ লগোৱা-ভগোৱা কামবোৰ কৰিছে।

কীৰ্তন আৰু ভাগৱত দুয়ো ঠাইতে নাৰদে কৃষ্ণক কৰা স্তুতিৰ কথাখিনি একেই। কীতৰ্নত থকামতে কেশীবধৰ পাছত কৃষ্ণক সাক্ষাৎ কৰি তাৰ পাছতহে নাৰদে গৈ কংসক কৈছে —

নিচিন্ত আছস এভো কেন ভোজ ৰজ ॥
তোক মাৰিবাক লাগি দেৱৰ যতন। ইত্যাদি

এই কথাখিনি 'দশম'ত থকা কথাৰে একেই; কিন্তু এইখিনি মূল ভাগৱতত এইদৰে নাই। তাত "নিচিন্ত আছস ·········" আৰু স্বৰূপ কহিলো চিন্ত সত্বৰে উপায়" বুলি নাৰদে কংসক দিহা-বুধি দিয়া নাছিলে।

কীৰ্তনত নাৰদে কংসক দিহা-বুধি দি আকৌ দ্বিতীয়বাৰ কৃষ্ণৰ ওচৰলৈ গৈছে —

উলটি বসিল কংস নাৰদৰ হাকে।
× × পাছে দেৱ ঋষি গোকুলত গৈলা বহি।
বুলিলা কৃষ্ণক স্তুতি আকাশতে ৰহি ॥
ভাৰ সংহাৰকৰ্তা আউৰ নাহি তুমি বিনা।
কংসক বধিবা প্ৰভু পৰশুই দিনা ॥ ১০৪১
দিবা উগ্ৰসেনক কংসৰ ৰাজ্য ভাৰ।
বসুদেৱ দৈৱকীৰ খণ্ডিবা নিকাৰ ॥
তোমাৰ মনুষ্যলীলা দেখিবো হৰিষি।
এহি বুলি স্বৰ্গক গৈলক দেৱ ঋষি ॥ ১০৪২

এই কথাখিনি শংকৰদেৱৰ 'দশম' আৰু মূল'ভাগৱত', এঠাইতো নাই। ভাগৱতত‌কৈ শংকৰদেৱৰ দশমত নাৰদৰ কলহপ্ৰিয়তা বৃদ্ধি পালে, কীৰ্তনত আৰু একাঠি চৰিল। এই প্ৰসংগত 'হৰিবংশ'ত নাৰদক অৱতাৰ কৰা নাই যদিও নাৰদৰ কলহপ্ৰিয় চৰিত্ৰৰ আদৰ্শ যে শংকৰদেৱে হৰিবংশ'ৰপৰাই

লৈছে, সেই কথা আগতে আলোচনা কৰি অহা হৈছে।

বহুতে ভবাৰ দৰে শংকৰদেৱৰ ‘পাৰিজাতহৰণ নাট’ৰ টুটকীয়া কলহপ্ৰিয় চৰিত্ৰটো তেওঁৰ অভিনৱ সৃষ্টি নহয়। ‘হৰিবংশ’ত থকা নাৰদ-চৰিত্ৰই শংকৰদেৱৰ টুটকীয়া নাৰদৰ আদৰ্শ। ‘পদ্মপুৰাণ’তো নাৰদৰ এনে স্বভাৱৰ উদাহৰণ পোৱা যায়। তাত দুৰ্দান্ত দৈত্যৰাজ জালন্ধৰক মাৰিবলৈ দেৱতাসকলে মন্ত্ৰণা কৰি শিৱক ভাৰ দিছে বুলি নাৰদে জালন্ধৰক লগাই থৈ আহিছেগৈ। কলহপ্ৰিয় নাৰদ সিমানতে ক্ষান্ত থকা নাই; কন্দলৰ সৃষ্টি কৰি বং চাবলৈ তেওঁ অল্পমতি জালন্ধৰক পাৰ্বতীৰ অনুপম সৌন্দৰ্যৰ কথা কৈ দৈত্যক পাৰ্বতীক লাভ কৰিবৰ বাবে ব্যাকুল কৰি দিছে (পদ্মঃ উত্তৰঃ ১১ আৰু ৯৯ অধ্যায়)। গতিকে টুটকীয়া আৰু কলহপ্ৰিয় নাৰদৰ চৰিত্ৰ শংকৰদেৱতকৈ প্ৰাচীন আৰু তেওঁ সেই নাৰদৰ আদৰ্শ তেওঁৰ আধাৰ গ্ৰন্থ ‘হৰিবংশ’ আৰু ‘পদ্মপুৰাণ’ৰপৰা পোৱাত অকণো অস্বাভাৱিকতা নাই।

‘পাৰিজাত হৰণ’ৰ কাহিনীটো ‘হৰিবংশ’, ‘বিষ্ণুপুৰাণ’ আৰু ‘ভাগৱত’ত আছে যদিও, শংকৰদেৱে তাক নিজাকৈ সজাইছে। ‘পাৰিজাতহৰণ নাট’ৰ ঘটনাক্ৰম ‘ভাগৱত’ আৰু ‘বিষ্ণুপুৰাণ’ৰ লগত মিলে যদিও এই দুয়ো ঠাইতে এই প্ৰসংগত নাৰদ চৰিত্ৰটো নাই। ‘হৰিবংশ’ত পাৰিজাতহৰণ’ৰ নাৰদৰ নৰকাসুৰ-বধৰ কাহিনীটো জড়িত নহয় যদিও তাত এই প্ৰসংগত থকা নাৰদৰ ভূমিকাৰ লগত শংকৰদেৱৰ ‘পাৰিজাতহৰণ’ৰ নাৰদৰ মিল আছে। ‘হৰিবংশ’ৰ মতে নৰকাসুৰবধৰ পাছত নাৰদে কৃষ্ণক দেখা কৰিবলৈ যাওঁতে তেওঁক এপোহ পাৰিজাত দিয়েগৈ। কৃষ্ণই তেওঁৰ কাষতে থকা ৰুক্মিণীক এই দিব্যপুষ্প প্ৰদান কৰে আৰু ৰুক্মিণীয়ে পতিৰ ইচ্ছামতে ফুলপাহ খোপাত পিন্ধে। তেতিয়া নাৰদে পাৰিজাতৰ গুণ-গান গাই সেই ফুল কৃষ্ণৰ পৰা উপহাৰ পাই ৰুক্মিণীয়ে পিন্ধিবলৈ পোৱাটো সৌভাগ্যৰ কথা বুলি কয়। নাৰদে ৰুক্মিণীৰ মনত সতিনীৰ প্ৰতি ঈৰ্ষা জন্মাবলৈ ক’লে — “হে ৰুক্মিণী, আজি কৃষ্ণৰ ষোল হাজাৰ পত্নীৰ ভিতৰত তুমিয়েই যে শ্ৰেষ্ঠ সেই কথা বুজিলোঁ। আজি তোমাৰ সপত্নীসকলৰ গৰ্ব চূৰ হৈছে, কাৰণ কৃষ্ণই আজি তোমাক দিব্য পাৰিজাত পুষ্প উপহাৰ দিছে। নিজকে পৰম ৰূপৱতী বুলি ভাবি গৰ্ব কৰা সত্যভামাই আজি বুজিব, তেওঁ কিমানৰ ভাগ্যৱতী। × × × হে ভাগ্যৱতী, তুমি যে কেশৱৰ জীৱন স্বৰূপ আজি মই সেই কথা বুজিছোঁ;

কাৰণ আজি কেশৱে তোমাকেই ত্ৰৈলোক্যৰ পাৰিজাত উপহাৰ দিছে (হৰিঃ ২।৬৫।৩৬-৪৩)।"

'হৰিবংশ'ত অৱশ্যে নাৰদৰ এই উচটনিয়ে ৰুক্মিণীৰ মনত সপত্নী-বিদ্বেষ জগাব পৰা নাই আৰু নাৰদৰ তেনে উদ্দেশ্যৰ কথাও স্পষ্টকৈ কোৱা নাই; কিন্তু আমি যদি আগতে আলোচনা কৰি অহা টুটকীয়া নাৰদ-চৰিত্ৰক পটভূমিত লৈ চাওঁ, 'হৰিবংশ'ৰ এই প্ৰসংগতো নাৰদৰ সেই স্বভাৱ ধৰা পৰিব। শংকৰদেৱেও 'হৰিবংশ'ৰ নাৰদ-চৰিত্ৰটোকে এই প্ৰসংগত আধাৰ স্বৰূপে লোৱাটো নিশ্চিত। পূৰ্বৰ পটভূমিৰ আধাৰত এই কথাখিনিত থকা নাৰদৰ উক্তিত টুটকীয়া স্বভাৱৰ আভাস পাই শংকৰদেৱে 'পাৰিজাতহৰণ'ৰ নাৰদচৰিত্ৰটো টুটকীয়া আৰু কলহপ্ৰিয় কৰি অংকন কৰিছে।

'হৰিবংশ'ত নাৰদে ৰুক্মিণীক প্ৰশংসা কৰা শুনি পৰিচাৰিকাই গৈ সত্যভামাক এই কথা কৈ দিয়াত, অতিশয় ৰোষান্বিত হৈ সত্যভামা কোহঘৰত সোমাল। কৃষ্ণই সেই কথাৰ ভূ পায় প্ৰদ্যুম্নক নাৰদৰ শুশ্ৰূষাৰ ভাৰ দি নিজে সত্যভামাক সান্ত্বনা দি ক'লেগৈ — "যদি তোমাৰ পাৰিজাতলৈ হেঁপাহ হৈছে, তেনে মই সত্য কৰি কৈছোঁ, স্বৰ্গৰপৰা তোমাক পাৰিজাতৰ গছজোপাকে আনি দিম (হৰিঃ ২।৬৭।৩১-৩৩)।'

কৃষ্ণই পাৰিজাতৰ গছ খুজি নাৰদক ইন্দ্ৰৰ ওচৰলৈ দূত পঠালে। মৰ্ত্যৰ উপভোগ্য নহয় বুলি ইন্দ্ৰই পাৰিজাত নিদিলে। কৃষ্ণই পুনৰ নাৰদক পঠাই কোৱালে যে পাৰিজাত নিদিলে যুদ্ধ অৱশ্যম্ভাবী। ইন্দ্ৰ সিমানতো সৈমান নোহোৱাত নাৰদে কৃষ্ণৰ মহিমাৰ কথা কৈ বুজাই বুজাই চালে; কিন্তু সেই চেষ্টাও ব্যৰ্থ হ'ল। তেতিয়া কৃষ্ণই সসৈন্যে গৈ (লগত সত্যভামাক নিয়া নাই) ইন্দ্ৰৰ পৰা পাৰিজাত কাঢ়ি আনি সত্যভামাৰ ঘৰত ৰোপণ কৰিলে।

'হৰিবংশ'ত পাৰিজাত আনয়নৰ ক্ষেত্ৰত নাৰদৰ যি ভূমিকা তাত টুটকীয়া স্বভাৱৰ আভাস নাই যদিও পূৰ্বৰ পটভূমিত লৈ শংকৰদেৱে 'পাৰিজাত হৰণ'ৰ নাৰদ-চৰিত্ৰটো সজাই তুলিছে। তেওঁৰ তত্ত্বপ্ৰধান সাহিত্য-সমূহত তত্ত্বজ্ঞ আৰু ভাগৱত ধৰ্মবেত্তা দেৱৰ্ষি নাৰদক হৰিবংশত থকাৰ দৰে হয়তো উলিয়াব নুখুজিলে। কংসবধৰ প্ৰসংগত নাৰদৰ টুটকীয়া

স্বভাৱৰ আভাস দি থ'লে। লোকৰঞ্জন যাৰ মুখ্য উদ্দেশ্য তেনে নাট এখনতহে শংকৰদেৱে নাৰদ চৰিত্ৰৰ লঘুপক্ষটো ৰূপায়িত কৰিলে।

'পাৰিজাতহৰণ নাট'ত নৰকাসুৰক বধ কৰিবলৈ কৃষ্ণক প্ৰাৰ্থনা জনাবলৈ অহা ইন্দ্ৰৰ লগতে নাৰদো আহিছে। কৃষ্ণৰ প্ৰণাম গ্ৰহণ কৰি "আশীৰ্বাদ কৰ কৃষ্ণক হাতে পাৰিজাত দিয়ে নাৰদে তাহেক মহিমা কহল। × × × × অনন্তৰে ৰুক্মিণীক অতি কাতৰ বাণী শুনি শ্ৰীকৃষ্ণ হাসি হাসি হাতে তুলি ৰুক্মিণীক মাথে পাৰিজাত পিন্ধাৱল"। ইন্দ্ৰই কৃষ্ণক নিজৰ অভিপ্ৰায় ব্যক্ত কৰাত কৃষ্ণই নৰকাসুৰ বধৰ আশ্বাস দি তেওঁক বিদায় দিলে। নাৰদেও ইন্দ্ৰক এই বুলি আশ্বাস দি পঠায় — "তুহু আগু হুয়া চলহ, তোহোক নিমিত্ত শ্ৰীকৃষ্ণক কাতৰ কয় হামু পাচু লৈয়া যাৱব।"

শ্ৰীকৃষ্ণক যুদ্ধৰ কাৰণে সাজু হ'বলৈ কৈ নাৰদ দ্বাৰকাপুৰী চাবলৈ গ'ল। তেওঁ সত্যভামাৰ ভৱনলৈ গৈ সত্যভামাক লগাই ভগাই ইন্দ্ৰৰ লগত কৃষ্ণৰ যুদ্ধৰ বীজ সিঁচি কলহপ্ৰিয়তাৰ প্ৰমাণ দিছে। নাৰদে সত্যভামাক কৈছে — "হে দেৱী সত্যভামা, তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল। হা হা মাৱ, তোহো দুৰ্দ্দশা ভৈল।" এই বুলি সত্যভামাৰ কৌতূহল জগাই তেওঁৰ খাটনিত পৰি নাৰদে কবলৈ ধৰিলে — "হা হা মাৱ কি কহব? এসব কথা কহিতে দোষ। হামু দেৱদুৰ্লভ পাৰিজাত পুষ্প স্বৰ্গহন্তে আনি কৃষ্ণক হাতে দেলো। সে পাৰিজাত যে নাৰী পৰিধান কয় সে পুষ্পক মহিমায়ে পৰম সৌভাগিনী হয়। ইহা জানি হামু বোলল, ওহি পাৰিজাতক যোগ্য দেৱী সত্যভামা। তথি কৃষ্ণে কয়লি কি, তোমাক কটাক্ষ কৰিয়েই আপুন হাতে প্ৰিয়া ৰুক্মিণীক মাথে পৰম সাদৰে সে দিব্য পাৰিজাত পিন্ধাৱল। অ' তোহোক জীৱন ধিক ধিক। সতিনীক অভ্যুদয় দেখি কি নিমিত্ত প্ৰাণ ধৰয় মাৱ" ইত্যাদি।

নাৰদৰ এই উক্তিত মহাভাৰতে কোৱা নাৰদৰ ঋজুতা আৰু সত্যবাদিতা — এই দুয়োটা লক্ষণৰে বিপৰ্যয় ঘটিছে। কৃষ্ণক সত্যভামাহে পাৰিজাতৰ যোগ্য বুলি নোকোৱাকৈ, কৈছে বুলি ইয়াত নাৰদে সত্যভামাৰ আগত মিছা মাতিছে। 'হৰিবংশ'তো নাৰদে এফালে বিষ্ণুক কংসবধৰ আশু ব্যৱস্থা কৰিবলৈ কৈছে, আনফালে কংসক দেৱতাসকলৰ গোপন মন্ত্ৰণাৰ

সন্দেহ দি "তোমাৰ ভালৰ কাৰণেহে মই এই কথা ক'বলৈ আহিছোঁ" বুলি মিছা মাতিছে। 'হৰিবংশ'ত থকা নাৰদৰ এই অসত্যবাদিতাৰ আঁহিৰেই শংকৰদেৱে 'পাৰিজাতহৰণ নাট'ত নাৰদৰ হতুৱাই মিছা মতাইছে।

নাৰদৰ কথা শুনি সপত্নী-ঈৰ্ষাত অভিমান পাই সত্যভামাক কৃষ্ণই স্বৰ্গৰপৰা পাৰিজাত আনি দিয়াৰ প্ৰতিশ্ৰুতি দিলে। 'প্ৰথমে দেৱকাৰ্য সাধিব'ৰ উদ্দেশ্যে কৃষ্ণ নৰকাসুৰ বধ কৰিবলৈ যাবলৈ ওলাল; কৃষ্ণই জানোচা পাৰিজাত আনি অন্য কোনোবা সপত্নীক দিয়েহি তাকে ভাবি সত্যভামাও স্বামীৰ লগত ওলাল। নৰক-বধৰ পাছত স্বৰ্গত গৈ কৃষ্ণই পাৰিজাত খুজি নাৰদক ইন্দ্ৰৰ ওচৰলৈ দূত পঠিয়ালে। শংকৰদেৱৰ নাটখনত 'হৰিবংশ'ৰ ইন্দ্ৰৰ ঠাইত শচীহে মানৱী সত্যভামাক পাৰিজাত দিবলৈ অমান্তি হৈছে। নাৰদে এই কথা গৈ কৃষ্ণক কোৱাত সত্যভামাৰ উচটনিত কৃষ্ণই ইন্দ্ৰৰ লগত যুদ্ধ কৰি পাৰিজাত লৈ আহে।

শংকৰদেৱৰ 'নিমি-নৱসিদ্ধ-সংবাদ' খনি 'ভাগৱত'ৰ একাদশ স্কন্ধৰ দ্বিতীয়ৰপৰা পঞ্চম অধ্যায়লৈকে কৰা অনুবাদ। এইগ্ৰন্থত বসুদেৱৰ আগত নাৰদে পূৰ্বে নিমিৰজাই নৱসিদ্ধৰপৰা শুনা তত্ত্বসমূহ ব্যাখ্যা কৰিছে। কৃষ্ণৰ সেৱা কৰি দ্বাৰকাত থাকিবলৈ যোৱা নাৰদ ঋষি এদিন বসুদেৱৰ গৃহলৈ গ'ল তেতিয়া বসুদেৱে ক'লে —

> যেন মনে তৰোঁ মই সংসাৰৰ ক্লেশ।
> মহামুনি দিয়ো মোক সেহি উপদেশ ॥ ১৫
> তুষিলা কৃষ্ণক তুমি যিমত ভকতি।
> আমাক দিয়োক সেহি উপায় সম্প্ৰতি ॥

তেতিয়া নাৰদে প্ৰসন্ন হৈ ক'লে —

> দেৱ বিশ্বদ্ৰোহীকো পৱিত্ৰ কৰে আতি।
> হেন ধৰ্ম শুনিতে তোমাৰ ভৈল মতি ॥
> শ্ৰৱণে কীৰ্তনে যাৰ সিজে পুণ্যগণ
> সুমৰাইলা মোক আজি সেহি নাৰায়ণ ॥ ১৭
> × × × যিটো কথা আমাত পুছিলা মহামতি।
> তাৰ ইতিহাস এক শুনিয়ো সম্প্ৰতি ॥

নৰসিদ্ধ সমে নিমি ৰজাৰ সংবাদ ।
× × ভাগৱত ধৰ্মৰ আশ্ৰম নিৰূপণ ॥ ২১

ইয়াৰ পাছত নাৰদে ভাগৱত ধৰ্মৰ তাত্ত্বিক কথাসমূহ বসুদেৱৰ আগত প্ৰকাশ কৰিছে । মহাভাৰতত নাৰদে প্ৰাসংগিক বিষয়বোৰ বেদ, শ্ৰুতি (শুনাকথা) আখ্যান আদিৰ সহায়ত স্পষ্ট কৰি দেখুৱাৰ [16] বুলি কোৱা কথাষাৰ 'নিমি-নৰসিদ্ধসংবাদ'ত খাপ খাই পৰিছে ।

বহুমুখী ব্যক্তিত্বসম্পন্ন নাৰদৰ মুখত প্ৰাচীন ভাৰতৰ প্ৰায় সকলো গুৰুত্বপূৰ্ণ বিষয়েই আৰোপ কৰা হৈছিল । নাৰদ স্মৃতি, নাৰদ পুৰাণ, নাৰদ-পঞ্চৰাত্ৰ, নাৰদোপনিষদ প্ৰভৃতি গ্ৰন্থই তাৰে নিদৰ্শন দাঙি ধৰে । সংগীত মকৰন্দ' নামেৰে নাৰদৰ নামত প্ৰচলিত গ্ৰন্থৰ কথা কৈ অহা হৈছে । সংগীত কলাবিদ্ গন্ধৰ্বৰাজ নাৰদৰ উল্লেখ নানা ঠাইত পোৱা যায় [17] । সেই গন্ধৰ্ব-ৰাজৰ লগতো তত্ত্বজ্ঞ নাৰদৰ সমন্বয় ঘটোটো অস্বাভাৱিক নহয় । নাৰদীয় মহালক্ষ্মীবিলাস নামৰ এক ৰসায়নৰ প্ৰস্তুতিবিধিৰ প্ৰচাৰক বুলি নাৰদক আয়ুৰ্বেদৰ লগতো জড়িত কৰা হৈছে । অনেক তাত্ত্বিক কথাত বাসুদেৱৰ লগত জড়িত নাৰদক বাসুদেৱৰ নিৰ্মিত এই ৰসায়ন নাৰদে প্ৰচাৰ কৰা বুলি জড়িত কৰি উক্ত ৰসায়নৰ হয়তো আয়ুৰ্বেদজনপ্ৰিয়তা বঢ়াব খুজিছে [18] ।

প্ৰাক্‌বৈদিক কালৰপৰা পুৰাণোত্তৰ কাললৈকে এইদৰে বিশেষ প্ৰতি-পত্তি লাভ কৰা নাৰদ এজন ব্যক্তি হ'ব নোৱাৰে । পাছৰ প্ৰকৃত নাৰদজনৰ লগত সাদৃশ্য থকা অন্য ব্যক্তিকো হয়তো নাৰদ নামেৰে অভিহিত কৰি আৰু জনপ্ৰিয়তাৰ কাৰণে যি কোনো বিষয়ৰ লগতে প্ৰখ্যাত ব্যক্তি নাৰদক জড়িত কৰি নাৰদ-চৰিত্ৰটো গঢ় দি অনা হ'ল । আনহে নেলাগে ৰামায়ণটো বাল্মীকিক ৰামকথা কোৱা নাৰদৰ উদ্ভাৱনা পাছৰ যুগতহে কৰা হ'ল যেন অনুমান হয়; কিয়নো ৰামায়ণৰ প্ৰাচীনতম প্ৰামাণিক অংশ অযোধ্যাকাণ্ডৰপৰা যুদ্ধকাণ্ডলৈকে ক'তো তত্ত্বজ্ঞ নাৰদৰ উল্লেখ পোৱা নাযায় । আদিকাণ্ডত ৰামকথাৰ বক্তা

---

১৬ বেদশ্ৰুতিভিৰাখ্যানৈৰৰ্থানভিজিগীষতি — শান্তিঃ ২৩০।১২

১৭ দ্ৰষ্টব্য — ৰামায়ণ ২।৯১।৫৬

১৮ প্ৰোক্তঃ প্ৰয়োগৰাজোঽয়ং নাৰদেন মহাত্মনা ।
ৰসো লক্ষ্মীবিলাসোঽয়ং বাসুদেৱেন নিৰ্মিতা ॥

আৰু উত্তৰকাণ্ডত শুক্ৰদেৱৰ প্ৰসংগতহে জ্ঞানী উপদেষ্টা ৰূপত নাৰদক দেখা গৈছে। নাৰদচৰিত্ৰৰ এই ইতিহাস কোৱা ন'হলে মহাভাৰতকৈও অনেক প্ৰাচীন পাঞ্চৰাত্ৰ মতৰ প্ৰচাৰক আৰু প্ৰহ্লাদৰ সময়তো থকা নাৰদজনেই কেৱল মহাভাৰত কালৰে নহয়, পাছৰ যুগৰ ঘটনাৰ লগতো কেনেকৈ জড়িত হ'ব পাৰে, এই কথা অবোধ্য হৈয়ে ৰ'ব। সেই কাৰণেই শংকৰদেৱৰ নাৰদচৰিত্ৰ আলোচনা কৰোঁতে এই ইতিহাসৰ অৱতাৰণা কৰিব লগা হ'ল।

ওপৰত কৰি অহা সুদীৰ্ঘ আলোচনাৰ পৰা দেখা গ'ল যে শংকৰদেৱে নাৰদৰ চৰিত্ৰটোত কোনো মৌলিক পৰিৱৰ্তন ঘটোৱা নাই; বৰঞ্চ সংস্কৃত সাহিত্যত থকা নাৰদচৰিত্ৰক পটভূমিত ৰাখি লৈ স্থানবিশেষে প্ৰয়োজন অনুসৰি তাক সজাই লৈছে।

— x —

সহায়ক গ্ৰন্থ -
১) শ্ৰীশংকৰবাক্যামৃত।
২) প্ৰাচীন ভাৰতীয় পৰম্পৰা ঔৰ ইতিহাস।
৩) ভাৰতীয় দৰ্শন।
৪) সংস্কৃত মহাভাৰত, গীতাপ্ৰেছৰ পৰা প্ৰকাশিত।
৫) পদ্মপুৰাণ, মনসুখৰায় মোৰ দ্বাৰা সম্পাদিত।
৬) হৰিবংশ, পণ্ডিত ৰামচন্দ্ৰ শাস্ত্ৰী কিঞ্জৱডেকৰ দ্বাৰা সম্পাদিত (পুণে)।
৭) ৰামায়ণ, গীতাপ্ৰেছ পৰা প্ৰকাশিত।

।। মহাপুৰুষীয়া সাহিত্যত শক্তিৰ স্থান ।।

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শংকৰদেৱ আৰু তেওঁৰ অনুৱৰ্তী বৈষ্ণৱ সাহিত্যিকসকলৰ ৰচনাত শক্তিক কেনে স্থান দিয়া হৈছে, এই বিষয়ে বহল আলোচনাৰ থল আছে। এই প্ৰবন্ধত শংকৰ-মাধৱ দুজনা গুৰু আৰু তেওঁলোকসকলৰে পৰম্পৰাজাত ৰঘুনাথ মহন্তৰ ৰচনাত শক্তিয়ে কেনে স্থান পাইছে, তাৰ এটা আলোচনা কৰা হৈছে।

শংকৰদেৱৰ ৰচনাৱলীত অনেক ঠাইত দেৱী আৰু দেৱীপূজাৰ উল্লেখ পোৱা যায়। সেইবিলাকৰ ভিতৰত কিছুমান সংস্কৃত আধাৰ গ্ৰন্থত থকামতে অনুৱাদ কৰা হৈছে, কোনো ঠাইত মূলৰ কিছু কথা বাদ দিয়া হৈছে, কোনো ঠাইত নতুন কথা যোগ কৰা হৈছে, কোনো ঠাইত আকৌ মূলত নথকা একেবাৰে নতুনকৈ দেৱীবিষয়ক কথাৰ অৱতাৰণা কৰা হৈছে। শংকৰদেৱৰ ৰচনাত থকা এই দেৱী বিষয়ক কথাসমূহৰপৰা তেওঁ শক্তিক কি দৃষ্টিৰে গ্ৰহণ কৰিছিল, সেই বিষয়ে এটা ধাৰণা কৰিব পাৰি।

'ভাগৱত'ৰপৰা প্ৰধানকৈ বিষয়বস্তু লৈ 'বামন পুৰাণ'ৰ কিছু কথা যোগ কৰি ৰচনা কৰা শংকৰদেৱৰ 'অনাদি পাতন'ত ভগৱন্তৰ ইচ্ছাত প্ৰকৃতিয়ে জগত সৃষ্টি কৰাৰ বৰ্ণনা আছে। তাত থকামতে ভগৱন্তই প্ৰলয়ৰ পাছত চৈধ্য ভুৱনক নিজৰ হৃদয়তে ঠাই দিছিল। প্ৰকৃতিও জড় ৰূপত পৰমপুৰুষৰ গৰ্ভত অন্তৰ্নিহিত হৈ আছিল। (পৰম) ঈশ্বৰৰ পুনাই সৃষ্টিৰ ইচ্ছা হোৱাত মায়াৰ যোগেদি জগৎ প্ৰকাশ কৰি সৃষ্টি-লীলা কৰিব খুজিলে —

মায়াৰ হাতত কৰোঁ জগত প্ৰকাশ।
কৰোঁ সৃষ্টি লীলা আৰে বিনোদ বিলাস ॥ ৪৩
এহি বুলি মেলি পদ্মনয়ন অনন্তে।
মায়াক কটাক্ষে চাহিলন্ত ভগৱন্তে ॥

জড় প্ৰকৃতিতো কৰিলন্ত জীৱদান ।
অষ্টগুণ তেজ ষোলগুণ ভৈল প্ৰাণ ॥ ৪৪
সৃষ্টি কৰিবাক ঈশ্বৰৰ ইচ্ছা কায ।
পুৰুষৰূপৰা মহামায়া ভৈলা বাজ ॥
অনাদিৰূপিণী ঈশ্বৰৰ অৰ্ধকায় ।
ব্যক্ত ভৈল মহামায়া ঈশ্বৰ ইচ্ছায় ॥ ৪৫
(অনাদি পাতন)

'অনাদিপাতন'ৰ এই মহামায়াই তাত্ত্বিক দৃষ্টিত বেদান্তৰ মায়া, সাংখ্য আৰু গীতাৰ প্ৰকৃতি, শৈৱ সম্প্ৰদায়ৰ মহামায়া, শাক্ত সম্প্ৰদায়ৰ বিষ্ণুমায়া, মহাশক্তি, ভগৱতী, মহাকালী ইত্যাদি, বৈষ্ণৱ সম্প্ৰদায়ৰ যোগ-মায়া, গৌড়ীয় প্ৰভৃতি সম্প্ৰদায়ৰ শ্ৰীৰাধা, পাঞ্চৰাত্ৰৰ শ্ৰী বা লক্ষ্মী, ৰামানন্দৰ সম্প্ৰদায়ত সীতা আৰু বাৰকৰী সম্প্ৰদায়ত ৰুক্মিণী : 'অনাদি পাতন'ৰ এই প্ৰকৃতি বা মহামায়া পৰমপুৰুষতকৈ হীন বা ভিন্ন নহয় —

শুনিয়ো প্ৰকৃতি একো গুণে নাহি হীন ।
তোমাৰে আমাৰে কিঞ্চিতেকো নাহি ভিন ।
মোৰ নিজ শকতি সাক্ষাতে দেখো প্ৰাণ ।
সত্বৰে কৰিয়ো মায়া জগত নিৰ্মাণ ॥ ৪৯
তোমাক চেতাইলো আমি এহি অভিপ্ৰায় ।
জানিয়োক ভালে তুমি মোৰ অৰ্ধকায় ॥
তোমাৰে আমাৰে কিছু নাহি ভিন্নাভিন্ন ।
মোতে যাতে লীন যাহা এহি মাত্ৰ হীন ॥৫০ (অঃ পাঃ)

এই প্ৰকৃতিৰ পৰাই জগৎ সৃষ্টি হ'ল । এই মহামায়া যাক ভগৱন্তই প্ৰাণস্বৰূপ দেখে আৰু যি ভগৱন্তৰ 'নিজ শকতি', সেয়ে 'দশম'ত যোগ-মায়া বুলি বৰ্ণিত হৈছে —

বিষ্ণুৰ অংশে যোগমায়া ভগৱতী ।
কাৰ্য সাধিবাক প্ৰতি হৈবা উতপতি ॥ (ভাগঃ ১০ ১৮)

এই পদৰ মূলটো সংস্কৃত 'ভাগৱত'ত এইদৰে আছে —

বিষ্ণোৰ্মায়া ভগৱতী যয়া সম্মোহিতং জগৎ ।
আদিষ্টা প্ৰভুণাংশেন কাৰ্যাৰ্থে সম্ভবিষ্যতি ॥

অৰ্থাৎ বিষ্ণুৰ যি মায়াই 'সমস্ত জগৎ মোহগ্ৰস্ত কৰে, (সেই মায়াই) বিষ্ণুৰ আজ্ঞামতে (তেওঁৰ লীলাৰ) কাৰ্য সম্পাদনৰ কাৰণে অংশৰূপত অৱতীৰ্ণা হ'ব (ভাঃ ১০।১।২৫)। গতিকে 'দশম'ত কোৱা 'যোগমায়া' এই বিষ্ণুমায়াই।' এই বিষ্ণুমায়াৰ। স্বৰূপ সম্পৰ্কে 'চতুঃশ্লোকী ভাগৱত'ত ভগৱানে কৈছে —

ঋতেঽৰ্থং যৎ প্ৰতীয়েত ন প্ৰতীয়েত চাত্মনি।

তদ্বিদ্যাদাত্মনো মায়াং যথা ভাসো যথা তমঃ ॥ (ভাঃ ২।৯।৩৩)

বাস্তৱ বস্তু নোহোৱাকৈয়ে যাৰ দ্বাৰা আত্মাত বস্তু প্ৰতীতি হয় আৰু বস্তু থকা সত্ত্বেও আছে বুলি প্ৰত্যয় নহয়, সেয়ে ভগৱানৰ মায়া। শংকৰদেৱে দ্বিতীয় স্কন্ধ ভাগৱতত এই মায়াৰ বৰ্ণনা দিছে —

অবস্তুক দেখাৱয় বস্তুক আৱৰি।
এহিমতে মোহোৰ মায়া জানা নিষ্ট কৰি ॥
নাথাকিন্তো দেখি যেন চন্দ্ৰমা দুটয়।
থাকিন্তো ৰাহুক যেন কেহো নেদেখয় ॥ (ভাঃ ২।৫০)

জগৎবোধেই মায়াৰ ক্ৰিয়া। অন্যান্য পুৰাণত বিষ্ণুৰ এই মায়াক 'অঘটন-ঘটন-পটীয়সী' বোলা হৈছে। শংকৰদেৱৰ 'দশম'ত বিষ্ণুমায়াৰ কথা পুনৰ অৱতাৰণা কৰা হৈছে। দেৱকীৰ ছয় পুত্ৰক কংসই নিহত কৰাৰ পাছত —

পৰম বৈষ্ণৱ তেজ যাহাৰ অনন্ত নাম
অংশে উদৰত বাস লৈল ॥
হেন দেখি নাৰায়ণে আদেশ কৰিলা পাছে
মহামায়া গোকুলত যাহা।
দেৱকীৰ গৰ্ভ হৰি ৰোহিণীত থৈয়ো নিয়া
যশোদাত তুমি উপজাহা ॥ ৫৪
× × দুৰ্গা ভদ্ৰা কালী আদি হৈবেক তোমাৰ নাম
থাকিবা লোকৰ পুজা খাই ॥

বিষ্ণুৰ আদেশমতে মহামায়াই দেৱকীৰ গৰ্ভ নি ৰোহিণীত থোৱা কাৰ্যত মায়াৰ 'অঘটন-ঘটন-পটীয়সী' ৰূপটোৱেই প্ৰকাশ পাইছে।

'অনাদিপাতন'ত "তোমাৰে আমাৰে কিছু নাহি ভিন্নাভিন্ন' বুলি ভগৱন্তই কোৱা মহাবাক্যৰ এতিয়া দুৰ্গা ভদ্ৰকালী আদি" ৰূপত লোকৰ পূজা খাবলৈ বুলি নিৰ্দেশ দিছে। "দুৰ্গা ভদ্ৰা কালী আদি — এই বচনফাঁকি মূল ভাগৱতত এইদৰে আছে —

অৰ্চিষ্যন্তি মনুষ্যাস্তৰাং সৰ্বকামবৰেশ্বৰীম্।
ধূপোপহাৰবলিভিঃ সৰ্বকামবৰপ্ৰদাম্॥
নামধেয়ানি কুৰ্বন্তি স্থানানি চ নৰা ভুৱি।
দুৰ্গেতি ভদ্ৰকালীতি বিজয়া বৈষ্ণৱীতি চ॥
কুমুদা চণ্ডিকা কৃষ্ণা মাধৱী কন্যকেতি চ।
মায়া নাৰায়ণীশানি শাৰদেত্যম্বিকা চ॥

"সকলো কামনা পূৰণ কৰিবপৰা ক্ষমতা থকা তোমাক মানুহে নিজৰ সমস্ত অভিলাষ পূৰ্ণকাৰিণী বুলি পৃথিৱীত অনেক ঠাইত দুৰ্গা, ভদ্ৰকালী, বিজয়া, বৈষ্ণৱী, কুমুদা, চণ্ডিকা, কৃষ্ণা, মাধৱী, কন্যকা, মায়া, নাৰায়ণী, ঈশানী, শাৰদা, অম্বিকা আদি অনেক নামেৰে ধূপ-দীপ নৈবেদ্যৰে (বলি শব্দৰ অৰ্থ দেৱতাৰ প্ৰতি উপহাৰ) পূজা কৰিব (ভাগঃ ১০।২।১০-১২)।"

'ভাগৱত'ত এইদৰে দুৰ্গা প্ৰভৃতি দেৱীসকলক বিষ্ণুমায়াৰ বিভিন্ন ৰূপ বুলি কোৱা কথাত এটি ঐতিহাসিক তথ্য নিহিত হৈ আছে। ভাৰতত দাৰ্শনিক শক্তিবাদ মূলতে বিষ্ণুশক্তিক অৱলম্বন কৰিহে গঢ় লৈ উঠিছিল [১]। শক্তিবাদ সম্বন্ধে স্পষ্ট আৰু সুস্থ আলোচনা সৰ্বপ্ৰথম পাঞ্চৰাত্ৰ সংহিতাসমূহত পোৱা যায়। এই সংহিতাসমূহ খ্ৰীঃ চতুৰ্থ শতিকামানত ৰচিত বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। ইয়াৰ আগতে দাৰ্শনিক শক্তিবাদৰ বীজ উপনিষদ আদিত নিহিত হৈ আছিল যদিও বিষ্ণুশক্তিক অৱলম্বন কৰি এই সংহিতাসমূহত শক্তিতত্ত্বৰ যি ব্যাপক আলোচনা কৰা হৈছে, তেনে আলোচনা কোনো শাক্ত বা শৈৱগ্ৰন্থত কৰিছিল বুলি জনা নাযায়। ইয়াৰ পাছত শক্তিবাদ সম্বন্ধে উল্লেখযোগ্য দাৰ্শনিক আলোচনা খ্ৰীঃ অষ্টম

১ এই বিষয়ে শশিভূষণ দাশগুপ্তৰ 'ভাৰতেৰ শক্তিসাধনা আৰু শাক্ত সাহিত্য' তথা 'ৰাধাৰ ক্ৰমবিকাশ' নামৰ গ্ৰন্থ দ্ৰষ্টব্য।

শক্তিকাৰপৰা দশম শতিকাৰ ভিতৰত ৰচনা কৰা কাশ্মীৰী শৈৱ দৰ্শন সমূহত দেখা যায়।

'দেৱীভাগৱত' আৰু 'মাৰ্কণ্ডেয় পুৰাণ'ৰ অন্তৰ্গত 'চণ্ডী'ৰ অনেক ঠাইতে দেৱীক বিষ্ণুশক্তি বা বিষ্ণুমায়া বোলা হৈছে। 'চণ্ডী'ৰ একাদশ অধ্যায়ত 'ত্বংহি বৈষ্ণৱী শক্তিৰনন্তবীৰ্য্যা' আৰু ত্ৰয়োদশ অধ্যায়ত 'বিদ্যা তথৈব ক্ৰিয়তে ভগৱদ্ বিষ্ণুমায়য়া' বুলি কোৱা হৈছে। আকৌ ত্ৰয়োদশ অধ্যায়ত আছে —

যা দেৱী সৰ্বভূতেষু বিষ্ণুমায়েতি শব্দিতা।
× × ×
তথৈব বৈষ্ণৱী শক্তিৰ্গৰ্ভকোপৰি সংস্থিতা॥

একাদশ অধ্যায়ৰ অষ্টম শ্লোকৰ পৰা ত্ৰয়োবিংশ শ্লোক পৰ্যন্ত দেৱীক সকলো ৰূপতে 'নাৰায়ণি নমস্তুতে' বুলি কোৱা হৈছে। এইবিলাক উদাহৰণৰপৰা বিষ্ণুশক্তিক অৱলম্বন কৰি অনেক আৰ্য তথা আৰ্যেতৰ জাতিৰ মাজত পূজিতা দেৱীক ব্ৰাহ্মণ্য ধৰ্মই আত্মসাৎ কৰাৰ ইঙ্গিত পোৱা যায়।

নন্দৰ কন্যাৰূপে জন্ম পোৱা যোগমায়াক বসুদেৱৰ কন্যা বুলি কংসই শিলাত আছাৰোঁতে —

হাতৰ এড়ায়া তাৰ ধৰি ৰূপ চমৎকাৰ
গৈলা দেৱী গগনমণ্ডলে॥
তনু জ্বলৈ যেন সূৰ্য আঠ অস্ত্ৰ আঠ ভুজ
দিব্য অলংকাৰে জ্যোতি কৰে। (দশম ১১৬-১৭ পদ)

এই অষ্টভুজা অস্ত্ৰধাৰিণী মহামায়াই আমাক 'মাৰ্কণ্ডেয়পুৰাণ'ত শুম্ভ-নিশুম্ভ বধৰ উদ্দেশ্যে গৌৰীৰ দেহৰপৰা বহিৰ্ভূত হোৱা (শ্ৰীশ্ৰীচণ্ডীৰ সাত্ত্বিক ৰূপ) বাণ, মুষল, শূল, চক্ৰ, শংখ, ঘণ্টা, হল আৰু ধনু — এই আঠ অস্ত্ৰ ধাৰণ কৰা অষ্টভুজা মহাসৰস্বতীলৈ মনত পেলায়।

শংকৰদেৱে মূল 'ভাগৱত'ত থকাৰ (১০।২।১০-১২) দৰে যোগমায়া বা বিষ্ণুমায়াৰ বিভিন্ন ৰূপত স্বীকৃতি পোৱা সকলো দেৱীৰ নাম উল্লেখ নকৰি 'দুৰ্গা, ভদ্ৰা কালী আদি' বুলি সামৰি থৈছে যদিও আৰ্য-আৰ্যেতৰ বিভিন্ন

দেৱ-দেৱীৰ সমন্বয়ৰ ঐতিহাসিক প্ৰভাৱ উলাই কৰিব পৰা নাই। গতিকে এই কথাখিনি সম্পূৰ্ণ বাদ দিলি বিষ্ণুৰ মায়াৰে সৈতে অভিন্ন বুলি দেৱীসকলক স্বীকৃতি দিব লগীয়া হ'ল।

'দশম'ত আৰু 'কীৰ্তন'ৰ 'ৰাসলীলা' খণ্ডত এই যোগমায়াৰ আশ্ৰয় কৰি ভগৱন্তৰ ৰাসক্ৰীড়া কৰিবৰ ইচ্ছা হ'ল —

শৰত কালৰ ৰাত্ৰি অতি বিত্তোপন।
× × দেখি যোগমায়া বলে হৰিষে ভৰিত।
ৰাসক্ৰীড়া কৰিবে কৃষ্ণৰ ভৈলা চিত ॥ (দশম ১২০১)

কৃষ্ণৰ এই মায়াত মোহিত হোৱাৰ কাৰণেই গোপসকলে কৃষ্ণসংগতা নিজ নিজ পত্নীক কাষতে থকা যেন পালে —

মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেখে নিজ জায়া ॥
নকৰে অসূয়া কৃষ্ণক কেৰ।
জগত ঈশ হেন কৃষ্ণ দেৱ ॥ (কীৰ্তন ৯৭৬)

কীৰ্তনৰ 'উৰেষা-বৰ্ণন'ত ব্ৰহ্মাই ঋষিসকলক জগন্নাথ ক্ষেত্ৰত কৃষ্ণ-বলোভদ্ৰৰ লগতে থকা সুভদ্ৰাক পূজা কৰিবলৈ ব্যৱস্থা দিয়াৰ কথা এইদৰে বৰ্ণোৱা হৈছে —

ভাত পাছে মধ্যে সুভদ্ৰাক পূজি প্ৰণামি কৰিব স্তুতি।
নমো ব্ৰহ্মগামী দেৱীক প্ৰণামো দিয়োক মুখ্য মুকুতি ॥
কমললোচনী নমো কাত্যায়নী কৰা মোক পৰিত্ৰাণ।
(কীৰ্তন ২২০৮-৯)

শংকৰদেৱে ব্ৰহ্মাৰ মুখেদি সুভদ্ৰাপূজাৰ ফল এই বুলি বৰ্ণাইছে —

বলোৰ ভগিনী সুভদ্ৰাক নমি পাৱৈ বিষ্ণুলোকে থান ॥
এক কল্পমানে দেৱ যেন ক্ৰীড়ে পাছে বিপ্ৰ হোৱে আসি।
অন্তকালে পিও মুকুতিক পাৱে বৈষ্ণৱ যোগ অভ্যাসি ॥

'উৰেষা-বৰ্ণন'ৰ কথাবস্তু ব্ৰহ্মপুৰাণৰপৰা লোৱা হৈছে (কীৰ্তন ২০১৯) শংকৰদেৱে নিজৰ আদৰ্শৰ অনুকূল নোহোৱা অনেক কথা মূলত থকা

সত্ত্বেও ত্যাগ কৰা দেখা যায়। 'উত্তৰাকাণ্ড'ত 'শম্বুকবধ' কাহিনীটো ত্যাগ কৰা ইয়াৰ অন্যতম নিদৰ্শন। 'উৰেষা'ত থকা এই কাত্যায়নী বন্দনাও তেওঁ ত্যাগ কৰিব পাৰিলেহেঁতেন। শক্তিক মূলতে যেনে ধৰণেই থাকক লাগিলে, শংকৰদেৱৰ লেখনীৰ এই বৰ্ণনা উলাই কৰিব নোৱাৰি। ইয়াত সুভদ্ৰাৰূপিণী কাত্যায়নীক 'ব্ৰহ্মগামী দেৱী' বুলিছে। ব্ৰহ্মগামী শব্দৰ অৰ্থ হৈছে 'ব্ৰহ্ম গন্তুং শীলমস্য' অৰ্থাৎ যাৰ ব্ৰহ্মলৈ গতি কৰাটোৱেই স্বভাৱ। সকলো নদী-উপনদীৰ লক্ষ্যস্থান যিদৰে মহাসাগৰ, সেইদৰে বিভিন্ন দেৱ-দেৱীৰ সাধনাৰ লক্ষ্যও পৰম চৈতন্যক উপলব্ধি কৰাটোৱেই।

'উৰেষা'ত 'মুখ্য মুকুতি' আৰু দেৱভোগ দিব পৰা সুভদ্ৰাৰূপী কাত্যায়নীয়ে আমাক চণ্ডীলৈ মনত পেলায়। 'আৰাধিতা সৈৱ নৃণাং ভোগ-স্বৰ্গাপবৰ্গদা।' এই কাত্যায়নীয়ে 'মুখ্য মুকুতি' দিব পাৰে যদিও ততালিকে নিদিয়ে। সুভদ্ৰাক নমিলে বিষ্ণুলোকত স্থান পাই এক কল্প দেৱতাৰ দৰে ক্ৰীড়া কৰাৰ পাছত স্তুতি কৰোঁতাজন বিপ্ৰ হয়; তাৰ পাছত বৈষ্ণৱ যোগ অভ্যাসি মুকুতি পায় বুলিছে। এই বৰ্ণনাত ভোগফলদায়ী দেৱীৰ উপাসনাৰ যোগেদিও চিত্তশুদ্ধি কৰি মুক্তিৰ পথত আগ বাঢ়িব পাৰি যে তাৰ ইংগিত পোৱা যায়। আনহাতে ভোগপদ ৰাজসিক সাধন-পদ্ধতিক বৈষ্ণৱযোগৰ দ্বাৰা পৰিশোধিত কৰি নিবৃত্তিমুখী কৰাৰ ইংগিতো ইয়াত আছে।

এইখিনিতে আমাৰ মনলৈ এটা প্ৰশ্ন আহে, কৃষ্ণভগিনী সুভদ্ৰাক (বিষ্ণুমায়াৰে অভিন্ন) কাত্যায়নী বুলি কিয় কোৱা হৈছে? ভাৰতৰ বিভিন্ন ঠাইত শক্তিৰূপে সুভদ্ৰাক উপাসনা কৰাৰ প্ৰথা আছে। 'পদ্ম পুৰাণ'ত বিষ্ণুৱে সৰ্বব্যাপিনী সাবিত্ৰীদেৱীক কৈছে -- "তুমি সৰ্বগামিনী, সকলো ভূততে দৃশ্যমান, সকলোতকৈ অদ্ভুত, সৎ অসৎ ৰূপী জগততো তোমাৰ বাহিৰে অন্যক দেখা নহয়। তথাপি মুক্তিকামী আৰু ভোগকামীসকলে যিবিলাক স্থানত দৰ্শন আৰু স্মৰণ কৰিব, সেই বিলাকৰ কথা মই তোমাক কওঁ [২] (পদ্মঃ সৃষ্টিঃ

---

২ সৰ্বগা সৰ্বভূতেষু দ্ৰষ্টব্যা সৰ্বতোঽদ্ভুতা।
সদসচ্চৈৱ যৎকিঞ্চিদ্ দৃশ্যং তন্ন ত্বয়া বিনা॥
তথাপি যেষু স্থানেষু দ্ৰষ্টব্যা সিদ্ধিমীপ্সুভিঃ।
স্মৰ্তব্যা ভূতিকামৈৰ্বা তং প্ৰৱক্ষ্যামি তেঽগ্ৰতঃ॥

১৭।১৮২-৮৩)।" এই প্ৰসংগতে বিষ্ণুৰে সিন্ধুৰ সংগমত সুভদ্ৰাৰ ৰূপত সৰ্বব্ৰব্যাপিনী শক্তিৰ পূজা হয় বুলিছে। কৃষ্ণভগিনী সুভদ্ৰাক শক্তিৰূপে উপাসনা কৰাৰ উৎপত্তি সম্পৰ্কে আমি এতিয়ালৈকে কোনো তথ্য পোৱা নাই যদিও এই বিষয়ত 'হৰিবংশ'ত থকা এটা কথালৈ আঙুলিয়াব পাৰি। উষা-অনিৰুদ্ধক বাণসুৰাই বন্দী কৰাত অনিৰুদ্ধই কোটৰীদেৱীক স্তুতি কৰিছে। এই স্তুতিত দেৱীক চণ্ডী, কাত্যায়নী, বিষ্ণুভগিনী, গোকুলসম্ভূতা নন্দ-গোপনন্দিনী বোলা হৈছে [৩]। ইয়াত 'নন্দগোপনন্দিনী' শব্দই নন্দৰ কন্যা-ৰূপে জন্ম লোৱা যোগমায়া অৰ্থাৎ বিষ্ণুমায়াকে বুজাব লাগিব। নন্দৰ কন্যা হোৱাৰ কাৰণে যোগমায়াক কৃষ্ণৰূপে অৱতীৰ্ণ বিষ্ণুৰ ভগিনী বোলা হৈছে বুলি ধাৰণা হয়। যোগমায়াত বিষ্ণুভগিনীৰ আৰোপ কৰাৰ পাছত কৃষ্ণৰূপী বিষ্ণুৰ ভগিনী সুভদ্ৰাকো মহাশক্তি ৰূপে স্বীকাৰ কৰা হ'ল যেন লাগে।

শংকৰদেৱৰ অষ্টম স্কন্ধ 'ভাগৱত'ত অমৃতৰ ভাণ্ড দৈত্যবোৰে কাঢ়ি নিয়াত দেৱতাসকলে ত্ৰস্ত হৈ "বিপাংক পৰিলো ৰাপ কৰিয়ো মুকুতি" বুলি হৰিত শৰণ ল'লে। তেতিয়া হৰিয়ে এইবুলি আশ্বাস দিলে — "পৰম নিৰ্ভয়ে থাকা শংকা পৰিহৰি/আনিবো অমৃত এতিক্ষণে মায়া কৰি।" তাৰ পাছত হৃষিকেশ 'মায়া কৰি তেখনে ধৰিলা নাৰীবেশ।' যি মায়াক আশ্ৰয় কৰি হৰিয়ে মোহনীনাৰী বেশ ধৰি দৈত্যগণক মোহিত কৰিলে, সেয়া অন্তৰীক্ষ সিদ্ধই নিমিৰজাৰ আগত বৰ্ণোৱা ভগৱৎ মায়াৰে অভিন্ন। অন্তৰীক্ষই কৈছে —

অনাদি পুৰুষ কৃষ্ণ জগতৰ কাৰণ।
স্ৰজিলা মায়াক সংগে লৈয়া ভূতগণ॥
× × মায়ায়ে উপায়ে প্ৰাণী স্ৰজিলা অশেষ।
তাতে অন্তৰ্যামী ৰূপে ভৈলন্ত প্ৰৱেশ॥
(নিমিনৱসিদ্ধ সং-১০৮,১০৯)

এই মায়াৰ প্ৰভাৱতে জীৱই —

আত্মা বুলি মানে মায়াময় শৰীৰক॥
ধৰে মায়ামোহে আতি হোৱে জ্ঞানশূন্য।

---

৩ হৰিবংশ ২।১২০৪, ৬-৭।

সকামে অনেক কৰ্ম কৰে পাপ পুণ্য ॥ ১১০
× × নিতান্ত অৱশ হুয়া প্ৰলয় যাবত ।
জন্ম-মৃত্যু ৰূপ দুখ ভুঞ্জে নানা মত ॥

তাৰ পাছত —

কালৰূপী কৃষ্ণ যিটো জগত আধাৰ ।
কৰন্ত লীলায়ে পাছে সৃষ্টিক সংহাৰ ॥ ১১৩
মায়াৰ যতেক কাৰ্য কাৰণ সমস্ত ।
দুনাই আনি মায়াতে কৰান্ত সবে অস্ত ॥ (নিঃ নঃ সঃ)

এই মায়াৰ প্ৰভাৱতে দৈত্যসকলো মহামোহে জ্ঞানশূন্য হ'ল । এই ভগৱৎমায়াৰ কথাকে 'চণ্ডী'ত এই বুলি কোৱা হৈছে —

তন্নাত্র বিস্ময়ঃ কাৰ্যঃ যোগনিদ্ৰা জগৎপতেঃ ।
মহামায়া হৰেশ্চৈতত্তয়া সংমোহ্যতে জগৎ ॥

'দশম'ত গোপীসকলে যমুনাৰ পাৰত কাত্যায়নীৰ প্ৰতিমা সাজি পূজা কৰাৰ বৰ্ণনা আছে । গোপীসকলে —

মহামায়া কাত্যায়নী দিয়ো এহি বৰ ।
আমাৰ হোক্তোক স্বামী নন্দৰ কুমাৰ ॥ ৮৯২
এহি মন্ত্ৰ মাত্ৰ জপি পূজে প্ৰতিদিনত ।
কৃষ্ণেসে হৈৰন্ত পতি বান্ধি দিনে চিত ॥

মূল 'ভাগৱত'ত এই মহামায়া কাত্যায়নীক ভদ্ৰকালীও বুলিছে — ভদ্ৰকালীং সমানচুভূৰ্মান্নন্দসূতঃ পতিঃ (ভাঃ ১০।২২।৫) । গীতকে এই কাত্যায়নী যে 'দুৰ্গা ভদ্ৰা কালী' নামেৰে লোকত পূজিত যোগমায়া বা বিষ্ণুমায়াই আমি তাত নিঃসন্দেহ । এইদৰে কৃষ্ণক পতি কামনা কৰি কাত্যায়নী-ব্ৰত পালন কৰি থকাৰ সময়তে বিবস্ত্ৰা হৈ যমুনাত স্নান কৰি থকা গোপী-সকলৰ ওচৰত গোপগণৰ সৈতে কৃষ্ণ উপস্থিত হ'লগৈ ।

গোপীসমস্তক দিব লাগে কৰ্মফল ।
চিন্তিবে লাগিলা পাছে ভকতবৎসল ॥ ৮৯৬

ইয়াত থকা কৰ্মফল পদৰ অৰ্থ প্ৰাৰব্ধ আদি কৰ্ম নহয় যে কাত্যায়নী

পুৰাবৃপ কৰ্মবহে ফল, 'ভাগৱত'ত থকা ইয়াৰ মূলটোলৈ চালেই ওলাই পৰিব —

ভগৱাংস্তদভিপ্রেত্য কৃষ্ণো যোগেশ্বৰেশ্বৰঃ।

বয়স্যৈৰাবৃতস্তত্ৰ গতস্তৎকৰ্মসিদ্ধয়ে ॥ (ভাঃ ১০।২২।৮)

যোগেশ্বৰসকলৰো ঈশ্বৰ ভগৱান কৃষ্ণই গোপীসকলৰ অভিপ্ৰায় বুজি সখীয়েকসকলক লৈ সেই কৰ্ম (ব্ৰত) সিদ্ধিৰ বাবে সেই ঠাইলৈ গ'ল।

মহাব্ৰত ধৰি বিবস্ত্ৰা হৈ স্নান কৰা পাতকৰ প্ৰায়শ্চিত্তৰ কাৰণে কৃষ্ণই গোপীসকলক শিৰত হাত তুলি প্ৰণাম কৰিবলৈ ক'লে (দশম ৯০৮-৯ পদ)। তেতিয়া গোপীসকলে এখন হাতেৰে প্ৰণাম কৰাত কৃষ্ণই ক'লে — "দুয়ো হাতে যোৰ, কৰিয়া প্ৰণাম, তেবেসে ব্ৰত সমাংগ ॥" তেতিয়া গোপীসকলে দুয়োহাত শিৰত তুলি ব্ৰতভংগৰ ভয়ত কৃতাঞ্জলি কৰি —

সমস্ত ধৰ্মৰ ফলমূৰ্তি কৃষ্ণ কৰিলা তাংকে প্ৰণাম ॥

গোপীৰ অকুণ্ঠ ভকতিত তুষ্ট হৈ কৃষ্ণই ক'লে —

যিটো অভিলাষে কৰিলাহা ব্ৰত হুইবেক সবে সফল।

× × মোহোৰ বচনে জানিবা সবাৰে পূৰ্ণ ভৈল মনোৰথ।

এইখিনিত শংকৰদেৱৰ "আন্য দেৱী দেৱ নকৰিবা সেৱ … … … ভক্তি হৈব ব্যভিচাৰ" উক্তিৰ সাৰ্থকতা দেখা নগ'ল। কৃষ্ণক পাবৰ কাৰণে গোপীসকলে কাত্যায়নী পূজা আৰু ব্ৰত আচৰণ কৰিলে। কৃষ্ণই কাত্যায়নী ব্ৰত ভংগৰ ভয় দেখুৱাতহে গোপীসকলে দুয়োহাত তুলি প্ৰণাম কৰিবলৈ বাধ্য হ'ল। গোপীসকলে 'সমস্ত ধৰ্মৰ ফলমূৰ্তি' বুলি কাত্যায়নীহেতে ফল এবি দি প্ৰণাম কৰা নাই। সিমানতো গোপীসকলৰ 'ভক্তি-ব্যভিচাৰ' নহ'ল। তেওঁলোকে "ব্ৰহ্মাৰো দুলৰ্ভ ভাৱ" লাভ কৰিলে। পৰমভক্ত উদ্ধৱে এই গোপীসকলৰ ভকতিকে বাঞ্ছা কৰিলে —

এহি ভকতিক বাঞ্ছো যতেক ভকতে আৰি

অন্যো যত জীৱন মুকুত।

ব্ৰহ্মাৰো দুৰ্লভ ভাৱ ইটো গোপীগণে পাইল

কিনো ভৈল পৰম অদ্ভুত ॥ × × ২২৪৮

× × গোপীৰ চৰণ ৰেণু যিটো তৃণ-বনে পাৱে
এহি মহা বৃন্দাবন স্থানে ॥
আহাৰ মধ্যত মই এক হুৱঁ বেৰে
তেবে মোৰ হুৱে মহাভাগ।
পৰম ভকত ইটো গোপবধূ সমস্তৰ
সদায় ধূলিক পাইবো লাগ ॥ ২২৫২ (দশম)

তেনেহ'লে এতিয়া দেখা গ'ল অন্য দেৱীদেৱৰ সেৱা যদি পৰম-চৈতন্য ভগৱন্তৰ অভিমুখীহে হয়, তাত ভক্তি-ব্যভিচাৰৰ প্ৰশ্ন নাহে। গোপীসকলৰ দৰে ৰুক্মিণীয়েও ভৱানীপূজা কৰি ভক্তিব্যভিচাৰৰ দোষত পৰা নাই। "কেশৱ হে হামাকোৰি নাথহু প্ৰাণ। × × × তোহাৰি চৰণে শৰণ লৈলো হৰি" বুলি হৰিত শৰণ লৈয়ো ৰুক্মিণীয়ে ভৱানীমঠত গৈ "হে মাতা ভৱানী, স্বামী শ্ৰীকৃষ্ণে হামাক অবিঘিনিয়ে নেহন্তোক। তোহাক চৰণে অতয়ে সাধো" (ৰুক্মিণীহৰণ নাট) — এই বুলি প্ৰাৰ্থনা কৰিছেগৈ।

'ৰুক্মিণীহৰণ কাব্য'ত বেদনিধিয়ে আহি ৰুক্মিণীক "পাইলন্ত হৰি আসি কুণ্ডিল নগৰ" বুলি সংবাদ দিয়াৰ পাছত ৰুক্মবীৰে ৰুক্মিণীক 'কাহিলা ভগিনী যায়ো দুৰ্গাৰ মন্দিৰে' (ৰুঃ হঃ ২৫৯)। সেইমতে তেওঁ ব্ৰাহ্মণীসকলক লৈ যাত্ৰা কৰিলে। বাটত মৌনভাৱে কৃষ্ণক স্বামী বাঞ্ছা কৰি 'দুৰ্গাক সুমৰি' গৈছে। তেওঁ গৈ ভক্তিভাৱে ভৱানীমঠত প্ৰৱেশ কৰিলে আৰু —

অনেক নৈবেদ্য দিয়া কৰিলন্ত পূজা।
প্ৰণামি বোলন্ত তুষ্ট হুয়ো দশভুজা ॥ ২৬৫
সুপ্ৰসন্ন হুয়া মাৱ মোক দিয়ো বৰ।
যেন মতে স্বামী মোৰ হোন্ত দামোদৰ ॥
মোক কৃষ্ণে হৰি নেহন্তোক অবিঘিনি।
দণ্ডৱতে পৰি বৰ মাতন্ত ৰুক্মিণী ॥ ২৬৬
পৰিল পুষ্পৰ মালা দেৱীৰ পাৱৰ।
পাইলন্ত ৰুক্মিণীদেৱী মনোনীত বৰ ॥

মূল 'ভাগৱত'ত ব্ৰাহ্মণীসকলেহে ৰুক্মিণীক শিৱৰ লগত থকা ভৱানীক সেৱা কৰাইছে আৰু ৰুক্মিণীয়ে এই বুলি প্ৰাৰ্থনা কৰিছে — "হে মাতা

অম্বিকা, শিৱা, মই তোমাক পুত্ৰ (কাৰ্ত্তিক-গণেশ) সমন্বিতে প্ৰণাম জনাইছোঁ। মই যাতে ভগৱান কৃষ্ণক পতিৰূপে পাওঁ, তুমি সেই আশীৰ্বাদ দিয়া [৪]। অনেক নৈৱেদ্যেৰে দেৱীক পূজা কৰাৰ পাছত ৰুক্মিণীয়ে ব্ৰাহ্মণীসকলকো তামোল, পিঠা আদিৰে আপ্যায়িত কৰিলে। তেওঁলোকেও ৰুক্মিণীক অৱশেষ (প্ৰসাদ) দি আশীৰ্বাদ কৰিলে। ৰুক্মিণীয়ে ব্ৰাহ্মণীসকলক আৰু ভৱানীক নমস্কাৰ কৰি সেই প্ৰসাদ গ্ৰহণ কৰে [৫]।

উল্লেখযোগ্য যে শংকৰদেৱৰ 'ৰুক্মিণীহৰণকাব্য'ৰ অন্যতম আধাৰ গ্ৰন্থ 'হৰিবংশ'ত ৰুক্মিণীয়ে ভৱানী পূজা কৰাৰ কথা নাই। শংকৰদেৱে এই প্ৰসংগত ভাগৱতৰ পৰাও কিছু আঁতৰি আহিছে। প্ৰথম কথা হ'ল, শংকৰদেৱে লিখাৰ দৰে মূলত দুৰ্গাৰ পাৱৰ মালা পৰাত ৰুক্মিণীয়ে মনোনীত বৰ পাইছে বুলি নাই। দ্বিতীয়তে মূলত ভৱানী শিৱাম্বিকা, স্বসন্তানযুতা; তৃতীয়তে মূলত ৰুক্মিণীয়ে গোপনে গোপনে দেৱীৰপৰা একো বৰ খোজা নাই। শংকৰদেৱে স্ব ইচ্ছাৰে এইখিনি পৰিৱৰ্তন কৰিব পাৰিলে যেতিয়া তেওঁৰ 'অন্য দেৱী দেৱ' সেৱিলে ভক্তি-ব্যভিচাৰ হোৱা মতৰ প্ৰতিকূল ভৱানী-পূজাৰ কাহিনীটো একেবাৰে ত্যাগ কৰি কৃষ্ণত একান্ত শৰণ লৈয়ে ৰুক্মিণীয়ে উদ্ধাৰ পালে বুলি ক'ব পাৰিলেহেঁতেন। তেতিয়াহে শংকৰদেৱৰ একাদশ স্কন্ধ ভাগৱতত কৃষ্ণই উদ্ধৱক দিয়া নিম্নোক্ত উপদেশ আৰু গুৰুজনাৰ নিজা উপদেশ সাৰ্থক হ'লহেঁতেন —

> ১) এক মোতে মাত্ৰ তুমি লৈয়োক শৰণ।
> নকৰিবা ভয় মই কৰিবো ৰক্ষণ ॥ ১৮৭
>
> ২) এহি কথা কৈলা কৃষ্ণে গীতাৰ অন্তত ॥
> সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
> সুদৃঢ় বিশ্বাসে সাধি লৈয়োক আমাত ॥ ১৮৯

---

৪ নমস্যে ত্বাম্বিকেঽভীক্ষ্ণং স্বসন্তানযুতাং শিৱাম্।
ভূয়াৎ পতির্মে ভগৱান্ কৃষ্ণস্তদনুমোদতাম্ ॥ (ভা: ১০।৫৩।৪৬)

৫ তস্যৈ স্ত্ৰিয়স্তাঃ প্ৰদদুঃ শেষাং যুযুজুৰাশিষঃ।
তাভ্যো দেৱ্যৈ নমশ্চক্ৰে শেষাংচ জগৃহে বধূঃ ॥ (ভা: ১০।৫৩।৪৯)

নকৰিবা ভয় হেঁৰা কন্যা অঙ্গীকাৰ ।
সমস্ত পাপন্তে মই কৰিবো নিস্তাৰ ॥ (ভাঃ ১১)

'ৰুক্মিণীহৰণ নাট'ত কৃষ্ণ অহাৰ আশা নেদেখি মূৰ্চ্ছিত হোৱা ৰুক্মিণীক সখীয়েকে সান্তবনা দি কৈছে — "আহে সখী, স্বস্থ হুৱ । .... যাকেৰি নামমাত্রে মহাপাপীসৱ সংসাৰ নিস্তৰে সে ভকতৰ বান্ধৱ মাধৱ সাহি ৰক্ষা কৰব, ওহি শংকা ছাড়হ ।" "তোহাৰি চৰণে শৰণ লৈলো হৰি" বুলি হৰিত শৰণ লোৱা ৰুক্মিণী মাধৱৰ ভকত কাৰণেই ভকত-বান্ধৱে তেওঁক ৰক্ষা কৰিব; হোৰ পাছতো ৰুক্মিণীয়ে ভৱানীমঠত গৈ "স্বামী শ্ৰীকৃষ্ণক হামাক অবিঘিনিয়ে নেহন্তোক" বুলি কিয় প্ৰাৰ্থনা কৰিলে, সেই কথা উলাই কৰিব-লগীয়া নহয় ।

দৈত্যাৰি ঠাকুৰৰ ৰচিত 'গুৰুচৰিত'ৰ মতে পুত্ৰেকৰ আৰোগ্য কামনা কৰি চাপৰাত শিৱপূজা কৰোৱা ব্যাসকলাইক দেখি শংকৰদেৱে —

মহাপাপী বুলি মুখ কৰিলা পাণ্ডৰ ॥
কৃষ্ণক ভজিয়া আন দেৱক ভজয় ।
আছো তাক মাতিবে চাহিবে নলাগয় ॥

তেনেস্থলত হৰিত একান্ত শৰণ লৈয়া ৰুক্মিণীয়ে ভৱানী পূজা কৰাৰ কাহিনীটো শংকৰদেৱে ত্যাগ কৰি, বৰঞ্চ মূলতকৈ ভৱানীৰ ওপৰত অধিক গুৰুত্ব (মূলত ৰুক্মিণীয়ে দেৱীৰপৰা বৰ পোৱা নাই) দিছে কিয় দেখুৱালে ? আমাৰ বোধেৰে ৰুক্মিণীৰ আৰু ব্যাসকলাইৰ 'অন্য দেৱ' পূজাৰ মাজত পাৰ্থক্য । আছে ৰুক্মিণীৰ দেৱী-পূজাই তেওঁৰ উপাস্য দেৱ হৰিৰ প্ৰতি থকা ভক্তিভাৱ ব্যাহত নকৰি দৃঢ়হে কৰিছে, আনহাতে একান্ত শৰণ লৈয়ো হৰিৰ ওপৰত সুদৃঢ় বিশ্বাস ৰাখিব নোৱাৰি অৰ্থাৎ পুত্ৰেকৰ আৰোগ্য-দানৰ কাৰণে হৰিক অসমৰ্থ বুলি ভাবি ব্যাসকলায়ে ক্ষুদ্ৰ স্বাৰ্থৰ বশ-বৰ্তী হৈহে শিৱপূজা কৰিছে । ৰুক্মিণীৰ ভৱানীপূজা হৰিভক্তিৰ সাধন-স্বৰূপহে; ব্যাসকলাইৰ শিৱপূজাই কিন্তু তেওঁক হৰিভক্তিৰপ্ৰতি বিমুখ কৰি বিষয়মুখীহে কৰিছে ।

'ৰুক্মিণীহৰণ নাট' আৰু 'ৰুক্মিণীহৰণকাব্য'ত ৰুক্মিণী হৰিভক্তা ৰূপে চিত্ৰিত হৈছে । 'দশম'ত দ্ৰৌপদীয়ে জানিবলৈ বিচৰাত ৰুক্মিণীয়ে তেওঁৰ বিবাহৰ বৰ্ণনা দিয়াৰ পাছত কৈছে —

এহিমতে পাইলোঁ মই ঈশ্বৰ কৃষ্ণক ॥ ১৯৬
আন নবাঞ্ছোহো মই স্বামীক উপাসি ।
জন্মে জন্মে হুইবো তান চৰণৰ দাসী ॥ × × ১৯৭

এই কথা কওঁতে ৰুক্মিণীৰ 'নেত্ৰৰ নীৰ' বৈছে; তেওঁৰ এই প্ৰেমবিহ্বল অৱস্থা দেখি সকলো নাৰীয়ে 'মনত কৰন্ত ভক্তি কৃষ্ণ কৃষ্ণ স্মৰি' আৰু 'মিলিলা বিস্ময় দেখি দেৱীৰ ভকতি।'

এইদৰে হৰিভক্তৰূপে চিত্ৰিত ৰুক্মিণীক শংকৰদেৱে লক্ষ্মীৰে সৈতে অভিন্ন কৰি দেখুৱাইছে। 'কীৰ্ত্তন'ত থকা 'নাৰদৰ কৃষ্ণদৰ্শন'ত মূলত নাই যদিও ৰুক্মিণীক লক্ষ্মী বোলা হৈছে —

লক্ষ্মী পানী দেন্ত ভৃংগাৰ ধৰি ।
ঋষিৰ চৰণ ধুৱাইলা হৰি ॥

'দামোদৰ-বিপ্ৰাখ্যান'ত বিপ্ৰক অনুগ্ৰহ কৰিবলৈ বুলি কৃষ্ণই এমুঠি চিৰা খাই দ্বিতীয় মুঠি তুলি লোৱাৰ সময়ত কোৱা হৈছে —

নাথায়োক আৰ বুলি লক্ষ্মীমাৱে স্বামীক বুজ ইল ঠাৰ ।
(কীৰ্ত্তন ১৫ ৯৮)

দামোদৰ বিপ্ৰয়ো ৰুক্মিণীকে লক্ষ্মী বুলিছে — "শ্ৰম দেখি লক্ষ্মী, আমাক বিঞ্চিলা, চামৰক কৰে ধৰি" (কীৰ্ত্তন ১৬০১) । শংকৰ দেৱৰ মতে স্বয়ং লক্ষ্মীদেৱীও হৰিৰ উপাসিকাহে । 'ধ্যানবৰ্ণন'ত আছে — 'চৰণে অনেক ভকতি ভাৱে/উপাসন্ত লক্ষ্মী জগতমাৱে' (কীৰ্ত্তন ১১৪) ।

শংকৰদেৱৰ অষ্টম স্কন্ধ 'ভাগৱত'ত সমুদ্ৰ-মন্থনত উদ্ভূতা লক্ষ্মীয়ে নাৰায়ণক পতিবৰণ কৰি চৰণত প্ৰণতি জনাই পদধূলা শিৰত তুলি লোৱাত 'লক্ষ্মীৰ ভকতি, দেখিয়া প্ৰণতি, তুষ্ট ভৈলা দেৱ হৰি ॥' এই লক্ষ্মীকে শংকৰদেৱে 'ভকত অভয়দাতা, যিটো জগতৰ মাতা' (ভাঃ ৮।২২৬) আৰু 'তিনিও লোকৰ মাৱ' বুলিছে । লক্ষ্মীৰ এই ভকতৰ অভয়দাতা ৰূপত, ৰামানুজ-সম্প্ৰদায়ৰ ভক্তসকলক বিষ্ণুৰ অনুগ্ৰহৰ পাত্ৰ কৰা 'অশৰণশৰণ্যা' লক্ষ্মীৰ সাদৃশ্য পৰিলক্ষিত হয় । মাধৱাচাৰ্যয়ো কৈছে —"লক্ষ্মী আদি ভগৱানৰ ভক্ত-

সকলকো তাৰতম্য অনুসৰি ভক্তি কৰাটো মুক্তিকামীসকলৰ কৰ্তব্য ৬ ॥

কীৰ্তনৰ 'হৰমোহন'ত হৰে পাৰ্বতীক হৰিভক্তিৰ উপদেশ দিয়াৰ কথা আছে। তাত পাৰ্বতীক 'জগতৰ মাৱ' বুলিছে যদিও মহামায়াৰ মৰ্যাদা দিয়া হোৱা নাই। শিৱই পাৰ্বতীক হৰিভক্তি দিয়াৰ কাহিনীয়ে শৈৱ-বৈষ্ণৱ আদৰ্শৰ সমন্বয়ৰ ব্যঞ্জনা কৰিছে।

দ্বাদশ স্কন্ধ 'ভাগৱত'ত বিষ্ণুৰ মায়াত মহাতাপ পোৱা মাৰ্কণ্ডেয় ঋষিক কেশৱক ধ্যান কৰি থকা দেখি পাৰ্বতীয়ে হৰক কৈছে —

কৰিয়োক আন ইটো তপস্যাৰ সিদ্ধি।
তুমি বৰদাতা ভকতৰ নৱনিধি ॥ × × ৪২২

ধ্যানভংগ হৈ ঋষিয়ে সম্মুখত হৰগৌৰীক দেখি —

ত্ৰৈলোক্যৰ গুৰু আসিলন্ত মোৰ ঠাই।
কৰিলা প্ৰণাম দুইকো দুনাই দুনাই ॥ ৪৩১

মাৰ্কণ্ডেয় ঋষিয়ে শিৱক প্ৰাৰ্থনা কৰিলে —

ঈশ্বৰ কৃষ্ণত মোৰ নিশ্চল ভকতি হোক
নুগুচোক তাহান স্মৰণ ॥
হৈব হৰি ভকতিসে সুহৃদ পৰম মোৰ
সেৱোঁ যেন সাধুৰ সংগতি। × ৪৫২

তেতিয়া 'গৌৰীয়ে স্বামীক চাই, কটাক্ষে ঠাৰিলা যেৱে, তেহন্তে সন্তোষ ভাতে হৰ ॥" তাৰ পাছত শিৱই মাৰ্কণ্ডেয়ক অভীষ্ট-সিদ্ধি হ'বলৈ বৰ দিলে। এই কাহিনীত হৰিভক্তৰ শিৱ-পাৰ্বতীৰ দৰে বিষ্ণুৰ অনুৰক্ত দেৱ-দেৱীৰ প্ৰতি থকা ভক্তিভাৱ হৰিভক্তিৰ সহায়ক হোৱাৰ ইংগিত পোৱা যায়। পাৰ্বতীৰ ঠাৰ পাই শিৱই বৰ দিয়া কথাত ওপৰত উল্লেখ কৰি অহা 'অশৰণশৰণ্যা' লক্ষ্মীৰ সাদৃশ্য আছে।

---

৬ অতো বিষ্ণোঃ পৰাভক্তিস্তদ্ভক্তেষু যমাদিষু।
তাৰতম্যেন কৰ্তব্যা পুৰুষাৰ্থাভিলাষতা ॥

অন্য দেৱী-দেৱৰ পূজাৰ যোগেদিও অজ্ঞজনে যে হৰিভক্তিকে কৰে শংকৰদেৱৰ 'কীৰ্তন'ৰ 'কংসবধ'ত তাৰ ইংগিত পোৱা যায়। তত্ত্বদৰ্শী অক্ৰূৰে কৃষ্ণক কৈছে —

অজ্ঞানি লোকে আন দেৱ পূজে।
সিও বিধিহীনে তোমাক যজে॥
যেহেন নদ-নদী সমুদায়।
অনেক পথে সাগৰক যায়॥ (কীৰ্তন ১০১৬)

'কীৰ্তন'ত 'স্যমন্ত-হৰণ'ত জাম্বৱন্তৰ গাতৰ মুখত বৈ থকা যাদৱ-সকলে কৃষ্ণক ঘূৰি নহা দেখি —

পাছে যদুবংশ যতেক আছে।
কৃষ্ণ আসন্তোক মনত বাঞ্ছে॥
যাৰ যেন শক্য পাৰিল মানে।
পূজিলা দুৰ্গাক বলি বিধানে॥

শংকৰদেৱে সাত্বত যাদৱসকলৰ দ্বাৰা মূলত নাথাকিলেও দুৰ্গাপূজাৰ ঠাইত বিষ্ণুপূজা কৰাব পাৰিলেহেঁতেন।

শংকৰদেৱৰ অষ্টম স্কন্ধ 'ভাগৱত'ত অমৃত-মন্থনৰ কাৰণে মন্দৰ পৰ্বত দাঙি আনোঁতে —

দেৱ দানৱৰ ভাগি গৈল আঁটি মূটি।
পাৰে গৈৰ মৰোঁ মৰোঁ প্ৰাণ যায় ফুটি॥
চাপৰন্তে যায় কেহো কেহো হয় কুজা।
কতো চণ্ডী সুমৰন্তে কতো দশভুজা॥ ১৩১

দুৰ্বাসাৰ শাপত শ্ৰীহত হৈ বাৰে বাৰে দৈত্যৰ হাতত পৰাভূত হোৱা দেৱতাসকলক ব্ৰহ্মাই "মাধৱত পৰে গতি নাহিকে আমাৰ" বুলি কোৱা সত্ত্বেও দেৱতাসকলৰ কোনোৱে চণ্ডী, কোনোৱে দশভুজা স্মৰণ কৰাটো (মূল সংস্কৃত ভাগৱতত নাই) মন কৰিবলগীয়া কথা। অষ্টম স্কন্ধ 'ভাগৱত'তে (৪৬৭ পদ) দেৱ-দানৱৰ যুদ্ধ প্ৰসংগত সিংহবাহিনী ভদ্ৰ-কালীয়ে শুম্ভ-নিশুম্ভ নামৰ অসুৰদ্বয়ক যাঠীৰে বিদাৰণ কৰি বধ কৰাৰ

কথা আছে। মূলত নোহোৱা সত্ত্বেও শংকৰদেৱে আনি জোৰা দিয়া এই কথাত তন্ত্ৰকালীক ব্ৰাহ্মণ্য ধৰ্মৰ দ্বাৰা স্বীকৃত অন্য দেৱতাৰ শাৰীত স্থান দিয়াৰ সংকেত আছে যেন লাগে।

শংকৰদেৱৰ ৰচনাত ৰুক্মিণীৰ দৰে সীতাকো মাক বোলা হৈছে — "জগতৰ মাতা, সীতা মাতা" (ৰামবিজয় নাট) আৰু 'জগত মাতাৰ ৰূপে, পাছে জগতৰ বাপে' (৫৩৮, ভাগৱত) ইত্যাদি।

'ৰামায়ণ'ৰ উত্তৰাকাণ্ড'ত সীতাক জগত-জননী বোলা হৈছে — 'হৰি হৰি জগতজননী সীতা আই' (উত্তৰাঃ ২৮৪)। শংকৰদেৱে সীতাক সাধাৰণ তিৰোতাৰ দৰে চিত্ৰিত কৰিছে যদিও সীতাক ত্ৰিদশ-সেৱিতা দেৱী বুলিছে। সীতাৰ পাতাল-প্ৰৱেশৰ পাছত শোকাকুল হোৱা ৰামে সীতাক উলিয়াই দিবলৈ বসুমতীক ভীতি প্ৰদৰ্শন কৰাত পাতালপৰা এক বাণী ঘোষিত হৈছে —

তেজিও সন্তাপ ৰাম হোৱা সন্তুষ্ট।
× × ইটো অৱতাৰত নপাইবা ৰাম সীতা ॥ ৪৫৭
কন্যাগে আছন্ত ঐত আই সীতা সতী।
পাতালৰ লোকে পূজে পৰম ভকতি ॥
× × স্বৰ্গৰ ত্ৰিদশে আহি কৰে সৎকাৰ ॥ ৪৩৮
সাধে ইন্দ্ৰ যম আসি গোসানীক সেৱি।
সাতো পাতালৰ সীতা ভৈলা মুখ্যা দেৱী ॥

বাল্মী৹ ৰামায়ণৰ গৌড়ীয় পাঠত থকা পাতালী বাণীৰ আধাৰতে শংকৰদেৱৰ 'উত্তৰাকাণ্ড'ৰ এই পাতালী বাণী দিয়া হৈছে যদিও মূলত (গৌঃ ৭।১০৫।২৭-৩২) সীতাৰ যি দেৱীৰূপ বৰ্ণনা কৰা হৈছে, তাতকৈ শংকৰদেৱৰ বৰ্ণনা কিছু পৃথক। তাত কোৱা হৈছে — "সীতা ইয়াত নাগলোকৰ দ্বাৰা, মৰ্ত্যলোকত মনুষ্যগণৰ দ্বাৰা পূজিতা আৰু স্বৰ্গত পিতৃগণৰ স্বধাৰূপ, অমৃতভোজী দেৱগণৰ তৃপ্তিস্বৰূপ হৈছে। সীতা শ্ৰীবৎসশোভিত ৰক্ষক বিষ্ণুৰ দেহত লক্ষ্মীৰূপে প্ৰতিষ্ঠিতা হৈছে আৰু স্বৰ্গবাসী সিদ্ধগণৰ সিদ্ধিস্বৰূপা হৈছে।" মূলত সীতা ত্ৰিভুবনত ব্যাপ্তা হ'ল (ত্ৰৈলোক্যে সা প্ৰতিষ্ঠিতা) বুলি

বৰ্ণনা কৰাৰ ঠাইত শংকৰদেৱে 'সাতো পাতালৰ সীতা ভৈলা মুখ্যা দেৱী' বুলি কৈছে।

শংকৰদেৱে 'ইটো অৱতাৰত নাপাইবা' বুলি বামে অন্য অৱতাৰত সীতাক পোৱাৰ সূচনা দিছে। 'সাতো পাতালৰ মুখ্যাদেৱী' ষোলা কথা-ষাৰে আমাক 'মাৰ্কণ্ডেয়পুৰাণ'ত চণ্ডিৰূপিণী হৰিৰ মহামায়াক পতালবাসিনী [৭] বোলা কথালৈ মনত পেলায়।

ভাৰতৰ অনেক বৈষ্ণৱ সম্প্ৰদায়ে বিষ্ণুৰ শক্তিৰূপে স্বীকৃতি দিয়া ৰাধাক শংকৰদেৱে সেই স্বীকৃতি দিয়া নাই। সম্ভৱতঃ সহজীয়া পৰকীয়া নায়িকা ৰাধাৰ কু-প্ৰভাৱৰপৰা ৰুমক আঁতৰাই ৰাখিবলৈকে শংকৰদেৱে 'ৰাস-লীলা'ত 'ভাগৱত'ত উল্লেখ নথকা ৰাধাক অন্য গোপীসকলৰে একেৰাকী বুলি কৈ থ'লে। 'কেলিগোপাল নাট'ত কৃষ্ণৰ বিশেষ প্ৰীতিভাজন গোপী-গৰাকীক ৰাধা নাম দি বৈশিষ্ট্য আৰোপ কৰিছে যদিও ৰাধাই শক্তিৰ মৰ্যাদা পোৱা নাই।

শংকৰদেৱৰ ৰচনাত দেৱী বা শক্তি সমন্ধীয় কথাবিলাকত এটা বৈষ্ণৱ-সুলভ সহিষ্ণু ভাৱ পৰিলক্ষিত হয়। এই কথাবিলাকৰ লগত শংকৰদেৱৰ 'অন্য দেৱী-দেৱ নকৰিবা সেৱ' ইত্যাদি ধৰণৰ বচনসমূহ সংগতিবিহীন হৈ পৰা যেন লাগে। কিন্তু ঐতিহাসিক আৰু তাত্ত্বিক দৃষ্টিৰে চালে সেই সন্দেহৰ থল নাথাকে। প্ৰাক্-শংকৰী যুগত অনেক থলুৱা দেৱ-দেৱীক শিৱ-দুৰ্গাৰে অভিন্ন ৰূপ দি ম'হ-ছাগলী, আনকি নৰবলি পৰ্যন্ত নি মদমাংসেৰে তামসিক পদ্ধতিত পূজা কৰা হৈছিল। তেনে হেন পৰিৱেশত এটা সুসং-স্কৃত সাধনমাৰ্গত জনগণৰ চিত্ত নিবন্ধ কৰিবৰ কাৰণে তত্ত্বদৰ্শী শংকৰদেৱে অন্য দেৱী-দেৱৰ সেৱা আৰু প্ৰসাদ গ্ৰহণ নিষিদ্ধ কৰি দিছিল।

জীৱহিংসা নকৰাৰ আদৰ্শ বৈষ্ণৱ পৰম্পৰাত যথেষ্ট প্ৰাচীন। 'নিমি-নৱসিদ্ধ সংবাদ'ত আছে —

নমাৰিবা পশুক এৰিবে মাংস আশা।
দেৱকো উদ্দেশি পশু নকৰিবে হিংসা ॥ ৩৫৮

প্ৰথম স্কন্ধ 'ভাগৱত'ত নাৰদে ব্যাসক কৈছে —

---

৭ পাদাংগুলী: শ্ৰীধৰী চ তলং পাতালৱাসিনী ॥ (মাৰ্ক: দেৱীকৱচ, ৩ঃ শ্লোক)

স্বৰ্গ পাইবো বুলি বঙ্গে কাটে হংস ছাগ ॥
কৰৈ নানা হিংসা ধৰ্ম নানা দেৱ পূজে।
পুণ্যক্ষয় ভৈলে পুনাই নৰকত মজে ॥ ৩৪

একাদশ স্কন্ধ 'ভাগৱত'ত শংকৰদেৱে উপদেশ স্বৰূপে কৈছে —

দেৱ পূজি যিটো কাটি আছে হংস ছাগ।
অস্ত্ৰ ধৰি সিটো সিবেলাত লৱে লাগ ॥ × × ৪৫৪

× × যাতনা ভুঞ্জিবে লাগি মৰি মৰি জীয়ে।
কাকে গৃধ্ৰে মাংস ছিণ্ডি তাৰ তেজ পিয়ে ॥

× × দেখা কৰ্মী ধৰ্মী নেৰায় যাতনা বিপদ ॥ ৪৫৫
জানিয়া কৃষ্ণত লৈয়ো সত্বৰে শৰণ।

এইবিলাক উদাহৰণৰপৰা বুজা যায় যে বৈষ্ণৱ আদৰ্শৰ প্ৰতিকূল হংস-ছাগ মাৰি সকাম ভাৱেৰে দেৱতা-পূজা কৰাত শংকৰদেৱে ঘোৰ বিৰোধিতা কৰিছে। অন্য দেৱতাৰ সকাম-পূজাৰ বিৰোধিতা কৰি শংকৰদেৱে একাদশ স্কন্ধ 'ভাগৱত'ত কৈছে —

কৃষ্ণেসে মিলাব্ত সুখ আত্মা উপযোগ।
আন দেৱে সাধে মাত্ৰ ইন্দ্ৰিয়ৰ ভোগ ॥
আপুনি মায়াত বন্ধ কি দিবে মুকুতি।
কৃষ্ণক ভজিও জানি হেনসে যুগুতি ॥ ৫৯৪

নানা ভোগে কামনাৰে অন্য দেৱ পূজা কৰাসকলে হৃদিস্থিত পৰমাত্মাৰো স্বৰূপ উপলব্ধি কৰিব নোৱাৰে —

অৰ্জুনতো গীতাত কহিছা হৰি সাচ।
× × × মই হেন ঈশ্বৰক নকৰিয়া সেৱ।
হংস ছাগ কাটি নৰে পূজে অন্য দেৱ ॥
জানিবাহা সি সি নৰ ৰাক্ষস অসুৰ।
হিয়াত থাকন্তে মই তাহাৰ বিদূৰ ॥ (ভাঃ ১১ ৮২১)

ভগৱন্তই প্ৰিয়তম পৰম ভকত বুলি স্বীকাৰ কৰা আৰু ভগৱন্তৰ

দুৰ্ঘোৰ মায়া তৰণ কৰা [৮] উদ্ধৱক শ্ৰীকৃষ্ণই একাদশ স্কন্ধ 'ভাগৱত'ত কৈছে —

বাহিৰে ভিতৰে জানা ইটো জগতৰ ।
পৰিপূৰ্ণ ৰূপে আছোঁ পৰম ঈশ্বৰ ॥
জানি ইটো তত্ত্বকথা স্থিৰ কৰা চিত্ত ।
মোকেসে দেখিবা মাত্ৰ সমস্ত প্ৰাণীত ॥ ২৫৪

'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম' বুলি উদ্ধৱক সবাকো প্ৰণাম কৰিবলৈ কোৱা কৃষ্ণই "নকৰিবা সেৱ সখি অন্য দেৱতাৰ নুহি যেন আমাত ভকতি ব্যভিচাৰ" (ভাঃ ১১।২৫০) বুলি যে কৈছে, তাৰ তাৎপৰ্য্যও ভোগমুখী কৰি নিবৃত্তিপ্ৰধান হৰিভক্তিৰ প্ৰতি বিমুখ কৰা অন্য দেৱতাৰ সকাম সেৱাহে নিষিদ্ধ ।

অন্য দেৱতাই পৃথক, পৃথক ফল দিব পাৰে বুলি পূজা কৰিলে জগতৰ বাহিৰে-ভিতৰে পৰিপূৰ্ণৰূপে থকা পৰমেশ্বৰৰ সৰ্ব্বব্যাপিত্ব আৰু সৰ্ব্বশক্তিমত্তা খণ্ডিত হ'ব । অন্যদেৱৰ ৰূপত হৰিভিন্ন সত্তাক পূজিলে মায়াৰ অতীত হ'ব নোৱাৰি, বন্ধনতহে সোমায় । 'হৰমোহন'ত আছে —

যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কোনো নোহে ।
যিজন ভকতিহীন · সি দেখে হৰিক ভিন্ন
হৰিৰ মায়ায়ে তাক মোহে ॥ × × ৬০০

ব্যাসকলাইৰ শিৱৰ পূজা এনে বন্ধনপ্ৰদ খণ্ডভাৱৰ দোষত দোষী । আনহাতে গোপী-ৰুক্মিণীৰ কৃষ্ণমুখী অন্য দেৱৰ পূজা বৰ্জ্জনীয় হোৱা নাই । হৰিৰ অংশ বুলি মহাবৈষ্ণৱ প্ৰহলাদেও অন্য দেৱক সেৱা কৰিছে । নৱ-

---

৮ পৰম ভকত তুমি মোৰ প্ৰিয়তম ।
নাহি মোৰ বান্ধৱ উদ্ধৱ তুমি সম ॥
আপোনাত কৰি মোৰ তোমাতহে দায়া ।
জানা তুমি তৰিবা দুৰ্ঘোৰ মোৰ মায়া ॥ ২৬৬ (একাদশ স্কন্ধ)

সিংহৰূপী হৰি অন্তৰ্ধান হোৱাৰ পাছত —

প্ৰথমে ব্ৰহ্মাক নমিলন্ত দৈত্যেশ্বৰ ।
শংকৰক প্ৰণামিলা আত অনন্তৰ ॥
জানন্ত বিষ্ণুৰ অংশ আন যত দেৱ ।
একেথানে সবাকো কৰিলা পৰি সেৱ ॥ (কীৰ্ত্তন ৪৬৭)

সকলো দেৱতাৰ পূজাৰ ফল বিষ্ণুক পূজিলেই পোৱাৰ কথাত অন্য দেৱতাৰ প্ৰতি বিদ্বেষভাৱতকৈ সমন্বয়ৰ উদ্দেশ্যহে সোমাই আছে —

ঈশ্বৰ কৃষ্ণক পূজা কৰে যিটো জন ॥
সমস্তে দেৱক পূজা কৰিলেক আতি ।
পৃথকে পূজিলে কেহো নোহন্ত তৃপিতি ॥
(ভক্তিৰত্নাকৰ ৪০১)

গীতকে শংকৰদেৱৰ ৰচনাত শক্তিপূজাৰ প্ৰতি দেখুওৱা সহিষ্ণুতা "অন্য দেৱী-দেৱ, নকৰিবা সেৱ" ইত্যাদি বচনৰ পৰিপন্থী কথা নহয় ।

মাধৱদেৱৰ ৰচনাত শংকৰদেৱৰ ৰচনাত থকাৰ দৰে শক্তিবিষয়ক প্ৰচুৰ উল্লেখ পোৱা নাযায় যদিও গুৰুজনাৰ আদেশতে মাধৱদেৱে ৰচনা কৰা 'আদিকাণ্ড ৰামায়ণ'ত থকা কেইটিমান কথা উপেক্ষণীয় নহয় ।

'আদিকাণ্ড ৰামায়ণ'ত সন্নিৱিষ্ট কৰা 'গণেশৰ মুণ্ডচ্ছেদ'ৰ কাহিনীটো [৯] বাল্মীকীয় ৰামায়ণত নাই । এই কাহিনীটো 'ব্ৰহ্মবৈৱৰ্ত্ত' পুৰাণ'ত (গণপতি-খণ্ড, ৫০ অং) থকা এই সম্পৰ্কীয় বৃত্তান্তৰ লগত মিলে যদিও 'আদিকাণ্ড'ত থকা 'দেৱী-স্তৱ'টো উক্ত পুৰাণত নাই । শনিৰ দৃষ্টি পৰি গণেশৰ মুণ্ডচ্ছেদ হোৱাত পাৰ্ৱতীয়ে যেতিয়া শনিক মাৰিবলৈ খেদি গ'ল, তেতিয়া —

হেন দেখি স্তুতি কৰি বোলে দেৱগণে ।
সৃজিলা আপুনি শনি মাৰিবা কেমনে ॥ ৩৩১
তোমাৰ সৃজন ইটো যত চৰাচৰ ।

৯ এই কাহিনীৰ উৎস সম্পৰ্কে এই লেখিকাই 'অসমীয়া ৰামায়ণী সাহিত্যঃ কথাবস্তুৰ আঁতিগুৰি' নামৰ গ্ৰন্থত বহলাই আলোচনা কৰিছে ।

যত দেৱগণ ব্ৰহ্মা বিষ্ণু মহেশ্বৰ ॥
জল স্থল ত্ৰিভুবন সৃজিলা আপুনি ।

ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ সমন্বিতে চৰাচৰ সৃষ্টি কৰা বুলি দেৱগণে দেৱীক কৰা এই স্তুতিটো মাধৱদেৱে সংযোজনা কৰাটো গুৰুত্বপূৰ্ণ কথা। শংকৰদেৱৰ 'অনাদি-পাতনৰ' পৰম পুৰুষ আদিনিৰঞ্জনৰ গৰ্ভত লুকাই থকা আৰু ভগৱন্তৰ কটাক্ষত পুৰুষৰূপৰ বাজ হোৱা ঈশ্বৰৰ ঊৰ্ধকায় অনাদিৰূপিণী মহামায়াৰে সৈতে মাধৱদেৱৰ এই দেৱী ভিন্ন নহয়।

'অনাদিপাতন'ত ত্ৰিগুণাত্মিকা এই প্ৰকৃতি বা মহামায়াৰূপৰাই (১) 'ৰজোগুণে ভৈলা ব্ৰহ্মা যিটো সৃষ্টিকৰ' (২) 'সত্ত্বগুণে ভৈলা বিষ্ণুৰূপ কৃতিকৰ আৰু (৩) 'তমোগুণে ভৈলা ৰুদ্ৰৰূপ মনোহৰ' (অঃপাঃ ১৩৪, ১৩৬ আৰু ১৩১)। এই মহামায়াৰে মাধৱদেৱৰ 'আদিকাণ্ড'ত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ সৈতে চৰাচৰ সৃষ্টি কৰা দেৱী অভিন্ন নোহোৱা হ'লে মাধৱদেৱে বাল্মীকীয় ৰামায়ণ বা অন্য কোনো বৈষ্ণৱ আধাৰ গ্ৰন্থত নথকা আৰু ৰামায়ণৰ মূল বিষয়-বস্তুৰ লগত সম্পৰ্ক নথকা এই দেৱীস্তুতিৰ সংযোজনা নকৰিলেহেঁতেন।

বাল্মীকীয় ৰামায়ণৰ 'অহল্যা-বৃত্তান্ত'ত গৌতম ঋষিৰ শাপত ইন্দ্ৰ সহস্ৰযোনি হোৱাৰ কথাটো নাই যদিও স্কন্দ, ব্ৰহ্ম, ব্ৰহ্মবৈৱৰ্ত পদ্ম প্ৰভৃতি পুৰাণত আৰু বহুতো সংস্কৃত তথা আঞ্চলিকভাষাৰ ৰামায়ণত এই কথা আছে [১০]। 'পদ্মপুৰাণ'ৰ কোনো কোনো পাঠৰ মতে ইন্দ্ৰ দেৱীৰ বৰদানত সহস্ৰযোনিৰূপৰা সহস্ৰনয়ন হয়।

মাধৱদেৱৰ 'আদিকাণ্ড'ৰ মতে গৌতমৰ শাপত সহস্ৰযোনি হোৱা ইন্দ্ৰই লাজতে পদ্মদণ্ডত লুকাই থকাত শচীয়ে ইন্দ্ৰক বিচাৰি নাপাই বৃহস্পতিৰ ওচৰ চাপে। তেতিয়া বৃহস্পতিয়ে শচীক ক'লে — "তেবেসে স্বামীক পাইবা পূজিবে দুৰ্গাক।" শচীয়ে সেইমতে দুৰ্গাপূজা কৰে আৰু দেৱীয়ে আহি ইন্দ্ৰৰ সকলো বৃত্তান্ত জনোৱাত শচীয়ে বৃহস্পতিৰে সৈতে গৈ ইন্দ্ৰক লুকাই থকা অৱস্থাত পদ্মদণ্ডত পায়। তেতিয়া ইন্দ্ৰই সেই লজ্জাকৰী অৱস্থাৰপৰা পৰিত্ৰাণৰ উপায় বিচৰাত 'বৃহস্পতি বোলন্ত দেৱীক

১০ এই সম্পৰ্কে 'অসমীয়া ৰামায়ণী সাহিত্য: কথাবস্তুৰ আঁতিগুৰি' গ্ৰন্থত বহলাই আলোচনা কৰা হৈছে।

আৰাধিলো ।' গুৰুৰ বচনমতে ইন্দ্ৰই 'একচিত্তে কৰিলা দেৱীৰ আৰাধন' । তুষ্ট হৈ দেৱীয়ে দৰ্শন দিয়াত ইন্দ্ৰই প্ৰণতি জনাই 'স্তুতি নতি ভকতি কৰিলা বহুতৰ ।' দেৱীয়ে কি বৰ লাগে ইন্দ্ৰক সু'ধলে কোৱাত —

বাসবে বোলন্ত মাৱ বৰ দিয়া মোক ।
মহা ঋষি গৌতমৰ শাপ দূৰ হোক ॥
পাৰ্বতী বোলন্ত ব্ৰহ্মশাপ আছা পাই ।
তাক গুচাইবাক লাগি মোৰ শক্তি নাই ॥ ১১৬৭
তথাপিতো দেও বৰ তোক শুনিয়োক ।
যোনি গুচি ইটো সহস্ৰেক চক্ষু হোক ॥

শংকৰদেৱৰ 'প্ৰহলাদচৰিত্ৰ'ত বিষ্ণুৱে শাপগ্ৰস্ত জয়-বিজয়ক 'ব্ৰহ্মশাপ নকৰোঁ উচ্ছন । × × ব্ৰাহ্মণসকল মোৰ ইষ্ট' বুলি কোৱাৰ দৰে মাধৱদেৱৰ ৰচনাত পাৰ্বতীয়েও ব্ৰহ্মশাপ গুচাবলৈ অক্ষমতা প্ৰকাশ কৰিছে ।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই তেখেতৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত এই অংশ মাধৱদেৱৰ "ৰচনা হয় নে নহয় সেই বিষয়ে সন্দেহত" পৰা দেখা গৈছে (পৃঃ ৯৫) । এই প্ৰসংগত তেখেতে কৈছে — "দুৰ্গাক আৰাধনা কৰি সহস্ৰলোচন হোৱা কথাটো মূলত নথকা সত্ত্বেও মাধৱদেৱে সংযোগ কৰাৰ যুক্তি বিচাৰি পোৱা টান ।" এই অংশ যে মাধৱদেৱৰ ৰচনা হোৱাটো নিতান্ত স্বাভাৱিক তাৰ যুক্তি হ'ল — (১) মূলত নথকা সত্ত্বেও মাধৱদেৱে গণেশৰ মুণ্ডছেদৰ কাহিনীত দেৱতাসকলে কৰা দেৱী-স্তুৱ অন্তৰ্ভুক্ত কৰিছে । ইয়াৰ বাহিৰেও মাধৱদেৱৰ 'আদিকাণ্ড'ত মূলত নথকা অনেক কথা আছে [১১] । গতিকে মূলত নাই বুলিয়েই এই অংশ প্ৰক্ষিপ্ত হ'ব নোৱাৰে । (২) ভোগবাদী আদৰ্শপ্ৰধান দেৱসমাজৰ অধিপতি ইন্দ্ৰই বা তেওঁৰ পত্নী শচীয়ে বিশেষ কামনাৰে দুৰ্গাপূজা কৰাটো মাধৱদেৱৰ পৰিত্যাজ্য বিষয় হোৱাৰ যুক্তি নাই । অন্য দেৱী-দেৱ পূজা কৰি ভক্তি ব্যভিচাৰ হ'বলৈকো ইন্দ্ৰ ভক্ত নহয় ।

---

১১ উক্ত গ্ৰন্থত এই বিষয়ে বহল আলোচনা কৰা হৈছে ।

মাধৱদেৱৰ 'আদিকাণ্ড'ত সীতা লক্ষ্মীৰ অৱতাৰ। সীতাজন্মৰ প্ৰসংগত থকা লক্ষ্মীৰ কাহিনীটো মাধৱদেৱৰ অভিনৱ সৃষ্টি। সীতাজন্মৰ প্ৰসংগত বাল্মীকীৰ ৰামায়ণত সীতা আৰু লক্ষ্মীক অভিন্ন কৰি দেখুৱা নাই [১২]। অগ্নি-পৰীক্ষাৰ সময়ত ৰামক বিষ্ণু আৰু সীতাক লক্ষ্মী বোলা কথাটো (সীতালক্ষ্মীৰ্ভবান্ বিষ্ণুঃ দেৱ কৃষ্ণঃ প্ৰজাপতিঃ) প্ৰক্ষিপ্ত বুলি পণ্ডিতসকলে যুক্তি দৰ্শায়। বাল্মীকীৰ ৰামায়ণত 'উত্তৰকাণ্ড'ৰ মতে ৰাৱণৰ দ্বাৰা অপমানিতা হৈ বেদৱতীয়ে অগ্নিত প্ৰৱেশ কৰি পাছৰ জন্মত সীতা হৈ ৰাৱণৰ বিনাশ সাধন কৰে। ব্ৰহ্মবৈৱৰ্তপুৰাণ, দেৱীভাগৱত আদি পৰৱৰ্তী সাহিত্যত বেদৱতীক লক্ষ্মীৰ অৱতাৰ বোলা হৈছে।

বাল্মীকীৰ ৰামায়ণত থকা তপস্যাৰতা বেদৱতী ৰাৱণৰ দ্বাৰা অপমানিতা হোৱা কথাটোকে আধাৰ স্বৰূপে লৈ কৃষ্ণজন্ম প্ৰসংগত 'ভাগৱত'ৰ দশম স্কন্ধত থকা যোগমায়াৰ কাহিনীটোৰে সমন্বয় সাধন কৰি মাধৱদেৱে সীতাজন্মৰ কাহিনীটো ৰচনা কৰিছে বুলি অনুমান হয়। এই কাহিনীৰ মতে নাৰায়ণে দশৰথৰ ঘৰত অৱতীৰ্ণ হৈ ৰাৱণ-বধ কৰিব বুলি প্ৰতি-শ্ৰুতি দি দেৱতাসকলক বানৰ প্ৰভৃতি ৰূপত জন্ম ল'বলৈ কোৱা দেখি লক্ষ্মীয়ে সুধিলে — "আমি কৈত উপজিবো বুলিয়ো বচন ॥" নাৰায়ণে উত্তৰত ক'লে — "আছন্ত জনক ৰজা মিথিলা নগৰে।" × × অযোনিজা হৈয়া থাকিবাহা তাৰ ঘৰে।"

দশৰথৰ ঘৰত ভগৱন্ত ৰামৰূপে অৱতীৰ্ণ হোৱা দেখি 'পৰম ঈশ্বৰী লক্ষ্মীদেৱী' পৰ্বতত মুক্তকেশে ৰহি আছিলন্ত। সেই সময়তে ৰাৱণে আহি তেওঁৰ ত্ৰৈলোক্যমোহন ৰূপ দেখি 'ভৈল আতি মোহিত ৰাৱণ দুৰাচাৰ।'

> তাৰ বধ চিন্তিত মনে আছন্ত গোসানী।
> সিটো পাপী নিশাচৰে তাহাক নাজানি ॥
> ৰথত তুলিল আনি তাক বলে ধৰি।
> লক্ষ্মী মাৰে তেখনে জানিলা ধ্যান কৰি ॥ ৭৩৯

১২ কেৱল দাক্ষিণাত্য পাঠতহে সীতা-লক্ষ্মী অভিন্ন।

তেতিয়া লক্ষ্মীয়ে ৰাৱণক শাপ দি ক'লে —

মোক নিৰ্চিনস তই শুনৰে বৰ্ব্বৰ ॥
জন্মিবাক যাওঁ তোৰ বধৰ কাৰণে ।
উপজিলা হৰি তোক বধিবাক মনে ॥

এইদৰে কৈ লক্ষ্মী অন্তৰ্ধান হ'ল । মাধৱদেৱৰ এই বৰ্ণনাই 'ভাগৱত'ত যোগমায়াই কংসক সাৱধান-বাণী শুনাই অন্তৰ্ধান হোৱাটো মনত পেলায় ।

তাৰ পাছত লক্ষ্মীয়ে সাগৰত জাপ দিয়ে আৰু বহুদিনৰ যোৱাৰ পাছত পৃথিৱীয়ে লক্ষ্মীক গৰ্ভত ধাৰণ কৰে । জনকৰজাৰ যজ্ঞভূমিত হালোৱাসকলে এটা ৰক্তবৰ্ণৰ ডিম্ব পাই ৰজাক দিয়াত, ৰজাই ডিম্বটো ভাঙি এক সুন্দৰী কন্যা লাভ কৰে । কালক্ৰমত জনকে কন্যাটিৰ বেদবিহিত সংস্কাৰ কৰি সীতা নাম থয় । জনকৰ ঘৰত —

সীতা নাম ধৰি লক্ষ্মী জগত জননী ।
যেন চন্দ্ৰকলা বাঢ়ি যান্ত সুবদনী ॥
একচিত্তে মনে সদা বিষ্ণুক ধিয়ান্ত ।
হৰিক নিচিন্তি সতী একোকে নথান্ত ॥ ৭৫৩

এই কন্যাটি লক্ষ্মীৰ দৰেই 'বিষ্ণুত ভকতা সৰ্বগুণে অনিন্দিতা' । মাধৱদেৱৰ 'আদিকাণ্ড'ত লক্ষ্মীৰ বিষ্ণুভক্তিৰ নিদৰ্শন দেৱতাসকলে ৰাৱণ-বধৰ প্ৰাৰ্থনা কৰিবলৈ বিষ্ণুৰ ওচৰলৈ যোৱাৰ সময়ত দেখিবলৈ পাইছোঁ —

অনন্তৰে সৰ্পৰে নামিলা নাৰায়ণ ।
দেৱক সম্মুখে বসিলন্ত পদ্মাসন ॥
হাতৰ পদ্মক লক্ষ্মী থৈলন্ত কোলাত ।
তাহাৰ উপৰে থাপিলন্ত দুই হাত ॥ ৫৬৫
দুই পাদপদ্ম তাতে থাপিলন্ত হৰি ।
স্বামীৰ চৰণে দেৱী ধৰিলা আদৰি ॥

এই বৰ্ণনা শংকৰদেৱৰ 'ধ্যান-বৰ্ণন'ত থকা হৰিৰ 'চৰণে অনেক

স্বৰ্গত ভাৰ/উপাসন্ত লক্ষ্মী জগত মাজে বৰ্ণনাৰ অনুৰূপ হৈছে। মাধৱ-দেৱৰ মতে —

যেহি যেহি ৰূপে অৱতাৰ হন্ত হৰি :
উপজন্ত লক্ষ্মীদেৱী সেহি ৰূপ ধৰি ॥

সেই কাৰণেই ৰাম ৰূপে থকা নাৰায়ণৰ সীতাৰূপে থকা লক্ষ্মী ভাৰ্যা হ'বই (৯০৪ পদ)। শংকৰদেৱে ৰুক্মিণীক লক্ষ্মীৰ অৱতাৰ বুলিছে। গতিকে হৰিৰ অৱতাৰৰ লগতে লক্ষ্মীৰো অৱতাৰ হয় বুলি কথা মাধৱদেৱৰ সিদ্ধান্ত গুৰুজনৰ অনুৰূপ।

হৰধনুভঙ্গৰ পাছত সীতাই ৰামক বৰমাল্য দি চৰণত নমস্কাৰ জনালে। ৰামে সীতাক তেওঁৰ কাষতে স্থান দিলে। তেতিয়া —

লক্ষ্মী-নাৰায়ণ দুয়ো ভৈল একথান।
জগতৰে ভৈল আসি পৰম কল্যাণ ॥

জগতৰ এই কল্যাণ হৈছে ৰাক্ষসবধ —

সীতাৰূপে লক্ষ্মী ভৈলা উতপতি ৰাক্ষসবধ কাৰণে।
লক্ষ্মী নাৰায়ণ একত্ৰ হৈৱন্ত জানিয়া দেৱতাগণে ॥ ১৬৪০

শংকৰদেৱে বোলাৰ দৰে মাধৱদেৱেও সীতাক 'জগতৰ মাতা' বুলিছে —

জনকনান্দনী সীতা দেৱী জগতৰ মাতা
তাক বিহা কৰি আনিলন্ত ॥ ১৪৭৪

ধৰ্মীয় ক্ষেত্ৰত শংকৰদেৱতকৈ বহু পৰিমাণে গোড়া বুলি পৰিচিত মাধৱদেৱৰ ৰচনাতো এইদৰে বৈষ্ণৱসুলভ দৃষ্টিৰে শক্তিক স্থান দিয়া হৈছে।

শংকৰদেৱৰ অন্যতম বিশিষ্ট শিষ্য সতানন্দ বৰভকতৰ বংশধৰ ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ'ত শক্তিক দিয়া মৰ্যাদাই সম্পূৰ্ণ মহা-পুৰুষীয়া সত্ৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হোৱা কবিজনাৰ উদাৰ তাত্ত্বিক দৃষ্টিৰ পৰিচয় দিয়ে। ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ৰ কথাবস্তু সংস্কৃত 'অদ্ভুত ৰামায়ণ'ৰ লগত অকণো নিমিলে। সংস্কৃত 'অদ্ভুত ৰামায়ণ'ত মহাশক্তি স্বৰূপিণী সীতাই শতস্কন্ধ ৰাৱণক বধ কৰাৰ কাহিনী বৰ্ণোৱা হৈছে। অৱশ্যে ৰঘুনাথে সীতাক পৰম শক্তিৰ ৰূপত চোৱাৰ প্ৰেৰণা সংস্কৃত 'অদ্ভুত ৰামায়ণ'ৰ পৰা

পোৱাটো অসম্ভৱ নহয়। সীতাক শক্তিৰূপে স্বীকাৰ কৰা আৰু 'সৃষ্টি-কাৰিণী জগত-তাৰিণী' শক্তিক হিচাবেই বিষ্ণুভক্তি প্ৰাৰ্থনা কৰাৰ কথা শংকৰদেৱৰ সাহিত্যত পাই অহা হৈছে।

ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ত পাতাল প্ৰৱেশৰ পাছত 'ভূমিৰ বিদ্যা-বিলাসিনী নামৰ গোপ্যপুৰীত সীতাই পূজা খাই থকাৰ কথা আছে সেই নগৰী 'বৰাহ বিষ্ণুৰ ক্ৰীড়াৰ মন্দিৰ'। তাত 'শ্ৰীৰামৰ ভাৰ্যা ৰক্তেশ্বৰী'ৰ —

সাতো পাতালৰ লোকে বৰ সাধে যায়।
× × × যেহি যিবা বাঞ্ছা কৰে সেহি সিটো পায় ॥ ১৩২
নাগিনী সৰ্পিণী দানৱিনী বালাচয়।
× × স্বামী সাধিবাক যায় জানকীৰ ঠাই ॥

সীতাৰ অনুৰোধমতে বাসুকীয়ে অযোধ্যাৰপৰা লৱ-কুশক হৰণ কৰি অনাত হনুমন্তই তেওঁলোকক বিচাৰি ৰক্তেশ্বৰী দেৱীৰ নগৰী পায়গৈ। মায়া কৰি সেই নগৰীত উপস্থিত হোৱা হনুমন্তই নাৰীৰ বেশ ধৰি নানা কৌশলেৰে দুৰ্ভেদ্য স্থানসমূহ পাৰ হৈ ৰক্তেশ্বৰী দেৱীৰ ওচৰ পায়গৈ। হনুমন্তই সকলো বাঞ্ছা পূৰণকাৰিণী সেই দেৱীক মহাশক্তিৰ ৰূপত স্তুতি কৰে।

শংকৰদেৱৰ 'উত্তৰাকাণ্ড'ত 'সাতো পাতালৰ মুখ্যা দেৱী' সীতাক 'পাতালৰ লোকে পৰম ভকতিৰে পূজে' 'ত্ৰিদশে সতকাৰ কৰে' আৰু 'ইষ্ট বৰ সাধে' (উঃ ৪৩৬-৩৯); সেই অনুৰূপেই ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ত বিস্তৃত বৰ্ণনা দাঙি ধৰা হৈছে (১১৮-১৩৮ পদ)। পাতালপুৰ, ৰসাতল মহাতল, তলাতল, সুতল, বিতল আৰু অতল — এই সাত পাতালৰ লোক ৰক্তেশ্বৰী ৰূপিণী সীতাক অনেক ভকতিৰে পূজা কৰি ইষ্ট বৰ সধা বৰ্ণনাৰ আধাৰ শংকৰদেৱৰ 'উত্তৰাকাণ্ড'ত থকা পাতালবাসিনী সীতাসম্বন্ধীয় কথা-খিনিয়েই বুলি নাভাবি নোৱাৰি। উল্লেখযোগ্য যে ৰঘুনাথৰ 'অদ্ভুত ৰামায়ণ'ৰ মূল উৎস আজিলৈকে উলিয়াব পৰা নাই। শংকৰদেৱৰ 'উত্তৰাকাণ্ড'ত 'ইটো অৱতাৰত সীতাক ৰামে নাপাব বুলি বসুমতীয়ে কোৱা কথাৰ অনুৰূপে ৰঘুনাথৰ কাব্যখনতো পাতালৰপৰা অযোধ্যালৈ অহা সীতাই ৰামক কৈছে —

দ্বাপৰ যুগৰ অন্তে কালৰ আদিত।
হৈবা অৱতাৰ তুমি জগত তাৰিত ॥ ৬৭৭
বাসুদেৱ নামে হৈবা জগত প্ৰখ্যাত।
ৰাধানামে মঞো গোকুলত হৈবো জাত ॥
কংসভয় ছলে তুমি গোকুলত যাইবা।
তথাতে মোহোক প্ৰভু ভাৰ্য্যা কৰি পাইবা ॥ ৬৭৮
× × পুনু অংশে জন্মিবোহো জনক আগাৰে।
তেবে সুৰসতি হৈব তোমাৰে আমাৰে ॥

শংকৰদেৱৰ 'অনাদিপাতন'ত পৰম পুৰুষেৰে 'কিঞ্চিতেকো নাহি ভিন' আৰু পৰম পুৰুষত 'লীন যাহা প্ৰতি মাত্ৰ হীন' প্ৰকৃতিৰ দৰে ৰঘুনাথৰ কাব্যতো সীতা ৰামৰ সৈতে অভিন্ন। ইয়াত সীতাই ৰামক কৈছে —

বাস্তৱত তুমি সৰ্বগত সৰ্বস্বামী।
তোমাৰ উদৰে বাস কৰি আছো আমি ॥ ৬৭৫
× × তুমি কি ব্ৰহ্মাৰ আসকতি হৈব তাত।
মনুষ্যৰ নাট্য মাত্ৰ কৰাহা সাক্ষাত ॥ ৬৭৬
আমাৰ তোমাৰ কিঞ্চিতেকো নাহি ভেদ।
× × বাস্তৱতে তোমাৰ আমাৰ ভেদ নাই।
কেৱল কৰাহা খেদ লোকক দেখাই ॥ ৬৮৪

ৰঘুনাথৰ এই ৰাম-সীতা 'অনাদিপাতন'ৰ পুৰুষ-প্ৰকৃতিতকৈ ভিন্ন নহয়।

ব্ৰতেশ্বৰী নামৰ কোনো দেৱীৰ নাম পোৱা নাযায়। পাতালৰ লোকে নানা ব্ৰত কৰি সীতাক উপাসনা কৰি ইষ্টফল লাভ কৰে কাৰণেই হয়তো ৰঘুনাথে তেওঁক ব্ৰতেশ্বৰী আখ্যা দিছে। কুমাৰীসকলে এই ব্ৰতেশ্বৰীক উপাসনা কৰি স্বামীভিক্ষা কৰা কথাটো শংকৰদেৱৰ অনুকৰণ পৰিলক্ষিত হয়। শংকৰদেৱৰ সাহিত্যত 'দুৰ্গা ভদ্ৰা কালী আদি' নামেৰে 'লোকৰ পূজা খোৱা' হৰিৰ যোগমায়াক গোপীসকলে কাত্যায়নীব্ৰত পূজন কৰি নন্দকুমাৰক স্বামী ভিক্ষা কৰিছে আৰু ৰুক্মিণীয়েও একে উদ্দেশ্যেই দশভুজাক পূজিছে। কুমাৰীসকলক এই দৰে বাঞ্ছিত পতিলাভৰ বৰ দিয়া দুৰ্গা

প্ৰসিদ্ধি থকা দুৰ্গাদেৱীৰ ভিত্তিতে ৰঘুনাথে ৰত্নেশ্বৰীৰ এই ৰূপৰ কল্পনা কৰাটো সম্ভৱ। হনুমন্তই কৰা ৰত্নেশ্বৰীস্তুতিটোতো শংকৰদেৱৰ প্ৰভাৱ পৰিলক্ষিত হয়।

ভাগৱত সম্প্ৰদায়ত ছজন বিশিষ্ট ভক্তৰ ভিতৰত হনুমন্তও অন্যতম। বৈষ্ণৱ কবি ৰঘুনাথ মহন্তৰ 'অদ্ভুত ৰামায়ণ'ত থকা হনুমন্তৰ দেৱীস্তুতিটোৰ বৈশিষ্ট্য আছে। নাৰীৰ ৰূপত যে হনুমন্তই সাতো পাতালৰ লোকৰ ইষ্টবৰ সখা ৰত্নেশ্বৰীক স্তুতি কৰিছে —

মাৰুতি বন্দিত শুনা ভগৱতী সুৰেশ্বৰী ৰত্নেশ্বৰী।
সৃষ্টিৰ কাৰিণী জগত তাৰিণী আহা লীলাতনু ধৰি ॥
অবিদ্যাস্বৰূপে জীৱ সমস্তক সংসাৰ নিকাৰ দিয়া।
বিদ্যাৰূপে পুনু তুমি ভগৱতী সংসাৰ তাৰিয়া নিয়া ॥

হৰিৰ মহামায়াই কেনেকৈ জীৱক মোহগ্ৰস্তও কৰে আৰু মুক্তিৰ উপায়ো দিয়ে সেই কথা শংকৰদেৱৰ সাহিত্যত শক্তিৰ সম্পৰ্কে কৰা আলোচনাত কৈ অহা হৈছে।

হনুমন্তই 'সৰ্বপোষ্টা (পোষণকাৰী) আৰু সৰ্বলোকধাতা' এই 'জগতৰ মাতা'ক "যেহিৰূপে ভাবে, সেহিৰূপে পাৱে" বুলিছে। এই সৰ্বস্ৰষ্টা 'অনাদিপাতন'ত পৰম্পৰাৰে "সহায় কৰিয়ো মায়া জগত নিৰ্মাণ" বুলি সৃষ্টিকাৰ্যত প্ৰবৃত্ত কৰোৱা মহামায়াতকৈ ভিন্ন নহয়। হনুমন্তই পুৰুষক এই শক্তিৰ অবিহনে জড়প্ৰায় বুলিছে —

তোমাত বিনাই যেন জড়প্ৰায় পুৰুষৰ চেষ্টা নাই।

ৰঘুনাথৰ ৰচনাত সৰ্বশ্ৰেষ্ঠা হ'লেও এই দেৱীৰ স্বতন্ত্ৰতা স্বীকাৰ নকৰি পুৰুষ আৰু প্ৰকৃতিক পৃথকে উপাসনা কৰাটো অনুমোদন কৰা নাই। হনুমন্তই সীতাক কৈছে —

নানা পূজা পাই আনন্দিত কায় দুইৰাক কিবা বুজায় ॥
পুৰুষ শক্তিৰ যদি ভিন্ন নাই স্বৰূপ শীতল হয়।
সাক্ষাতে প্ৰমাণ কোনে নমানিব তোমাতে দিল প্ৰত্যয় ॥ ৩৫৫

পুৰুষ আৰু শক্তি উভয়েই যদি উভয়ৰ অভাৱত স্বৰূপ শক্তিহীন (ক্ৰিয়াৰহিত) হয়, তেনেহ'লে শক্তিৰ মহত্ত্ব যে পুৰুষতকৈ কম নহয়, সেই কথা কোনে নামানিব? পুৰুষৰ সম্পৰ্কতহে যদি শক্তিৰ মাহাত্ম্য প্ৰকাশ পায়, তেনেহ'লে পৃথকে পূজা পাই আনন্দলাভ কৰাৰ অৰ্থ কি? গতিকে সীতাৰ স্বচ্ছন্দ আচৰণ হনুমন্তই ভাল পোৱা নাই —

পুৰুষৰ ইচ্ছা শকতি আছয় বেদ পুৰাণত খ্যাত।
শক্তিৰ স্বচ্ছন্দ বিহাৰ আচাৰ কোনো গ্ৰন্থে শুনা নাই ॥

বৈদিক সাহিত্য (তুলনীয় প্ৰশ্নোপনিষদ ৬।৩-৪), বেদান্ত দৰ্শন, সাংখ্যদৰ্শন আৰু শৈৱ, শাক্ত, বৈষ্ণৱ কোনো তন্ত্ৰতেই শক্তিক স্বতন্ত্ৰ সত্তাৰূপে পোৱা নাযায়। পুৰুষৰ ইচ্ছাশক্তিৰেহে শক্তি সদায় পৰিচালিতা এনেস্থলত সীতাই 'শাস্ত্ৰক বিনাশি, স্বচ্ছন্দে বিলাসি' ফুৰাৰ কাৰণে হনুমন্তই খেদ কৰিছে। হনুমন্তই কিন্তু শক্তিক শক্তিমান পুৰুষৰে সৈতে অবিচ্ছেদ্য বুলি অমান্যও কৰিব পৰা নাই। শংকৰদেৱৰ সাহিত্যত পাই অহাৰ দৰে ৰঘুনাথৰ ৰচনাতো শক্তিয়ে ভক্তক বিষ্ণুৰ অনুগ্ৰহৰ পাত্ৰ কৰিব পাৰে। দেৱীয়ে সকলো ইষ্ট বৰ দিব পাৰে যদিও ৰঘুনাথৰ হনুমন্তই দেৱীৰপৰা পাৰ্থিৱ সম্পদ নিবিচাৰি বিষ্ণুত ভক্তিহে প্ৰাৰ্থনা কৰিছে। তেওঁৰ মতে "যাৰ যেহি ইচ্ছা, তাহাকে সাধোক, তাত মোৰ কিবা দায়।" ৰঘুনাথ মহন্তৰ হনুমন্তই দেৱীক প্ৰাৰ্থনা কৰিছে —

পতিপুত্ৰচয় নমাগোহো মই সবাতে ভৈলো নিৰ্বেদ ॥
কিন্তু এহি বৰ সাধো নিৰন্তৰ দয়া দৃষ্টি কৰা মোক।
অবিচ্ছিন্ন ভাৱে তব স্বামী পাৱে মোহোৰ ভকতি হোক ॥ ৩৫৭

'বিষ্ণুপুৰাণ'ত অনাদি অনন্ত অবিচ্ছিন্ন কালক সৃষ্টি স্থিতি প্ৰলয়কাৰী পৰমতত্ত্ব বুলিছে [১৩]। বিষ্ণুৰ পৰম স্বৰূপৰপৰা প্ৰধান আৰু পুৰুষ

১৩ বিষ্ণো স্বৰূপাৎ পৰতো হি তে দ্বে ৰূপে প্ৰধানং পুৰুষশ্চ বিপ্ৰ।
তস্যৈৱ তেঽন্যেন ধৃতে বিযুক্তে ৰূপান্তৰং তদ্দ্বিজ কালসংজ্ঞকম্ ॥
অনাদিৰ্ভগৱান্ কালো নান্তোঽস্য দ্বিজ বিদ্যতে।
অব্যুচ্ছিন্নাস্ততস্ত্বেতে সৰ্গস্থিত্যন্তসংযমাঃ ॥ (বিষ্ণু: ১।২ ২৫, ৬)

এই দুই ৰূপ উৎপন্ন হ'ল। এই বিকাৰৰ বিটো ৰূপৰ শক্তিৰ এই দুই তত্ত্ব সংযুক্ত আৰু বিযুক্ত হয় সেই ৰূপৰে নাম কাল। কালৰূপে ভগৱান অনাদি অনন্ত। শক্তিকে এই অবিচ্ছিন্ন কালৰ গৰ্ভত হোৱা উৎপত্তি, স্থিতি আৰু প্ৰলয়ো অবিচ্ছিন্ন।

গীতাতো ভগৱানে কৈছে — 'অহমেৱাক্ষয়ঃ কালঃ' (১০।৩৩) আৰু "কালোঽস্মি লোকক্ষয়কৃৎ" (১২।৩২)। 'নিমিনৱ সিদ্ধসংবাদ'তো কোৱা হৈছে —

কালৰূপী কৃষ্ণ বিটো জগত আধাৰ।
কৰন্ত লীলায়ে পাছে সৃষ্টিক সংহাৰ ॥ ১১৩

'অদ্ভুত ৰামায়ণ'ত সীতাই 'অন্তকৰো অন্তক সবাৰো মূলহেতু' অন্তৰ্যামী কালেই শ্ৰীৰামৰূপে অৱতীৰ্ণ হোৱা বুলিছে —

ইদানীকো কাল আছে অৱতাৰ ধৰি।
জগতকে মোহি আছে নৰনাট্য কৰি ॥
যাহাক শ্ৰীৰাম বুলি জগতে বদয়।
তেৱে স কালৰো কাল জানিবা নিশ্চয় ॥ ৫৬৫

তেতিয়া হনুমন্তই কৈছে — "যদি ৰাম কাল তুমি কালী জানো সাৰ।" পৰম পুৰুষৰ সংহাৰিকা শক্তিয়েই কালী।

'অদ্ভুত ৰামায়ণ'ত বৈষ্ণৱ কবি ৰঘুনাথ মহন্তই এইদৰে বৈষ্ণৱসুলভ পদ্ধতিৰে শাক্ত-বৈষ্ণৱ সমন্বয়ৰ আদৰ্শ দাঙি ধৰিছে। শংকৰদেৱৰ অনুৱৰ্তী বৈষ্ণৱ কবি ৰামসৰস্বতীৰ 'গীতগোবিন্দ'ত ৰাধাক 'অনাদিপাতন'ত বৰ্ণিত মহামায়াৰ স্থানত ঠাই দিয়া হৈছে, সেই কথা 'ৰামসৰস্বতীৰ গীতগোবিন্দত ৰাধা' শীৰ্ষক প্ৰবন্ধত আলোচনা কৰা হৈছে।

সহায়ক গ্ৰন্থ —

(১) শ্ৰীশংকৰদেৱৰ বাক্যামৃত (২) সাতকাণ্ড ৰামায়ণ, দত্ত বৰুৱা সম্পাদিত (৩) ভাৰতৰ শক্তিসাধনা ও শাক্ত সাহিত্য (৪) ৰাধাৰ ক্ৰমবিকাশ (৫) অদ্ভুত ৰামায়ণ, ডাঃ বিৰিঞ্চি-কুমাৰ বৰুৱা সম্পাদিত (৬) সংস্কৃত অদ্ভুত ৰামায়ণ।

মহাপুৰুষীয়া কবিৰ আৰাধ্যদেৱতাবিষয়ক —

॥ শৃংগাৰ-বৰ্ণন ॥

'ভাগৱত পুৰাণ'ত আছে —

কামং ক্ৰোধং ভয়ং স্নেহমৈক্যং সৌহৃদমেৱ চ ।
নিত্যং হৰৌ বিদধতো যান্তি তন্ময়তাং হি তে ॥

(ভা: ১০।২৯।১৫)

কাম, ক্ৰোধ, ভয়, (বাৎসল্য) স্নেহ, ঐক্য আৰু সুহৃদ্‌ভাৱ — ইয়াৰ যেই সেই এভাৱে হৰিক নিতৌ ভাবিলে তন্ময়তা অৰ্থাৎ ভগৱৎপ্ৰাপ্তি হয়। 'ভাগৱত'ৰ এই শ্লোকত বিভিন্ন মানৱীয় প্ৰবৃত্তিক ভগৱৎ-মুখী কৰাৰ বিধান দিয়া হৈছে আৰু তাৰ দ্বাৰা ভক্তই ভগৱানক লাভ কৰাৰ অনেক উদাহৰণ 'ভাগৱত'ত দাঙি ধৰা হৈছে। মানৱীয় প্ৰবৃত্তিসমূহৰ ভিতৰত প্ৰধান হ'লেও আধ্যাত্মিক সিদ্ধিৰ বাধক বুলি পৰিগণিত হোৱা কাম প্ৰবৃত্তিকো ভগৱদ্‌মুখী কৰি আধ্যাত্মিক সিদ্ধি লাভ কৰাৰ উদাহৰণ ভাগৱতত অনেক আছে। তাৰ ভিতৰত গোপীসকলে উপপতিৰূপে কামনা কৰি ভগৱানক লাভ কৰাৰ উদাহৰণেই প্ৰধান।

বিষ্ণু, শিৱ, ৰাম আদি আৰাধ্যদেৱতাক বিভিন্ন সম্প্ৰদায়ত মধুৰ ৰূপত আৰাধনা কৰাৰ প্ৰথা ভাৰতৰ নানা ঠাইত আছে। ৰাধা-কৃষ্ণ, হৰ-গৌৰী আৰু ৰাম-সীতাক (ৰসিক সম্প্ৰদায়ত) লৈ ৰচনা হোৱা বিস্তৃত শৃংগাৰী সাহিত্য সংস্কৃত তথা অন্য আঞ্চলিক ভাষাত থকাৰ কথাও সৰ্বজনবিদিত। এনেকুৱা অনেক সাহিত্যই ভক্তিৰ সাধনমাৰ্গত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰা দেখা যায়। এই বিষয়ত গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ত

জয়দেৱৰ 'গীতগোবিন্দ'ৰ দৰেকৈহে আভুৱিয়াসেই যথেষ্ট হ'ব।

অসমৰ মহাপুৰুষীয়া ধৰ্মত মধুৰ ভক্তিৰ স্থান নাই। যি 'ভাগৱত'ৰ আধাৰ স্বৰূপে লৈ কৃষ্ণপন্থীসকলৰ মধুৰ সাধনা বঙ্গ আৰু উৰিষ্যাত বিকশিত আৰু প্ৰচলিত হ'ল সেই 'ভাগৱত'ই অসমত হোৱা সত্ত্বেও অসমত মধুৰ ভক্তিক স্থান দিব নোৱাৰিলে। তথাপি পূৰ্বোক্ত চাৰুহৰ প্ৰোৎসাহিত কৰাৰ দৰে কামভাৱকো ঈশ্বৰমুখী কৰি উপকাৰক লাভ কৰাৰ উদাহৰণ স্বৰূপে উল্লেখিত কৰা শৃংগাৰবৰ্ণনাত্মক বৰ্ণনাসমূহ মহাপুৰুষীয়া ভকতসকলে স্থান দিব নোৱাৰিলে। কামপ্ৰবৃত্তিক একেবাৰে অবদমন কৰাটো অসম্ভৱ আৰু হানিকৰ বুলি আধুনিক মনোবিজ্ঞানে কয়। সেই বাবে প্ৰবৃত্তিক সংশোধিত কৰি কলাত্মক কাৰ্যত প্ৰবৃত্ত কৰাৰ ব্যৱস্থা আধুনিক মনোবিজ্ঞানে দিয়াৰ দৰে ভাৰতৰ নানা প্ৰাচীন সাধনমাৰ্গতো কামভাৱক ঈশ্বৰমুখী কৰাৰ ব্যৱস্থা দিয়া দেখা যায়। বৈষ্ণৱ সাধনমাৰ্গতো এনে ব্যৱস্থা থকাৰ কাৰণে অসমৰ মহাপুৰুষীয়া কবিসকলেও এই বিষয়ত একেবাৰে আওকাণ কৰিব নোৱাৰিলে। তেওঁলোকে মধুৰ সাধনা অনুমোদন নকৰিলেও আৰাধ্য দেৱতা বিষ্ণু বা কৃষ্ণৰ লগত জড়িত প্ৰেমকথাবোৰ স্বকীয় দৃষ্টিভংগীৰে জনসমাজত প্ৰচাৰ কৰিলে। তথাপি ওচৰ-চুবুৰীয়া বঙ্গত কৃষ্ণক লৈ ৰচিত শৃংগাৰীসাহিত্যত কামবিষয়ক বৰ্ণনাই চৰম সীমা পোৱাৰ সময়তো অসমৰ মহাপুৰুষীয়া কবিসকলৰ গাম্ভীৰ্যপূৰ্ণ সুসংযত শৃংগাৰ বৰ্ণনা মন কৰিবলগীয়া। মহাপুৰুষীয়া কবিসকলৰ এই শৃংগাৰী বৰ্ণনা সমূহত সাধাৰণ লোকৰ কামপ্ৰবৃত্তি ঈশ্বৰ-মুখী কৰাৰ উপায়ও আৰু এটা তত্ত্বও প্ৰতিপাদিত হৈছে; সেয়ে হৈছে সাধাৰণ দৃষ্টিত নিম্ন থাপৰ বুলি পৰিগণিত প্ৰবৃত্তি কামভাৱেৰেও ঈশ্বৰ-অৰ্চন কৰি মুক্তি পাব পাৰি; তেনে স্থলত বৈৰাগ্যপ্ৰধান ভক্তিৰে মুক্তি পোৱাটো সুনিশ্চিত।

মহাপুৰুষীয়া ধৰ্মৰ প্ৰৱৰ্তক শংকৰদেৱৰ 'কীৰ্তন'ৰ 'ৰাস লীলা' খণ্ড, 'দশম'ত বৰ্ণিত ৰাসলীলা আৰু 'কেলিগোপাল নাট'ত গোপীসকলৰ লৌকিক প্ৰেমক ভগৱৎপৰায়ণ কৰি চৰম আধ্যাত্মিক উৎকৰ্ষ লাভ কৰাৰ উদাহৰণ দেখুৱা হৈছে। এই তিনিও ঠাইতে বিষয়বস্তু একে কাৰণে একে লগেই আলোচনালৈ অনা হ'ল। গোপীসকলৰ ব্যভিচাৰী নিম্ন জাতিৰ

শৰীৰেও কায়ভাৱেৰে ভগৱানত আত্মসমৰ্পণ কৰি মানুহে দুৰ্লভতা লাভ কৰিবলে। ভগৱানত অৰ্পিত কামভাৱে অনৰ্থ ঘটাব নোৱাৰে বুলি সংস্কৃত শ্ৰীকৃষ্ণই বস্ত্ৰহৰণৰ সময়ত গোপীসকলক কৈছে —

মোতেসে একান্ত চিত্ত যাৰ তাক নকৰে কামে অনৰ্থ।
সিজা জানিবা যেন ভজাধান গজিবে নুহি সমৰ্থ ॥
(দশম ১১৪)

ওপৰে ওপৰে চালে বস্ত্ৰহৰণৰ কাহিনীত অশ্লীলতা দেখা গলেও ভক্ত দৃষ্টিৰে ই ভিন্ন ৰূপতহে ধৰা দিয়ে। কৃষ্ণৰ বংশীধ্বনি শুনি ব্ৰজ-যুৱতীসকলৰ —

তৈলন্ত ব্যামোহ কামে জৰ্জ্জৰিত চিত্ত ॥
কৃষ্ণৰ মূৰ্তিক হৃদয়ত কৰে ধ্যান।
কৃষ্ণত পশিলা যেন জীৱ যাৰ প্ৰাণ ॥

এইদৰে কৃষ্ণৰ প্ৰতি অনুৰক্ত হোৱা ব্ৰজাংগনাসকলে কৃষ্ণক পতি কামনা কৰি কাত্যায়নী পূজা আৰু ব্ৰত কৰি তাৰ পাছত বিবস্ত্ৰা হৈ যমুনাত স্নান কৰাতে কৃষ্ণই তেওঁলোকৰ বস্ত্ৰ হৰণ কৰে। তেতিয়া গোপীসকলে কৃষ্ণক প্ৰাৰ্থনা জনালে —

শ্যামল সুন্দৰ তোমাৰে সে দাসী হৈছো গোপবধূ আমি।
কমল নয়ন দিয়োক বসন কদম্ব বৃক্ষৰ স্বামী ॥
(দশম ১০৫)

তেতিয়া—

হেন শুনি হাঁসি মাধৱে বোলন্ত যেবে সবে ভৈলা দাসী।
তেবে মোৰ বাক্য কৰিয়া পালিত উঠি বস্ত্ৰ লৈয়ো আসি ॥

এই বস্ত্ৰহৰণৰ আধ্যাত্মিক তাৎপৰ্য হৈছে যিজনে একান্ত ভাৱে ভগৱানক আত্মসমৰ্পণ কৰিছে, সেই ভক্ত আৰু ভগৱানৰ মাজত কোনো প্ৰকাৰৰ ব্যৱধান বা আৱৰণ থাকিব নালাগিব। সেই কাৰণেহে কৃষ্ণৰ নিৰ্দেশ-

মতে গোপীসকলে সম্পূৰ্ণ বিবস্ত্ৰা হৈয়ে পানীৰপৰা উঠি গৈ 'সমস্ত ধৰ্মৰ ফল-মূৰ্তি কৃষ্ণ, কৰিলা তাংক প্ৰণাম।' এইদৰে সাধক আৰু ভগৱানৰ মাজত থকা আৱৰণৰূপী ব্যৱধান দূৰ হোৱাত ভগৱানে মহামিলনৰ প্ৰতি-শ্ৰুতি দিলে —

আসিবে শৰত বাত্ৰি বিভোপম বিকশিত বৃন্দাবন।
মই সমস্তিবতে কৰিবোহো ক্ৰীড়া পৰম আনন্দ মন॥
(দশম ৯১৫)

এই প্ৰতিশ্ৰুত ৰাতি উপস্থিত হ'ল। যথাসময়ত কৃষ্ণই বংশীধ্বনি কৰাত কামভাৱত উন্মত্ত গোপীসকলে বৃন্দাবনলৈ ঢাপলি মেলিলে। সামাজিক মৰ্যাদা অতিক্ৰম কৰি উপপতি কৃষ্ণৰ সৈতে কামকেলি কৰিবলৈ অহা গোপীসকলক কৃষ্ণই ঘূৰি গৈ নিজ নিজ আচৰণধৰ্ম পালন কৰি স্বামীক ভক্তি কৰিবলৈ ক'লে। তেতিয়া তদ্গতপ্ৰাণা গোপীসকলে উত্তৰ দিলে —

শুনি আছো বেদবাণী হৰি নাম গুণ শুনি
ভকতে তিয়াগে নিজ ধৰ্ম॥
সাক্ষাতে তোমাক দেখো আৰ কি পাপক লেখো
আমি দৃঢ় কৰি আছো চিত্ত।
দেখা বৃক্ষ পশু পক্ষী তোমাৰ মূৰ্তিক দেখি
ভৈল ভয় প্ৰেমে পুলকিত॥ (দশম ১২৬২-৬৩)

যি পৰমাত্মাৰ আকৰ্ষণত মোহিত হৈ চৰাচৰ জগত তেওঁৰ প্ৰতি ধাবিত হয়, সেই পৰমাত্মাক লাভ কৰিবলৈ ভক্ত গোপীসকলো উদ্বাউল হৈ পৰিছে। সেয়েহে তেওঁলোকে সমস্ত মানৱীয় কামনা-বাসনা কৃষ্ণতে অৰ্পণ কৰি সন্তুষ্ট হৈছে —

তোমাৰ কিংকৰী হৈ'বা মৰো আমি গোপীসব
কামানলে বিমোহিত হুই।
শিৰত তনত নাথ হস্ত পদ্ম দিয়া আনি
নিমাৱো আমাৰ ইটো জুই॥ ১২৬৪
সব তেজি তোমাৰেসে চৰণে কৰিলো সাৰ
মৰণ কালত গতি তুমি। (দশম)

ভক্তই এইদৰে পৰমেশ্বৰত আত্মসমৰ্পণ কৰি মানৱীয় কামবাসনা পূৰণৰ আনন্দলাভ কৰাটো যে অলৌকিক কথা নহয়, মীৰাবাঈৰ কাৰ্য্যাৱলীয়েই তাৰ জ্বলন্ত প্ৰমাণ। ৰাসলীলা বাস্তৱ ঘটনা নহয়[১৪]। সাধাৰণ লোকেও জৈব কামবাসনাক ঈশ্বৰমুখী কৰি আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব পাৰে, তাৰ নিদৰ্শন স্বৰূপেই এই কাহিনীৰ উদ্ভাৱনা কৰা হৈছিল। ই ব্যাৱহাৰিক জগতৰাও বাহিৰ নহয়।

কৃষ্ণত একান্তভাৱে আত্মসমৰ্পণ কৰা গোপীসকলে কৃষ্ণক এৰি ঘৰলৈ যাবলৈ অমান্তি হ'ল। ভকতৰ দুখ সহিব নোৱাৰি কৃষ্ণই আশ্বাস দিলে —

তোমাসাৰ প্ৰেমভকতিত ভৈলো বশ্য।
আজি মনোৰথ সৱে পূৰিবো অৱশ্য ॥

তাৰ পাছত পূৰ্ণকাম জগতৰ ঈশ্বৰ হৈয়ো ভক্ত গোপীগণৰ প্ৰীতি-সাধনৰ কাৰণেই 'কৰিলন্ত কৃষ্ণে কামকেলি বিপৰীত।' আলিংগন, চুম্বন, নখক্ষত প্ৰভৃতিৰে সৈতে জলবিহাৰ-বনবিহাৰ কৰি —

আনন্দে গোৱিন্দে গোপিকাৰ বঢ়াই কাম।
ৰমিলা শৰত ৰাতি আতি অবিশ্ৰাম ॥
কৰিলা সুৰতি সন্তোষিলা মন্মথ।
নিৰন্তৰে গোপীৰ পূৰিলা মনোৰথ ॥ (দশম ১২৮৯)

এইদৰে মনুষ্য-চেষ্টা দেখুউৱা ভগৱানৰ আদৰ পাই গোপীসকলৰ স্ত্ৰীসুলভ অহংকাৰ উপজিল —

কৃষ্ণকো কৰিলো বশ্য ৰূপেগুণে জিনি।
আমাৰ সদৃশে আৰ আছে কোন নাৰী ॥ (দশম ১২৯৩)

তেতিয়া তেওঁলোকৰ দৰ্পচূৰ্ণ কৰিবৰ কাৰণে ভগৱান অন্তৰ্ধান হ'ল। গোপীসকলে নিজৰ ভুল বুজিব পাৰি কৃষ্ণক বিচাৰি উন্মাদিনী হৈ পৰিল —

এহিমতে বৃক্ষ পক্ষীতো উন্মত্ত স্বভাৱে সুধিয়া ফুৰৈ।
কৃষ্ণক নপাই প্ৰেমভাৱে আতি নেত্ৰৰ লোতক ঝৰৈ ॥
(দশম ১৩৩১)

---

১৪ এই বিষয়ে এই লেখিকাই 'ৰাসলীলাৰ ঐতিহাসিক পৃষ্ঠভূমি' শীৰ্ষক প্ৰবন্ধত (ৰামধেনু, ১৮শ বছৰ, ৭ম সংখ্যা) বহল আলোচনা কৰিছিলে।

তাৰ পাছত গোপীসকল আপোন পাহৰা হৈ কৃষ্ণ ভাবত তন্ময় হৈ পৰিল। তেওঁলোকে পূতনাবধ, শকটভঞ্জন প্ৰভৃতি লীলাসমূহৰ অভিনয় কৰি কৰি কৃষ্ণক বিচাৰি বাউল হৈ ফুৰিলে। বিচাৰি বিচাৰি এঠাইত কৃষ্ণৰ চৰণ-চিহ্ন দেখি অনুসৰণ কৰি গৈ কিছু দূৰত একমাত্ৰ গোপীৰো চৰণ চিহ্ন দেখা পালে। তেতিয়া কৃষ্ণই অনুগ্ৰহ কৰা সেই বিশিষ্টা গোপীৰ প্ৰতি গোপীসকলৰ সপত্নীসুলভ ঈৰ্ষা জন্মিল —

তাইসে সতিনী ভৈলা সবাতো প্ৰধান।
× × তাইত পৰে শত সখী নেদেখোহো আন ॥ (দশম ১৩৬৫)

এই বিশেষ গোপীগৰাকীক 'কেলিগোপালনাট'ত ৰাধা বোলা হৈছে — 'ৰাধা নাম এক গোপীক হৃদয়ে বান্ধিকহো তথায়ে অন্তৰ্দ্ধান ভৈলা।' এই গোপীগৰাকীক কৃষ্ণই কান্ধত লৈ যোৱাৰ চিনো গোপীসকলে পালে —

প্ৰাণতো অধিক প্ৰিয়া দুখ পাবৈ বুলি।
কান্ধত লৈ যান্ত হৰিবে আলগাই তুলি ॥
× × হেৰা দেখা তাইক ঐত উৰুত বৈসাই।
বান্ধিলন্ত খোপা কামাতুৰ যদুৰায় ॥ (দশম ১৩৬৮)

কৃষ্ণৰ বিশেষ অনুগ্ৰহ পাই এই গোপীৰো অহংকাৰ হ'ল —

সবাকো এৰিয়া কৃষ্ণে ভজিল আমাক ॥
মোক সম সুন্দৰী নাহিকে ত্ৰৈলোক্যত।
ভোল গৈল কৃষ্ণ মোৰ পৰম ৰূপত ॥
আউৰ মোৰ বাক্য কৃষ্ণে নকৰিবে পাৰে।
× × মনত আলচ কিয় ফুৰো ভাৰ বুলি।
কাবো কৰি নিৰন্ত বোকাত মোক তুলি ॥ (দশম ১৩৭৪-৭৫)

এইগৰাকী গোপীকো এৰি কৃষ্ণ অন্তৰ্ধান হোৱাত সকলো গোপীয়ে একে লগে গৈ যমুনাৰ পাৰত মণ্ডলাকাৰে শাৰী পাতি কৃষ্ণক প্ৰাৰ্থনা জনাবলৈ ধৰিলে। ব্ৰহ্মা আৰু লক্ষ্মীৰো আৰাধ্যদেৱ অনুৰনাশন কৃষ্ণক কাতৰ মিনতি জনাই তেওঁলোকে বিলাপ কৰিবলৈ ধৰিলে —

শুনা মহাভাগ ভকতৰ ত্যাগ তোমাৰ নুহি উচিত ॥
বিনাশে সংসাৰ ভয় ভকতৰ পূৰে মনোৰথ যত।

হেন হস্তপদ্ম আনি প্ৰাণনাথ দিয়োক আসি শিৰত ॥
সমস্ত পাপীৰ পাপ হৰে যিটো আছিলু কালীৰ ফণে ।
কামক মৰ্দিয়া হেন পাদপদ্ম অৰ্পিয়োঁ আমাৰ স্তনে ॥
× × দিয়া দৰিশন তোমাৰ চৰণ বিনে নাহি আন গতি ॥
যিটো পাদপদ্ম ব্ৰহ্মায়ো অৰ্চ্চন্ত স্মৰণে বিপদ হৰে ।
জগতৰ ভূষণ ভকতজনৰো সবে মনোৰথ পূৰে ॥
সেৱা সময়তো অতি সুখতম মূৰ্চ্ছিয়ো থাকে আৱাধি ।
আমাৰ তনত তাক অৰ্পিয়োক গুচায়ো মদন ব্যাধি ॥

এইদৰে কৃষ্ণৰ গুণ কীৰ্ত্তন কৰোঁতে কৰোঁতে গোপীসকলৰ 'কৃষ্ণত পশিল প্ৰাণ, নাহিকে চেতন জ্ঞান, কৃষ্ণ কৃষ্ণ বুলি মাত্ৰ পাৰে ।' তেওঁলোকৰ বিলাপৰ ধ্বনিয়ে 'গগন লংঘিলে ।' ভকতৰ দুখ সহিব নোৱাৰি কৃপাময় কৃষ্ণই 'পৰম মোহন মূৰ্তি' ধৰি বেকত হোৱাত গোপীসকলৰ সন্তাপ দূৰ হ'ল । কৃষ্ণই তেওঁতে লাগি বেদ, ধৰ্ম, পতি-পুত্ৰ, জাতি ত্যাগ কৰি তেওঁতে স্নেহ অৰ্পণ কৰা গোপীসকলক ক'লে —

কিন্তু তোমাসাৰ প্ৰেম ভকতি বঢ়াই ।
কীৰ্ত্তন শুনিয়া ফুৰোঁ পাছতে লুকাই ॥
× × কৰিলাহা বশ্য মোক ভৈলোহো অধীন ।
× × তোমাসাৰ প্ৰেম ভকতিত ভৈলো বন্দী ॥ (দশম ১৪৫২-৫৪)

কৃষ্ণৰপৰা এই সন্মান পাই গোপীসকলৰ 'চিত্ত উল্লাসিল', 'অমৃত বচনত বিৰহতাপ গুচিল', আনন্দতে স্বৰ্গ চুকি পোৱাৰ দৰে তেওঁলোকে 'কৰিবে লাগিলা যৌৱ কেশৱৰ কেলি ।' 'যতেক গোপিকা, কৃষ্ণে ভত হুয়া' চুম্বন, আলিংগন নখক্ষত প্ৰভৃতিদ্বাৰা 'গোপিকাৰ মন পূৰি মদন কেলি' কৰিবলৈ ধৰিলে । এইদৰে —

যদ্যপি আপুনি পূৰ্ণ আনন্দ সম্পদে ।
লীলায়ে কৰিলা কেলি ভকতৰ পদে ॥
একে স্ত্ৰী বনচৰী আৰো ব্যভিচাৰী ।
তাহাৰ অধীন ভৈল ঈশ্বৰ মুৰাৰি ॥

× × পুৰাণ পুৰুষ শিৱ ব্ৰহ্মাৰো নমস্য।
ভৈলা হেন হৰি গোপযুৱতীৰ বশ্য ॥ ১৫২৭ (দশম)

'অনাচাৰী গোপনাৰী'ৰ লগত ভগৱানৰ এই কামকেলিৰ উদ্দেশ্যও কোৱা হৈছে —

নচাৱৈ অজাতি জাতি পুণ্যৱন্ত।
ভকতিতে বশ্য কিনো প্ৰভু ভগৱন্ত ॥ ১৫০২
× × কৈৰ কদাতুৰ অনাচাৰী গোপনাৰী।
কৰিলা স্বধীন দেখা ঈশ্বৰ মুৰাৰি ॥
ভকতি কৰিলে কৃষ্ণ এবে নচাৱন্ত।
হেন জানি সৰ্বজনে ভজা ভগৱন্ত ॥ ইত্যাদি ১৫২৮
(দশম)

'কেলিগোপাল নাট'তো এই কথাকে কোৱা হৈছে — "আহে লোকাই, পেখহু পেখহু, অজ্ঞানী অনাচাৰী গোপীসব কামভাৱে কেৱলে কৃষ্ণৰ চৰণ চিন্তি তৎকালে পৰম গতি পাৱল। হৰিভকতিক মহিমা কি কহব। ইহা জানি নিৰন্তৰে হৰি বোল হৰি।"

'ৰুক্মিণীহৰণনাট' আৰু 'ৰুক্মিণীহৰণকাব্য'ৰ আখ্যানটো হৈছে মুখ্যকৈ কৃষ্ণ-ৰুক্মিণীৰ শৃংগাৰবিষয়ক। ভাটৰ মুখেদি ৰুক্মিণীৰ কথা শুনি কৃষ্ণৰ পূৰ্বৰাগ জন্মিছে — 'ৰুক্মিণীক ৰূপ-গুণ শুনিয়ে শ্ৰীকৃষ্ণ হেঠ মাথ কয় নিশ্বাস ফোকাৰি ঘনে ঘনে ৰুক্মিণীক মাত্ৰ ধ্যান কয় ৰহল' (ৰুঃ হঃ নাট)। ৰুক্মিণীৰ চিন্তাত কৃষ্ণৰ চকুৰ টোপনি হৰিল —

জগত নিবাস শ্বাস ঘনে ফোকাৱে চিন্তিতে ৰুক্মিণী নাৰী।
শুনিতে কামিনী যামিনী যাই নয়নে নিন্দ নাহি আই ॥

সেইদৰে ভাটৰ মুখে কৃষ্ণৰ কথা শুনি ৰুক্মিণীৰো পূৰ্বৰাগ জন্মিছে — 'কৃষ্ণক ৰূপ-লাৱণ্য শুনিয়ে মোহিত হুয়া কৈছে কৃষ্ণক চৰণ চিন্তিয়ে ৰহল' ইত্যাদি।

বিবাহৰ পাছত কৃষ্ণ ৰুক্মিণীৰ বিহাৰ বৰ্ণোৱা হৈছে —

কৰত বিহাৰ, কৰত বিহাৰ মুৰাৰু ।
× × আলিঙ্গি অংগ অনংগে বাণ ৰসিক
ৰমণীক ভুজে মেল ॥
হাসি হাসি হৃদয়ে হৃদয়ে নখ পৰশি
কুচ কাঞ্চুৰি ফোৰকানে ।
পূৰল পৰম মনোৰথ কামিনী
সাধু অধৰ পানে ॥ ইত্যাদি (গীত, ৰুঃ হঃ নাট)

“ কেশৱ হে, হামাকাৰ ৰাখহু প্ৰাণ ’ বুলি ৰুক্মিণী আত্মসমৰ্পণ কৰা ‘ভকত’ ৰুক্মিণীয়ে কামভাৱেৰেও ভগৱানক ভক্তি কৰি বশ্য কৰিছে । এই বৰ্ণনাৰ উদ্দেশ্য কোৱা হৈছে — ‘আহে লোক দেখহু দেখহু, ভাটক মুখে ৰুক্মিণী কৃষ্ণক গুণ শুনিয়ে কৃষ্ণৰ চৰণে শ্ৰদ্ধা মাত্ৰ কয়ল । অতয়ে ভকতক পৰম কৃপালু কৃষ্ণ তানিকৰ বশ্য হুয়া গৃহ গৃহিণী কয়ল । অঃ হৰিভকতিক মহিমা কি কহব । জানি কৃষ্ণচৰণে চিত্ত দিয়ে নিৰন্তৰে হৰি বোল ।’

শংকৰদেৱৰ পাৰিজাতহৰণ নাটতো সত্যভামাৰ সৈতে কৃষ্ণৰ কামকেলি বৰ্ণোৱা হৈছে —

জগজন জীৱন মথাই ।
কৰত কৌতুক কেলি কামিনী মিলাই ॥
কৰ চুম্বন বনমালী
কুঞ্চিত চাৰু চিকুৰ চিবুক ধৰি
কৰ চুম্বন বনমালী ।
কাঞ্চুৰি শেষে ভোৰে ৰতিৰংগুক
কুচে নখ ঘনে ঘন ঘালী ।। ইত্যাদি (গীত, পাঃহঃ নাঃ)

কৃষ্ণৰ এই কামকেলিৰ উদ্দেশ্যও দাঙি ধৰা হৈছে —‘ঐচন কেলি-কলা কৌতুকে কয় শ্ৰীকৃষ্ণ ভকতা ৰমণীসৱক মনোৰথ পূৰি ... ...’ ইত্যাদি ।

‘ৰামবিজয়নাট’ত শংকৰদেৱে ৰাম- সীতাৰ কাম-কেলি বৰ্ণাইছে —

এ কৰু ৰময়া ৰস কেলি ।
× × কৰত সুৰত মত্ত মাতংগ গামিনী
কামিনী যামিনী যাই । ইত্যাদি (গীত, ৰাঃ বিঃ না)

সীতাও ‘পৰম ঈশ্বৰ’ ৰামচন্দ্ৰৰ ‘ভকত’। “ঐচন পৰমৰসে কেলিকৰি সীতাক মনোৰথ পূৰি ৰামচন্দ্ৰ অনুদিনে আনন্দ মন্দিৰে ৰহল।”

‘কীৰ্তন’ৰ কুব্জীৰবাঞ্ছাপূৰণত কংসৰাজাক চন্দনৰ যোগান ধৰা কুৰূপা কুব্জা যুৱতী এজনীক কৃষ্ণই কামক্ৰীড়াৰে অনুগ্ৰহ কৰাৰ বৰ্ণনা আছে। কংসবধৰ উদ্দেশ্যে যোৱা কৃষ্ণৰ সুকুমাৰ ৰূপ দেখি ধাৰ তাৰ দুগুণা এই কুব্জী যুৱতীয়ে কংসলৈ লৈ যোৱা চন্দনৰ উপযুক্ত পাত্ৰ বুলি কৃষ্ণ-বলোৰামক অৰ্পণ কৰিলে আৰু —

দুভাইৰ শৰীৰ চন্দনে ৰঞ্জিল যুৱতী আপোন হাতে ॥
এতেকে প্ৰসন্ন ভৈলা ভগৱন্ত যিটো ভকতৰ গতি।
কৰিলন্ত মতি সিটো কুব্জাক ঋজু কৰিবাক প্ৰতি ॥

(কীৰ্তন ১১৬৫)

‘কৃষ্ণ-পৰশনে’ সেই কুব্জা তৎক্ষণাৎ দিব্য সুন্দৰী হৈ পৰিল আৰু —

কামাতুৰ হুয়া হাসিয়া মাতয় কৃষ্ণৰ বস্ত্ৰত ধৰি ॥ ১১৬৬
তুমি চিত্ত মোৰ মথিলা মাধৱ এড়িবে নপাৰো আমি।
আসা গৃহে যাওঁ হুয়োক প্ৰসন্ন হৈয়োক মোৰৰ স্বামী ॥

কৃষ্ণই ‘তোমাৰ থানক, আসিবো অৱশ্যে, বধিয়া দুষ্ট কংসক” বুলি সেই যুৱতীক আশ্বাস দি স্বকাৰ্যত প্ৰবৃত্ত হ’ল। পাছত সেই প্ৰীতি-প্ৰীতি মতে উদ্ধৱক লগত লৈ জগতৰ স্বামী শ্ৰীকৃষ্ণ কুব্জীৰ ভৱনলৈ গ’ল। সেই বিলাসপূৰ্ণ ভৱনত —

মনুষ্য চেষ্টাক দেখাই কৃষ্ণে পাছে শয্যাত ভৈলা প্ৰবেশ।
× × শয্যাক আনিয়া অশেষ ক্ৰীড়িলা কৃষ্ণে পূৰি তাইৰ প্ৰীতি।
চন্দন অৰ্পণ পুণ্য লেশে পাইল ঈশ্বৰ কৃষ্ণক পতি ॥

(কীৰ্তন ১২৭০)

এইদৰে কুব্জীৰ বাঞ্ছাপূৰণৰ কাৰণে আত্মাৰাম, আপ্তকাম ভগৱান কৃষ্ণই মনুষ্যসুলভ ৰতিক্ৰীড়া কৰাৰ উদ্দেশ্যও শংকৰদেৱে দেখুৱাই দিছে —

অতি অল্প সেৱা মাত্ৰকে সন্তোষ হোৱয় কৃষ্ণ ঈশ্বৰ ॥ ১২৭৩
চন্দন অৰ্পণ বিনে কুব্জাৰ আন কিছু পুণ্য নাই।

এতেকতে হেন দেখিও পৰম প্ৰসাদ পাইলেক তাই ॥
যিটো অনুক্ষণে শ্ৰৱণে কীৰ্ত্তনে ভজে একচিত্ত কৰি ।
তাহান ভাগ্যক কহন নযায় ডাকি বোল হৰি হৰি ॥ ১২৭৪

'কীৰ্ত্তন'ৰ কংসবধ'ত আৰু কেইটিমান বৰগীতত শংকৰদেৱে কৃষ্ণ-বিৰহত গোপীসকল আতুৰ হোৱাৰ মনোগ্ৰাহী বৰ্ণনা দাঙি ধৰিছে। বিপ্ৰ-লম্ভ শৃংগাৰৰ নিদৰ্শন সেই বৰ্ণনাবিলাকতো ভগৱানৰ বিৰহত ভক্তৰ আকুলতাই প্ৰকাশ পাইছে ।

'কীৰ্ত্তন'ৰ 'হৰমোহন' আৰু একাদশ স্কন্ধ 'ভাগৱত'ত থকা বিষ্ণুৰ মোহিনীৰূপ দেখি শিৱৰ মদনবিকাৰ হোৱাৰ বৰ্ণনাত ৰাসলীলাৰ পাছতে শংকৰদেৱৰ শৃংগাৰী-বৰ্ণনাৰ আতিশয্য চকুত পৰে। দিব্য উপবনত মোহিনী নাৰীক দেখি 'মহাযোগবলে কায়া শুদ্ধ কৰি' থকা আৰু 'দহি আছো মদনক আৰ শংকা নাই' বুলি গৰ্ব কৰা শিৱৰো বামভাৱ উদ্দীপ্ত হৈ পৰিল। তেওঁ 'শ্ৰুতি বুদ্ধি জ্ঞান' নোহোৱা হ'ল; কামানলে প্ৰাণ দহাত লাজ-কাজ এৰি দিলে; যোগধ্যান ক'ৰবালৈ গ'ল। "প্ৰাণেশ্বৰী চাপ মোৰ কাষ" বুলি মাতিবলৈ ধৰিলে। তাৰ পাছত —

দেখিল কন্যাৰ গুপ্ত অংগ বৃষকেতু ॥
তৈলন্ত নিমোহ মাত্ৰ মদনে দহয় । × × ৫৫১
× × বহ্নিৰ সংযোগে যেন উথলয় ঘৃত ।
× × কহ প্ৰাণেশ্বৰী বুলি দিয়া আলিংগন ।
মহাকামভাৱে দিল মুখত চুম্বন ॥ ৫৫৫
আৰি মুখ কৰি কন্যা নাথাকে থমকি ।
× × দুনাই লৰৰ দিলা বিমুকুত কেশে ।
পাছত খেদন্ত হৰে উলংগত বেশে ॥ ৫৫৬
× × নাৰীময় দেখন্ত সমস্ত বৃক্ষগণ ।
× × × হস্তিনীক খেদন্ত হস্তীৰ যেন স্বৰে ।
× সেহিমতে শংকৰৰ বিন্দু বায় পৰি । × ৫৮১ ইত্যাদি
(কীৰ্ত্তন)

'হৰমোহন'ৰ এই অতিশয়িত শৃংগাৰী বৰ্ণনাৰ উদ্দেশ্য কাম-ভাৱেৰে ভগৱানক পোৱাৰ উদাহৰণ দিয়াটো নহয়, ইয়াৰ অন্তর্নিহিত তাৎপৰ্য হৈছে কাম প্ৰবৃত্তিক যোগ আদিৰে বিলুপ্ত কৰা সহজ নহয়। শিৱ হেন মহাযোগীৰো অবচেতন মনত অৱদমিত হৈ থকা কামভাৱ অনুকূল পৰিৱেশত জাগ্ৰত হৈ উঠিল। তেনেস্থলত সাধাৰণ সাধকৰ কি কথা? গতিকে সেই কামপ্ৰবৃত্তিক ঈশ্বৰমুখী কৰাৰ বাহিৰে উপায় নাই। কাম-প্ৰবৃত্তিক ঈশ্বৰমুখী কৰি গতিলাভ কৰাৰ উদাহৰণ "ৰাসলীলা' আদিত দেখুৱা হৈছে।

চিৰকুমাৰ ভক্ত মাধৱদেৱৰ ৰচনাৱলীত শৃংগাৰীবৰ্ণনাৰ বাহুল্য নাই। ৰাসঝুমুৰা, ভূষণহেৰোৱা আদি মাধৱদেৱৰ নামত প্ৰচলিত নাট কেইখনমানত গোপীকৃষ্ণৰ প্ৰেমসম্বন্ধীয় বৰ্ণনা আছে যদিও সেই কেই-খন নাট মাধৱদেৱৰ ৰচনা বুলি ভাওেকইজন পণ্ডিতে স্বীকাৰ নকৰা কাৰণে আলোচনালৈ অনা নহ'ল। মাধৱদেৱৰ বৰগীতসমূহত (উক্ত নাট কেইখনৰ গীত বাদ দি) কৃষ্ণৰ বিৰহত আতুৰ গোপীসকলৰ করুণ অৱস্থাৰ বৰ্ণনা দিয়া হৈছে। পিছে এই বৰ্ণনাক শৃংগাৰী নুবুলি পোনে পোনে ভগৱৎপ্ৰেমমূলক বুলি ক'লে ভুল নহ'ব। তথাপি এই চিৰকুমাৰ গুৰুজনাই কামভাৱেৰে ভগৱানক অৰ্চ্চনা কৰি মুক্তি পোৱাৰ কথা স্বীকাৰ নকৰি থকা নাই।

তপ জপ যাগ যোগে যি গতি নাপাৱে।
সি গতি লভিলে সুখে কাম-দ্বেষভাৱে॥ (বৰগীত)

কোনো কোনো বৰগীতত গোপীকৃষ্ণৰ প্ৰেমৰ প্ৰত্যক্ষ উল্লেখো আছে—

ব্ৰজেৰ জীৱন ধন গোকুল কামিনী মন
মোহন মুৰতি মদন।

× × গৰুড় বাহনে গতি সদায় যাহাৰ।
সে তুমি গোপীক বহা ই কোন বিহাৰ॥

কৃষ্ণৰ কামবিহাৰৰ উদ্দেশ্যও এই গীতত্তে কোৱা হৈছে — 'জানিলো কেৱলে তুমি ভকতিৰ বশ্য।' অন্য এটি গীতত কৃষ্ণৰ গোপীবিহাৰ বৰ্ণনিত হৈছে —

গোপীকুচকুংকুম ৰঞ্জিত পদযুগ
ৰাজীৱ অধিক সুহাই ।

এটি বৰগীতত গোপীৰ বিৰহ-কাতৰতা বৰ্ণাইছে —

সখি কহবে, আমাৰ জীৱন ধন কোন পন্থে মধাই ।
মদন বিৰহ আগি শৰীৰ দহয় মৰ
তিলেক না দেখি জীৱ যায় ।। ইত্যাদি

কৃষ্ণবিৰহত আতুৰ গোপীসকলৰ তুলনা দিছে —

ৰবি বিনে দিন নোহে জল বিনে মীন ।
হৰি বিনে গোপীৰ জীৱন ভৈল ক্ষীণ ।। (বৰগীত)

এই বিৰহিণী গোপীসকলক সান্ত্বনা দিবৰ কাৰণে মথুৰাবাসী কৃষ্ণই উদ্ধৱক পঠাইছে —

চলবে বন্ধু উদ্ধৱ হে
মোৰ সুমৰি গোকুল মন দহে,
গোপী আকুল হামাৰ বিৰহে ।।
সুমৰি সুমৰি মন ঝুৰয় ঘনে ঘন
ধৰিতে নপাৰে হিয় ।
হামাতে নিত নিত সম্পি প্ৰাণচিত্ত
সুৰল গোপিনী ধৰে জীৱ ।। ইত্যাদি (বৰগীত)

এই গোপীসকল কৃষ্ণৰ ভকতহে । তেওঁলোকৰ আকুল প্ৰাৰ্থনা বৰ্ণনা কৰি এটি বৰগীতত কোৱা হৈছে —

পতি সুত সুহৃদ সোদৰ বন্ধুজন ।
সব সুখ তেজি তযু ভজিলো চৰণ ।।
সব তেজি তোহাৰি চৰণে কৈলো আশ ।
ভকত বৎসল স্বামী নকৰা নিৰাশ ।।

এইদৰে গম্ভীৰ সাহিত্য 'বৰগীত'ত মাধৱদেৱে গোপী-কৃষ্ণৰ প্ৰেমৰ গম্ভীৰ বৰ্ণনা দাঙি ধৰিছে ।

শংকৰদেৱৰ অনুৱৰ্তী কবি অনন্তকন্দলীয়ে 'কুমৰহৰণকাব্য'ত কৃষ্ণৰ নাতি অনিৰুদ্ধক (পাঞ্চৰাত্ৰ বিধিমতে) কৃষ্ণৰে অভিন্ন বুলি মানি লৈছে — 'অনিৰুদ্ধ কুমৰ যে স্বৰূপে মুৰাৰি।' দশমস্কন্ধ 'ভাগৱত'ৰ অনুবাদতো কন্দলীয়ে কৃষ্ণ-অনিৰুদ্ধৰ তাত্ত্বিক অভিন্নতা দেখুৱাইছে —

বাসুদেৱ বলভদ্ৰ কাম অনিৰুদ্ধ।
একে কৃষ্ণ চাৰি ৰূপ জানিবা বিশুদ্ধ॥
চিত্ত মন বুদ্ধি অহংকাৰৰৰ দেৱতা।
চাৰি ৰূপে একে কৃষ্ণ জগত বিধাতা॥

'কুমৰহৰণকাব্য'ত আৰু 'ভাগৱত'ৰ উষাপৰিণয় প্ৰসংগত উষা-অনিৰুদ্ধৰ পূৰ্বৰাগ, সম্ভোগ আৰু বিপ্ৰলম্ভ শৃংগাৰৰ বৰ্ণনা দিয়া হৈছে। অনিৰুদ্ধক কৃষ্ণৰে অভিন্ন বুলি ক'লেও কন্দলীয়ে অনিৰুদ্ধৰ কামকেলিক লীলা আৰু উষাৰ লগত তেওঁৰ সম্পৰ্ক ভক্ত-ভগৱানৰ সম্পৰ্ক ৰূপে দেখুৱা নাই। কন্দলীৰ কাব্যত উষা-অনিৰুদ্ধৰ কামকেলিৰ দ্বাৰা ভক্তই কামভাৱেৰে ভগৱানক লাভ কৰাৰ কথাও ক'ব খোজা নাই। 'কুমৰহৰণকাব্য'ত কন্দলীয়ে উষা-অনিৰুদ্ধৰ কামকেলিৰ বৰ্ণনা দিছে —

ভৈল ঘোৰ নিশা আহি সন্ধ্যা অৱসান॥
অনন্তৰে ৰতিৰস মিলিল দোহাৰ।
কৈল মনোৰথসিদ্ধি ষোড়শ শৃংগাৰ॥
বৃষাৰূঢ় আদি কৰি বন্ধ যত যত।
ভাৱে ভাৱে অনিৰুদ্ধ কৰিল ব্যেকত॥
নখে ক্ষত বহুতৰ স্তনত কৰিল।
দুইকো দুই আংকোৱালি বাহুৱে ধৰিল॥
আউল বাউল কেশ চিণ্ডে হেমহাৰ।
কটিৰ মেখলা খসি পৰিল উষাৰ॥

একে উৎসৰপৰা বিষয়বস্তু লোৱা হৈছে যদিও কন্দলীৰ সমসাময়িক পীতাম্বৰ কবিৰ 'উষাপৰিণয়কাব্য'ত থকা শৃংগাৰী বৰ্ণনাৰ বিলাসিতা মহাপুৰুষীয়া কবিজনাৰ ক্ষেত্ৰত দেখা নাযায়। কন্দলীৰ কাব্যত শৃংগাৰ-বৰ্ণনাৰ স্থান গৌণ।

'ভাগৱত'ৰ দশম স্কন্ধৰ ছাঙৰিত কৰিজনাই উষাৰ কাৰণে বাণঃ হাতত বন্দন যুক্ত হোৱা অনিৰুদ্ধৰ বৰ্ণনাৰ প্ৰসংগত এইবুলি উপদেশ লিখিছে —

শুনা সভাসদ অনিৰুদ্ধ নিৰোধন।
নাৰীৰ নিমিত্তে সুখে আছে কোনজন ॥
নাৰীৰ সংগক যিটো কৰে অভিলাষ।
জানিবা আপুনি সিটো হৰে সৰ্বনাশ ॥
× × দুৰ্গতিৰ মন্দিৰ জানিব নাৰী সংগ।
হেন জানি তেজিও ইহাৰ যত ৰংগ ॥

কন্দলীৰ দশম স্কন্ধ 'ভাগৱত'তো কৃষ্ণই কুঁজীৰ মদন-তাপ দূৰ কৰাৰ কথা আছে। চন্দন অৰ্পণ কৰি নিজ অভিলাষ জনোৱা কুঁজীৰ বাঞ্ছা-পূৰণ কৰিবলৈ কৃষ্ণই স্থিৰ কৰিলে —

ভকতৰ দুঃখ যাৰ আকুল হৃদয়।
আপুনি মনত আলোচন্ত কৃপাময় ॥
দুৰ্জ্জন স্বভাৱ মোৰ ত্যজন নাযায়।
যেই ভজে তাকে ভজোঁ দোষক নাচাই ॥
× × কুঁজীয়ে দিলন্ত মোক চন্দন সাদৰি ॥
এতো নতু শুজো মাই চন্দনৰ ধাৰ।

নিজ ভৱনলৈ যোৱা কৃষ্ণক দেখি প্ৰকাশ কৰা 'ত্ৰিবক্ৰাৰ কামভাৱ দেখিয়া মুৰাৰি/আসিও সুন্দৰী বুলি মাতন্ত সাদৰি ॥' লজ্জাৱশা কুঁজীক হাতত ধৰি শয্যাত তুলি —

কৰিলা অনেক ৰঙ্গে ষোড়শ শৃংগাৰ।
পূৰিলা মদনে মন স্নেহে দামোদৰ ॥
অনেক চুম্বনে নাৰায়ণে আলিংগিলা।
উচ্চ কুচযুগে নখক্ষতে আঞ্চোহিলা ॥ ১৩১৫০
ৰতিশাস্ত্ৰে পৰম পণ্ডিত বনমালী।
সৈৰিন্ধ্ৰী সহিতে কৰিলন্ত মহাকেলি।

অনন্ত কন্দলীয়ে 'কুঁজীৰ বাঞ্ছাপূৰণ' কাহিনীটো নৱধা ভক্তিৰ অন্যতম 'অৰ্চ্চন'ৰ গুৰুত্ব দেখুৱাবলৈ ব্যৱহাৰ কৰিছে —

কৃষ্ণক চন্দন দিয়া আছে মহাৰংগে ।
সেহি মহাফলে ক্ৰীড়া কৰে কৃষ্ণসংগে ॥ ১৩১৬৮
× × কংসৰায় দাসী কুঁজী আতি কুলক্ষণী ।
কৃষ্ণক চন্দন দিয়া ভৈলা লক্ষ্মী যেনি ॥
ব্ৰহ্মা যাৰ খুজিয়া নপান্ত পদধূলি × ১৩১৭০
× × হেন কৃষ্ণ সহিতে কৰিলা মহাকেলি ॥
হেন জানি নৰনাৰী আন কাম হেলা ।
কৃষ্ণৰ প্ৰতিমা সাজি একমনে পূজা ॥ ১৩১৭১

অনন্তকন্দলীৰ দশমস্কন্ধ 'ভাগৱত'ত ৰুক্মিণীহৰণৰ আখ্যানটো শংকৰ-দেৱৰ 'ৰুক্মিণীহৰণ'ৰ অনুৰূপ । ইয়াতো ৰুক্মিণী কৃষ্ণৰ ভক্তা । ৰুক্মিণীয়ে কৈছে —

যেৱে মই জন্মে জন্মে তোমাক অৰাধি আছোঁ
ভকতি কৰিয়া একচিত্তে ।
কৰি মহা যজ্ঞ দান হোম ব্ৰত তীৰ্থ স্নান
দেৱ দ্বিজ পূজি বিধিমতে ॥
উমাপতি স্মৰৰ মহন্তসকলে যাৰ
বাঞ্ছে পদপংকজৰ ধূলি ।
হেন তুমি মাধৱৰ প্ৰসাদ নপাওঁ যেবে
তেবে জীৱ ত্যজিবো সমূলি ॥

অনন্তকন্দলীয়ে 'দশম'ত বলৰামে গোকুললৈ গৈ গোপী-সংগ কৰা কাহিনীটো মূলত থকাৰ দৰেই বৰ্ণনা কৰিছে যদিও মূলত এই বল-ৰামৰ কামকেলিক ৰাসক্ৰীড়া বোলা নাই । মূলত আছে — বসন্তৰ দুটা মাহ ভগৱান ৰামে গোকুলত ৰাতিৰ সময়ত গোপীসকলৰ ৰতি বঢ়াই বাস কৰি-লৈগে ।[১৫] কন্দলীয়ে লিখিছে —

তাহিতে দুই মাস চৈত্ৰ যে বৈশাখ ৰহিলন্ত বলৰাম ।
দুয়োমাস ৰাতি ৰাসক্ৰীড়া পাতি গোপীৰ পূৰিল কাম ॥

১৫ দ্বৌ মাসৌ তত্ৰ চাৱাসীন্ মধুং মাধৱমেৱ চ ।
ৰামঃ ক্ষপাসু ভগৱান্ গোপীনাং ৰতিমাৱহন্ ॥ ভাঃ ১০।৬৫।১৭

মূলত বলৰামে গোপীৰ কামনা পূৰণ কৰা বুলিও নাই। তদুপৰি তলত উদ্ধৃত কথাখিনিও কন্দলীৰ নিজা সংযোজনাহে —

কৃষ্ণৰ ক্ৰীড়াৰ সময়ত যত গোপসতী অতি বালা।
তাহাৰো পাছত উপজিল যত তাকে সে ৰামে ৰমিলা ॥ ১৪৮২৮

'ৰাসক্ৰীড়া' পদে কৃষ্ণভক্তি সম্প্ৰদায়ত গোপী-কৃষ্ণৰ ৰতিলীলাকহে বুজায় যদিও ৰামভক্তি সম্প্ৰদায়ত কৃষ্ণৰ অনুৰূপে ৰামৰ লগত জড়িত কৰি অন্য এক ৰাসৰ কল্পনা কৰা হ'ল।[16] কন্দলীৰ 'ভাগৱত'ত বলৰামৰ ৰতি ক্ৰীড়াক ৰাস আখ্যা দিয়াটোও অভিনৱ কথা।

'বিষ্ণুপুৰাণ'ত আকৌ এই প্ৰসংগত বলৰামে পৌৰাণিক কথাৰে গোপ-সকলকহে মনোৰঞ্জন কৰা বুলি আছে; গোপীসকলৰ কথা তাত নাই —

গোপৈশ্চ পূৰ্ববদ্ৰামঃ পৰিহাসমনোহৰাঃ।
কথাশ্চকাৰ ৰেমে চ তৈৰ্ব্ৰজভূমিষু ॥ (৫।২৪।২১)

'বিষ্ণুপুৰাণ'ত 'ভাগৱত'ৰ দৰে গোপীসকলৰ সৈতে জল-কেলি কৰিবলৈ বলৰামে যমুনাকৰ্ষণ কৰা বুলিও নাই; স্নানৰ উদ্দেশ্যেহে ৰামে যমুনাক নিজৰ ওচৰলৈ আহ্বান কৰিছিল আৰু তাক উপেক্ষা কৰাতহে তেওঁ যমুনাক আকৰ্ষণ কৰিছিল বুলি আছে।[17]

ৰাসলীলাৰ উদ্ভৱ আৰু ঐতিহাসিক বিৱৰ্তনলৈ চকু দিলে তাৰ ওপৰত যৌনস্বতন্ত্ৰতা আৰু নৃত্যগীত প্ৰধান আভীৰ জাতিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।[18] এই প্ৰভাৱৰ ফলতে কৃষ্ণ-বলৰামৰ লগত গোপিকা-ৰমণৰ কাহিনী জড়িত হৈ পৰিল। বিষ্ণুৰ পূৰ্ণ অৱতাৰ বুলি স্বীকৃত কৃষ্ণৰ ক্ষেত্ৰত এই কাহিনীৰ আধ্যাত্মিক ব্যাখ্যা দিয়াৰ চেষ্টা উত্তৰোত্তৰ চলি থাকিল।

---

১৬ এই বিষয়ে এই লেখিকাৰ 'বিচিত্ৰ ৰামায়ণী কথা' নামৰ গ্ৰন্থত 'ৰামৰ ৰাসলীলা' শীৰ্ষক আলোচনা চাব পাৰে।

১৭ আগচ্ছ যমুনে স্নাতুমিচ্ছামীত্যাহ বিহ্বলঃ ॥ বি: ৫।২৫।৮

১৮ 'ৰাসলীলাৰ ঐতিহাসিক পৃষ্ঠভূমি' (ৰামধেনু ১৮ শ বছৰ ৭ম সংখ্যা) চাব পাৰে।

কিন্তু বলৰামৰ ক্ষেত্ৰত এনে ব্যাখ্যা 'ভাগৱত'তহে নালাগে পাছত হোৱাও আমাৰ চকুত পৰা নাই। অনন্তকন্দলীয়ে বলৰামৰ গোপীবিহৰণ কাৰ্যক 'ৰাস-লীলা'ৰ দৰে আধ্যাত্মিক ৰূপ দান কৰিবলৈ যত্ন কৰিছে। কন্দলীয়ে বলৰামক 'ভকতবৎসলদেৱ' ৰূপে বৰ্ণনা কৰিছে —

ভকত বৎসল দেৱ মহাবল তুষিলন্ত ক্ৰীড়া কৰি ॥ ১৪৮৩৯
শুনিয়োক বিচিত্ৰ ৰামৰ চৰিত্ৰ পৰম পবিত্ৰ অতি।
গুচে মহাপাপ হৰে কোপ তাপ ৰামত মিলায়ে ৰতি ॥

কন্দলীয়ে কৃষ্ণই ৰমণ নকৰা গোপীসকলকহে ৰামে ৰমণ কৰিলে বুলি বলৰামৰ ভকত-বৎসলতাৰ নিদৰ্শন দেখুৱাইছে।

শংকৰদেৱৰ দ্বাৰা প্ৰভাৱিত আৰু মহাপুৰুষীয়া আদৰ্শৰ অনুকূল কৰি ৰামসৰস্বতীয়ে জয়দেৱৰ 'গীতগোবিন্দ' কাব্যখনিক অসমীয়া ৰূপদান কৰে। ৰামসৰস্বতীয়ে মূলৰপৰা ঘটোৱা অনেক পৰিৱৰ্তনৰ ভিতৰত মহাপুৰুষীয়া ধৰ্মৰ অনুকূলে কৰা তাত্ত্বিক পৰিৱৰ্তনখিনি বিশেষভাৱে মন কৰিবলগীয়া। 'মধুৰ-কোমল-কান্ত-পদাৱলী'ৰ কাৰণে ব্যাপক খ্যাতি অৰ্জন কৰা জয়দেৱৰ কাব্যখনি শৃংগাৰী সাহিত্য ৰচনাৰ প্ৰবৃত্তিপ্ৰধান যুগ এটাত ৰচিত হৈছিল। পাছলৈ এই কাব্যৰ অনেক আধ্যাত্মিক ব্যাখ্যা দিয়া হ'ল যদিও 'গীতগোবিন্দ' মূলতঃ আধ্যাত্মিকতকৈ লৌকিক যৌনপ্ৰেমপ্ৰধান কাব্যহে আছিল। যদিও জয়দেৱে কৈছে —

যদি হৰিস্মৰণে সৰসং মনো যদি বিলাসকলাসু কুতূহলম্ ।
মধুৰকোমলকান্তপদাৱলীং শৃণু তদা জয়দেৱভাৰতীম্ ॥

তথাপি কাব্যখনত 'হৰিস্মৰণৰ দ্বাৰা মন সৰস' কৰাতকৈ 'বিলাস-কলাত কৌতূহল'হে অধিক পৰিলক্ষিত হয়। জয়দেৱৰ 'গীতগোবিন্দ'ত 'গীত আছে, গোবিন্দ নাই' বোলা প্ৰবাদেও এই কথাকে প্ৰমাণ দিয়ে। কবি-জনাৰ নিজৰ উক্তিতো তেনে উদ্দেশ্য প্ৰকাশ পাইছে —

হৰিচৰণশৰণ-জয়দেৱকবিভাৰতী ।
বসতু হৃদি যুৱতীৰিৱ কোমলকলাৱতী ॥

হৰিৰ চৰণেই যাৰ আশ্ৰয় সেই কবি জয়দেৱৰ বাণী (সৰ্বলোকে)

হৃদয়ত কোমল কলাৱতী যুৱতীৰ দৰে বাস কৰক।

তান্ত্ৰিক ধৰ্মৰ নামত নানা ব্যভিচাৰ চলি থকা অসমত বংগৰ দৰে ৰাধাকৃষ্ণৰ পৰকীয়া-প্ৰেমক আধ্যাত্মিকতাৰ উচ্চস্তৰলৈ নি দেখুৱাব পৰিৱেশ গঢ় লোৱা নাছিল কাৰণে শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকলে পৰকীয়া-প্ৰীতিক লেশমানো প্ৰশ্ৰয় নিদিলে। বৰঞ্চ তেওঁলোকৰ ৰচনাত ইয়াক বাধা দিয়াৰ চেষ্টাহে পৰিলক্ষিত হয়। ৰামসৰস্বতীয়েও জয়দেৱৰ কাব্য-খনিক অসমীয়া ৰূপ দিওঁতে অসমৰ অনুকূলে মহাপুৰুষীয়া গতত পৰিৱৰ্তন সাধন কৰা দেখা যায়।

জয়দেৱৰ 'গীতগোবিন্দ'ত ৰাধাকৃষ্ণৰ ৰতিক্ৰীড়াৰ সময় বসন্ত কাল। অসমীয়া কবিজনাই 'ভাগৱত'ৰ ৰাসলীলাৰ পটভূমি স্বৰূপে লৈ এই ৰতিক্ৰীড়াৰ সময় শৰত কাললৈ আনিলে। শৰত কালত বসন্তৰ উদ্ভ্ৰান্ত পৰিৱেশৰ পৰিৱৰ্তে এটা শান্ত আধ্যাত্মিক পৰিৱেশ উপলব্ধি হয়। গতিকে বিলাসকলা-কুতূহলী জয়দেৱৰ কাব্যত থকা সম্ভ্ৰমসাপেক্ষ যৌন চাঞ্চল্যক ৰামসৰস্বতীয়ে শৰতকালৰ শান্ত পৰিৱেশলৈ আনিলে।

জয়দেৱৰ কাব্যত ৰাধাক কেৱল লৌকিক পৰকীয়া নায়িকাৰ ৰূপতহে দেখা যায়; ৰামসৰস্বতীৰ কাব্যৰ ৰাধা ভাগৱতত কৃষ্ণভক্তৰূপে বৰ্ণিত গোপাসকলৰ মাজতে এগৰাকী বিশিষ্টা গোপীহে। ভাগৱত'ত যি গৰাকী বিশিষ্টা গোপীয়ে কৃষ্ণৰ কৰুণাত উঠাৰ বৈশিষ্ট্য লাভ কৰিছে, শংকৰ-দেৱৰ 'কেলিগোপাল নাট'ৰ দৰে ৰামসৰস্বতীৰ কাব্যখনতো সেই গোপী-য়েই ৰাধা নাম পাইছে। ৰামসৰস্বতীৰ মতে ৰাধা লক্ষ্মীৰ অৱতাৰ —

সততে ভক্তৰ বশ্য দেখাইলন্ত হৰি॥
× × এতেকে কৃষ্ণত ভক্তি কৰিবাক মনে।
লক্ষ্মী আসি ৰাধাৰূপে ভৈলন্ত তেখনে॥

শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্যত ভক্তৰূপে চিত্ৰিত লক্ষ্মীৰ অৱতাৰ ৰাধাক ৰামসৰস্বতীয়েও ভগৱানৰ সহিত শাৰীলৈ তুলি বিলাসকলাত কুতূহল-বশতঃ জয়দেৱৰ কাব্যৰ আস্বাদ ল'বলৈ যোৱাৰ সম্ভাৱনা থকা অসমীয়া পাঠকৰ কাৰণে এক আধ্যাত্মিক পৃষ্ঠভূমিৰ সৃষ্টি কৰি থ'লে।

ৰামসৰস্বতীয়ে জয়দেৱৰ অনুৰূপেই ৰাধা-কৃষ্ণৰ মান-অভিমানেৰে ভৰা শৃংগাৰী বৰ্ণনাসমূহ দাঙি ধৰিছে। বিৰহিণী ৰাধাই সুৰত-বিনোদনৰ কাৰণে কৃষ্ণক আনি দিবলৈ ৰামসৰস্বতীৰ কাব্যতো সখীয়েকক এইদৰে খাটিছে

শুতিয়া থাকিবো মই নিকুঞ্জ ভিতৰে।
এথা আসি মাধৱে বসিব ধীৰে ধীৰে ॥
প্ৰথম সংগমে মই লাজুক স্বভাৱে।
বস্ত্ৰে কুচ উৰুস ঢাকিবো সৰ্বগাৱে ॥ ১২০
পটু চাটু ৰচনে পণ্ডিত বনমালী।
যতি আসি আপুনি ধৰিব আংকোৱালি।
সাৰটিয়া অধৰ চুম্বিব যদুপতি ॥ ১২১
যে ভেশ শৃংগাৰ বিচাৰিব নাৰায়ণে ॥
কামশাস্ত্ৰ বিচাৰিয়া জানিছো লক্ষণ।
কামিনী ৰমন্তে ভাগৰিলে যিটো জন ॥
কামিনী ক্ৰীড়িবে তাক পুৰুষ আকাৰে।
মাধৱৰ বক্ষস্থলে কৰিবো অপাৰ।
হৃদয়ত ঘষিবো নূতন স্তনভাৰ ॥
কৃষ্ণে মোৰ কেশত ধৰিব টানি টানি।
অলেখ চুম্বন দান দিবন্ত আপুনি ॥
আৰু জানি কৃষ্ণক সত্বৰে মাতি আন।
মাধৱক পাইলেসে জুৰাইব মোৰ প্ৰাণ ॥ ইত্যাদি

কৃষ্ণৰ ৰাধাৰমণ বৰ্ণোৱা হৈছে —

এহি বুলি দেৱ হৰি   ৰাধাক সাৰটি ধৰি
মুখে মুখে দিলন্ত চুম্বন।
ৰাধিকাৰ মুখ চাই   বোলন্ত শুনিও ৰায়
তুমি মোৰ নিজ প্ৰাণধন ॥ ইত্যাদি

এইদৰে শৃংগাৰী বৰ্ণনাবোৰ মূলৰ দৰেই ৰাখিছে যদিও অসমীয়া কবিজনাই জয়দেৱৰ কাব্যখনৰ প্ৰতি বিলাসকলাত কুতূহলবশতঃ আকৃষ্ট

ভোগাসকলৰ মন এইদৰে বিদৰাই দিছে —

নিৰন্তৰ কৃষ্ণ সুকণ্ঠীৰ মুখ চাই।
দেখাইলন্ত কামাতুৰজনৰ বিলাই ॥
কামাতুৰ ভৈলে নাই লাজ ডৰ।
যেই বোলে তাকে কৰে পোষণ বান্দৰ ॥
ৰাত্রি দিনে কামিনীৰ পালি থাকে আশ।
স্ত্রী ভৈল ৰাজা, কামাতুৰ ভৈল দাস ॥
জগত ঈশ্বৰ কৃষ্ণে দেখায় বিপত্তি।

এইদৰে কামাতুৰজনৰ বিলাই-বিপত্তিৰ নিদৰ্শন দাঙি ধৰা এইজন জগতৰ ঈশ্বৰ কৃষ্ণ অসমীয়া কবিজনাৰ নিজা উদ্ভাৱনা।

ভৱানীপুৰীয়া গোপালদেৱৰ 'উদ্ধৱযান নাট'ৰ কথাবস্তু 'দশম'ৰ গোপী-উদ্ধৱ-সংবাদতকৈ বেলেগ নহয়। সেইদৰে ৰামচৰণ ঠাকুৰৰ কংসবধনাট'তো কীৰ্ত্তন-দশমত থকা কংসবধতকৈ কথাবস্তু আৰু তত্ত্বসম্বন্ধীয় অভিনৱত্ব নাই। গতিকে এই দুখন গ্ৰন্থ এই আলোচনাৰ ভিতৰলৈ অনা নহ'ল। শ্ৰীধৰ-কন্দলীৰ নামত প্ৰচলিত 'কানাই খোৱেৰীয়া' নামৰ শুংগাৰী কাব্যখনো লেখক সম্বন্ধে সন্দেহ থকাত এই আলোচনাত অন্তৰ্ভুক্ত কৰা নাই। দৈত্যাৰি ঠাকুৰৰ 'স্যমন্তহৰণনাট'ত শ্ৰীকৃষ্ণই ৰুক্মিণী, জাম্বৱতী আৰু সত্যভামাৰ লগত কামকেলি কৰাৰ বৰ্ণনা দিছে। 'স্যমন্তহৰণনাট'ৰ কথাবস্তুটো সত্ৰাজিতে কৃষ্ণক স্যমন্তমণিসহ সত্যভামাক অৰ্পণ কৰাতে শেষ কৰা হ'লেও একো ক্ষতি নাছিল। সম্ভৱতঃ ঠাকুৰদেৱে এই সুযোগতে পৰমেশ্বৰ কৃষ্ণই 'ভকতা ৰমণী' সকলৰ মনোৰথ পূৰণৰ কাৰণে কামকেলি কৰাৰ বৰ্ণনা শংকৰদেৱৰ অনুৰূপে দাঙি ধৰিবলৈকে কাহিনীটো বঢ়াই নিলে। দৈত্যাৰিয়ে লিখিছে —

গীত

কৰত বিহাৰ মুৰাৰি ৰংগে।
গাৱে পীত বাস হাস পৰিহাস
ভকতা ৰমণী সংগে ॥

ৰুক্মিণী জাম্ববতী সুন্দৰী সত্যভামা
কণ্ঠে ধৰত বাহু মেলি।
সঘনে কুচযুগ নখক্ষত সঙ্কানে
কৰত লীলাৰস কেলি ॥ ইত্যাদি

কবিৰূপে বিশেষ খ্যাতি নাই যদিও মহাপুৰুষীয়া সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত (বংশীগোপালদেৱৰ পৰম্পৰাৰ) বলোৰাম দ্বিজৰ 'ব্ৰহ্মবৈৱৰ্ত পুৰাণ'ৰ ভাঙনিত গোপীকৃষ্ণৰ প্ৰেমলীলাৰ বৰ্ণনাটো এই ক্ষেত্ৰত উল্লেখযোগ্য। মহাপুৰুষীয়া সম্প্ৰদায়ত ৰাধা-কৃষ্ণৰ প্ৰেমলীলাই বিশেষ স্থান নাই পোৱা। তেনেস্থলত 'ব্ৰহ্মবৈৱৰ্তপুৰাণ'ৰ অংশবিশেষ অনুবাদ কৰি বলোৰামদ্বিজে ৰাধাকৃষ্ণৰ প্ৰেমলীলাক গভীৰ আধ্যাত্মিক ৰূপত দাঙি ধৰাটো মন কৰিবলগীয়া। 'ভাগৱত'ৰ দৰে 'ব্ৰহ্মবৈৱৰ্তপুৰাণ'তো চৰম শৃংগাৰাত্মক পৰিৱেশত ৰাসলীলাৰ বৰ্ণনা কৰা হৈছে। বলোৰামদ্বিজে সেই অতিশয়িত শৃংগাৰী বৰ্ণনা থকা অংশটোৰ অনুবাদ নকৰি ৰাধা-কৃষ্ণৰ প্ৰেমৰ আধ্যাত্মিক ব্যাখ্যা থকা অংশটোহে অনুবাদ কৰিছে। ইয়াৰপৰা কবিজনাৰ লৌকিক শৃংগাৰ বৰ্ণনাৰ প্ৰতি বিৰাগৰ পৰিচয় পোৱা যায়। তদুপৰি শংকৰদেৱকে আদি কৰি পূৰ্বসূৰীসকলে ভাগৱতৰ লগত দি যোৱা ৰাসৰ বৰ্ণনা দোহাৰিবৰ আৱশ্যকতাও হয়তো তেওঁ নেদেখিলে।

বলোৰামৰ দ্বিজৰ ৰচনাত কৃষ্ণই নন্দৰ আগত ৰাসৰ বৰ্ণনা দিছিল —

একদিনা আসি গোলোকত থাকি ৰাসৰ মণ্ডল সাৰ।
ৰাসক্ৰীড়া কৰি ৰাধিকা সুন্দৰী মই সমে আছে আৰ ॥৩২৮

এই ৰাধিকাই নানা অলংকাৰেৰে সৰ্বাংগ-সুন্দৰী হৈ 'মুনীন্দ্ৰৰো মন হৰণ' কৰিব পাৰে বুলি কোৱা হৈছে। তাৰ পাছত কৃষ্ণই কৈছে —

যিটো শক্তি সমে সৃষ্টি কৰোঁ আমি পুনু পুনু নন্দৰায়।
ৰাসৰ মধ্যত ৰাধা সমে আমি ক্ৰীড়িলোহো সমুদায় ॥
পদ ৩৩০

× × ব্ৰহ্মাৰ বৰিষ শত ভৈল তাত কৰিলো মই শৃংগাৰ ।
× × শৃংগাৰৰ অন্তে ৰাধিকাৰ গৰ্ভে গৰ্ভধান মহা ভৈল ॥

এই ৰাধাৰ গৰ্ভপ্ৰসূত ডিম্বৰ পৰাই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হ'ল । এইদৰে ৰামৰাম দ্বিজে 'ব্ৰহ্মবৈৱৰ্তপুৰাণ'ৰ পৰা কৃষ্ণক পৰমপুৰুষ আৰু ৰাধাক সৃষ্টিকাৰিণী প্ৰকৃতি বা শক্তিৰ ৰূপত বৰ্ণনা কৰা আৰু ৰাসলীলাক সৃষ্টি-তত্ত্বৰ ৰূপ দিয়া অংশটো ভাঙনি কৰি এক উমৈসূৰী কাম কৰিলে ।

মহাপুৰুষীয়া কবিসকলৰ ৰচনাত আৰাধ্যদেৱতা বিষয়ক শৃংগাৰ বৰ্ণনৰ উদ্দেশ্য এইদৰে বিভিন্ন জনৰ ক্ষেত্ৰত বিভিন্ন ৰূপত পৰিলক্ষিত হয় ।

— ১ —

সহায়ক গ্ৰন্থসূচী —

(১) শ্ৰীশংকৰদেৱৰ বাক্যামৃত (২) ৰামসৰস্বতীৰ 'গীতগোবিন্দ', ড: সত্যেন্দ্ৰ নাথ শৰ্মা সম্পাদিত (৩) জয়দেৱৰ 'গীত গোবিন্দ' ৰসিকপ্ৰিয়া আৰু ৰসমঞ্জৰী টীকাসম্বলিত, নিৰ্ণয়সাগৰ প্ৰেছ সংস্কৰণ (৪) কালিৰামমেধি সম্পাদিত 'অংকাৱলী' (৫) আদ্য মায়া ভাগৱত, দত্তবৰুৱা সম্পাদিত (৬) কুমৰ-হৰণ, ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ পৰা প্ৰকাশিত (৭) বিষ্ণুপুৰাণ (৮) ভাগৱতপুৰাণ, গীতা প্ৰেছৰ সংস্কৰণ ।

॥ ৰামসৰস্বতীৰ গীতগোবিন্দত ৰাধা-কৃষ্ণ ॥

ৰামসৰস্বতীয়ে জয়দেৱৰ প্ৰখ্যাত কাব্য 'গীতগোবিন্দ'ৰ অসমীয়া ৰূপ প্ৰদান কৰোঁতে মূলৰ কথাত অনেকখিনি পৰিৱৰ্তন সাধন কৰিছে। তাৰ ভিতৰত ৰাধা-কৃষ্ণৰ স্বৰূপত ঘটোৱা পৰিৱৰ্তনখিনি বিশেষভাৱে মন কৰিবলগীয়া। শংকৰদেৱৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত বৈষ্ণৱ কবি ৰাম সৰস্বতীৰ জয়দেৱৰ লগত থকা আদৰ্শৰ ভিন্নতাই এই পৰিৱৰ্তনৰ কাৰণ বুলি ধাৰণা হয়। ৰামসৰস্বতীৰ ৰাধা-কৃষ্ণ সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে জয়দেৱৰ মূল কাব্যখিনিৰ লগত তুলনামূলক সম্পৰ্ক ৰক্ষা কৰাৰ উপৰিও দুয়োজন কবিৰে পৃষ্ঠভূমি সম্পৰ্কে কিছু আলোচনা কৰা আৱশ্যক।

ৰামসৰস্বতীৰ সময়ত নানা জনজাতীয় তথা তান্ত্ৰিক ধৰ্ম প্ৰতিপালিত থকা অসমত বংগৰ দৰে ৰাধাকৃষ্ণৰ পৰকীয়া প্ৰেমক আধ্যাত্মিকতাৰ উচ্চ স্তৰলৈ নিয়াৰ পৰিৱেশ গঢ় লোৱা নাছিল : সামাজিক শৃংখলাত সততে দৃষ্টি ৰখা ধৰ্মপ্ৰৱৰ্তক শংকৰদেৱ আৰু তেওঁৰ অনুগামী বৈষ্ণৱ গুৰু তথা কবিসকলে ৰাধাকৃষ্ণৰ পৰকীয়া প্ৰেমক আধ্যাত্মিক স্বীকৃতি দিব নোৱাৰিলে।

বহুকালৰ আগৰে পৰা ভাৰতৰ বিভিন্ন ঠাইত; বিশেষকৈ বংগত, সমাজৰ সাধাৰণ স্তৰৰ মানুহৰ মাজত ৰাধাকৃষ্ণৰ প্ৰেমকথা অতি জনপ্ৰিয় হৈ উঠিছিল। ইয়াৰ কাৰণ লীলাৰসৰ প্ৰতি শ্ৰদ্ধা নহয়, গাঁৱলীয়া সাধাৰণ জীৱনৰ প্ৰেম-প্ৰীতিৰ লগত থকা ৰাধা-কৃষ্ণৰ প্ৰেমৰ নিবিড় সাদৃশ্যহে ইয়াৰ কাৰণ আছিল। ৰাধা-কৃষ্ণৰ বাহিৰেও হৰ-গৌৰী, লক্ষ্মী-নাৰায়ণ, ৰাম-সীতা প্ৰভৃতিক লৈয়ো অনেক শৃংগাৰী সাহিত্যৰ ৰচনা হৈছিল। কিন্তু সেইবিলাক সিমান জনপ্ৰিয় হ'ব নোৱাৰিলে. কাৰণ তাত ৰাধা কৃষ্ণৰ প্ৰেমকাহিনীত থকাৰ দৰে

জনজীৱনৰ প্ৰতিচ্ছবি নাছিল। আভীৰ নামৰ গোপালক জাতিৰ দেৱতা ৰাধা-কৃষ্ণক লৈ সৃষ্টি হোৱা প্ৰেমৰ কাহিনীবোৰে জনজীৱনক নিবিড়ভাৱে চুই গৈছিল কাৰণেই সেইবোৰ অধিক জনপ্ৰিয় হ'ব পাৰিছিল। বংগৰ প্ৰভাৱত অসমতো ৰাধা-কৃষ্ণৰ প্ৰেমকথা সমূহ জনপ্ৰিয় হৈ পৰিছিল। বংগত চৈতন্য সম্প্ৰদায়ৰ সন্তসকলে ৰাধা-কৃষ্ণৰ লৌকিকতাপ্ৰধান প্ৰেম-কথাক যি বিশিষ্ট আধ্যাত্মিক আসনত প্ৰতিষ্ঠা কৰিলে, অসমৰ বৈষ্ণৱ ধৰ্ম-গুৰুসকলে তেনে চেষ্টা নকৰিলে। গতিকে অসমৰ বৈষ্ণৱ ধৰ্মত ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেম আৰু মধুৰ ভক্তিয়ে গা কৰি উঠিব নোৱাৰিলে। আনহাতেদি ৰাধা-কৃষ্ণৰ লৌকিকতাপ্ৰধান প্ৰেমকথাৰ প্ৰতি আকৃষ্ট হোৱা সাধাৰণ শ্ৰেণীৰ মানুহৰ ওপৰত পৰকীয়াপ্ৰীতিৰ কু-প্ৰভাৱ পৰি সামাজিক শৃংখলা নষ্ট কৰাৰ সম্ভাৱনা হৈয়ে থাকিল। তেনেস্থলত শংকৰদেৱে হয়তো ৰাধাৰ এক আধ্যাত্মিক ৰূপ দাঙি ধৰাৰ আৱশ্যকতা দেখিলে। সেইকাৰণেই তেওঁ ভাৰতত জুৰি জনপ্ৰিয়তা অৰ্জন কৰা গীতিকাব্য 'গীতগোবিন্দ'ৰ অসমীয়া ভাঙনি কৰি, তাত ৰাধা-কৃষ্ণক অসমৰ বৈষ্ণৱধৰ্মৰ অনুকূল কৰি চিত্ৰিত কৰিব লগা হ'ল। ৰামসৰস্বতীৰ যদি তেনে উদ্দেশ্য নাথাকি কেৱল কাব্য ৰচনা কৰাটোহে উদ্দেশ্য আছিল, তেন্তিয়া হ'লে তেওঁ জয়দেৱৰ অনুৰূপেই ৰাধা-কৃষ্ণৰ বৰ্ণনা দি সহজতে জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিলেহেঁতেন।

জয়দেৱৰ 'গীতগোবিন্দ'ত ৰাধা-কৃষ্ণৰ প্ৰেমকথাত লৌকিক যৌন প্ৰেমৰ প্ৰাধান্য অতি স্পষ্ট। 'মধুৰ-কোমল কান্ত-পদাবলী'ৰ কাৰণে ব্যাপকভাৱে খ্যাতি অৰ্জন কৰা জয়দেৱৰ 'গীতগোবিন্দ'ৰ অনেক আধ্যাত্মিক ব্যাখ্যা পাছত কৰা হ'ল যদিও শৃংগাৰী সাহিত্য ৰচনাৰ প্ৰবৃত্তি প্ৰধান যুগ এটাত ৰচনা কৰা এই কাব্যখনিত হৰিভক্তিৰ উচ্ছদপটৰ আঁৰত লৌকিক যৌনপ্ৰেমকহে বিষয় কৰি লোৱা হৈছিল। কাব্যখনিত আৰম্ভণিতে দিয়া লীলাপ্ৰধান স্তুতিগীত দুটিত বাদে অন্য ঠাইত পোনপটীয়াকৈ হৰিভক্তি বিচাৰি উলিওৱা টান। আনকি দ্বিতীয়টি স্তুতিৰ অন্তিম শ্লোকটোত ভক্তিতকৈ শৃংগাৰী ভাৱহে প্ৰধান হোৱা দেখা গৈছে —

পদ্মাপয়োধৰতটীপৰিৰম্ভলগ্ন-কাশ্মীৰমুদ্ৰিতমুৰো মধুসূদনস্য।
ব্যক্তানুৰাগমিৱ খেলদনংগখেদ-স্বেদাম্বুপূৰম্ অনুপূৰয়তু প্ৰিয়ং ৱঃ ॥

আলিংগনৰ সময়ত লক্ষ্মীৰ (চিত্ৰাংকিত) পত্ৰাৱলীপৰা কুংকুম লগত হৃদয়ৰ অনুৰাগহে যেন (যি বক্ষত) মূৰ্তিমান ৰূপত প্ৰকাশ পাইছে অৰু কামক্ৰীড়াজনিত ঘামেৰে ভৰি পৰা সেই মধুসূদনৰ বক্ষই তোমালোকৰ প্ৰিয় সাধন কৰক।

জয়দেৱৰ কাব্যখনিত যে 'হৰিস্মৰণৰ দ্বাৰা মন সৰস' কৰাতকৈ 'বিলাসকলাৰ প্ৰতি কৌতূহল'হে অধিক পৰিলক্ষিত হয়, সেই কথা আগৰ প্ৰবন্ধত (ৰসতু হৃদি যুৱতীৰিৱ কোমলকলাৱতী ইত্যাদি) উদাহৰণৰ দ্বাৰা আলোচনা কৰি অহা হৈছে। আনকি বীৰৰসৰ বৰ্ণনাৰ লগতো জয়দেৱে শৃংগাৰী বৰ্ণনা জুৰি দিছে —

স প্ৰীতিং তনুতাং হৰিঃ কুৱলয়াপীড়েন সাৰ্দ্ধং ৰণে।
ৰাধা-পীন-পয়োধৰ-স্মৰণকৃৎ-কুম্ভেন সংভেদবান্ ॥ (১০।১৯।৮)

যি হৰিয়ে ৰাধাৰ পীন পয়োধৰৰ স্মৃতি জাগ্ৰত কৰা কুম্ভযুক্ত কুৱলয় হস্তীৰ লগত যুদ্ধত প্ৰবৃত্ত হৈছিলে তেওঁ তোমালোকৰ প্ৰীতি বৃদ্ধি কৰক।

জয়দেৱৰ সময়ত অনেক খ্যাত-অখ্যাত কবিয়ে ৰাধা-কৃষ্ণৰ প্ৰেমক বিষয়বস্তু ৰূপে লৈ কাব্য ৰচনা কৰিছিলে। কিন্তু সেই কিলাকত ধৰ্মীয় প্ৰেৰণাতকৈ যৌন প্ৰেমমূলক কাব্যিক প্ৰেৰণাহে মাই বস্তু আছিল। প্ৰাচীন ভাৰতীয় প্ৰেমকাব্যৰ ধাৰাত যেতিয়া ৰাধা-কৃষ্ণ-প্ৰেমে বিশিষ্ট স্থান অধিকাৰ কৰিলে, তেতিয়া এনে এটি প্ৰবাদৰ প্ৰচলন হ'বলৈ ধৰিলে — 'কানু ছাড়া গীত নাই'। গতিকে লৌকিক শৃংগাৰী কবিতা লিখাত প্ৰবৃত্ত থকা কবিসকলেও ৰাধা-কৃষ্ণক অৱলম্বন স্বৰূপ নলৈ নোৱাৰিলে। জয়দেৱ আৰু তেওঁৰ সমকালীন কবি উমাপতিধৰ, গোবৰ্ধনাচাৰ্য, শৰণ, ধোয়ী আৰু ৰজা লক্ষ্মণ সেনৰ যেনেকৈ বৈষ্ণৱ বিষয়বস্তুৰ কবিতা পোৱা যায়, সেইদৰে লৌকিক প্ৰেমৰো অনেক কবিতা পোৱা যায়। জয়দেৱৰ যুগটোৰ এই লক্ষণৰপৰা বুজা যায় যে তেওঁ মুখ্যতঃ লৌকিক প্ৰেমৰ কবিহে আছিল; 'হৰিচৰণ' তেওঁৰ কাব্যৰ গৌণ বিষয়হে। জয়দেৱৰ 'গীতগোবিন্দ'ত "গীত আছে গোবিন্দ নাই" বোলা প্ৰবাদেও তাকেই প্ৰমাণ কৰে।

ৰামসৰস্বতীৰ কাব্য ৰচনাৰ প্ৰেৰণা যে কৃষ্ণভক্তিৰ মাহাত্ম্য প্ৰচাৰহে, তেওঁৰ ৰচনাৱলীয়েই বিপুল পৰিমাণে তাৰ সাক্ষ্য বহন কৰিছে। পদতকে

শংকৰদেৱৰ অনুবৰ্তী ৰামসৰস্বতীৰ 'গীতগোবিন্দ'ত গীত নাথাকিলেও যে গোবিন্দ থাকিব সি নিশ্চিত। ৰামসৰস্বতীৰ ৰচনাৱলী ধাৰ্মিক অথবা সামাজিক উদ্দেশ্যধৰ্মী আছিল। কাব্যিক গুণতকৈ হৰিভক্তি প্ৰচাৰহে সেইবিলাকৰ লক্ষ্য আছিল। ৰামসৰস্বতীয়ে "শুনিয়োক সভাসদ/গীতগোবিন্দৰ পদ ॥ গীত চয় মনোৰম/অমৃত নুহিকে সম ॥" — এই বুলি কৈয়ো নিজা আদৰ্শৰ অনুকূল কৰিহে 'গীতগোবিন্দ'ৰ পদ শুনাইছে। তেওঁৰ ৰচনাত 'বিলাসকলাৰ প্ৰতি কৌতূহল'ৰ প্ৰবৃত্তি কম, 'হৰিস্মৰণৰ দ্বাৰা মন সৰস' কৰাৰ প্ৰবৃত্তি অধিক পৰিলক্ষিত হয়। সেই কাৰণেই জয়দেৱৰ দৰে ৰামসৰস্বতীৰ কাব্যখনিত শৃংগাৰী বৰ্ণনাৰ আতিশয্য নাই। ৰামসৰস্বতীয়ে অনেক ঠাইত তেওঁৰ নিজা দৃষ্টিভংগীৰে ৰাধা-কৃষ্ণৰ প্ৰেম ব্যাখ্যা কৰিছে আৰু সেইদৰে অনেক ঠাইত মূলৰ অতিশয়িত শৃংগাৰী বৰ্ণনাসমূহ ত্যাগ কৰিছে। উদাহৰণ স্বৰূপ ৰাধাৰ অভিসাৰৰ অন্তত কৃষ্ণক পোৱাৰ পাছত জয়দেৱে সম্ভোগ শৃংগাৰৰ যি পুংখানুপুংখ সুদীৰ্ঘ বৰ্ণনা দিছে, ৰামসৰস্বতীয়ে তাৰ ঠাইত ইমানকেহে কৈছে —

আনো সখীসৱ গৈলা কৃষ্ণ সুমৰি।
মনোৰথ ৰাধাৰ পূৰ্ণ কৈল হৰি ॥
যাৰ নাম শুনি কালমৃত্যু হোৱে ত্ৰাস।
জানিয়া কৃষ্ণক ইচ্ছা কৰিবা বিশ্বাস ॥ ৩৬৮

ৰামসৰস্বতীৰ কাব্যৰ উদ্দেশ্য যে কৃষ্ণভক্তি প্ৰচাৰহে এনেবোৰ পদেই তাৰ প্ৰমাণ।

জয়দেৱৰ কাব্যত ৰাধা-কৃষ্ণৰ ৰতিক্ৰীড়াৰ সময় হৈছে 'সৰস বসন্ত'-কাল, যিটো সময়ত মদনবিকাৰ ঘটাটো স্বভাৱিক — "সৰসবসন্ত-সময়-বৰ্ণনম্ অনুগতমদনবিকাৰম্।" অসমীয়া কবিজনাই সেই সময়ৰ ৰাসলীলাৰ পটভূমিলৈ কিদৰে পৰিবৰ্তন কৰি ল'লে, সেই কথা আগৰ প্ৰবন্ধত আলোচনা কৰি অহা হৈছে। ৰামসৰস্বতীৰ মতে শৰৎকালতে বসন্তৰাগৰ প্ৰভাৱত বৃন্দাবনত বসন্তকালীন পৰিবেশৰ সৃষ্টি হ'ল —

শৰত কালৰ জোনালী ৰাত্ৰি পাই।
দিবা ৰাসক্ৰীড়া আৰম্ভিলা যদুৰায় ॥
বৃন্দাবন জকমক পুষ্পে বিকশিত।

কামবাণে কামিনীৰ চঞ্চল চৰিত ॥
মলয় পবন বহে বসন্ত প্ৰকাশ ।

বিলাসকলাকৌতূহলী কবি জয়দেৱৰ কাব্যত থকা সম্ভোগসাপেক্ষ যৌন চাঞ্চল্যক অসমীয়া বৈষ্ণৱ কবিয়ে শংকৰ সংযত পৰিৱেশলৈ অনা কাৰ্য গতানুগতিক নহৈ উদ্দেশ্যধৰ্মী হোৱাহে সম্ভৱ।

জয়দেৱৰ কাব্যত ৰাধাৰ পৰকীয়া নায়িকা ৰূপৰ সংকেতমাত্ৰহে আছে। জয়দেৱৰ 'অন্যাৰ্থং গতয়োঃ' পদৰ অৰ্থ ৰসিকপ্ৰিয়া-টীকাকাৰে এই বুলি দিছে — 'পৰস্ত্ৰী পৰপুৰুষয়োৰ প্ৰাপ্তয়োঃ'। ৰসমঞ্জৰী টীকাতো এই কথাকে সমৰ্থন কৰিছে — 'অন্যাং নায়িকামন্যনায়কং চোদ্দিশ্য গতয়োঃ।'
ৰামসৰস্বতীৰ কাব্যত ৰাধাক স্পষ্টভাৱে পৰকীয়া নায়িকা বোলা হৈছে —

কৰ্ণ পাতি ৰাধিকা শুনন্ত মন কৰি।
(কৃষ্ণই) ডাকন্ত ৰাধিকা বুলি নিজ নাম ধৰি ॥ ২২০
লাজে আৰ হুইবে লাগি বস্ত্ৰ মাত্ৰ টানে।
গুপুত বেকত ভৈল বংশীৰ নিদানে ॥
শাশুৰী ননন্দী দুয়ো মোৰ প্ৰাণবৈৰী।
সময় নজানি মোক ডাকে নাম ধৰি ॥ ২২১

× ×

স্বামী আছে কথা শুনি লোকে কৰে কণা কণি ॥
শাশুৰী দেখন্ত চাই স্তনে নখ চিহ্ন পাই।
বুকু ধাকুৰিয়া যাই কৃষ্ণ আইল এইৰ ঠাই ॥ ইত্যাদি
(২৭০ পদৰ পৰা ২৮১ পদ পৰ্যন্ত)

এই পৰকীয়া নায়িকাৰ ভাৱক ৰামসৰস্বতীয়ে পাছত আধ্যাত্মিক ৰূপ দান কৰিছে —

সুকণ্ঠী বোলয় সখী নকৰিবা লাজ।
সবাৰে হৃদয়ে পশি আছে যদুৰাজ ॥
× × ইহাংক ভাঙ্গলে পাৱে সংসাৰৰ সাৰ।

'ভাগৱত'ত কৃষ্ণৰ বিশেষ অনুগ্ৰহ লাভ কৰা বিশিষ্ট গোপী-

ৰুক্মিণীক শংকৰদেৱে 'ৰাধা' বোলাৰ কথা আগতে আলোচনা কৰি অহা হৈছে। ৰাসলীলাৰ আধ্যাত্মিক ব্যাখ্যাৰ লগত সুপৰিচিত অসমীয়া সমাজত ৰাম-সৰস্বতীয়ে ৰাসলীলাৰ পটভূমিত জয়দেৱৰ লৌকিকতাপ্ৰধান পৰকীয়া নায়িকা ৰাধাক ভক্ত গোপীসকলৰ মাজৰ বিশিষ্ট গোপী এগৰাকীৰ ৰূপত দাঙি ধৰিছে।

'ভাগৱত'ৰ ৰাসলীলা সাধাৰণ যৌনপ্ৰেমত হৈ আবদ্ধ থকা নাই; তাত গোপী-কৃষ্ণৰ প্ৰেমে লৌকিকতাৰ সীমা চেৰাই আধ্যাত্মিকতাৰ উচ্চ স্তৰলৈ উঠিছে। 'ভাগৱত'ত হাজাৰ-বিজাৰ গোপী কৃষ্ণৰ প্ৰেমত মতলীয়া হৈছে; কিন্তু কোনেও কাকো সতিনীৰ দৰে ঈৰ্ষা কৰা নাই। সেই প্ৰেম ঈশ্বৰৰ প্ৰতি ভক্তৰ অনুৰাগহে; তাত ঈৰ্ষা-দ্বেষৰ স্থান নাই। জয়দেৱৰ লৌকিকতাপ্ৰধান কাব্যখনত হ'লে ৰাধা সপত্নীবিদ্বেষত জৰ্জৰিত হৈছে। বহু কষ্টৰ অন্তত লাভ কৰা প্ৰিয়তম কৃষ্ণৰ গাত অন্য নাৰী-ৰমণৰ চিন দেখি জয়দেৱৰ ৰাধাই অভিমান কৰি কৃষ্ণক কৈছে — "তামনুসৰ সৰসিৰুহলোচন যা তৱ হৰতি বিষাদম্" — হে কমললোচন, 'যিজনীয়ে তোমাৰ বিষাদ দূৰ কৰিছিলে, তুমি তাইৰ ওচৰলৈকে যোৱা (গীতঃ ৮ম সৰ্গ)।

ৰামসৰস্বতীয়েও জয়দেৱৰ অনুৰূপেই লিখিছে —

ৰাধিকা বচন বোলে মাধৱক চাই।
ইটো মোৰ ৰজনী বঞ্চিলা যাৰ ঠাই॥
ফিৰি যায়ো দামোদৰ সিজনীৰ পাশ × ২৯৬
× × × তযু হন্তে তিৰোগিলোঁ পতি-পুত্ৰ ঘৰ।
এবে আন নাৰী পাই আমি হৈলো পৰ॥
সতিনীক দেখন্তে মৰণ মোৰ ভাল × ৩২৬

কিন্তু এই ৰাধাক ৰামসৰস্বতীয়ে লক্ষ্মীৰ সৈতে অভিন্ন কৰি দেখুৱাইছে। অসমীয়া সমাজ ইতিমধ্যে শংকৰদেৱৰ সাহিত্যত ভক্তৰূপে চিত্ৰিত লক্ষ্মীৰ লগত সুপৰিচিত। গতিকে সেই লক্ষ্মীৰ অৱতাৰ ৰূপে দেখুৱালে ৰাধাক যে অসমীয়া বৈষ্ণৱ সমাজে সাধাৰণ নায়িকাৰ দৰে গ্ৰহণ নকৰিব ৰামসৰস্বতীয়ে হয়তো সেই কথা উপলব্ধি কৰিছিলে। সেই কাৰণে কাব্যৰ আৰম্ভণিতে ৰাধাৰ পৰিচয় এই বুলি দিয়া হৈছে —

কৃষ্ণ সমে ৰাসলীলা কৰিলা যিজনে।
হুয়ো পৰিচয় ৰাধা কোন গোপীগণে ॥ ১১
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱ তাদংশাত কৰি।
সম্ভতে ভক্তৰ যথা দেখাইলন্ত হৰি ॥
এতেকে কৃষ্ণত ভক্তি কৰিবাক মনে।
লক্ষ্মী আসি ৰাধাৰূপে ভৈলন্ত আপুনে ॥ ১২
যাৰ ভক্তিভাৱে তুষ্ট ভৈলা দামোদৰ।
ৰাধিকাক ফুৰাইলন্ত কন্ধৰ উপৰ ॥

এই ৰাধাক ৰামসৰস্বতীয়ে শংকৰদেৱৰ 'অনাদি-পাতন'ত থকা প্ৰকৃতিৰ মৰ্য্যদা দিছে —

প্ৰকৃতি পুৰুষ দুইকো নাহি ভিন পৰ।
কাৰ্য কাৰণত মাত্ৰ ভিন্ন কলেৱৰ ॥

ৰামসৰস্বতীয়ে জয়দেৱৰ অনুৰূপে ৰাধাৰ খণ্ডিতা নায়িকা ৰূপ অংকন কৰিছে যদিও চন্দ্ৰাৱলী আৰু সুকণ্ঠী নামৰ ৰাধাৰ দুই সহচৰীৰ বাকৰিতণ্ডাৰ সৃষ্টি কৰি তাৰ যোগেদি ৰাধা-কৃষ্ণৰ তাত্ত্বিক স্বৰূপ দাঙি ধৰিছে। চন্দ্ৰাৱলীয়ে কৈছে —

জগত ঈশ্বৰী ৰাধা ভগৱতী আই।
× × প্ৰকৃতি গোসানী এহো জানা সত্যবাক ॥

সুকণ্ঠীয়ে কৈছে —

সবাৰে ঈশ্বৰ কৃষ্ণ জগতৰে স্বামী।
কত পুণ্যবলে পাই আছো তুমি আমি।
তাহাংক ভজিলে আন দাস পুণ্য লাগে।
ধিক ধিক ইটো কথা শুনিতে নালাগে ॥ ৩৩৯

তেতিয়া চন্দ্ৰাৱলীয়ে ক'লে —

ৰাধিকাত কৰি আৰ আছে কোন বৰ ॥
চৰাচৰ উৎপত্তি ব্ৰহ্মাণ্ড যাৰ কাম।
তিনি গুণময় যে প্ৰকৃতি তাৰ নাম ॥ ৩৪০

সত্ত্বগুণে দেৱ তম ৰজগুণে নৰ।
উত্তম অধম গুণে যত চৰাচৰ ॥
অন্তকালে জগতক উদৰত কৰি।
থাকন্ত আপুনি নিজ সৃষ্টিক সংহৰি ॥ ৩৪১
অনাদি গোপিনী দেৱী চৰাচৰ বশ্য।
ইন্দ্ৰ আদি দিক্‌পাল ব্ৰহ্মাৰ নমস্য ॥

সেই কথা শুনি সুকণ্ঠীয়ে উত্তৰ দিলে —

তোৰ দেৱী গুণে তিনি ভুৱন ঈশ্বৰ।
তান আজ্ঞা পালি সুজে যত চৰাচৰ ॥
প্ৰলয়ত বিশ্বধাম যাহাৰ অধীন।
অলেপসে অন্তৰ মাধৱত যায় লীন ॥ ৩৪৩
যিজন সকামী প্ৰকৃতি গুণময়।
নিষ্কামীসে ভাগৱত ধৰ্মক জানয় ॥
আশা সমুদ্ৰত মগ্ন প্ৰকৃতিৰ গুণে।
সিজনে কৃষ্ণৰ সেৱা জানিব কমনে ॥ ৩৪৪
তৃণ সম কৰি তেজে ইন্দ্ৰৰ সম্পত্তি।
যিজনৰ কৃষ্ণত একান্ত ভৈল মতি ॥
কৃষ্ণৰ চৰণে যদি নকৰে নিশ্চয়।
নিজ থানে ব্ৰহ্মাৰ নুগুচে কালভয় ॥ ৩৪৫

তেতিয়া —

ৰত্নাৱলী বোলে সখী নাই কিছু ভিন্ন।
প্ৰকৃতি পুৰুষ দুইবো জগত অধীন ॥
তেওঁ বিদ্যাশক্তি এওঁ ভগৱন্ত সাৰ।
মহাযোগীজনে যাক কৰিছে বিচাৰ ॥ ৩৪৬
কৃষ্ণেসে ঈশ্বৰ এওঁ জগত ঈশ্বৰী।
অকাৰণে দুয়ো সখী মৰো দ্বন্দ্ব কৰি ॥

ৰামসৰস্বতীৰ এই বৰ্ণনাত শাক্ত বৈষ্ণৱৰ মাজত থকা বিৰোধ তাত্ত্বিক

দৃষ্টিত অৰ্থহীন যুক্তি প্ৰতিপাদন কৰাৰ চেষ্টা কৰিছিল হয়। মহা-সৰস্বতীৰ 'গীতগোবিন্দ'ত ৰাধা-কৃষ্ণৰ এনেকুৱা তান্ত্ৰিক বৰ্ণনাৰ কাৰণেই বিলাসকলাত কৌতূহলবশতঃ জয়দেৱৰ কাব্যখনৰ অনুবাদ কৰিলে বেয়াৰ সম্ভাৱনা থকা অসমীয়া পাঠকৰ কাৰণে এটা আধ্যাত্মিক পৃষ্ঠভূমিৰ সৃষ্টি কৰিছে।

জয়দেৱৰ কাব্যত বসন্তৰ কামোদ্দীপক পৰিৱেশত মদনতাপতপ্তা হৈ প্ৰিয়তম কৃষ্ণৰ অনুসন্ধানত বৃন্দাবনত উন্মাদিনী হৈ ঘূৰি ফুৰা ৰাধাক পাই এক সহচৰীয়ে কৈছে —

বিহৰতি হৰিৰিহ সৰসবসন্তে।
নৃত্যতি যুৱতিজনেন সমং সখি।
বিৰহীজনস্য দুৰন্তে॥

"হে সখী, বিৰহী লোকৰ কাৰণে অসহ্য এই সৰস বসন্তকালৰ বৃন্দাবনত কৃষ্ণই যুৱতীসকলৰ সৈতে নৃত্য কৰিব লাগিছে।" উন্মাদনাৰে ভৰা বাসন্তী পৰিৱেশত ব্ৰজ-সুন্দৰীগণে কৃষ্ণৰ সংগসুখত মদন-তাপ শান্ত কৰাৰ কথা গম পাই ৰাধাই দুখেৰে সৈতে তেওঁ কৃষ্ণৰ লগত ৰাসক্ৰীড়া কৰাৰ কথা সুঁৱৰিছে —

ৰাসে হৰিমিহ বিহিতবিলাসম্।
স্মৰতি মনো মম কৃতপৰিহাসম্॥

অন্য নাৰীৰ লগত বিহাৰ কৰা সত্ত্বেও ৰাধাই প্ৰিয়তম কৃষ্ণক দোষী কৰিব পৰা নাই —

গণয়তি গুণগ্ৰামং ভ্ৰামং ভ্ৰমাদপি নেহতে।
বহতি চ পৰিতোষং দোষং বিমুঞ্চতি দূৰতঃ॥
যুৱতিষু বলস্তৃষ্ণে কৃষ্ণে বিহাৰিণি মাং বিনা।
পুনৰপি মনো বামং কামং কৰোতি কৰোমি কিম্॥

"সখী, কোৱাচোন, মই কি কৰোঁ? যুৱতীৰ প্ৰতি যাৰ তৃষ্ণা বাঢ়ি গৈছে, সেই কৃষ্ণই মই নোহোৱাকৈয়ে বিহাৰ কৰি ফুৰিছে; তথাপি মোৰ মনে তেওঁকেহে বিচাৰিছে। মই তেওঁৰ দোষবোৰ দূৰতে এৰি গুণবোৰহে দেখিছোঁ। তেওঁ কৰা ভুলৰ কাৰণে মোৰ খং নুঠি সন্তোষহে হৈছে।"

ৰামসৰস্বতীৰ মতে ৰাসন্তী পৰিৱেশত —

সেই বেলা ৰাসক্ৰীড়া গোপী-মাধৱৰ ॥
অনেক গোপিনী দেখি মাধৱৰ ঠাই ।
সখী সমে অন্তৰিয়া গৈল ৰাধাৰায় ॥ ৮১
ৰোষ কৰি নিকুঞ্জে বৰৰ আৰি ভৈলা ।
× × × কৃষ্ণৰ বিৰহে ৰাধিকাৰ বৰ দুখ ।
× × ৰত্নাৱলী বোলে সখী নকৰিবা ৰোষ ।
কৃষ্ণক চাহন্তে সতিনীৰ নাহি দোষ ৮৫
ব্ৰহ্মাদিৰো দুৰ্ল্লভ ইহেন দেহা পাই ।
কৃষ্ণৰ ৰূপত ত্ৰিভুৱন ভোল যায় ।
ইহেন শৰীৰ পাই হুয়োক সন্তোষ ।
দুৰন্তে তেজিয়া সখী সতিনীৰ ৰোষ ॥

তাৰ পাছত ৰত্নাৱলীয়ে 'দূৰ্বাদল শ্যামতনু চন্দনে লেপিত' আৰু গোপীসমস্তৰ মন হৰণ কৰা কৃষ্ণক 'সতিনীৰ হিংসা এৰি' চাবলৈ কৈছে ; কাৰণ 'কামভাৱে ভজন্ত মাধৱে কতো নাৰী ।' ৰত্নাৱলীয়ে আৰু কৈছে —

আৰু জানি সখী তুমি পৰিহৰ মান ।
সেই ভাৱে ভজা তুমি মাধৱৰ থান ॥

তেতিয়া 'ভাগ্যৱতী ৰাধা আপোনাৰ মান্য চাই/যাচিয়া নগৈলা প্ৰভু মাধৱৰ ঠাই ॥' তাৰ পাছতহে ৰাধাই মনত থকাৰ দৰে —

মনত সুমৰে মাধৱৰ পৰিহাস ॥
মোহন বংশীক বান্ত অধৰ অমৃত ।
মোৰ নাম ধৰি মোহিলাহা মোৰ চিত্ত ॥ ইত্যাদি

ৰামসৰস্বতীৰ কাব্যত ৰাধাই মনত "সখী হে, কেশিমথনমুদাৰম্/ৰময় ময়া সহ মদনমনোৰথভাৱিতয়া সৱিকাৰম্" বুলি সখীয়েকক অনুৰোধ কৰাৰ দৰেই কৈছে —

মাধৱৰ বিৰহে ক্ষণেকে প্ৰাণ যায় ॥ ১০৫
যদ্যপি জীয়াবা সখী কহোঁ নিষ্ট বাণী ।

প্ৰতিক্ষণে ইঠাৱে কৃষ্ণক দিয়া আনি ॥
কৃষ্ণৰ অধৰ যেন মধুৰ বান্ধন ।
তাক দেখি স্বতন্ত্ৰে পীৱন্ত গোপীগণ ॥ ১০৬
সিকাৰণে কহো সখী ৰাধৰক আন ।
ইঠাৰত অকলে কৰোহোঁ মধুপান ॥

ৰামসৰস্বতীৰ কাব্যত ৰাধা যদিও সপত্নীবিদ্বেষত জৰ্জৰ উঠিছে, তথাপি তেওঁৰ কাৰণে কৃষ্ণ জয়দেৱৰ কাব্যত থকাৰ দৰে কেৱল ৰাসৰীৰ প্ৰণয়ভাজন নহয় । সেই কৃষ্ণ নিৰাকাৰ নাৰায়ণ; তেওঁতেই সমস্ত পৰমাৰ্থ সিদ্ধি হয় । তেওঁ ভক্ত ৰাধাৰ প্ৰতি কৃপা কৰিছে কামাতুৰ ৰূপত ধৰা দিছে —

কেশীনিষূদন প্ৰভু উদাৰ চৰিত্ৰ ।
সবাতো অধিক পুণ্য মোৰ মহামিত্ৰ ॥
যাতো পৰমাৰ্থ নিৰাকাৰ নাৰায়ণে ।
তথাপিতো কামাতুৰ মোক কৃপাগুণে ॥ ১১৬
অৱশ্যে আসিব কৃষ্ণ মোৰ কথা শুনি ।

এইদৰে ৰাধা-কৃষ্ণৰ প্ৰেমক ভক্ত-ভগৱানৰ প্ৰেমৰ স্তৰত প্ৰতিষ্ঠা কৰি দোৱাৰ পাছত ৰামসৰস্বতীয়ে জয়দেৱৰ অনুৰূপেই শৃংগাৰী বৰ্ণনা-সমূহ দাঙি ধৰিছে । তাৰ ফলত ৰাধা-কৃষ্ণৰ প্ৰেম ‘ভাগৱত’ত প্ৰতিপাদিত কামভাৱেৰে ভক্তই ভগৱানক লাভ কৰাৰ সিদ্ধান্তৰ অনুকূল হৈ পৰিছে ।

নিকুঞ্জ মন্দিৰত ৰাধাই কৃষ্ণৰ কাৰণে কিদৰে প্ৰতীক্ষাকালত সম্ভোগৰ স্বপ্ন ৰচিছে, সেই কথা আগৰ প্ৰবন্ধত আলোচনা কৰি অহা হৈছে । (১২০ পদৰ পৰা ১২৯ পদলৈকে) ৰাধাৰ এই প্ৰতীক্ষাৰ বৰ্ণনাৰ পাছত ৰামসৰস্বতীয়ে জয়দেৱৰ অনুৰূপেই কৃষ্ণৰ বিৰহ বৰ্ণনা কৰিছে —

ৰাধাক নেদেখি কৃষ্ণে গোপীগণ মাজে ।
পৰম বিৰহ মন ভৈল যদুৰাজে ॥ ১৩০
× × সেহি থানে এৰিলা যতেক গোপনাৰী ॥
অন্তৰিছে জানিছোঁ ৰাধিকা ৰোষ কৰি ।
মন দুখে কৃষ্ণে তাক ফুৰন্ত বিচাৰি ॥ ১৩১

× × মোৰ অনাদৰে ৰাধা ভৈলা ৰোষ কৰি ॥ ১৩৫
× × মোৰ কেনে দোষ মই নাৰাখিলো ৰাচি ।
ৰাধাৰ বিৰহে প্ৰাণ নৰহয় আজি ॥ ১৩৬
কিবা ধন জন ছাড় জীৱন আমাৰ ।

এইদৰে ৰাধাৰ বিৰহত আকুল হোৱা কৃষ্ণই মনৰ চিন্তাত ৰাধাৰ মুখকমল মিনতি কৰি কৈছে — "প্ৰাণেশ্বৰী ৰাধা দোষ ক্ষমিবা আমাৰ ॥ × × চৰণত ধৰি কহোঁ নধৰিবা দোষ ।" ইত্যাদি বিৰহ-বিধুৰ কৃষ্ণক যেন কামদেৱে শিৱ বুলি ভুল কৰি পূৰ্বৰ শত্ৰুতাৰ কাৰণে পুষ্পবাণেৰে থকা-সৰকা কৰিছে । এনে সময়তে কৃষ্ণৰ ওচৰত উপস্থিত হোৱা ৰত্নাৱলীক কৃষ্ণই সলোতক আঁখিৰে বাৰ্তা পুছিছে — 'কহিয়োক ৰত্নাৱলী শুনো একমনে/ প্ৰাণপ্ৰিয়া ৰাধিকা আছয় কোন বনে ॥"

ৰামসৰস্বতীৰ কাব্যত ৰত্নাৱলীয়ে আগতে কৃষ্ণক ভৰ্ৎসনা কৰি লৈছে । তাৰ পাছতহে মূলত থকাৰ দৰে ৰাধাৰ বিৰহ-দুখ বৰ্ণনা কৰিছে (১৬০-১৬২ পদ) । এই বৰ্ণনাত সংস্কৃত সাহিত্যৰ কিছু বৰ্ণনাৰ পৰম্পৰা ৰক্ষা হৈছে মাত্ৰ । 'কামদেৱৰ শৰসম্পাতৰপৰা ৰক্ষা পৰিবৰ কাৰণে ৰাধাই যেন কৃষ্ণক নিজৰ হৃদয়ত লুকুৱাই ৰাখিছে' — মূলত এইদৰে থকা বৰ্ণনাৰ প্ৰসংগত ৰামসৰস্বতী জয়দেৱৰ লৌকিকতাপ্ৰধান কৃষ্ণচৰিত্ৰত পৰব্ৰহ্মত্ব আৰোপ কৰাৰ সুযোগ গ্ৰহণ কৰিছে ।

মাধৱে বোলন্ত কথা অদ্ভুত বৰ ।
হৃদয়ত লুকাইবাক পাৰে কোন নৰ ॥
হৃদয়ত আছো মই অন্তৰ্য্যামী হৰি ।
সমৰত মোক লুকাইবেক কেন কৰি ॥ ১৬৮
নিৰাকাৰ ৰূপে যিটো আছে দামোদৰ ।
তাক আৰে কেনমতে পৰে কামশৰ ॥

ৰামসৰস্বতীয়ে কৃষ্ণৰ মুখেদি ৰাধাক ভক্তৰ স্বীকৃতি দিয়াইছে —

শুনিয়োক ৰত্নাৱলী তুমি মোৰ মিত্ৰ ।
অমৃতৰ সম স্বাদ ভক্তৰ চৰিত্ৰ ।

তোমাৰ আগত মই কহো নিষ্ঠ বাক।
ৰাধিকাৰ কথ কহি জনাইলা আমাক ॥

জয়দেৱৰ কাব্যত বিৰহিণী ৰাধাই কামদেৱৰ অনুৰূপে কৃষ্ণৰ চিত্ৰ আঁকি চৰণত প্ৰণত হৈছে। ৰামসৰস্বতীৰ ৰাধাই স্বয়ং কামদেৱৰে চিত্ৰ আঁকিছে —

কামদেৱৰ চৰণে কাতৰ কৰে ধৰি।
তেহে আনিবাক পাৰে মাধৱক ধৰি। ১৮১
এহি বুলি আপোনাৰে কৰি তলুৱাতে।
× × কামদেৱ মূৰ্তিক লেখিলা দেৱী তাতে ॥ ১৮২
× × গোচৰ কৰন্ত ৰাধা চৰণতে ধৰি।
× × নন্দৰ পুত্ৰক প্ৰভু মোহিবাক লাগে ॥ ১৮৬

দূতীৰ মুখে এই কথা শুনি কৃষ্ণই হাঁহি মাৰি ক'লে — "চৰণত কামদেৱ লিখিলা গোপিনী/কিমতে মাৰন্ত তাক আপোনা আপুনি ॥" নিজৰ ভৰিত কামদেৱৰ চিত্ৰ আঁকা ৰাধা ৰামসৰস্বতীৰ নিজ কল্পনা-প্ৰসূত। ইয়াৰ দ্বাৰা ৰাধাৰ বিৰহ-কালীন উন্মাদ অৱস্থা সূচিত হৈছে। ৰাধাৰ সখী-য়েকে আৰু কৈছে —

দিন বঞ্চিবাক হেতু বিৰহ কালত।
× × চিত্ৰকৰ্ম কৰি তেবে পতিয়ায় মনে ॥ ১৯২
তোমাক নপাই ৰাধা বিৰহ অনলে।
কামদেৱ লেখিলন্ত চৰণৰ তলে ॥

ৰামসৰস্বতীৰ কাব্যত ৰাধাই ধ্যান কৰি হৃদয়তে পোৱা প্ৰিয়তম কৃষ্ণৰ চৰণত ধৰি কান্দি পেলাইছে; কিন্তু পিছ মুহূৰ্ততে — 'গোপিনী আলাপ চিহ্ন দেখি সৰ্ব গাৱে পুনু ৰোষ পাতিলা ৰাধিকা ক্ৰোধভাৱে (১৯৭ পদ)।' ৰাধাৰ এনে অৱস্থাৰ বাতৰি দিয়া বস্ত্ৰাৱলীক কৃষ্ণই কৈছে — "ৰাধিকাক দেখাই দিলে প্ৰাণ দিয়া মোক।" তেতিয়া বস্ত্ৰাৱলীয়ে পৰিহাস কৰি কৈছে — "ৰাধিকাক দিলে প্ৰভু কি দিবা আমাক।" জগৎ-পতি কৃষ্ণই বস্ত্ৰাৱলীক দিব খোজা 'জগতৰ সম্পত্তি' আৰু 'দেৱাসুৰ নাগ যক্ষ গন্ধৰ্ব মনুষ্যৰ' ওপৰত অধিকাৰো গ্ৰহণ কৰিব নুখুজি বস্ত্ৰাৱলীয়ে কৈছে — "ৰাধাৰ সেৱাত মই

সেৱে পাইবো তাক।" আনকি যি মুক্তি ব্ৰহ্মা-হৰ-ইন্দ্ৰয়ো অহৰ্নিশে বাঞ্ছা কৰে 'তাহাকো নলাগে বুলিলন্ত ৰত্নাৱলী।' কাৰণ ৰত্নাৱলীয়ে কৃষ্ণৰ চৰণকে সাৰ বুলি মানিছে আৰু তাতকৈ মুক্তি ডাঙৰ হব নোৱাৰে। জয়দেৱৰ মূল কাব্য খনিত ৰত্নাৱলীৰ এই কথাখিনি নাই। ৰত্নাৱলীৰ এই চিন্তাত সেয়েহে গৌড়ীয় সখীতত্ত্বৰ সাদৃশ্য উপলব্ধ হয়। ৰাধাৰ সখীগণৰ লক্ষণ সম্পৰ্কে 'চৈতন্য চৰিতামৃত'ত আছে —

কৃষ্ণ সহ ৰাধিকাৰ লীলা যে কৰায়।
নিজ কেলি হইতে তাতে কোটি সুখ পায় ॥
ৰাধাৰ স্বৰূপ কৃষ্ণপ্ৰেমলতা।
সখীগণ হয় তাৰ পল্লব পুষ্প পাতা ॥
কৃষ্ণ লীলামৃতে যদি লতাকে সিঞ্চয়।
নিজ সেক হইতে পল্লবাদ্যেৰ কোটি সুখ হয়।

ৰত্নাৱলী কৃষ্ণৰ ওচৰৰপৰা গুচি যোৱাৰ পাছত সুকণ্ঠী নামৰ সখীয়েকে গৈ "ৰাধিকাক দিবো মই বুলিলো নিশ্চয়" বুলি কৃষ্ণক সংশয় নকৰিবলৈ আশ্বাস দিয়ে। তাৰ পাছত সুকণ্ঠীয়ে ৰাধাক কৈছেগৈ —

দেৱলোকে বাঞ্ছা কৰে মনুষ্যৰ কায়।
ইহেন শৰীৰ সখী বিফলেসে যায় ॥
যোগীগণে যাহাক নপাৰে ধ্যান কৰি।
তোমাৰ নিমিত্তে প্ৰভু উত্ৰাৱল হৈব ॥ ২১০
মুনিগণে চিন্তা কৰি বিচাৰি নপায়।
× × হেন কৃষ্ণ তোমাক বিচাৰি ফুৰে বনে।
× × তোমাৰ বিৰহে সখী দুখ পান্ত হৰি।
× × তযু নাম ধৰি কৃষ্ণে কৰন্ত ক্ৰন্দন ॥
ঘনে ঘনে মাধৱে দিলন্ত বংশীডাক।
আইস ৰাধা প্ৰাণেশ্বৰী আলিঙ্গা আমাক ॥ ২১৯

জয়দেৱৰ কাব্যত থকা দূতীৰ দৰে ৰামসৰস্বতীৰ কাব্যত সুকণ্ঠীয়ে এনে প্ৰলোভনসূচক কথা কোৱাহি নাই — "এই নিবিড় অন্ধকাৰত অন্য কামলৈ যোৱাৰ ছল লৈ (প্ৰিয়জনক পাবৰ কাৰণে) ঘূৰি ফুৰা পুৰুষ-

স্ত্ৰীৰ লজ্জামিশ্ৰিত কি ৰসেৰেই যে অনুভৱ মহয়! কাৰণ তেওঁলোকে ক্ৰমে আলিংগন, চুম্বন, নখক্ষত, কামবিকাৰ আৰু মৈথুনৰদ্বাৰা প্ৰীতিলাভ কৰে [১]।"

ৰামসৰস্বতীৰ কাব্যত সুকণ্ঠীয়ে ৰাধাক এইদৰেহে কৈছে —

ইহাংক ভজিলে পাৱে সংসাৰৰ পাৰ ॥ ২২২
এাকে জানি সখী মনে তেজিয়া বিকল।
কৃষ্ণক ভজিয়া জন্ম কৰিয়োঁ সাফল ॥
ব্ৰহ্মা আদি দেৱানন্ত যাক লাগ পায়।
চৰণৰ ধূলি এন্ত মুকুট ভৰাই ॥ ২২৩
মধুৰ মূৰ্ত্তি কোটি কন্দৰ্পকো জিনি।
× × চলা চলা নিতম্বিনী শুনা মোৰ বোল।
কৃষ্ণক মধুৰ ৰূপ চাপি দিয়া কোল ॥ ২২৪

ৰামসৰস্বতীয়ে এইদৰে জয়দেৱৰ কাব্যত থকা অতিশায়িত শৃংগাৰী অভিলাষৰ ঠাইত ৰাধাৰ মনত সখীয়েকৰ দ্বাৰা কৃষ্ণৰ তাত্ত্বিক স্বৰূপবোধহে জগাই তুলিছে। জয়দেৱৰ কাব্যত থকা দীঘলীয়া অভিসাৰৰ বৰ্ণনাৰ ঠাইত ৰামসৰস্বতীৰ কাব্যত সুকণ্ঠীয়ে ৰাধাক ইমানকেহে কৈছে —

নিৰোধিবা নেপুৰক পয়ানৰ হন্তে।
গোপীগণে পাইবে সাৰি পথক চলন্তে ॥

সুকণ্ঠীৰ কথামতে ৰাধা যাবলৈ সাজু হ'ল। সুকণ্ঠীৰূপৰা ৰাধাই কৃষ্ণক লাভ কৰাৰ উপায় পোৱাৰ কথাটো ৰামসৰস্বতীয়ে 'সন্তৰ সুসংগত' হোৱা ভগৱৎ উপলব্ধি বুলিছে।

দূতীৰ কথামতেই জয়দেৱৰ কাব্যত ৰাধা কৃষ্ণৰ ওচৰলৈ যাব অমান্তিৰিলে (ইয়াৰ কাৰণ অৱশ্যে দেখুৱা নাই)। ৰামসৰস্বতী কাব্যত ৰাধাই সুকণ্ঠীৰ কথামতেই কৃষ্ণৰ ওচৰলৈ যাত্ৰা কৰিছে —

---

১ আশ্লেষাদনু চুম্বনাদনু নখোল্লেখাদনু স্বান্তজ-
প্ৰোদ্বোধাদনু সংভ্ৰমাদনু ৰতাৰম্ভাদনু প্ৰীতয়োঃ।
অন্যাৰ্থংগতয়োৰ্ভ্ৰমন্মীলিতয়োঃ সম্ভাষণৈৰ্জানতো-
দম্পত্যোৰিহ কো ন কো ন তমসি ব্ৰীড়াবিমিশ্ৰো ৰসঃ ॥

হাতে নানাবিধ পুষ্প লৈয়া   চলি যাওত দেৱী মত্ত হুয়া
সুৰত কৰ্মত জিনিবো আজি গোপাল ।

ৰাধাৰ এই অভিসাৰক মহাভাৰতৰ ৰামসৰস্বতীয়ে যুদ্ধযাত্ৰাৰ লগত তুলনা কৰিছে — ' × × × নাৰীৰূপে কৰি অৱতাৰ, যুদ্ধক প্ৰবৰ্ত্তে মাধৱক খেদি যায় ॥ ২৩৯ ।' জয়দেৱৰ কাব্যত ৰাধাৰ 'ৰণপুৰপি ৰণসংজ্ঞপুৰ' বুলি থকা কথাষাৰকে বহল কৰি এই ৰণসজ্জাৰ বৰ্ণনা দিয়া হৈছে যদিও ৰাম-সৰস্বতীৰ এই বৰ্ণনাই কোনো কাব্যিক বা তাত্ত্বিক উদ্দেশ্য সাধন কৰা নাই ।

অভিসাৰিকা ৰাধাক চন্দ্ৰাৱলীয়ে পাই কলে — "যাচি গ'লে পুনু মান্য নাই, × × × × তান পাছে তুমি যাচি যাবা কেন কৰি (২৩৫-৩৬ পদ) ।" তেতিয়া ৰাধাই সুকণ্ঠীক কৃষ্ণক তালৈকে আনি দিবলৈ ক'লে । উত্তৰত সুকণ্ঠীয়ে ক'লে —

চলিয়ো কৃষ্ণৰ পাশ   মদনে পুৰিবো আশ ॥
বৈকুণ্ঠতোধিক সুখ ।   দেখিবা কৃষ্ণৰ মুখ ॥ ২৪০
কোলাত বৈসাইব হৰি ।   বদনে চুম্বন কৰি ।
যমুনাৰ তীৰে হৰি ।   বসি আছে আশা কৰি ২৪১
× × শৃংগাৰ ৰসত আতি ।   ভ্ৰম হৈব তযু মতি ॥ ইত্যাদি

ৰাধাই নিজে উপযাচি কৃষ্ণৰ ওচৰলৈ যাবলৈ অমান্তি হোৱাত সুকণ্ঠী কৃষ্ণক আনিবলৈ গ'ল । প্ৰতীক্ষাৰতা ৰাধাৰ মন নানা ভাৱনাত উদ্বা-উল হৈছে । শাহু আৰু স্বামীৰ ভয়ত ঘৰত লগ পাব নোৱাৰা প্ৰিয়তম কৃষ্ণক আজি নিতান্ত কাষতে পাব বুলি ভাবি ৰাধা বিভোৰ হৈছে —

আমি স্ত্ৰী ঘৰে বন্দী ।   গুহত নপাওঁ সন্ধি ॥ ২৭৬
হেন জানি দামোদৰে ।   নিৰ্জনত লাগ ধৰে ॥
× × মোতধিক ৰূপৱতী ।   আছে কোন ভাগ্যৱতী ॥
আমি হৃদয়ত ধৰি ।   বক্ষঃস্থলে তুলি ধৰি ॥ ২৭৮
কুচ প্ৰকাশিবে মোৰ ।   দুয়ো হৈবো কামাতুৰ ॥
× × কুণ্ডলে কুণ্ডলে দুই ।   বাজিবেক এক হুই ॥
× × সিটো ৰস শৃংগাৰত ।   হৈবো দুয়ো উনমত্ত ॥

× × পাসৰয় দুখভায় । ৰবে মহা কামোৎসৱ ॥
নুসুমৰে দুখ বত । ব্ৰহ্মানন্দ সিৰেলাত ॥

গৃহবন্দী ৰাধিকাৰ কল্পনা ৰামসৰস্বতীৰ নিজা । ৰাধাৰ সম্ভোগৰ কল্পনাখিনি জয়দেৱৰ অনুৰূপেই বৰ্ণনা কৰা হৈছে যদিও ৰামসৰস্বতীয়ে সেই সম্ভোগক ব্ৰহ্মানন্দৰ শাৰীলৈ নি স্পষ্টভাৱে আধ্যাত্মিক ৰূপ দান কৰিছে ।

প্ৰিয়তমৰ কাৰণে উৎকণ্ঠিতা হৈ থকা ৰাধাই জয়দেৱৰ কাব্যত দূতীক ঘূৰি অহা দেখি আশংকা কৰিছে, আনোচা কোনো অধিক গুণৱতী যুৱতীয়ে হৰিৰ লগত বিলাস কৰিছে — 'কাপি মধুৰিপুণা বিলসতি যুৱতীৰধিক-গুণা ।' এইদৰে নানা জল্পনা কল্পনা কৰি বিৰহত ৰাতিটো কটাই ৰাধাই কৃষ্ণক তেওঁৰ ওচৰত প্ৰণত হোৱা পালে । কৃষ্ণৰ গাত অন্যনাৰীৰ মণ্ড চন দেখি বোৰ পাতি ৰাধাই ক'লে — "তামনুসৰ সৰসিৰুহলোচনে, যা তৱ হৰতি বিষাদম্ ।"

ৰামসৰস্বতীৰ কাব্যত বিৰহাতুৰ কৃষ্ণই সুকণ্ঠীক ক'লে — "নিয়ো মোক প্ৰাণেশ্বৰী ৰাধিকাৰ পাশ/ৰাধাৰ বিৰহে মোৰ প্ৰাণ হোৱে নাশ (২৮১ পদ) ।" বিৰহ-দুখত কোনোমতে ৰাতিটো কটাই পুনৰ কৃষ্ণ ৰাধাৰ ওচৰ পালেহি । তেতিয়া ৰাধাই দুহৰণৰাই মাধৱৰ গাত 'গোপিনী অচল চিহ্ন দেখিবাক পাই' বোষ পাতিলে । ৰাধাৰ চৰণত প্ৰণত হোৱা কৃষ্ণৰ বৰ্ণনা ৰামসৰস্বতীয়ে মূলতকৈ বহলাই দিছে —

মাধৱে দেখন্ত ৰাধিকাৰ ক্ৰোধ বৰ ।
ভয়ে তাৰ ওচৰ নচাপে দামোদৰ ॥
অনেক বচন বুলিলন্ত দেৱ হৰি ।
দণ্ডে যুগ যায় মোৰ তোমাক সুৱৰি ॥ ২৯০
তুমি মোৰ গতি মতি তুমি মোৰ প্ৰাণ ।
× × কামসাগৰত বুৰো চপাই মোক কিন ॥ ২৯১

তথাপি ৰাধাই মুখ নোতোলাত 'মহাভয়ে কাতৰ কৰন্ত জগন্নাথ ।' ৰামসৰস্বতীৰ মতে এয়া কৃষ্ণৰ কামাতুৰ পুৰুষৰ ভাৱহে; প্ৰকৃত স্বৰূপ নহয় —

দেখাইলন্ত কামাতুৰ পুৰুষৰ ভাৱে ।
প্ৰণিপাতে ধৰিলা ৰাধাৰ দুই পাৱে ॥

কৃষ্ণৰ কপালে ৰাধাৰ আলতা লাগিল।
দেখি দূতীগণে সবে বেঢ়িয়া হাসিল ॥

ৰাধাৰ চৰণত কৃষ্ণ এইদৰে প্ৰণত হোৱাৰ বৰ্ণনাটো জয়দেৱৰ কাব্যত ৰাধাৰ ওপৰত "দেহি মে পাদপল্লৱমুদাৰম্" বুলি প্ৰণত হোৱা ধৃষ্ট নায়ক কৃষ্ণৰ অনুৰূপ বৰ্ণনা। জয়দেৱৰ কাব্যত প্ৰকাৰ দৰে ৰামসৰস্বতীৰ কাব্যতো ৰাধাই কৃষ্ণক "ইটো ঘোৰ ৰজনী বঞ্চিলা যাৰ ঠাই। ফিৰি যায়া দামোদৰ সিজনীৰ পাশ" বুলি ক্ষোভ প্ৰকাশ কৰিছে; কাৰণ কৃষ্ণৰ গাত অন্য স্ত্ৰী-ৰমণৰ চিন ওলাই আছে —

সকল ৰজনী গোপী আলিঙ্গিলা সুখে।
তাম্ৰবৰ্ণ দুই চক্ষু উজাগৰ মুখে ॥

ইয়াৰ উপৰিও ৰামসৰস্বতীৰ কাব্যত ৰাধাই কৃষ্ণক অনেক ভৎসনা কৰিছে। জয়দেৱৰ 'পটু-চাটুশতৈ ৰনুকূলে' নায়ক মাধৱ ৰাধাৰ এই আপত্তিত নীৰৱ হৈ থাকিলে যদিও ৰামসৰস্বতীৰ 'পটু-চাটুবচন পণ্ডিত' বনমালীয়ে তাৰ উত্তৰ দিছে —

তোমাক নপাই ৰাতি গোঙাইলো দুখোৰ।
সিকাৰণে ৰাতুল নয়ন দেখি মোৰ ॥

সিমানতে সন্তুষ্ট নহৈ ৰাধাই কলে —

যদি তুমি নন্দমিলা গোপকন্যাগণ।
গোপিনীৰ চক্ষুৰ কজল বিতোপন ॥
কিমতে লাগিছে প্ৰভু ওঁঠত তোমাৰ।
চুম্বা দিলা চক্ষুত জানিলো তাসম্বাৰ ॥

চাটুবচন পণ্ডিত বনমালীয়ে টপৰাই উত্তৰ দিলে —

তোমাক নপাই মই কান্দিলো বিস্তৰ।
আপোনাৰ চক্ষুৰ কাজল নিৰন্তৰ ॥ ৩০৫
লোতকৰ বেগে আসি পৰিল ওঁঠত।

চতুৰা ৰাধিকাই কৃষ্ণৰ অঙ্ক দোষ বিচাৰি উলিয়ালে —

গোপিনীৰ খুৰে নখ হৃদয়ত পাই ।
সাপ বান্ধি ৰাখি আছে আঁচোৰৰ ঠাই ॥
চক্ষুৰ অঞ্জনে আছে ওঁঠ ক'লা পৰি ।
হৃদয়ত আঁচোৰ লাগিল কেন কৰি ॥ ৩০৮

মাধৱে তাৰো উত্তৰ দিলে —

কুঞ্জবনে বিচাৰিয়া ফুৰিলোঁ তোমাক ॥ ৩১০
কণ্টকৰ মাজে বিচাৰিলোঁ থানে থানে ।
শৰীৰত আঁচোৰ লাগিল সি কাৰণে ॥

ইয়াৰ পাছত ৰাধাই মাধৱৰ বুকুত গোপিনীৰ ভৰিৰ আলতা লগাৰ কাৰণ "ক্ৰোধৰাগৰ ধৰিছিলা গোপিনী চৰণত" বুলি কোৱাত তাৰ উত্তৰ মাধৱে দিলে — তেওঁ গাৰুলি বেলিকা কদম্বৰ তলত বহি থাকোঁতে গোপশিশুগণে পৰিহাস কৰি ৰক্তচন্দনৰ চিতা মাৰিলে । ৰাধাই ক্ৰোধিয়া অভিযোগ তুলিলে —

চুম্বিবতে কামোৰ দিল গোপকন্যাগণে ।
দুয়ো গালে সাপ বান্ধি আছে থানে থানে ॥

এইবেলা কৃষ্ণ নিৰুত্তৰ হ'ল ; ৰাধাৰ খং চৰিহে গ'ল । তেওঁ কৃষ্ণক অনেক বিকৰ্থনা কৰিলে —

বাহিৰে ভিতৰে তযু কলীয়া বৰণ ॥
বালক কালৰ তযু শুনিছোঁ চৰিত্ৰ । ইত্যাদি

ৰাধা-কৃষ্ণৰ এই কথোপকথনত ৰাধাৰ উক্তিখিনি মূলৰ অনুগত । তাৰ উত্তৰত কৃষ্ণই কোৱা কথাখিনি ৰামসৰস্বতীৰ নিজা সংযোজনা । "সতীনীক দেখন্তে মৰণ মোৰ ভাল" বুলি উচাট মৰা ৰাধাক দুকণ্ঠীয়ে কোৱা কথাখিনিৰে ৰামসৰস্বতীয়ে ৰাধা-কৃষ্ণৰ সম্পৰ্কটো লৌকিকতাৰ ওপৰলৈ তুলিছে —

শুনা ৰাধা অসন্তোষ কৰা অকাৰণে ।
কৃষ্ণক এৰিছা সতিনীৰ দোষে কেনে ॥
ধৃতি পুষ্টি আদি কৰি মহাবিদ্যাগণ ।

কৃষ্ণক ভজিছে সবে এৰি আনমন ॥ ৩২৯
যজ্ঞ ব্ৰত তপ ফল তিয়াগি ভজিলা ।
তাসম্বেয়ো সন্তিনীৰ মোষ নজানিলা ॥
ত্ৰিভুবন মাতা প্ৰভু সমুদ্ৰ দুহিতৃ ।
× × মহা ৰূপৱতী অতি সৰস্বতী নাই ।
× × তেহো কিবা সন্তিনীৰ মোষ নজানিল ॥ ৩৩২

সুকণ্ঠীৰ এই কথা শুনি ৰাধাই ৰোষ এৰি আগ বাঢ়ি গৈ কৃষ্ণক নমস্কাৰ কৰিলে । জয়দেৱৰ কাব্যত মানিনী নায়িকা ৰাধা এনেদৰে কৃষ্ণৰ ওচৰত প্ৰণত হোৱা নাই । ৰামসৰস্বতীৰ কাব্যত ভক্ত ৰাধা ভগৱান কৃষ্ণৰ ওচৰত প্ৰণত নহৈ নোৱাৰিলে । তাৰ পাছত ৰাধাই কৃষ্ণক ঐক আহা' বুলি সাদৰি মাতিলে । ৰত্নাৱলী সখীয়ে কৃষ্ণক যমুনালৈ নি স্নান কৰাই দিব্য বস্ত্ৰ পিন্ধাই নিকুঞ্জ মন্দিৰত থকা ৰাধাৰ ওচৰলৈ লৈ গ'ল । তেতিয়া ৰাধাই আগ বাঢ়ি গৈ পুষ্পৰ শয্যা পাৰি দিলে, ৰত্নাৱলীয়ে কৃষ্ণৰ ধ্বজ, বজ্ৰ, অংকুশ আৰু কমলেৰে শোভিত চৰণৰ যুগল ধুৱাই দিলে । তাৰ পাছত —

যাহাক ধিয়ানে হৰি (ইন্দ্ৰই) খুজিয়া নপান্ত ।
যোগীগণে মহাতপ কৰি যাক চান্ত ॥
হেন জল ৰত্নাৱলী শিৰত ঢালিলা ।
আপোনাৰ জন্ম সিটো সাফল্য কৰিলা ॥ ৩৫৫

এইদৰে কৃষ্ণৰ পদজল শিৰত লৈ ৰত্নাৱলীয়ে 'ৰাধা-মাধৱক দুইকো কৰি এক ঠাই । × × ম্বাৰ বান্ধি ৰাহ্ৰ ভৈল লোকক নিবাৰি ।' এই-খিনি কথা মূলত নাই; ৰামসৰস্বতীৰ উদ্ভাৱনাহে । জয়দেৱৰ কাব্যৰ লৌকিক আচৰণবিশিষ্ট নায়ক-নায়িকা ৰাধা-কৃষ্ণৰ ঐশ্বৰিকতা প্ৰতিষ্ঠা কৰাই এই বৰ্ণনাৰ উদ্দেশ্য যেন লাগে । জয়দেৱৰ কাব্যত থকা ৰাধা-কৃষ্ণৰ সুদীৰ্ঘ সম্ভোগ বৰ্ণনা ৰামসৰস্বতীয়ে কিমান সংযত আৰু চমুকৈ দিছে, সেই কথা ইতিমধ্যে আলোচনা কৰি অহা হৈছে । ৰাধা-কৃষ্ণৰ সম্ভোগ বৰ্ণনতে জয়দেৱে কাব্য সমাপন কৰিছে ।ৰামসৰস্বতীয়ে ৰাধাক 'ভাগৱত'ৰ ৰাসত থকা বিশিষ্টা গোপীগৰাকীৰ স্থান দি ৰাসলীলাৰ অনুৰূপে কাব্যৰ কাহিনীভাগ আগ বঢ়াই নিছে ।

ৰামসৰস্বতীৰ মতে ৰাধাৰ লগত ব্যস্ত হৈ থকা কৃষ্ণক আন গোপী-সকলে বনত বিচাৰিবলৈ ধৰিলে । চন্দ্ৰ উদয় হ'ল । গোপীসকলে —

তৃণক দুই কাল কৰি চাহিলা বিচাৰি ।
নিকুঞ্জ মন্দিৰে থাকি কৃষ্ণে পাইলা নাৰি ॥ ৩৬৯

কৃষ্ণই গোপীগণে উপহাস কৰিব বুলি ভাৱত ৰাধাক এৰি থৈ অন্য ঠাইত থৈ গোপীসকলক দেখা দিবলৈ দিব কথাত 'ৰাধাৰে বোলন্ত প্ৰভু এৰিবে নপাৰি/তোমাৰ বিৰহে ক্ষণেকতে যাইবো প্ৰাণ ॥' তাৰ পাছত ৰাধাই কৃষ্ণক এই বুলি পৰামৰ্শ দিলে —

সবাকো নিবোধি এহি কথা বুধি নিয়ো মোক পঠুৱাই ॥৩৭৩

সেইমতে কৃষ্ণই ৰাধাক লৈ অতিৰি পলাবলৈ ধৰিলে । তাৰ পাছত —

কৃষ্ণক মাতন্ত ৰাধা গোপীগণে কৰে বাধা
তোমাৰ অসংখ্য ৰস সংগ ।
× ^ মিলাজি গোপিনীলোক যি থানে নপাৰে লোক
সেহি থানে নিয়া মোক হৰি ।
× × × তুমি আমি থাকো ক্ৰীড়া কৰি ॥ ৩৭৭
কৃষ্ণে বোলে প্ৰাণেশ্বৰী তোমাক নবাইবো এৰি
তুমি মোৰ প্ৰাণ এৰে সখি ।
× × এহি বুলি দেৱ হৰি ৰাধাক সাৱটি ধৰি
মুখে মুখে দিলন্ত চুম্বন ॥ ৩৭৯
× × বন ভাজি যদুৰায় ৰাধিকা পাছত যায়
কুঞ্জবন পাইলা মনোহৰ ॥ ৩৮০

ইয়াৰ পাছত ৰাধাই কৃষ্ণৰ কান্ধত উঠিব খোজোঁতে কৃষ্ণ অন্তৰ্ধান হোৱা, অন্য গোপীগণে থৈ সেই ঠাইতে বিষাদমগ্না ৰাধাক পোৱা আৰু সকলোৱে মিলি কৃষ্ণক যমুনাতীৰত বিচাৰি পোৱা — এই খিনি কথা 'ভাগৱত'ৰ ৰাসলীলাৰ দৰে বৰ্ণনা কৰিছে ৰামসৰস্বতীয়ে 'এইমানে জয়দেৱ ভৈলা সমাপতি' বুলি 'গীতগোবিন্দ'ৰ সামৰণি মাৰিছে ।

জয়দেৱৰ 'গীতগোবিন্দ'ত আদিৰসৰ অশ্লীলতাক ৰাধাৰ চৰিত্ৰটো প্ৰধান হৈ থাকিল; ৰামসৰস্বতীয়ে কাব্যৰ আৰম্ভণিতে ৰাধাৰ ঠাই গোপীসকলে পাইছে পাছে কৃষ্ণ সংগীত' বৰ্ণনাত ৰাধাৰ চৰিত্ৰটো গৌণ কৰি পেলাইছে। ইয়াৰ দ্বাৰা মূলৰ কাব্যিক সৌন্দৰ্য্য ব্যাহত হৈছে যদিও অসমীয়া বৈষ্ণৱ কবিৰ দেশকালোচিত উদ্দেশ্যধৰ্মিতা সাৰ্থক হৈছে।

সহায়ক গ্ৰন্থ —

(১) সংস্কৃত 'গীতগোবিন্দ', নিৰ্ণয়সাগৰ প্ৰেছ।

(২) অসমীয়া 'গীতগোবিন্দ', ড° সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত।

(৩) ৰাধাৰ ক্ৰমবিকাশ', শশিভূষণ দাশগুপ্ত।

(৪) 'চৈতন্য চৰিতামৃত', কৃষ্ণদাস-ৰচিত আৰু সুবোধ মজুমদাৰৰ দ্বাৰা সম্পাদিত।

॥ ৰামসৰস্বতীৰ 'ভীমচৰিত'ৰ শিৱ ॥

ৰামসৰস্বতীৰ 'ভীমচৰিত' কাব্যত পাণ্ডুপুত্ৰ ভীমে বনবাস কালত শিৱৰ গৰখীয়া হৈ জীৱিকা অৰ্জন কৰাৰ কথা আছে। মূল সংস্কৃত 'মহাভাৰত'ত এই কথা নাই যদিও ৰামসৰস্বতীয়ে 'বৈশম্পায়ন বদন্তি শুনিও নৰেশ্বৰ' বুলি মহাভাৰতৰ লগত ইয়াৰ সম্পৰ্ক স্থাপন কৰি লৈছে। 'ভীমচৰিত'ত থকা অনেক কথাই 'মহাভাৰত'ৰ লগত অমিল যদিও সেইবোৰ ভিত্তিহীন নহয়। ভীম শিৱৰ গৰখীয়া হোৱাৰ কাহিনীটো কিন্তু ৰামসৰস্বতীৰ স্বতন্ত্ৰ উদ্ভাৱনা।

'ভীমচৰিত'ৰ মতে পাণ্ডৱসকল কাম্যক বনত থাকোঁতে ভীমে খোৱা বোৱাত কষ্ট পাই কৈলাসলৈ গৈ শিৱৰ গৰু চৰাই পেট প্ৰবৰ্তাবলৈ যুধিষ্ঠিৰৰ অনুমতি বিচাৰিলে। ভীম কৈলাসলৈ যোৱাৰ অন্য এটা উদ্দেশ্যও আছিল— 'কিছুমান শৰ মই শিকোঁ শংকৰত'। ভীমে শিৱৰ ওচৰত অস্ত্ৰবিদ্যা শিকাৰ কথাও 'মহাভাৰত'ত নাই। সম্ভৱতঃ অৰ্জুনে অস্ত্ৰবিদ্যা লাভৰ অৰ্থে শিৱক আৰাধনা কৰাৰ অনুকৰণত ৰামসৰস্বতীয়ে এই কথা কল্পনা কৰি ল'লে।

অসমৰ বৈষ্ণৱ কবিসকলে সংস্কৃত গ্ৰন্থসমূহ অসমীয়ালৈ ভাঙনি কৰোঁতে জনপ্ৰিয় কৰাৰ উদ্দেশ্যে কাহিনীবোৰ থলুৱা পৰিৱেশত সজাই তুলিছিল। চৰিত্ৰবোৰো আকৰ্ষণীয় কৰিবৰ কাৰণে স্থানীয় ৰূপত গঢ় দিছিল। ৰামসৰস্বতীয়েও 'মহাভাৰত' তথা অন্য সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত এই পদ্ধতি অনুসৰণ কৰিছিল। তেওঁ 'ভীমচৰিত'ত পাণ্ডুপুত্ৰ ভীমক অসমীয়া ঠেটা-ঠিঙা গৰখীয়াৰ ৰূপত সজাইছে। এই কাব্যত শিৱ-চৰিত্ৰটোও সম্পূৰ্ণ লৌকিক ৰূপত চিত্ৰিত কৰা হৈছে। 'ভীমচৰিত'ৰ শিৱ দৰ্শনৰ পশুপতি পৰমাত্মা শিৱও নহয়, পুৰাণৰ তমোগুণৰ অধিকাৰী সংহাৰকৰ্তা দেৱতা

শিৱও নহয়, ইয়াত শিৱক ক'তো দৈৱিক শক্তিসম্পন্ন ৰূপত দেখুওৱা নাই। পাৰ্বতীৰ ক্ষেত্ৰতো সেই একেই ঘটিছে।

যুধিষ্ঠিৰৰ পৰা বিদায় লৈ ভীম শিৱৰ ওচৰ পালেগৈ। শংকৰে তেতিয়া কৈলাস শিখৰত ডম্বৰু বাই আছিল। ভীমে গৈ তেওঁক দণ্ডৱতে প্ৰণাম কৰিলে। মহাদেৱে ভীমৰ পৰিচয় সোধাত ভীমে 'বান্দীৰ তনয়' বুলি পৰিচয় দি শিৱৰ গৰখীয়া হৈ থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। শিৱ এই প্ৰস্তাৱত সন্মত হ'ল। এনে সময়তে পূৰ্বে ভীমে কুবেৰৰ পুষ্পবন নাশ কৰাৰ সময়ত (ভীমচৰিত ৯০—৯৪ পদ) এসেকা দি থোৱা কাৰ্ত্তিক আৰু গণপতিয়ে আহি ভীমক দেখি প্ৰতিশোধ ল'ব খুজিলে। পিছে শিৱৰ বুজনিত তেওঁলোক শান্ত হ'ল।

এনে সময়তে পাৰ্বতীও তাত উপস্থিত হ'লগৈ আৰু —

পাৰ্বতী বোলয় শিশু মোৰ ঘৰে থাক।
যতেক লাগয় মানে অন্ন দিবো তোক ॥
একুটি বলধ আনা মোহোৰ যৰত।
কাৰ্ত্তিক গণপতি দুয়ো চাৰিবে লগত ॥
হৰাইলে ভণ্ডুৱা আবো আনিবে বিচাৰি।

তেতিয়া ভীমে সৰহ ভাত খায় বুলি যাতে পাছে তেওঁক খেদি পঠোৱা নহয়, সেই প্ৰতিশ্ৰুতি বিচাৰিলে।

হেন শুনি পাৰ্বতীয়ে তুলিলেক হাস।
টিপচী গোটেমো তই কত ভাত খাস ॥
চৌষষ্ঠী যোগিনী খায় আৰু ভূতগণ।
তোক লাগি আমাসাৰ নুজুৰিবে অন্ন ॥

ভীমে তেতিয়া তেওঁৰ ভোজনৰ কাৰণে আৱশ্যকীয় বিৰাট পৰিমাণৰ খাদ্যৰ কথা পাৰ্বতীক বুজাই ক'লে; কাৰণ শিৱৰ ঘৰুৱা অৱস্থা দেখিয়েই ভীমে বুজিছে —

পাছে জানো ঘৰত লাগয় থকা-খুন্দা ॥
ভাঙা ঘৰ ভাঙা বেৰ ফটা জুলিখান ।
ঘৰ মাজে নাই দেখো গোটা চাৰি ধান ॥
শিৱ সৰ্ব বৰদাতা ত্ৰিভুৱনে জানে ।
ঘৰ মাজে দেখো তোমাসাৰ একো নাই ।
নাই বস্ত্ৰ ধন ৰত্ন মণি মুক্তা হাৰ ।
নৰমুণ্ড মালা সৰ্প ভূষণ গলায় ॥
তেল নাই কেশ বান্ধি আছে জটাজুটি ।
দুৰ্গন্ধে দুৰতে তাৰ প্ৰাণ যায় ফুটি ॥
মেৰাই আছয় সৰ্পসৱ হাতে গলে ।
জগতৰ গুৰু সি কি তোমাসাক বোলে ।
ভিক্ষা অন্নে পেট পোষে শংকৰ গোসাঁই ।
ইটো কথা শুনি কোনে নহাসিব আই ॥

তেতিয়া পাৰ্বতীয়ে নিশ্চয়তা দি ক'লে —

জগতৰ ধন ধান সকলো আমাৰ ।
আমাসাত কৰি কোন দেৱ আছে বৰ ॥
গৰু চাৰি থাবি লুৰি আনি দিবি মোক ।
বৰ্তমানে লাগে মই ভাত দিবো তোক ॥

এই কথা শুনি ভীমে চৰাবলৈ বুলি শিৱৰ বৃষভ মেলি দিলে । তেওঁৰ লগত কাৰ্তিক-গণপতিও গ'ল । গৰুক ইচ্ছামতে চৰিবলৈ দি বখী-য়াই কাৰ্তিক-গণেশৰ সৈতে বনৰ গুটি খাই ফুৰিবলৈ ধৰিলে । ইফালে গৰুৱে গৈ বিশ্বামিত্ৰৰ আশ্ৰমত সোমাই তেওঁৰ মধুবন ধ্বংস কৰাত লাগিল । ভীমে বুদ্ধিৰ বলত কোনোমতে বিশ্বামিত্ৰৰ শাপৰ হাত সাৰিল ।

দুপৰীয়া সময় হোৱাত ভীমে ভাত খাবলৈ বুলি বৃষভ বান্ধিলে । কাৰ্তিক-গণেশ ইতিমধ্যে খাবলৈ বহিলেই । গৰখীয়াৰ আগত এথাল ভাত

নি পাৰ্বতী আজ্ঞা আনিবলৈ ভিতৰলৈ গ'ল ; ঘূৰি আহি দেখে পৰখীয়াৰ থাল শূন্য। 'দিলো কি নিদিলো ভাত বুলি দেৱী চাইলা' আৰু ভাত আনিবলৈ ভিতৰলৈ গ'ল। পিৰাঁৰীৰ দিয়া ভাতখিনিও ভীমে একে গ্ৰাহতে খাই পেলালে। এইদৰে বাৰে বাৰে ভাত দিওঁতে দিওঁতে পাৰ্বতীৰ চৰু শূন্য হ'ল ; ভীমৰ কিন্তু ভোক নুগুচিল। শেষত দিবলৈ ভাত নোহোৱাত পাৰ্বতী লাজতে বাহিৰলৈ নহা হ'ল। তেতিয়া ভীমে অসন্তোষ মনেৰে ক'লে —

কেত আছে তোমাসাৰ ভিক্ষা জুলিখান ॥
আছে যদি চাউল খুদ দিয়ো মোক আই।
আধাপেটী হৈলো তাকে পেলাওঁ চোবাই ॥

পাৰ্বতীয়ে উত্তৰ দিলে — "আজি বাপু মোৰ ঘৰে নাই খুদকণ।" ভীমে তেতিয়া স্পষ্ট কৰি জনাই দিলে যাতে শিৱৰ গৰু চৰাবলৈ অন্য কাৰোবাক দিয়ে। ভীমে আৰু ক'লে —

নচাৰোহো গৰু মই বৈকে তৈকে যাওঁ।
তো॰সাৰ ঘৰে আই যৰ দুখ পাওঁ ॥
ৰাতি দিনে তোমাৰ ভাণ্ডৰ নাই ঊৰ।
× × ধান নাই ভাণ্ডৰ পাতিয়া আহা ডুলি।
× × ঘোঁৰা নাই গৰুৰ উপৰে যুৰা উঠি।
ঘৰে ঘৰে চাউল মাগি আনা একমুঠি ॥
কাতিক গণপতি সমে তাক থাকা খাই।
থাৰ নপাই শিৱে ফুৰে ডম্বৰু বজাই ॥

ভীমৰ কথা শুনি লাজ পাই পাৰ্বতীয়ে শিৱক সকলো কথা জনালেগে। তেওঁ আৰু ক'লে — 'একবাৰ কিবিবি কৰিবে দিবা মন।" নিঃকিন শিৱই কৰিনো কেনেকৈ কৰিব, সেইকথা ভাবি বিমোৰত পৰাত পাৰ্বতীয়ে ক'লে —

মাটি খুজি লৈয়ো কিছু ৰাসৱৰ স্থানে ॥
কঠিয়া আমাহা খুজি ধনী কুবেৰত।

নাঙল আনা যে খুজি বলো যে স্তুত ॥
যমৰ মহিষগোট আনিয়োক যাই ।
তোমাৰ বৃষভ আছে কৰা এক ঠাঁই ॥
ত্ৰিশূলক ফাল কৰি হালক যুৰিয়ো ॥

অজ্ঞাত সংস্কৃত কবিৰ এটা শ্লোক[1] এটাতেও পাৰ্ব্বতীয়ে শিৱক এনেধৰণেৰে কৃষিৰ ব্যৱস্থা কৰিবলৈ কৈছে — "পৰ[illegible] পৰা মাটি, কুবেৰৰ পৰা কঠিয়া, বলৰামৰ পৰা নাঙল আৰু যমৰ পৰা ম'হ খুজি লোৱা; তোমাৰ গৰুটো আছেই । তোমাৰ ত্ৰিশূলেই ফাল হ'ব । মই নিজে অন্ন দিব পাৰিম । কাৰ্ত্তিকে গৰু ৰাখিব পাৰিব । হে হৰ, ভিক্ষাই মোক কষ্ট দিছে ; গতিকে খেতিত [illegible] ।

পাৰ্ব্বতীৰ ব্যৱস্থামতে 'ভীমচৰিত'ৰ শিৱই খেতি ধৰিলে —

ষোড়শ হাজাৰ মাটি জুকলি কৰিলা ॥
হাল বাই ভূমিখান কৰিলেক চাষ ।
ৰৈলা বিধে বিধে ধান যত কৃত্তিবাস ॥

দৰাদৰে ধান গজিল । সময়ত কণো দৰাত ঠোক মেলিলে, [illegible] দৰাত ধান পকিল । শিৱই পাৰ্ব্বতীক পথাৰলৈ যাবলৈ মানা কৰিলে । তথাপি এদিন পাৰ্ব্বতী খেতি পথাৰলৈ গ'ল । তেওঁ 'দেখিলেক কৃষিস্থান জনকে অতিশয়/দৰাদৰে ধানসব পকিয়া আছয় ॥' শিৱৰ কৃষি দেখি আচৰিত মানি পাৰ্ব্বতীয়ে 'উস-আস এই দুই উচ্চাৰিলা বাণী ।' তাৰপৰা খোৰা-খুৰী (ফোড়ং-ফোড়ী) উৎপন্ন হৈ ধানবোৰ পুৰি নিবলৈ ধৰিলে । খোৰা-খুৰী কি বস্তু ৰামসৰস্বতীয়ে উল্লেখ কৰা নাই । অসমীয়া লোকবিশ্বাসমতে ইহঁত দুটা দৈত্য ।

---

১ বামাদ্ যাচয় মেদিনীং ধনপতেৰ্বীজং বলাল্লাঙ্গলং
প্ৰেতেশান্মহিষং তবাস্তি বৃষভঃ ফালং ত্ৰিশূলং তব ।
শক্তাহং তব চান্নদানকৰণে স্কন্দোঽস্তি গোৰক্ষণে
খিন্নাহং হৰ ভিক্ষয়া কুৰু কৃষিং গৌৰীবচঃ পাতু বঃ ॥

খোবা-খুবীয়ে ধানবোৰ পুৰি পেলোৱা দেখি পাৰ্ব্বতীয়ে মনত দুখ পালে। শিৱই পথাৰলৈ গৈ পোৱা ধানবোৰ দেখি সেয়া পাৰ্ব্বতীৰ কাম বুলি খঙেৰে ঘৰলৈ আহিলে। পাৰ্ব্বতীয়ে নিজৰ দোষ স্বীকাৰ কৰি শিৱক পুনৰ খেতি কৰিবলৈ অনুৰোধ কৰিলে। শিৱই পুনৰ খেতি কৰি ধানবোৰ পকিলত তেওঁক কাটি আনিবলৈ ক'লে। ধান মুঠতে তেওঁৰ হাতেৰে সৰু সৰু তিনিমুঠিহে হল। তেওঁ পাৰ্ব্বতীক ক'লেহি —

এহি ধান দাইবে লাগি পঠাইলা আমাক॥
কি কৰিবে কৃষি আই ভণ্ডুৰা শংকৰ।

× × ভুই কৰোঁ বুলি চাউল আনা মাগি যাচি।
অন্ন ব্যঞ্জন মানে তাংক দিয়া বাচি॥
ভাঙ ধতুৰাগুৰি জুগুঠি হাতত।
বাটে হোকা খাই শিৱ ফুৰাহা সতত॥
ভুই কৰোঁ বুলি ঐৰপৰা চলি যায়।
গছৰ তলত বসি থাকে ভাঙ খাই॥
লাহে লাহে বায়ু যদি লাগিব গাৱত।
বাঘ ছাল পাৰি শোৱে তাহাৰ তলত॥
নিদ্রা গৈয়া অচেতনভাৱে থাকে পৰি।
ধোন্দা কাকে চাৰিফালে খুটিয়াৰে বেৰি॥
খধুলি সময় ভৈলে লভয় চেতন।
ঘৰক আসয় মাৰি ঘাৰ চাৰিমান।

শিৱই এই কথা শুনি হাঁহি মাৰি ক'লে — "মিছা কথা কহি দন্দ লগাইবাক চাস।" শিৱৰ খেতিত হোৱা ধান মাত্র সেই খিনিহে বুলি জানি পাৰ্ব্বতীয়ে "খেতিৰ চাউল খাইবে নাহি কপালত" বুলি দুখ কৰাত শিৱৰ বৰ খং উঠিল। তেওঁ খঙতে ধানৰ মুঠিত জুই লগাই দিলে। তেওঁ লৰ মাৰি গৈ আচাৰি তুলি জুই নুমুৱাব খুজিলে; কিন্তু নোৱাৰিলে।

সাত দিন ধৰি ধান পোৱাৰ পাছত 'কমণ্ডলুজলে নুমাইলাহা মুণ্ডমালী ।' সেই কাৰণে কিছু (পোৱা ধানবোৰ) আৰু কিছু (নোপোৱা) লাগি হ'ল ।

এদিন পাৰ্বতীয়ে শিৱৰ সখিয়েক কুবেৰৰ ধন ধাৰলৈ খুজিলে । পূৰ্বে শিৱই চাৰিহ হাজাৰ টকা ধাৰলৈ আনি ঘূৰাই নিদিয়াৰ কাৰণে এইবাৰ কুবেৰে ধন দিবলৈ অমান্তি হ'ল ; কাৰণ —

অন্যে ধন ধাৰে নিলে লাভেমূলে পায় ।
ভতুৰাক ধাৰে দিলে সমূলে হেৰায় ॥

এই কথা শিৱক জনোৱাত শিৱ নিজে ধন আনিবলৈ যাবলৈ অমান্ হৈও ভীমক জুলিখন আনিবলৈ ক'লে । হাত মনুষ্যৰ মুণ্ডমালা থকা দে ভীমে ঘিণতে জুলিখন হাতেৰে মচুই শিল এটাত তুলিহে আনি শি· দিলেগৈ । তাৰ পাছত ভীম নিজেই ধন আনিবলৈ গ'ল ।

গৰখীয়া হোৱাৰ আগতে এবাৰ আৰু পাছত এবাৰ ভীমৰ খ ডৰ পাই থকা কুবেৰৰ এইবাৰ ভীমক দেখিয়েই ধাতু বাহিৰ হ'ল । পাৰ্বতীৰ ধন ধাৰে নিদিয়াৰ পোতক তুলিবলৈ ভীমে কুবেৰৰ মূৰত বাৰ্ঠি লক্ষ টকাৰ সোনা এটা তুলি দি তেওঁক শীঘ্ৰে কৈলাসলৈ যাবলৈ নিৰ্দেশ দিলে । ভীমে তদুপৰি কুবেৰক অনেক দুৰ্গতি কৰিলে —

ক লা হ লা পাৰ নিতে খা বলি ।
নিদিলে· মানুহৰ মাৰ তই ছলি ।
ভোগ খাই খাই তোৰ বাঢ়িছে লুথুৰি ।
আজি দাড়ী গোফ তুলি ভাঙিবো থুতৰি ॥

এই বুলি কৈ ভীমে কুবেৰক নগুৰ-নাকতি কৰি শিৱৰ আগত উলিয়ালেগৈ । প্ৰাণসখি কুবেৰক এনে লথু-লাঞ্ছনা কৰা ভীম যে অলপীয়া মানুহ নহয় শিৱই বুজিলে —

সোহে ইটো অলপজন পাণ্ডুসুত ভীম ।
কৃষ্ণৰ প্ৰসাদে আৰ বীৰত্ব অসীম ॥

ধনবাসে কুবেৰে ইচ্ছা প্ৰদৰ্শন কৰি ।
ভকৰ বীৰৰ বঢ়াৱন্ত দেৱ হৰি ॥

এইদৰে কৃষ্ণৰ কৃপাত বলশালী হোৱা ভীমক একো নকৈ শিৱই কুবেৰৰ মুখত থাকি অনা টকাৰ ভাৰ সোলোকাই তেওঁক বিনীতভাৱে বিদায় দিলে । ভীমেও শিৱৰ পৰা অভিপ্ৰেত অস্ত্ৰবিদ্যা শিকি বিদায় ল'লে ।

'ভীমচৰিত'ৰ শিৱৰ গাত বহুকৈ অষ্ট্ৰিক দেৱতাৰ লক্ষণ পৰিলক্ষিত হয় । খেতিৰ লগত শিৱক যজুৰ্বেদতে জড়িত কৰা হৈছে আৰু পুৰাণ সাহিত্যতো শিৱক কৃষক ৰূপত পোৱা যায় যদিও শিৱৰ এই কৃষক ৰূপ আৰ্য সাহিত্যত পৰৱৰ্তী কালতহে সোমায় । মূলতে পশুচাৰণজীৱী আৰ্যসকলে আহি ভাৰতত্হে কৃষিকাৰ্যত গুৰুত্ব দিছিলে । তথাপি ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলে নিজে খেতি কৰাৰ উদাহৰণ তাকৰীয়া । আনকি আৰ্যসকলে খেতি কৰিবলৈ লোৱাৰ বহুকালৰ পাছতো মনুৱে "কৃষি সাধ্বিতি মন্যন্তে সা বৃত্তিঃ সদ্‌বিগৰ্হিতা" বুলি কৃষক সন্মানিত স্থান দিব খোজা নাই । গতিকে দেখা শিৱৰ কৃষক ৰূপটো আৰ্য সংস্কৃতিৰ অৱদান হ'ব নোৱাৰে । নৱপ্ৰস্তৰ যুগতে খেতি কৰিবলৈ লোৱা অষ্ট্ৰিক জাতিৰ প্ৰভাৱ শিৱৰ কৃষক ৰূপত পৰিলক্ষিত হয় । ভাং-ধতুৰা খোৱা শিৱৰূপো আৰ্যৰ অৱদান নহয়; আৰ্যসকলে সোমৰস আৰু সুৰাৰ বাহিৰে অন্য মাদক দ্ৰব্য খোৱাৰ প্ৰমাণ পোৱা নাযায় । অসমত মুখলগা তাওবলৈ শিৱৰ কৃষি আৰু খোৱা-খুৱীৰ আখ্যানটো কল্পস্বৰূপে গোৱা হয় । পণ্ডিতসকলৰ মতে মুখলগাৰ ধাৰণাটো অষ্ট্ৰিক সকলৰে । শিৱচৰিত্ৰৰ ঐতিহাসিক ক্ৰমবিকাশ সম্বন্ধে ইতিমধ্যে 'শংকৰদেৱৰ সাহিত্যত শিৱ' শীৰ্ষক প্ৰবন্ধত আলোচনা কৰি অহা হৈছে । তাত আলোচনা কৰি অহাৰ দৰে শিৱ-চৰিত্ৰত থকা মংগোল প্ৰভাৱো 'ভীমচৰিত'ৰ শিৱত পৰিলক্ষিত হয় । শিৱৰ সখিস্বৰূপ কুবেৰৰ চৰিত্ৰটোতো মংগোল প্ৰভাৱ স্পষ্ট । মংগোল গোষ্ঠীৰ জনজাতিৰ মাজত উপাস্য দেৱতাক কণা হাঁহ-পাৰ বলি দিয়াৰ প্ৰথা আছে । সময়মতে এই বলি নাপালে দেৱতাই নানা মহামাৰি সৃষ্টি কৰে বুলি অনেক জনজাতীয় লোকে আজিও বিশ্বাস কৰে । এই নিচিনা বলি খোৱা দেৱতাৰ ৰূপত চিত্ৰিত কুবেৰৰ লগত মিত্ৰতা থকা কথায়ো শিৱচৰিত্ৰত মংগোল অৱদানৰ ইংগিত দিয়ে । নৰমুণ্ডধাৰণো মংগোল অৱদান বুলি আগতে আলোচনা কৰি অহা হৈছে ।

দেৱতা শিৱই কেনেকৈ ভিকাৰী ৰূপ পালে, সেই কথাও 'শংকৰদেৱৰ সাহিত্যত শিৱ' প্ৰসংগত কৈ অহা হৈছে। জগৎ জননী ভগৱতী পাৰ্বতী তথা শিৱৰ গৃহিণী হোৱাৰ দৰে মহাসেনাপতি দুটি কাৰ্তিক আৰু গণেশো, ভিকাৰী শিৱৰ অনুৰূপ পুত্ৰ হৈ পৰিল। 'ভীমচৰিত'ত [illegible] [illegible] ধ্বংস কৰাৰ সময়ত ভীমে সেই কাৰ্তিক-গণেশকে দুৰ্বৃত্ত কৰিছিল। এওঁলোক সৰুতীয়া সঁৰাৰ লগত খেক খোৱালে খেদে; মানৱ-শিশুৰ দৰে মনে মনে মহৰ গুটি খাই ফুৰিছে। শিৱক ভিকাৰী ৰূপত চিত্ৰিত কৰি অসমত ৰচিত হোৱা সাহিত্যৰ কথা আগতে কৈ অহা হৈছে। বঙ্গৰ কোনো কোনো শিৱায়ন কাব্যত কাৰ্তিক-গণেশক ভোকাতুৰ শিশুৰূপে চিত্ৰিত কৰা হৈছে। শিৱ ভিক্ষাৰপৰা ঘূৰি অহাৰ পৰত পাৰ্বতীয়ে এই ভোকাতুৰ শিশু দুটিৰ মাজত হোৱা কন্দল ভাঙিছে —

বালক বাৰণ কৰে বিশাললোচনী।
কৈৰ মাই কোন্দল কোপিৰে শূলপাণি॥
অদ্য বাছা ভবা হও সব্য চক্ষু পাছে।
তব বাপ আন্যে দিব বাট্যা থাক কাছে॥

সংস্কৃত সাহিত্যতো মানৱসুলভ গাৰ্হস্থ্য জীৱনৰ পটভূমিত শিৱ পৰিয়ালৰ ৰূপায়ণ মাত্ৰ আৰম্ভণিপৰা কৰি অহা হৈছিল। এই বিষয়ত আমি কালিদাসৰ [illegible] আঙুলিয়াব পাৰোঁ। পিছে সংস্কৃত সাহিত্যত শিৱ-পাৰ্বতীৰ গাৰ্হস্থ্য জীৱনৰ পট-ভূমি আছিল ওখ খাপৰ পাৰিবাৰিক জীৱন। আনহাতেদি সমাজৰ সকলো স্তৰৰপৰা ওলোৱা আঞ্চলিক ভাষাৰ কবিসকলে শিৱ-পাৰ্বতীক সাধাৰণ স্তৰৰ গাৰ্হস্থ্য জীৱনৰ পটভূমিত স্থাপন কৰিলে। এনে পটভূমিত শিৱ-পাৰ্বতীৰ গাৰ্হস্থ্য জীৱন চিত্ৰিত কৰি বঙ্গত খ্ৰীঃ দ্বাদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে অনেক কাব্য ৰচিত হৈছিল। বঙ্গত ৰচিত (ড° সুনীতি চট্টোপাধ্যায়ৰ মতে ৰচনা কাল পঞ্চদশ শতিকাৰ আগ নোহোৱা আৰু ড° সুকুমাৰ সেনৰ মতে ষোড়শ শতিকাৰ আগ নোহোৱা) 'শূন্যপুৰাণ'ত আৰু দ্বাদশ-ত্ৰয়োদশ শতিকাত ৰচিত শিৱ-সাহিত্যত কোনো এজন ভীমক (পাণ্ডুপুত্ৰ নহয়) শিৱৰ সৰুতীয়া ৰূপে বৰ্ণোৱা হৈছে। সেই ভীমকে মাধৱকন্দলীয়ে পাণ্ডুপুত্ৰ ভীমৰ আসনে কৰি

এই অভিনৱ কাহিনীৰ সৃষ্টি কৰিলে বুলি অনুমান হয়। কবিজনাই কৃষ্ণৰ প্ৰসাদত অসীম বীৰত্বৰ অধিকাৰী হোৱা ভীমক শিৱৰ লগত জড়িত কৰাৰ উদ্দেশ্য সম্পৰ্কে পাছত আলোচনা কৰা হৈছে।

ৰামসৰস্বতীৰ কাব্যত পাৰ্বতীয়ে শিৱক কৃষি কাৰ্যলৈ দিয়া ব্যৱস্থাৰ লগত মিল থকা সংস্কৃত শ্লোক এটাৰ কথা আগতে কৈ অহা হৈছে। ‘শূন্যপুৰাণ’ আৰু শিৱায়ন কাব্যসমূহতো শিৱই কৃষি কাৰ্য কৰা ব্যৱস্থাৰ কথা আছে। পিছে তাৰ লগত ‘ভীমচৰিত’ত বৰ্ণিত শিৱৰ কৃষি-ব্যৱস্থাৰ মিল নাই। সেইদৰে বিদ্যাপতিৰ ৰচিত পদত থকা শিৱৰ কৃষি-ব্যৱস্থাও ‘ভীমচৰিত’ৰ লগত নিমিলে। তাত পাৰ্বতীয়ে শিৱক এই বুলি কৃষিৰ ব্যৱস্থা দিছিল —

খটগ কাটি হৰে হৰ যে বঁধাউল
ত্ৰিসূল তোড়িঅ কৰু ফাৰে।
বসহা ধুৰন্ধৰ হৰ লএ জোতিঅ
পাট এ সুৰসৰি ধাৰে॥

“চালপীড়াৰ খুৰাৰে নাঙল কৰা, ত্ৰিশূল ভাঙি ফাল কৰা, ধুৰন্ধৰ বৃষভটোকে হালত জোৰা, সুৰেশ্বৰী গঙ্গাৰ অৱবাহিকাই পথাৰ হওক।” ৰামসৰস্বতীৰ কাব্যত পাৰ্বতীয়ে শিৱক দিয়া কৃষিৰ বিধান এই কাহিনীবোৰৰ লগত নিমিলে যদিও সিহঁতৰ লগত মৌলিক ভিন্নতা নাই।

ৰামসৰস্বতীৰ কাব্যত থকাৰ দৰে অষ্টাদশ শতিকাৰ বঙালী কবি ৰামেশ্বৰৰ শিৱায়ন-কাব্য’তো শিৱই কুবেৰৰ পৰা ধন ধাৰে অনাৰ কথা আছে —

কুবেৰৰ কাছে পূৰ্বে লেঠা আছে মোৰ।
কতবাৰ ক্ৰোধিয়া বল্যাছে ঋণচোৰ॥

‘ভীমচৰিত’ৰ শিৱৰ বৰ্ণনা পঢ়ি আমাৰ মনত প্ৰশ্ন হয়, ‘বিৰু-শিৱৰ গুণ-মানত ভিন্ন বুলি কৰোঁতাজনক যি শংকৰদেৱে নামৰ অপৰাধী হৈ নৰকত পৰিব বুলি কৈছে, তেওঁৰে অনুৱৰ্তী ৰামসৰস্বতীয়ে ‘ভীমচৰিত’ত কৃষ্ণৰ প্ৰসাদ লাভ কৰা ভীমৰ দ্বাৰা শিৱক কিয় লঘু কৰি দেখুৱালে ? শিৱক

কীৰ্তনত ভিক্ষাৰীৰূপে স্থানবিশেষে শংকৰদেৱেও চিত্ৰিত কৰাৰ কথা আলোচনা কৰি অহা হৈছে। ভীমৰ দ্বাৰা লাঞ্ছিত হোৱা শিৱ দৈৱদৰ্শনৰ পৰশিৱ, পুৰাণৰ সংহাৰক দেৱতা শিৱ মহত্ব বৰ্জিত কৈ অহা হৈছে। 'ভীমচৰিত'ৰ শিৱৰ লৌকিক উপাদানহে অধিক প্ৰকট হৈছে। আৰ্য-আৰ্যেতৰ উপাদান আত্মসাৎ কৰি গঢ় লোৱা ভাৰতীয় সংস্কৃতিয়ে আৰ্যেতৰ দেৱতাসকলক আত্মসাৎ কৰিলে যদিও সেই দেৱতাসকলৰ কিছুমান এনে আদিম লক্ষণ থাকি গ'ল, যিবিলাক কালক্ৰমত সমাজৰ আদৰ্শনীয় হৈ থাকিব নোৱাৰিলে। বৈষ্ণৱ আদৰ্শৰ প্ৰতিকূল শিৱৰ এনে লক্ষণ কিছুমানকে বৈষ্ণৱ কবি ৰামসৰস্বতীয়ে লঘু কৰিছে। বৈষ্ণৱ ভীমে শিৱৰ নৰমুণ্ডৰ মালা চুবলৈ ঘিণ কৰাৰ কথাটোৱে এনে ইংগিতকে বহন কৰে।

সহায়ক গ্ৰন্থ

(ক) 'ভীমচৰিত', বিচিত্ৰনাৰায়ণ দত্তবৰুৱা সম্পাদিত

(২) : ভাৰতৰ শক্তিসাধনা ও শাক্ত সাহিত্য, শশিভূষণ দাশগুপ্ত।

॥ মহাপুৰুষীয়া সাহিত্যত ফল্গুৎসৱ ॥

ফাগুন মাহৰ পূৰ্ণিমা তিথিত হোৱা দোলযাত্ৰা বা ফল্গুযাত্ৰাৰ উৎসৱটি ধৰ্মীয় আৰু লোক উৎসৱ — এই উভয় ৰূপতে ভাৰতৰ বিভিন্ন ঠাইত পালন কৰা হয়। উত্তৰ ভাৰতত অতি উলহ-মালহেৰে পালন কৰা এই উৎসৱক লৈ অনেক সাহিত্যৰ সৃষ্টি হৈছিল। এই জনপ্ৰিয় লোক উৎসৱৰ বিষয়-বস্তুৰে অলেখ জনসাহিত্যৰো ৰচনা হৈছিল। ফাকুৱা উৎসৱটো মূলতে লৌকিক যৌন উৎসৱ আছিল যদিও পৌৰাণিক ধৰ্মই ইয়াক ধৰ্মীয় ৰূপ দান কৰি আত্মসাৎ কৰি পেলালে।

মহাপুৰুষীয়া ধৰ্মতো ফাকুৱাক ধৰ্মীয় উৎসৱৰূপে অকুণ্ঠ স্বীকৃতিৰে গ্ৰহণ কৰা হ'ল। এই সাৰ্বজনীন উৎসৱটোৱে মাহাপুৰুষীয়া ধৰ্মত ৰাসোৎসৱৰ * দৰে উপেক্ষণীয় হৈ নাথাকি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিলে। মহাপুৰুষীয়া ধৰ্মই এই উৎসৱক অধিক মাৰ্জিত আৰু ধৰ্মীয় ৰূপহে দি ল'লে। আমাৰ বঙালি বিহুৰ দৰে ফাকুৱাও আছিল পূৰ্ণশৰতী ফাগুনৰ ৰতৰত পালন কৰা এক লৌকিক যৌন উৎসৱ। মহাপুৰুষীয়া ধৰ্মত ফাকুৱাৰ সেই পক্ষটো নিশ্চিহ্ন কৰি দিয়া হ'ল। ৰহপেটা সমত মহাপুৰুষীয়া পদ্ধতিৰে চলি অহা ফাকুৱা উৎসৱত কোনো তিৰোতাৰ গাতে ফাকু দিব নোপোৱাৰ কথাই এই তথ্যৰ সুদৃঢ় ভেটি।

মহাপুৰুষীয়া ধৰ্মত ফল্গুৎসৱে এইদৰে বিশিষ্ট স্থান লাভ কৰিলে যদিও এই উৎসৱক বিষয়বস্তু কৰি মহাপুৰুষীয়া সম্প্ৰদায়ত অতি কম পৰিমাণৰ সাহিত্যহে ৰচিত হোৱা দেখা যায়, অন্য ঠাইৰ জন সাহিত্যত ফাকুৱা উৎসৱৰ যি জনপ্ৰিয়তা দেখা যায়, অসমীয়া জনসাহিত্যত তাৰ অভাৱ

---

* মহাপুৰুষীয়া ধৰ্মত ৰাসোৎসৱে ঠাই পোৱাৰ কথাটো নিতান্ত অৰ্বাচীন।

পৰিলক্ষিত হয়। সম্ভৱতঃ বৈষ্ণৱ ধৰ্মৰ যোগেদি সম্পূৰ্ণ এটাৰ উদয়ৰ যুগত এই উৎসৱৰ বহুল প্ৰচাৰ হোৱাৰ কাৰণেই জনজীৱনক নিবিড় ভাৱে স্পৰ্শ কৰিব নোৱাৰিলে আৰু সেই কাৰণে এই উৎসৱে অসমীয়া জনসাহিত্যত বিশেষ ঠাই নাপালে। বৈষ্ণৱ সাহিত্যৰ প্ৰধান উপজীব্য পুৰাণ 'বিষ্ণুপুৰাণ' 'ভাগৱত', আৰু 'হৰিবংশ'ত ফল্গুৎসৱৰ কথা নথকাটোৱেই মহাপুৰুষীয়া সাহিত্যত এই উৎসৱৰ প্ৰাধান্য কম হোৱাৰ কাৰণ হ'ব পাৰে।

অসমত সাধাৰণতে ঘুনুচাযাত্ৰাৰ লগত জড়িত কৰি ফল্গুৎসৱ পালন কৰা হয়। 'স্কন্দপুৰাণ'ৰ উৎকলখণ্ডত কোৱামতে ঘুনুচা বা গুণ্ডিচাযাত্ৰাৰ সময় জেঠ মাহৰ পূৰ্ণিমাহে। অত ফাগুনমাহত হোৱা ফল্গুৎসৱৰ বিস্তৃত বিৱৰণ দিয়া হৈছে যদিও গুণ্ডিচাযাত্ৰাৰ লগত এই উৎসৱৰ সম্পৰ্ক দেখুৱা নাই। 'পদ্মপুৰাণ'তো ফাগুন মাহৰ পূৰ্ণিমা তথা অন্য তিথিত বিষ্ণুক কৰ্পূৰাদিমিশ্ৰিত ৰঙা, ৰঙা, গোৰৰ্ণৰ আৰু হালধীয়া ফাকুগুৰি, হালধি গুড়ি আদিৰে পূজা কৰাৰ বিধান আছে[1]। তাতো গুণ্ডিচাযাত্ৰাৰ লগত ফল্গুৎসৱক জড়িত কৰা নাই। মহাপুৰুষীয়া কবি শ্ৰীধৰ কন্দলীয়ে ৰচনা কৰা 'ঘুনুচা-কীৰ্ত্তন'তো ঘুনুচাযাত্ৰাৰ লগত ফাকুৱাৰ সম্পৰ্ক দেখুৱা নাই। শংকৰদেৱে ৰচনা কৰা 'উৰেষা বৰ্ণন'ৰ এটি কীৰ্তন তলত দিয়া ধোৱাফাকিৰে আৰম্ভ হৈছে —

১ বিশেষতঃ কলিযুগে দোলোৎসৱো বিধীয়তে।
ফাল্গুনে চ চতুৰ্দশ্যামষ্টমযামসংজ্ঞকে ॥ ৪৫
অথবা পৌৰ্ণমাস্যাং তু প্ৰতিপৎসন্ধিসংজ্ঞকে।
পূজয়েদ্ বিধিবদ্ভক্ত্যা ফল্গুচূৰ্ণৈশ্চতুৰ্বিধৈঃ ॥
সিতৰক্তগৌৰপীতৈঃ কৰ্পূৰাদিবিমিশ্ৰিতৈঃ।
হৰিদ্ৰাৰাগসংযোগাচ্চ ৰংগকৈৰ্মনোহৰৈঃ ॥ ৪৭
অন্যৈৰ্বা ৰংগকৈশ্চ প্ৰীণয়েৎ পৰমেশ্বৰম্।
একাদশ্যাং সমাৰভ্য পঞ্চম্যাং তং সমাপয়েৎ ॥ ৪৮
পঞ্চাহানি ত্ৰ্যহানি বা দোলোৎসৱো বিধীয়তে। × ৪৯
(পদ্মঃ, পাতালখণ্ড, ৮০ অঃ)

ৰঙ্গে ফাগুখেলে চৈতন্য বনমালী।
দুহাতে ফাগুৰ গুণ্ডা সিঞ্চন্ত মুৰাৰি ॥

কিন্তু এই কীৰ্ত্তনত ফগুযাত্ৰাৰ নাম মাত্ৰও উল্লেখ নাই। দুয়োটা বছৰৰ লগত জড়িত কৰি ফগুৎসৱ পালন কৰাৰ বৰ্ণনা অসমীয়া বৈষ্ণৱ সাহিত্যত আদি প্ৰতিষ্ঠাতাসকলে পোৱা নাই। ওপৰত উদ্ধৃত দোবাকীৰ্ত্তন বাহিৰে শংকৰদেৱৰ সাহিত্যতো ফগুৎসৱৰ উল্লেখ নাই। মাধৱদেৱৰ তিনিটা বৰগীতত ফগুযাত্ৰাৰ বৰ্ণনা কৰা হৈছে —

(১) ৰাগ — তুৰবসন্ত

ধ্ৰুং — দোলায় গোবিন্দ পৰম আনন্দে ৰতন সিংহাসনে বসি।
কনক বিৰচিত দোলেৰ মণ্ডপ জলে যেন ৰবি শশী ॥

পদ — ৰতন ভূষণ জলদ শ্যামতনু ফাগুৰে হুয়া উজ্জলিত।
নবীন মেঘে যেন বিজুলী সঞ্চাৰে দেখিতে কাম বিমোহিত ॥
ছত্ৰ চামৰে চৌদিশে বাজিত কনকময় ধ্বজ দণ্ড।
আকাশে দেৱগণে কুসুম বৰিষয় বজায়া বহু বাদ্যভাণ্ড ॥
গন্ধৰ্বে গাৱয় বায়য় বিদ্যাধৰে নাচয় অপ্সৰাগণ।
সিদ্ধ মুনিগণে মহিমা স্তুতি কৰে কৌতুকে দোলে নাৰায়ণ ॥
পূৰ্ণ শশী জিনি জলদ শ্যামল তনু মুকুতা মণি সাৰী সাৰী।
উৰ্ধ্ব দৃষ্টি কৰি পৰম আনন্দে নিৰেখ যত নৰ না[illegible]
হৰিৰ দোলেৰ মহিমা কৌতুক ক্ৰমে কহিবাক [illegible]
আছোক মানুষ দেৱ মুনিগণ নজানে [illegible]
দোলেৰ উপৰে নগৰ ভিতৰে দোলয় ত্ৰিজগত পতি।
পৰম মূৰতি কহয় মাধৱ গোবিন্দ পদে মোৰ গতি ॥

(২) ৰাগ—ভাটিয়ালী

ধ্ৰুং — একান্ত খেলায় কৰুণাময় এ নন্দকুমাৰ।
দেখৰ দুৰ্লভ কেলি ফাগুৰ বিহাৰ ॥

পদ — ফাগু পৰি শ্যামতনু কৰে ঝিৰিমিৰি।
ৰবিৰ কিৰণে যেন মৰকত গিৰি ॥

কপূৰ্ব কুংকুমে ফাগু আতি সুবাসিত ।
গোপ-গোপী সনে খেলে হৈয়া আনন্দিত ॥
আঁউৰে আউৰে ফাগু মাৰে আঞ্জলি ভৰিয়া ।
ফাগুৰসে নাচে হাসে কীৰ্ত্তন কৰিয়া ॥
ফাগুৰে চৌভিতি দেখি অৰুণ বৰণ ।
প্ৰভাত কালৰ যেন ৰবিৰ কিৰণ ॥
আনন্দে আকুল লোক ফাগুৰ উৎসৱে ।
চৌভিতি পূৰয় হৰিকীৰ্ত্তনৰ ৰৱে ॥
ত্ৰিভুৱন জিনি গোপপুৰী পৰকাশে ।
কহয় মাধৱ দীন হৰিপদ দাসে ॥
(৩) ধ্ৰু-ং — ভাই দেখো কমলাপতি দোলৰ উপৰে ।
বৈকুণ্ঠৰ সাথে দোলৰসে কেলি কৰে ॥ ইত্যাদি

মাধৱদেৱৰ এই বৰগীত কেইটিত দোলযাত্ৰাৰ লগতহে ফাকুৱা উৎসৱৰ সম্পৰ্ক দেখুৱা হৈছে । তৃতীয়টি গীতত কেৱল দোলযাত্ৰাৰ কথাহে আছে ।

ভৱানীপুৰীয়া গোপাল আতাৰ অন্যতম প্ৰমুখ শিষ্য যদুমণিদেৱে 'ফল্গুযাত্ৰা' নামেৰে এখন নাট ৰচনা কৰে [২] । এই নাটৰ ফল্গুযাত্ৰাৰ বৰ্ণনাৰ লগত মাধৱদেৱৰ পূৰ্বোক্ত গীত কেইটাৰ মিল আছে ।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'অসম সাহিত্য সভা পত্ৰিকাত (১৮ শ বছৰ, ২য় সংখ্যা) এই নাটৰ কথাবস্তুৰ আধাৰ-গ্ৰন্থৰ সন্দৰ্ভত দেখুওৱাৰ কথা

২ এই নাটখনি শ্ৰীমোহনচন্দ্ৰ মহন্ত বি. এল. দেৱে সংগ্ৰহ কৰি 'অসম সাহিত্য সভা পত্ৰিকা'ত (১৮ শ বছৰ, ২য় সংখ্যা) প্ৰকাশ কৰিছিল । সংগ্ৰাহকে কোৱামতে নাটখনৰ সাঁচিপতীয়া পুথিত আৰম্ভণিৰ এটা পাত পোৱা নগ'ল । গতিকে এই অংশটোত নাটৰ বিষয়বস্তু কিদৰে উপস্থাপন কৰা হৈছিল জনা নগ'ল ।

জনাইছে। পিছে বৈষ্ণৱ পুৰাণসমূহত এই নাটৰ কাহিনীৰ আধাৰ পোৱা নাযায় যদিও 'স্কন্দপুৰাণ'ৰ উৎকল খণ্ডত থকা ফল্গুৎসৱ বা দোলযাত্ৰাৰ বৰ্ণনাৰ লগত এই কাহিনীৰ মিল আছে। তুলনাৰ বাবে তলত 'স্কন্দপুৰাণ'ৰ ফল্গুযাত্ৰাৰ বৰ্ণনাটো চমুকৈ তুলি দিয়া হ'ল।

'স্কন্দপুৰাণ'ৰ মতে ফাগুন মাহ ভগৱানৰ দোলাৰোহণৰ সময়। গোবিন্দ নামেৰে বিষ্ণুৰ প্ৰতিমা নিৰ্মাণ কৰি কাঠ নিৰ্মিত আসনত প্ৰতিষ্ঠা কৰিব লাগে। চতুৰ্দশী (শুক্লা ?) তিথিৰ দিনা পুৱা গোবিন্দমূৰ্তিৰ পূজা-অৰ্চনা কৰি পতাকা আদিৰে সজ্জিত দোলাত বহুৱাই আনন্দ উল্লাসেৰে স্নান মণ্ডপলৈ নিয়াৰ পাছত সুগন্ধি পানীৰে গোবিন্দক স্নান কৰাব লাগে। তাৰ পাছত বহুমূলীয়া বস্ত্ৰ, অলংকাৰ, ফুলৰ মাল আদিৰে গোবিন্দক সজোৱা হয়। যথাসম্ভৱ ৰত্নময় দোলাত তুলি গোবিন্দলৈ কেউফালৰ পৰা সুগন্ধি চন্দনৰ গুড়ি ছটিওৱা হয়। সেই সময়ত এইবুলি মনতে ধ্যান কৰিব লাগে — 'ভগৱান কদম গছৰ তলত গোপীসকলৰ মাজত প্ৰকাশ পাই আছে। গোপবালক আৰু গোপীসকলে তেওঁৰ দোলা দোলন দিয়াইছে। ভগৱান সেই দোলাৰ ভিতৰত লীলাৰসত নিমগ্ন হৈ আছে।' তাৰ পাছত ৰঙা, হালধীয়া আৰু বগা ৰঙৰ চূৰ্ণ হাজি কপূৰ মিশ্ৰিত কৰি ছটিয়াব লাগে।

'ফল্গুযাত্ৰা নাট'ত ফল্গুযাত্ৰা বা দোলযাত্ৰাক ব্ৰজবিহাৰৰ অন্তৰ্ভুক্ত কৰা হৈছে —

ভটিমা

অঘ বক ধেনুক বধ কৰিয়ে।
হ্ৰদে পৰি কালিক দমিয়ে॥
হাতে ফাকু ব্ৰজ বিহাৰা।
কৌতুকে নৃত্য কৰে অপস্বৰা॥
পেখি নৃত্য দেৱৰঙ্গ নানা।
কোটি মদন জিনি অংগ বিভাৱনা॥
নিকুঞ্জ বনে পশি দেৱ হৰি।
নাচত গাৱত ৰঙ্গে মুৰাৰি॥ ইত্যাদি

কৃষ্ণই বৃন্দাবনত গোপশিশুসকলৰ সৈতে নৃত্য-গীত কৰি প্ৰবেশ কৰি কৈছে — "আহে সখিসব, বসন্তমাস উপস্থিত ভেল। নিকুঞ্জ বন মধ্যে বসন্তদোল উৎসৱ হৈ আছে। যোগেশ্বৰ হৰি বিহাৰ কৰিছে। তাঁক ফাকু দিতে হামুসবে নৃত্য কৰি চলো।" তাৰ পাছত কৃষ্ণই 'কোটি সূৰ্য প্ৰকাশ কৰা' ৰত্নময় দোলাত প্ৰবেশ কৰি সঙ্গীসকলক ক'লে — "তোমালোকে হামাক গাৱে ফাকু দেহ।" তেতিয়া দাম, সুদাম, বসুদাম, সুবল প্ৰভৃতিয়ে নন্দলাল ৰাধাবল্লভ জগদীশ্বৰ যোগেশ্বৰ কৃষ্ণক ফাকু নিবেদন কৰিলে। তাৰ পাছত 'বালকসবে শিঙা, শংখ, বেণু বজাই অন্যো অন্যে ফাকু খেলিতে লাগল। × × × তদনন্তৰে ৰাধা কৃষ্ণক দেখিতে পৰম কৌতুকে আৱল।'

'ৰাধা শ্যাম বিনা বিকল' হৈ শ্ৰীকৃষ্ণৰ ওচৰ পালেহি। তেওঁ শ্ৰীকৃষ্ণৰ চৰণত ধৰি কাতৰ কৰি ক'লে — " × × × পূৰ্বে তুহো গগনৰ চন্দ্ৰ দিবো বুলি অঙ্গীকাৰ কয়লি। যত লাগে তোহাক ধন দিবো হেনয় বচন বুলি নিকুঞ্জবনে লুকায়া ৰহেছ।" ৰাধাই এইবুলি কৈ শ্ৰীকৃষ্ণৰ গাত ফাকু ছটিয়াবলৈ ধৰিলে। তাৰ পাছত 'শ্ৰীকৃষ্ণে ৰাধাৰ ভকতিত বশ্য হৈয়া ভুজে আংকোৱালি আপোন আসনে বৈঠাৱল। হৰিভকতিক মহিমা কি কহবো। ইহা জানি নিৰন্তৰে হৰি বোল হৰি' (সূত্ৰ)।

'তদন্তৰে আকাশৰ অপেস্বৰা আসি গোপীসব সহিতে কৃষ্ণক ফাগু দিতে আৱল।' গোপীসকলে "দাসী বুলি লেয়ো কৃষ্ণ চৰণে তোমাৰ" (গীত) বুলি ফাগু দি কৃষ্ণক কাতৰ কৰিলে। সেই দৰে অপেস্বৰাসকলেও "ফাগু দিয়া তোমাৰ চৰণে ভেলো দাসী" বুলি কৃষ্ণক সেৱা জনালে। তাৰ পাছত তেওঁলোকে 'অন্যো অন্যে কৌতুকে ফাগু সিঞ্চিতে লাগল। তদন্তৰ ব্ৰজপুৰ প্ৰজাসব নন্দ-যশোদা সমন্বিতে শ্ৰীকৃষ্ণক ফাগু দিতে আৱল।' তেওঁলোকেও কৃষ্ণক ফাকু অৰ্পণ কৰি পৰস্পৰে ফাকু খেলিবলৈ ধৰিলে। তাৰ পাছত ব্ৰহ্মা আদি ত্ৰিদশ কোটি দেৱতা; বাসুকি আদি নাগ, দেৱৰ্ষি, ৰাজৰ্ষি, সিদ্ধ, মুনি কিন্নৰ — সকলোৱে আহি শ্ৰীকৃষ্ণক নিকুঞ্জবনত ফাকু অৰ্পণ কৰিলেহি। দেৱগণে কৃষ্ণক দশাৱতাৰধাৰণকাৰী ব্ৰহ্ম ৰূপে স্তুতি কৰি ফাকু দি চৰণত প্ৰণতি জনাই পৰস্পৰে ফাকু খেলিবলৈ ধৰিলে। 'সিদ্ধ মুনিসবে দোলে সোৱাই শ্ৰীৰাধা-কৃষ্ণক গাৱে ফাকু সিঞ্চল।' এইদৰে নাগ, গন্ধৰ্ব ৰাজা প্ৰভৃতিয়েও কৃষ্ণক

ফাকু দান কৰি পৰস্পৰে ফাকু খেলাত লাগিল। 'শ্ৰীকৃষ্ণে ভক্তসৱৰ ফাকুত তুষ্ট হৈয়া ৰাধা সমে ফাকু দোল ওপৰে খেলিতে লাগল।' ৰাধা-কৃষ্ণৰ এই 'ফাল্গুনী পূৰ্ণিমাত ফাগু বিহাৰ' হে মোৰাৰ পাছত প্ৰতিপদৰ দিনা সকলোৱে মৃদঙ্গ, শিঙা, কৰতাল প্ৰভৃতি বাদ্যধ্বনি কৰি দুই পাশে ফাকু সিঁচি আৰু তিৰোতাসকলে উৰুলিধ্বনি কৰি ব্ৰজপুৰলৈ যাত্ৰা কৰিলে। সেই সময়ত দেৱ, গন্ধৰ্ব, কিন্নৰ, ঋষি, ৰাজন্য সকলোৱে শ্ৰীকৃষ্ণক 'সুবৰ্ণ' ৰজত ৰত্ন ধূপ-দীপ, গন্ধ পুষ্পৰে পূজা কৰি' দিহাদিহি গ'লগৈ। 'ফগুযাত্ৰা-নাট'ৰ মুক্তিমঙ্গল ভটিমাত পৰমেশ্বৰ কৃষ্ণক বিবিধ ৰূপত বৰ্ণনা কৰি বাৰে বাৰে ফাকু দি প্ৰণাম কৰাৰ কথা কোৱা হৈছে। নাটখনিত ৰাধাৰ অৱতাৰণা মন কৰিব লগীয়া কথা। ইয়াত কৃষ্ণৰ লগতে দেৱ-গন্ধৰ্ব আদি সমস্তৰে পূজা লাভ কৰা ৰাধাও কৃষ্ণৰ ভক্তহে।

নাটখনত এটা গীতত শ্ৰীকৃষ্ণৰ ভুৱন-মোহন ৰূপ দেখি মৃগ-পক্ষী, সুৰভি-ৰাখোৱাল, আনকি বলভদ্ৰও প্ৰেমত নিমগ্ন হোৱাৰ বৰ্ণনা দি কোৱা হৈছে — 'অখিল লোকৰ পতি, গোপৰ সঙ্গতি হুয়া, ব্ৰজে খেলে ফাকু।' নাটখনিত থকা দোলযাত্ৰাৰ বৰ্ণনাৰ গীত এটিৰ কিছু অংশ তলত দিয়া হ'ল —

ৰাগ-ভটিয়ালী, তাল — চুতা

ধ্ৰুং — ফাগু ৰসে এ নন্দৰ কুমাৰ।
ভুৱন মোহন কেলি ফাগুৰ বিহাৰ ॥
পদ — বৈকুণ্ঠৰ পতি খেলে দোলৰ ওপৰে।
সিংহাসন সমে দোল মণ্ডপ ভিতৰে ॥
পূৰ্ণচন্দ্ৰ জিনিয়া ওপৰে চন্দ্ৰতাপ।
দুই পাশে চামৰ ঢোলে জগতৰ বাপ ॥
ফাগুৰে উজ্জ্বল শ্যামতনু আতি শোভে।
× × শঙ্খ শিঙা কৰতাল মৃদঙ্গ বজাৱে।
চৌদিশে বালক বেঢ়ি হৰি হৰি গাৱে ॥

× ×　গোকুল নগৰ হাসি জয় হৰি বোলে।
　　নন্দ যশোদাৰ মনে কৌতুক হিন্দোলে॥ ইত্যাদি।

মহাপুৰুষীয়া সাহিত্যতহে নালাগে সমস্ত অসমীয়া সাহিত্যতে ফল্গুৎসৱৰ বৰ্ণনাৰে লিখা সাহিত্যৰ স্বল্পপৰিমাণলৈ চালে ফল্গুৰোৱাৰ বহুল বৰ্ণনাৰে লিখা মধুমতি দেৱৰ 'ফল্গুৎসৱনাট'ৰ স্থান বৈশিষ্ট্যপূৰ্ণ যে ই ধুৰুপ।

ভৱানীপুৰীয়া গোপালআতাৰ আজ্ঞাপৰ ছজন ব্ৰাহ্মণ শিষ্যীয়া গুৰুৰ অন্যতম শ্ৰীৰাম আতাৰ পুত্ৰ ৰামানন্দৰ ৰচিত দুটি গীতত ফল্গুৎসৱৰ বৰ্ণনা কৰা হৈছে। বসন্ত ৰাগত ৰচিত এই গীত দুটিৰ এটিত মনোৰম বাসন্তী পৰিবেশত শ্ৰীকৃষ্ণই ফাগুবিহাৰ কৰাৰ বৰ্ণনা দিয়া হৈছে —

খেলে বসন্ত ঋতু শ্যাম কানু।
নাচে গোপিনী লাগি পঞ্চম ৰাগ॥
শ্বেত চম্পক কেতকী বিকসিত শোভিত ডাল।
অশোক মন্দাৰ ফুলে লাল গুলাল॥
কোকিল ময়ূৰ চটকে কৰে ৰোল।
মধু পিয়ো মধুৰ ৰসে ছুয়া ভোল॥
ফাগু ফুলে মচিয়া চন্দন অপাৰ।
কহ ৰামানন্দ কানু কৰত বিহাৰ॥

দ্বিতীয়টো গীতটো ফাকুৱাক গোপী-কানুৰ প্ৰেমৰ বিহাৰ বোলা হৈছে —

বৃন্দাবনে খেলে ফাগু দেখু নন্দলাল।
শাৰদ শাৰঙ্গ হাতে বাজে কৰতাল॥
সঙ্গে যুৱতী কিশোৰী অপাৰ।
লাল জৰদ ফাগু মাৰে আউৰ আৰ॥
গোপী কানু কৰে প্ৰেমৰ বিহাৰ॥
কংকৰী কবৰী খসে গজমতি হাৰ॥
অনঙ্গৰসত ভোল জগত আধাৰ।
কহে ৰামানন্দ হৰি কৰত বিহাৰ॥

এই প্ৰবন্ধৰ আৰম্ভণিতে কৈ অহা হৈছে যে ফাকুৱাটো মূলতঃ বসন্তকালীন যৌন উদ্দীপক পৰিৱেশত হোৱা লৌকিক যৌন উৎসৱহে[৩]। মানুহে নিজে খাই, পিন্ধি আৰু উৎসৱ কৰি ভাল পায়, সেইবোৰ উপাস্য দেৱতাতো আৰোপ কৰে। লৌকিক যৌন উৎসৱ ফাকুৱাকো উপাস্য-দেৱতা কৃষ্ণৰ (ৰাগভক্তিৰ মধুৰ সম্প্ৰদায়ত ৰাধাৰ) লগত জড়িত কৰি বৈষ্ণৱ সম্প্ৰদায়ে মানৱীয় কামপ্ৰবৃত্তিক ঈশ্বৰমুখী কৰিলে। ওপৰত উদ্ধৃত কৰি অহা ৰামানন্দৰ গীত দুটিতো তেনে প্ৰচেষ্টাৰ ইতিহাস নিহিত হৈ আছে।

বিশাল মহাপুৰুষীয়া সাহিত্যৰ অন্তৰ্ভুক্ত অনেক ৰচনাই প্ৰকাশৰ মুখ দেখা নাই। গতিকে ফাকুৱাৰ বিষয়বস্তুৰে ৰচিত এনে ৰচনা মহাপুৰুষীয়া সাহিত্যত আৰু নাই বুলি ক'ব নোৱাৰি। আনকি প্ৰকাশিত পুথিবোৰ সকলোখিনি আমাৰ দৃষ্টিত পৰা নাই। গতিকে এই বিষয়ত বিস্তৃত আলোচনা হোৱাৰ থল আছে। যোগ্যজনে এইবিষয়ত অনুসন্ধান কৰাৰ আশা ৰাখি আমি মাত্ৰ আলোচনাৰ দুৱাৰখনহে মুকলি কৰিছো।

সহায়ক গ্ৰন্থ

১। 'পদ্মপুৰাণ' – মনসুখৰাম মোৰৰ দ্বাৰা সম্পাদিত।

২। 'স্কন্দপুৰাণ'ৰ অনুবাদ, গীতাপ্ৰেছৰপৰা প্ৰকাশিত।

৩। যদুমণিদেৱৰ 'ফলগুযাত্ৰানাট' অসম সাহিত্যসভা পত্ৰিকাত প্ৰকাশিত।

৪। 'শ্ৰীৰাম আতা আৰু ৰামানন্দৰ গীত' – ড° বিৰিঞ্চিকুমাৰ বৰুৱা সম্পাদিত।

৩ এই বিষয়ে এই লেখিকাৰ 'পলাশৰঙী ফাগুনৰ উৎসৱ ফাকুৱা' শীৰ্ষক প্ৰবন্ধত (২৯ ফাগুন, ৩ মাৰ্চ ১৯৬৮, সংখ্যা 'অসম বাতৰি'ত) বহল আলোচনা কৰা হৈছিল।

'কথাগুৰুচৰিত'ৰ বৰ্ণনাত —

॥ মহাপুৰুষীয়া সমাজত নাৰীৰ ভূমিকা ॥

'কথাগুৰুচৰিত' নামৰ ড° বাণীকান্ত কাকতিৰ দ্বাৰা সংগৃহীত আৰু অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ দ্বাৰা সম্পাদিত পুথি খনিত মধ্যযুগৰ অসমীয়া সমাজখনৰ, বিশেষকৈ মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ এখনি প্ৰাণৱন্ত চিত্ৰ প্ৰকাশ পাইছে। ইয়াত শংকৰদেৱ, মাধৱদেৱ আৰু তেখেতসকলৰ অনুগামী পদ্ম আতা, গোপাল আতা মথুৰাদাস আতা নাৰায়ণ ঠাকুৰ আতা আদি মহাপুৰুষীয়া ধৰ্মাচাৰ্যসকলৰ জীৱন-বৃত্ত সৰু সৰু ঘটনা কিছুমানৰ সৈতে বৰ্ণনা কৰা হৈছে। গুৰুসকলৰ জীৱনবৃত্তৰ লগতে এই পুথিখনত সেই কালৰ ধৰ্মীয়, অৰ্থনৈতিক আৰু সামাজিক ইতিহাসো নিহিত হৈ আছে। পুথিখনৰ ৰচনাকাল অষ্টাদশ শতিকাৰ প্ৰথম ভাগ বুলি পণ্ডিত সকলে ঠাৱৰ কৰিছে[১]। মহাপুৰুষ গুৰু দুজনাৰ ছকুৰি বছৰমান পিছত এই গ্ৰন্থ লিখা হ'লেও ইয়াৰ কথাবোৰ পৰম্পৰাগত ভাৱে চলি আহে[২]। এই প্ৰবন্ধত 'কথাগুৰুচৰিত'ত থকামতে সেই কালত মহাপুৰুষীয়া সমাজত নাৰীৰ ভূমিকা কেনেকুৱা আছিল, তাৰ এটি আভাচ আগ বঢ়াব খুজিছো। এইখিনিতে উল্লেখযোগ্য যে বৈষ্ণৱ গুৰুচৰিতসমূহৰ সকলো বৰ্ণনাই ঐতিহাসিক ঘটনা নহয়[৩]। কিন্তু আমি আলোচনালৈ অনা কাহিনীবোৰত প্ৰতিফলিত হোৱা সেই সময়ৰ সামাজিক দৃষ্টিভংগীতহে গুৰুত্ব দিব খুজিছো, কাহিনীবোৰ আখৰে আখৰে সচাঁ বুলি ধৰি লোৱা নাই।

---

১ 'কথাগুৰুচৰিত', দ্বিতীয় সংস্কৰণ, ৩৮) পৃষ্ঠ দ্ৰষ্টব্য।

২ ডঃ মহেশ্বৰ নেওগৰ 'গুৰুচৰিতৰ ইতিবৃত্ত,' ১৪, ১৫, পৃঃ দ্ৰষ্টব্য।

৩ দ্ৰষ্টব্য, 'গুৰুচৰিতৰ ইতিকথা,' পৃঃ ৩৮—৪১।

খেৰসুতী আই—মধ্যবিত্ত অৱস্থাত থাকি-মাউৰা হোৱা শংকৰৰ শিক্ষাৰ ব্যৱস্থা কৰা বুঢ়ীমাক খেৰসুতী আইৰ মাধ্যমত আমি মধ্যযুগৰ অসমীয়া নাৰীৰ বিদ্যোৎসাহিতাৰ নিদৰ্শন দেখিবলৈ পাওঁ। 'কথাগুৰুচৰিত'ত আছে —"একদিনা আএ গুৰুজনক স্নান-ভোজন কৰাই তৈল দি বোলে টামন, তোৰ আক পঢ়িবৰ মন নাই। ডাংটা খেৰি গৰুজাকতহে চিত্ত। বাৰ বছৰীয়া হলিকে। আমাৰ বংশত অপণ্ডিত নাই। তই মূৰ্খ হ'ব খুজিছ নে? × × × ৰাজাক স্বদেশেহে পূজে, বিদ্যাৱন্ত সৰ্বদেশে পূজ্য।' ইত্যাদি। তাকে শুনি শংকৰদেৱে পঢ়িবলৈ ইচ্ছা প্ৰকাশ কৰাত "পাচে আএ দাসী জোৰাই চাউল এপাচি, টকা এটি বস্ত্ৰ আগতকৈ গ'ল। পাচে কন্দলীয়ে আথে-বেথে সুধিলে ই কিয় অহা হ'ল? বোলে ছৱাটি পঢ়াই দিয়া।"
চন্দৰী বুঢ়ী — 'কথাগুৰুচৰিত'ত সেই কালত অসমীয়া সমাজত নিম্নবৰ্ণৰ নাৰীৰো উচ্চ চিন্তা-চৰ্চাৰ পৰিচয় পোৱা যায় "গুৰুজনক তোলা কোলা বোকা বয়সৰে বুৰী মাতৃৰ সম" (কথাগুৰুচৰিত, ২৬৮ পৃঃ) চন্দৰী দাসীৰ প্ৰসঙ্গ তিনিঠাইতপৰা। গুৰুজনে চিহ্নবাৰা ভাওনা কৰাৰ প্ৰসঙ্গত আছে —"তুলাপাতত সাত বৈকুণ্ঠ লিখিছে, কল্পতৰু দিবলৈ ভ্ৰম হৈ থাগিত থাই আছে। চন্দৰী আএ ধান হতাইছিল। বোলে ঢেকাপিৰ সেইখিতে নিদিয়া কিয়. শ্ৰীমন্দিৰ কাখে, সপ্তম্বাৰ আগ কৈ? তেহে শুক দিছে।"

শংকৰদেৱে তাঁতীৰ হতুৱাই বৃন্দাবনৰ লীলা তোলাই বোওৱা ছকুৰি হাত দীঘল বৃন্দাবনী কাপোৰখন নানা ঠাইৰ মানুহে আহি চোৱাৰ দিনা "চন্দৰী দাসী নাছিল, ভিক্ষালৈ গৈছিল। পাছুলি গুৰুজনে বোলে বুৰি আজি কাপৰ সবে চালে তই নেদেখিলি। বোলে কালৈ দেখাব। বোলে জপা বান্ধি থলু, তোলৈ মেলো আকৌ।" বুঢ়ীয়ে নেৰা-নেপেৰাকৈ ধৰাত গুৰুজনে পাছদিনা বুঢ়ীক বৃন্দাবনী কাপোৰ মেলি দেখুৱাই গ'ল। বুঢ়ীয়ে দুজনা গুৰু আগত থাকি বোলোৱা সেই কাপোৰৰ খণ্ড উলিয়াই ক'লে —"চাই দেখা বটৰ কম লাবিল। যমুনাৰ বামেহে লাগিল কিয়? গুৰু বিময়কৈ বোলে, হুই বুৰী, ভুলিলো।"

আৰু এটা প্ৰসঙ্গত চন্দৰীৰ শাস্ত্ৰজ্ঞানৰ কথা পোৱা যায়। এজন ব্ৰাহ্মণে স্পৰ্ধাৰ ভাবেৰে শংকৰদেৱক গীতাৰ শ্লোকৰ অৰ্থ সুধিবলৈ

আহি আছে। ধনুখনাত চন্দৰীয়ে গুৰুজনাৰ কাপোৰ ধুই আছিল। "শুনি বোলে ভগৱন্ত প্ৰসাদে মিলয়। কৃষ্ণৰ কৃপাত তেবে, গুচয় সংসাৰবন্ধ, এহিমানে গীতাৰ নিৰ্ণয়। শুনি বামুণ তধা লাগিল। মুখলৈ চোৱা-চুইকৈ বোলে দাসী এনে সিদ্ধান্ত কৈলে; মোনো কি শুনিম? দহো ওঠৰ আধ্যায় একে আষাৰে কৈলে" (কঃ গুঃ চঃ ১৪৭ পৃঃ)।

শান্তী ৰাধিকাৰ আখ্যানটো যদিও গুৰুচৰিতৰ লগত পাছত জোৰা দিয়া হৈছে [৪] তথাপি এই কাহিনীটো চৰিত কৰ্ত্তা সকলে অৱতাৰণা কৰাৰ পৰা এই কথাই প্ৰতীয়মান হয় যে সেই সমাজৰ নিম্নজাতিৰ নাৰীৰ চৰিত্ৰত থকা সতভাৱ প্ৰতি সম্ভাৱ আছিল।

শংকৰ গুৰুৰ প্ৰয়াণৰ আগ মুহূৰ্ত্তত 'বাজাৰ স্ত্ৰীৰ আৰু কৰ্ম-কাণ্ডী ব্ৰাহ্মণৰ গুৰু নহওঁ" বুলি আৰু তিৰোতাৰ গুৰু নোহোৱাৰ [৫] কাৰণ স্বৰূপে "স্ত্ৰীৰ মিছা বেশ্যাভেহে ৰতি, পাপ কৰিও শপতে সহে। × × দিব থব পাইলে পতিক বোলে ভাল। হাতে-কাণে ৰতি নহলে বোলে বোকোন্ধাৰ বল" — এই বুলি যুক্তি দৰ্শাইছিল বুলি 'কথাগুৰুচৰিত'ত (২য় সংস্কৰণৰ ২৮১-৮২ পৃঃ) আছে। পিছে এইখন চৰিততে সম্ভ্ৰান্ত স্ত্ৰীৰ কথাই নাই, সাধাৰণ শ্ৰেণীৰ তিৰোতায়ো অনিচ্ছুক স্বামীক শ্ৰৱণ-কীৰ্ত্তন তথা সৎসঙ্গত ৰত কৰোৱাৰ ভালেকেইটি উদাহৰণ আছে। তেনে দুটিমান উদাহৰণ তলত দাঙি ধৰা হ'ল।

অনন্তকন্দলীৰ বিষ্ণুভক্তা পত্নী — পত্নীৰ দিহামতে কন্দলীয়ে শংকৰদেৱক গুৰু মানি ধৰ্ম গ্ৰহণ কৰাৰ যিটো কাহিনী 'কথাগুৰুচৰিত'ত আছে, তাত সেই সময়ৰ সমাজে নাৰীৰ বিচাৰ-বিবেচনাৰ ওপৰত দিয়া গুৰুত্বৰ প্ৰমাণ পোৱা যায়। এই প্ৰসঙ্গত কোৱা হৈছে "আও বিছে হৰিগুণ গাই গুৰুজনৰ মাহাত্ম্য উৎকীৰ্ত্তন কৰি থাকে। বিপ্ৰে (স্বামীয়ে) নসই আনত লগাই মাৰিলে। সেই দিনাৰ পৰা পূজে, × × × (ইষ্টদেৱে) পূজা মলয় যেন জানি মনত

৪ বঙ্গৰ লোককথাতো থকা এই কাহিনীৰ অপ্ৰমাণিকতা সম্পৰ্কে 'গুৰুচৰিতৰ ইতিকথা', ৩৯ পৃঃ দ্ৰষ্টব্য।

৫ এই কথাখিনিও গুৰুজনৰ নামত পাছতহে সংযোজনা কৰা হৈছে যে সেই সম্পৰ্কে উক্ত গ্ৰন্থৰ ৪০-৪১ পৃঃ দ্ৰষ্টব্য।

কপট বিপ্ৰৰ। আৰু একদিনা স্বামীক সুধিলে বোলে তোমাৰ দেখো মনটি কপট? বোলে কি দোষ, মই যাক পুজিছিলো, চৈতন্যৰূপে লৈছিলে। তোক মাৰিবৰপৰা নোলাই নাখাইও।" তাৰ পাছত অনন্ত কন্দলীয়ে পত্নীৰ সিহামতে যে শংকৰদেৱৰ হৰি কথা চৰ্চ্চা থকা স্থানত উপস্থিত হৈ তাত ধৰ্মই মূৰ্ত্তিমান ৰূপ ধৰি থকা দেখিবলৈ পালে। তাৰ পাছত "মই ব্ৰাহ্মণীক বোলে হয়, ধৰ্ম গুৰু মোৰ আছেযে আৰু তই যাৰ গুণ-শীল এখান ঈশ্বৰেই হয়। তাৰাক অসূয়াকৈ তোক মৰাতহে মোক এৰিলে ধৰ্ম।" এইদৰে পত্নীৰ সিহামতে যে শংকৰদেৱৰ অসাধাৰণ ব্যক্তিত্ব দেখি গুৰু মানি শৰণ লৈ অনন্তকন্দলীয়ে গুৰুৰ আজ্ঞামতে দশমস্কন্ধ ভাগৱত মধ্যখণ্ড ৰচনা কৰাৰ উপৰিও ৰামায়ণ, ঘুনুচা কীৰ্ত্তন আদি গ্ৰন্থ লিখি বৈষ্ণৱ সমাজত গুৰুত্বপূৰ্ণ স্থান লাভ কৰে (কঃ গুঃ চঃ, ৫২-৫৩ পৃঃ)

ভূষণ দ্বিজৰ পত্নীৰ সম্পৰ্কতো এনেকুৱা কাহিনী এটা আছে (১৫৯ পৃঃ) — "পত্নী বাৰমাল হওতে আবাবলৈ যে (নাৰায়ণ) ঠাকুৰ আতাৰ গৃহে নীতি সদাচাৰ প্ৰৱৰ্ত্তন দেখি আহি স্বামীক ক'লেহি। পাছে তেওঁ যে গুৰুধৰ্ম ক'ৰবলৈ সুধিছে।" তেতিয়া নাৰায়ণ ঠাকুৰে ভূষণদ্বিজক কৰ্মকাণ্ড ত্যাগ কৰিলেহে মহাপুৰুষৰ ধৰ্ম ল'ব পাৰিব বুলি কোৱাত তেওঁ বিপাঙত পৰিল — "তিনিকুৰি ঘৰ যজমানক এৰি কিহেৰে প্ৰৱৰ্ত্তিম? ব্ৰাহ্মণীয়ে কয় বোলে আন লোকে প্ৰৱৰ্ত্তিছে কেনেকৈ? পত্নীৰ সিহামতেই ভূষণদ্বিজে সপৰিবাৰে শ্ৰীশংকৰদেৱৰ ধৰ্ম গ্ৰহণ কৰিলে আৰু অন্য ব্ৰাহ্মণকো এই ধৰ্মত শৰণ লোৱালে।

নাৰায়ণ ঠাকুৰৰ পত্নী — এইগৰাকী ধৰ্মপ্ৰাণা নাৰীৰ ত্যাগ, শ্ৰৱণ-কীৰ্ত্তনত অনুৰাগ আৰু গুৰু দুজনাৰ প্ৰতি একান্ত ভক্তিৰ নিদৰ্শন 'কথাগুৰু চৰিতে' দাঙি ধৰিছে। এওঁ 'হাতত কাণে বতি' ত্যাগ কৰি ধন-সোণ, আ-অলংকাৰ পৰম নিষ্ঠাৰে সৈতে সমাজৰ সেৱাৰ অৰ্থে আগ বঢ়োৱাৰ কাহিনী 'কথাগুৰুচৰিত'ত (২৭৪ পৃঃ) এইদৰে আছে — "এদিন বাৰ বাহি আৰু আতাক (নাৰায়ণ ঠাকুৰক) সুধিলে বোলে তোমাৰ ছকতত স্নেহ নে আমাত স্নেহ? আতা বোলে তই কি ইহজন্মৰ সংসাৰলৈহে টান, সেৱক বস্তুহে পৰলোকৰ সখা সহায়।" তেতিয়া ঠাকুৰপত্নীয়ে 'কিয়

মিছা কথা ক'ব বুলি কেনেকৈ বেজাৰ মনেৰে গৈ ঠাকুৰে এই কথা মাধৱদেৱক জনালেগৈ। "হতহে মতাই আনি বোলে মোৰ নাৰায়ণদাসক এনেকৈ বোলে কিয় ? আও গুৰা শৰাই আগ বঢ়াই বোলে বাপ, দাসীক দায়া কেওঁ ভকতত দায়া বুলি মিছা কয়। মোৰ এই কেয়া আঙুলীত ৰূপ এপ ৰাখৰে সৈতে আঙুৰী দিছে, ইয়াৰ আদখানি মান ভকতক দি সুধিলে দহোঁ হয়। পুৰুষজনে বোলে নাৰায়ণ দাস, তোমাক উত্তৰে ঘটাইলে।" পত্নীৰ এনে আদৰ্শনীয় কথা শুনি নাৰায়ণ ঠাকুৰে পিছদিনা গৈ ৰূপা, সোণ, তাম, কাঁহ, বস্ত্ৰ, গুৰু ম'হ সবাকে শুৰুজনত (মাধৱদেৱক) শোধালেগৈ। তাৰে গুৰু তিনিভাগ কৰিলে, সেৱকৰ (ভকতসমাজৰ কাৰণে) ৰাজাৰ (মাজহ) ভাৰ্য্যা-পুত্ৰৰ কৈ দি পঠাইল ফলাহাৰ কৰাই।"

এইগৰাকী ভক্তিপ্ৰাণা নাৰীৰ কৃষ্ণকথা শ্ৰৱণৰ প্ৰতি থকা অনুৰাগ আমি 'কথাগুৰুচৰিত'ৰ (৫২২—৫২৪ পৃঃ) এই কাহিনীত দেখিবলৈ পাওঁ — (মাধৱদেৱ) একবাৰ একাদশীত গৈ কীৰ্তনগৃহতে ৰহিছে। আতা আই ক'লে বোলে তই সান্দহলৈ যুগুত কৰ। আও ঢেকীশাল অটাই খলা উধান যত্নকৈ কান্তিতে ৰহিছে।" ইফালে মাধৱদেৱে 'মাই ভূষণ কৰাৱ হামাৰি', 'ৰাধা আগু গোবিন্দ যোলাত চাতুৰি', 'গোবিন্দকু ৰাধা বোলত বাণী আৰু মাৰক আগু গোবিন্দ' কৰত গোহাৰি এই গীত কেইটি চচ্চি আছে, আও শুনি প্ৰেমৰসে মজি লোতক ধাৰাসাৰে জৰিছে, চিৰা কুটিবলৈ পাসৰিলে। × × আতা আহি বোলে চাউল কুটা হ'ল নে ? আও বোলে সব কে যুগুতকৈ থৈছোঁ, কথাসুখত জঞ্জাল হৈ কাণ লৰে (অৰ্থাৎ ঢেকীৰ মাত শুনিলে শ্ৰৱণ-কীৰ্তনত ব্যাঘাত জন্মিব) বুলি কৰা নাই, হ'ব, কৰো, নিমিষে মই।" এই কথা শুনি ঠাকুৰে খং কৰি ৰাৰি এডাল লৈ পত্নীৰ ফালে খেদা মৰা দেখি মাধৱদেৱে গৈ সুধিলে "নাৰায়ণদাস, পৰমানন্দৰ মাকক মাইলে তোমাকো শুদাই এৰা নাযায়। × × তুমি শুনিব লাগে, পৰমানন্দৰ মাক শুনিব নালাগে ? তেহে আও ভাজিছে, (নাৰায়ণ ঠাকুৰ) আতা ঢেঁকী দিলে"। এই কাহিনীত উদাসীন পুৰুষ মাধৱদেৱে শ্ৰৱণ-কীৰ্ত্তনত নাৰী-পুৰুষৰ সম অধিকাৰ সম্পৰ্কত দিয়া অভিমত গুৰুত্বপূৰ্ণ। এই ভক্তিপৰায়ণা পত্নীক অন্য প্ৰসঙ্গত (৫৩১ পৃঃ) নাৰায়ণদাসে "ধন্য ধন্য, ভাৰ্য্যা নহ, মোৰ সঙ্গী" বুলি কৈছে। উল্লেখযোগ্য যে একে লগে গুৰুৰপৰা ভক্তিতত্ত্ব গ্ৰহণ কৰা লোকক সঙ্গী ভকত বোলে।

গোপাল আতাৰ পত্নী — স্বামীৰ সহধৰ্মিণী ৰূপে ভকত বৈষ্ণৱৰ সেৱা শুশ্ৰূষাত ৰত হৈ গৃহস্থধৰ্ম পালন কৰা গোপাল-আতাৰ পত্নী সম্পৰ্কে কথাগুৰুচৰিত'ত (৫১৪ পৃঃ) আছে— এবাৰ তিনিকুৰি ভকতৰ সৈতে মাধৱদেৱ মহাপুৰুষ গোপাল আতাৰ ঘৰলৈ গ'ল। কীৰ্তন ঘৰত আলাপ-আলোচনা কৰি থাকোঁতেই গধূলি হ'ল। কথাৰ মাজৰপৰা গোপালে পত্নীক সৈ ভকতসকলৰ কাৰণে কি যোগাৰ কৰিছে সুধিলে। পত্নীয়ে চাউল চকা, লোণ-তেল, খৰি আদি সমস্ত দ্ৰব্য যুগুতাই থোৱা আছে বুলি সন্নিধান দিলে। তেতিয়া আতাই "মথিৰা তিনিজনলৈ কি কৰিছা" বুলি সোধাত আইয়ে উত্তৰ দিলে — "তাৰাগুৰুকো দুগ্ধ-চিৰা ভোজন কৰালো। খাইও শুলে।" শুনি গোপাল আতাই বৰ সন্তোষ পালে। গুৰু ভকতৰ সেৱাত আত্মনিয়োগ কৰা এই সুগৃহিণীপত্নীক গুৰু মাধৱদেৱেও প্ৰশংসা কৰিছিল। এনেগৰাকী সহধৰ্মিণীৰ মৃত্যুত আকুল হৈ গোপাল আতাই কৈছিল — "আতৈসৱ, মোলে জানো স্ত্ৰীচৈহে কান্দ মাৰাত, মৰ্মতে। আমি তালৈ নাকান্দো। × × × এ ভকত গুৰু আহিলে কোনে খুৰাই-ধুৱাই আল জগাল মাৰিব, মই চাও নোপোৱাকৈ, তালৈ মনকৈহে কান্দিছো। বৰ কাৰ্যৰ লোক আছিল (৫১৫ পৃঃ)।"

দাউকী গাঁৱৰ বুঢ়ী — সম্ভ্ৰান্ত লোকৰ কথাই নাই, এজনী সাধাৰণ গাঁৱলীয়া বুঢ়ীৰ সৎসঙ্গৰ প্ৰতি থকা ধাউতিৰ কথা 'কথাগুৰুচৰিত'ত (পৃঃ ৫২০-২২) বৰ্ণনা কৰা হৈছে। বুঢ়া এটাই পাচি, ডলা, কুলা, জকাই, জুলুকি, পল আদি সাজে, বুঢ়ীয়ে নি সেইবিলাক মানুহৰ ঘৰত অন্য বস্তুলৈ সলায় দিয়ে। এদিন বুঢ়ী সেই বস্তুবোৰ লৈ মাধৱদেৱৰ লগত থকা ভকতৰ হাটীলৈ গ'ল। ভকতসকলে বস্তুবোৰ লৈ লোণ, তেল, চাউল, গুৱা প্ৰসাদ, এইবোৰ সকলোকৈ দি বুঢ়ীক আকৌ বস্তু লৈ আহিবলৈ ক'লে। এদিন ভকতসকলে বুঢ়ীক-বুঢ়াৰকা হাটীলৈ আহিবলৈ ক'লে। "জীৱৰো কুশল হ'ব, দেহাৰো জীৱিকা মিলাব পুৰুষজন" বুলি আশ্ৰমী হাটীতে বুঢ়া-বুঢ়ীক থাকিবলৈ ঘৰ দিব বুলি ক'লে। বুঢ়া প্ৰথমতে আহিবলৈ মান্তি নহৈছিল। পাছত বুঢ়ীয়ে বুঢ়াক এৰি থৈ হ'লেও ভকতৰ সঙ্গলৈ যাব বুলি কোৱাত বুঢ়াও যাবলৈ বাধ্য হ'ল। বুঢ়ীয়ে বোলে বুঢ়া, তই নাম গা, একোলৈও চিন্তিব নালাগে, মই পুহিম।" বুঢ়ীৰ কথামতে বুঢ়া নাম-প্ৰসঙ্গলৈ যায়।

তাত যি নাম গাই আছে, ঘৰত গৈ বুঢ়ীক গাই শুনাব লাগে। নোৱাৰিলে বুঢ়ীয়ে ভাত নিদিয়ে। তেতিয়া বুঢ়াই আতৈক ধৰি শাক-পাচলি, আহু যি পায় তাকে নি দি গীত-ঘোষা শিকি ল'বলগীয়া হ'ল। "সেই ক্ৰমে শিকি-সেৱা ধৰি পৰমাৰ্থত লাগিলহি। গুৰুক ধৰ্ম লভি আতৈক অজনীয়া কৰি হৰিগুণ গাই বুঢ়া-বুঢ়ী বৈকুণ্ঠে গ'ল।"

অসমীয়া মহিলা বৈষ্ণৱ কবি

।। পদ্মপ্ৰিয়া আই ।।

পুৰণি অসমীয়া সাহিত্যৰ ইতিহাসত এগৰাকীহে মাত্ৰ মহিলা কবিৰ কথা জানিব পৰা গৈছে, তেওঁৱেই হৈছে ভৱানীপুৰীয়া গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়া আই। গোপালদেৱ মহাপুৰুষ মাধৱদেৱৰ অন্যতম প্ৰমুখ শিষ্য; এওঁৱেই কালসংহতিৰ প্ৰৱৰ্তক আচাৰ্য। গোপালৰ জন্ম ১৫৫৩।৫১ চনত আৰু তিৰোভাৱ ১৬১১ চন বুলি পণ্ডিতসকলে ধাৰ্য কৰিছে [১]। গোপাল দেৱৰ কন্যা পদ্মপ্ৰিয়াৰ জন্ম-মৃত্যুৰ সময় সম্পৰ্কে নিশ্চিতকৈ একো কথা জানিব পৰা নাযায়। 'কথাগুৰুচৰিত' [২] দৈৱজ্ঞ পূৰ্ণানন্দই ৰচনা কৰা গোপালদেৱৰ চৰিত [৩] আদিত বিভিন্ন প্ৰসঙ্গত পদ্মপ্ৰিয়াৰ কথা পোৱা যায়।

---

* এই প্ৰবন্ধটো সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰ 'লেখিকা'ত (ষষ্ঠ সংখ্যা, ১৯৭৭ চন) প্ৰকাশ হৈছিল। পাদটীকাত দিয়া কথাখিনি পাছৰ সংযোজনা।

১ শ্ৰীমোহনচন্দ্ৰ মহন্ত বি এল আৰু ডা° নবীনচন্দ্ৰ বৰদলৈৰ দ্বাৰা সম্পাদিত 'মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ ৩) পৃষ্ঠা দ্ৰষ্টব্য।

২ কথাগুৰু চৰিত, ২য় সংস্কৰণ, ৫১৬ পৃঃ

৩ পূৰ্বোক্ত 'মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ'ৰ দ্বিতীয় ভাগ ৰূপে অন্তৰ্ভুক্ত।

দ্বিজ ৰামানন্দৰ দ্বাৰা ৰচিত 'গুৰুচৰিত'তো (অপ্ৰকাশিত হস্তলিখিত)[৪] পদ্মপ্ৰিয়াৰ কথা আছে।

পদ্মপ্ৰিয়া ধৰ্মপ্ৰচাৰিকা নাছিল যদিও তেওঁ যে অধ্যয়ন-অনুশীলনৰ দ্বাৰা এগৰাকী শিক্ষিতা মহিলা আছিল, সেই কথা তেওঁৰ ৰচিত গীতমালাৰপৰাই বুজিব পাৰি। স্বৰ্গীয় কালিদাস খাটনীয়াৰ পৰা পোৱা পদ্মপ্ৰিয়াৰ গীত কেইটিমান শ্ৰীমোহনচন্দ্ৰ মহন্ত বি-এল (যোৰহাট) দেৱৰপৰা এই লেখিকাই পাইছে। শ্ৰীমহন্তদেৱে সংগ্ৰহ কৰা সম্বলৰ ভিত্তিতেই ইয়াত পদ্মপ্ৰিয়াৰ সম্পৰ্কে কিঞ্চিৎ তথ্য দাঙি ধৰা হৈছে।

পুৰানন্দই[৫] ৰচনা কৰা গোপালদেৱৰ চৰিতত পদ্মপ্ৰিয়াৰ জন্ম সম্পৰ্কে এইদৰে কোৱা হৈছে —

(গোপালৰ) ভৈলা একজন আৰো দুহিতা উত্তম ॥৩০৭
তান গুণে সমস্তৰে মন সন্তোষিলা।
অতি দায়াতৰে পদ্মপ্ৰিয়া নাম থৈলা ॥

এই চৰিতখনত পদ্মপ্ৰিয়াৰ বিয়াহৰ কথা এই বুলি আছে — গোপালদেৱৰ অন্যতম প্ৰিয়শিষ্য, গজলা সত্ৰৰ প্ৰতিষ্ঠাতা যদুমণিক গোপালদেৱে পদ্মপ্ৰিয়াক সমৰ্পণ কৰিব খুজিলে। — শ্ৰীমন্ত শংকৰদেৱে নিজ কন্যা বিষ্ণুপ্ৰিয়াক বাচোঁতে শ্ৰীমন্ত মাধৱদেৱে যি পন্থা গ্ৰহণ কৰিছিল, এতিয়া গজলাৰ যদুমণিয়েও তাকে কৰিলে —

গোপালৰ বাণী শুনি যদুমণি মনে বিমৰিষি চাইল।
বোলন্ত এথাত বিষয় কৰিলে মোৰ কোনো সিদ্ধি নাই ॥
হেন মনে গুণি বাপ যদুমণি উঠি আগ বাঢ়ি গৈলা।
পদ্মাপ্ৰিয়াক সেৱা কৰিলন্ত মাতৃ বুলি সাদৰিয়া ॥ ৬৭৯

তেতিয়া গোপালদেৱে অসন্তোষ পোৱা দেখি যদুমণিয়ে উত্তৰ দিলে —

৪ শ্ৰীমোহনচন্দ্ৰ মহন্তই কৰি থোৱা হস্তলিপিত পঢ়িবলৈ পাইছিলোঁ।
৫ গোপালদেৱৰ শিষ্য, খ'ৰামোচৰ সত্ৰৰ প্ৰতিষ্ঠাতা দ্বিজ ৰামচন্দ্ৰৰ নাতি (মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ, (২) পৃষ্ঠা দ্ৰষ্টব্য।

আপুন কুশল কাৰণে আসিয়া তোমাৰ পাৱে ভজিলো ।
আৰে ইথামত বিষয় কৰিলে কোন পুণ্য আচাৰিলোঁ ॥

কথিত আছে যে একশৰণ ধৰ্মত শৰণ গ্ৰহণ কৰাৰ পাছত কোনো এজন শাক্ত লোকৰ লগত পদ্মপ্ৰিয়াৰ বিবাহ হৈছিল। পিছে শাক্ত স্বামীৰ লগত সহধৰ্ম আচৰণ কৰিব নোৱাৰি পদ্মপ্ৰিয়া পিতৃগৃহলৈ ঘূৰি আহে ।

হৰিবল্লভ নামৰ এজন চৰিতকাৰে ৰচনা কৰা (গোপালদেৱৰ বংশাৱলী) তেওঁৰ গুৰু ৰামকৃষ্ণদেৱৰ চৰিতত[৬] পদ্মপ্ৰিয়া সম্পৰ্কে এইদৰে আছে —

আৰ বৰপেটীয়াৰ দুহিতা গোসানী ।
× পদ্মপ্ৰিয়া নামে ছিলা তাহাৰ নন্দিনী ।
অতি ৰূপৱন্তী গুণৱতী যশস্বিনী ॥
আইসকলৰ প্ৰসঙ্গত সমুদায় ।
হৰিনাম লগাৱন্ত হুয়া নম্ৰকায় ॥
কোকিলৰ স্বৰ যেন কণ্ঠ সুললিত ।

এইগৰাকী গুণৱতী যশস্বিনী কোকিলকণ্ঠী পদ্মপ্ৰিয়াৱে মহাপুৰুষ গুৰু দুজনা তথা তেওঁৰ পিতৃগুৰুৰ আহিৰে ৰাগ সংযোজনা কৰি গীত ৰচনা কৰিছিল । ৰামগিৰি ৰাগত ৰচিত এটি গীতত পদ্মপ্ৰিয়াই আৰম্ভণিতে "জয়তি শংকৰ, জগত ঈশ্বৰ × × × পূৰ্ণ ব্ৰহ্ম অৱতাৰ" বুলি বন্দনা কৰিছে । গীতটিৰ অন্তত আছে—

অনাদি অনন্ত	প্ৰভু ভগৱন্ত	তোমাৰ অনন্ত লীলা ।
শংকৰ মাধৱ	গোপাল স্বৰূপে	নিজ যশ প্ৰকাশিল ॥
মই হীনমতি	নামে পদ্মপ্ৰিয়া	নজানো ভকতি তোমাৰ ।
কায় বাক্যমনে	তোমাৰ চৰণে	শৰণ কৰিলো সাৰ ॥

ৰামগিৰি ৰাগত লিখা অন্য এটি গীতত আকৌ পদ্মপ্ৰিয়াই (শৰণীয়া) পিতৃগুৰু গোপালদেৱৰ ৰূপত 'গোপাল'ৰ বন্দনা কৰিছে,

৬ এই চৰিতৰ হস্তলিপি শ্ৰীমোহন চন্দ্ৰ মহন্তদেৱৰপৰা চাবলৈ পাইছিলো ইয়াৰ অংশবিশেষ মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিতত অন্তৰ্ভুক্ত কৰিছো। পৃঃ ২৬১-২৭২ ।

অৰ্থাৎ গুৰু আৰু দেৱৰ অভিন্নতাৰ উপলব্ধি প্ৰকাশ কৰিছে।' এই গীতৰ এফাঁকি পদত ভক্তিক প্ৰদীপৰ ৰূপকেৰে অৱতাৰণা কৰি লিখিছে —

শংকৰ স্বৰূপে প্ৰদীপক থৈলা মাধৱেসে বঢ়াইলন্ত।
তৈল বৰ্ত্তি দিয়া সম্পূৰ্ণ কৰিয়া গোপালেসে জ্বলাইলন্ত॥

"শংকৰ-মাধৱ উভয় মহাপুৰুষে গুৰু আৰু শিষ্যৰূপে প্ৰচাৰ কৰা মহাপুৰুষীয়া ধৰ্মৰ আদৰ্শবাদ গোপালদেৱৰ জীৱনত পূৰ্ণৰূপে মূৰ্তিমন্ত হৈ উঠিছিল বুলি গোপালদেৱৰ পন্থানুবৰ্তীসকলে বিশ্বাস" [মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত, (এ) পৃষ্ঠা] কৰা পৰম্পৰাৰ সাক্ষ্য এই ফাঁকি গীতেও বহন কৰিছে।

ৰামাগিৰি ৰাগত লিখা অন্য এটি গীতেও সংসাৰ বিৰাগী পৰম-[illegible]ৰাই সংসাৰৰ অনিত্যতা প্ৰকাশ কৰি গুৰুৰ পদত ভৰসা স্থাপন কৰিছে

গুৰু পদ নুতুলিবি মন তুই।
পতি মোৰ গুৰুৰ দুই পাৱে॥

---

৭ গোপালদেৱৰ শিষ্য পৰম্পৰাত শংকৰ মাধৱ দুজনা গুৰুৰ লগতে গোপালদেৱকো পৰমেশ্বৰৰ অৱতাৰ ৰূপে গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে —

১) নমো শংকৰদেৱ মাধৱক কৰো সেৱ গোপালেসে হিত উপকাৰী।
তিনিমূৰ্ত্তি একদেৱ ভুৱা পাৱে কৰো সেৱ, × × × ॥
(গজলা আতা ৰত্নমণি ৰচিত)।

২) দৈৱকী নন্দনে তিনি মূৰ্ত্তি ধৰি একেলগে অৱতৰি।
ধৰ্ম্ম প্ৰকাশিলো পূৰি মনোৰথ নামক প্ৰকাশ কৰি॥
নমো শংকৰ জগত তাৰিলা নৱ ৰূপে অৱতৰি।
মাধৱ মাধৱ গোপাল গোপাল বুলিয়োক মুখ ভৰি॥
(নগৰীয়া আতা সনাতনদেৱৰ ৰচিত)

৩) শংকৰ মাধৱদেৱ গোপাল স্বৰূপে আসি ভকতিক কৰিলা প্ৰচাৰ॥
(বৰ ৰত্নমণিদেৱৰ চৰিত,)

[মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত, (৩) পৃষ্ঠা দ্ৰষ্টব্য]।

ভৱ বৈতৰণী তৰিবে তৰণী আনন্দতে যেন্তা পাৱে ॥
পুত্ৰ পতি ধন সবে অকাৰণ যেন জলবিম্ব ছুৱে ।
এই আছে নাই সবে হ'ব ছাই সকলো জানে খুৱে ॥
জীৱন যৌৱন সবো অকাৰণ যেন সপোনৰ নিধি ।
মিছা দুখ লাগি ৰজাক তিয়াগি গৈছিল কিয়নো নিধি ॥

গীতৰ ভণিতাত পদ্মপ্ৰিয়াই গুৰু গোপালৰ পাৱে পৰি কৈছে —

বিষয়ত মন সুদৃঢ় বন্ধন মায়া মহাপাশ জৰী ।
পদ্মাপৰিয়াই কহে অভিপ্ৰায় গোপালৰ পাৱে পৰি ॥

এইদৰে নিজেও ভক্তিগীত ৰচনা কৰা কোকিল কণ্ঠী পদ্মপ্ৰিয়াই পিতৃগুৰু গোপালদেৱক গীত গাই প্ৰসন্ন কৰাৰ কথাও পূৰ্ণানন্দ ৰচিত গোপালদেৱৰ চৰিতত আছে । এদিন গোপালদেৱৰ পত্নীয়ে ভাগৱত শুনি থাকোঁতে চাউল সিজোৱা পলম হ'ল কাৰণে গোপালদেৱে ভোজন নকৰি খং কৰি থকা দেখি আয়ে পদ্মপ্ৰিয়াক আতাৰক (পিতাৰক) মাতিবলৈ পঠিয়ালে । তেতিয়া পদ্মপ্ৰিয়াই এটি গীত গাবলৈ ধৰাত প্ৰসন্ন হৈ গোপালদেৱ উঠি আহিল । তাৰ পাছত 'শুণৰ লুবুধ গোপালে অনেক ভুঞ্জিলা হৰিষ মনে । পদ্মাপৰিয়াৰ সদগুণ দেখি প্ৰশংসিলা সৰ্বজনে ॥ ৮১৯ ।

কথাগুৰুচৰিত, পূৰ্ণানন্দ ৰচিত গোপালদেৱৰ চৰিত আৰু দ্বিজ ৰামানন্দ ৰচিত (শংকৰ-মাধৱ) গুৰুচৰিতত উল্লিখিত এটা কাহিনীত পদ্মপ্ৰিয়াৰ অহংকাৰ ৰহিত নম্ৰ স্বভাৱ আৰু গুৰুভক্তিপৰায়ণতাৰ পৰিচয় পোৱা যায় । কথাগুৰুচৰিতত আছে — " চোট পদ্মপ্ৰিয়া দুহিতা নক আপীএ বোলে আতা মই যাওঁ, গুৰুজনক (মাধৱদেৱক) সেৱা কৰিবলৈ দিয়া । বোলে যাক দিওঁ, যদি থলা সৰা, কান্তি নচা, গুৰুজনৰ দাসীৰ সেৱাক ধূলা ল'ব পাৰ হ'ল । বোলে ল'ম, যাওঁ । এই মুনি গৈছে । থলা সাৰিছে হৰিজীএ, পৰি সেৱাকে ধূলা লৈছে । চাওঁতে গুৰুজনে দেখি বোলে গোপাল, এইটি ক'ৰ আপী ? বোলে বাপ, আমাৰে বেটী, দাসী । প্ৰশংসাকে কৰালে নজ মুঠিখানি (৫১৭ পৃঃ) ।"

পূৰ্বোল্লিখিত কাহিনীটো যেনেকৈ বৰ্ণিত হৈছে — শ্ৰীশ্ৰী গোপাল-দেৱ, নৰোত্তম ঠাকুৰৰ ওচৰলৈ যাবলৈ ওলোৱা দেখি পদ্মপ্ৰিয়াও লগতে যাবলৈ ওলালে, শংকৰদেৱৰ পত্নী আই গোসানীক দেখা কৰিবৰ মনেৰে। তেওঁলোকে গোপালে তেওঁৰ কথামতে কাম কৰিলেহে নিব পাৰিব বুলি কোৱাত পদ্মপ্ৰিয়াই সেই কথাত সন্মত হ'ল। তেতিয়া গোপালদেৱে ক'লে, আইক সাক্ষাতহে দৰ্শন কৰিবলৈ লোৱা হ'ব, আগতে দাসীসকল কহে দেখিবলৈ লোৱা যাব। তেওঁলোকক দেখি যদি ওলগ ল'ব পাৰে তেতিয়া পদ্মপ্ৰিয়াক লগত ওলাবলৈ ক'লে। ঠাকুৰৰ থান পাই এগৰাকী দাসীয়ে চোতালত ধান শুকুৱাই থকা দেখিবলৈ পালে। পদ্মপ্ৰিয়াই যে তেওঁক প্ৰণাম কৰাত দাসীয়ে দুখ মনেৰে আঠু কাঢ়ি "আই মোক কি কাৰণে এনেকুৱা কৰিলা।' বুলি কৈ তাৰ পাছত গোপালৰ চৰণত ধৰি কান্দিবলৈ ধৰিলে। তেতিয়া গোপালে দাসীক নানা প্ৰকাৰে সান্ত্বনা দিলে। পদ্মপ্ৰিয়াই শংকৰদেৱৰ পত্নী আইগৰাকীক গৈ যেতিয়াই প্ৰণাম জনালে তেতিয়া পদ্মপ্ৰিয়াক "হাতে আনি আই মুখ কৰিলা চুম্বন/বহুতো। অনেক আৰো প্ৰশংসা বচন।" (৮৬১—৮৬৭ পদ)।

দ্বিজ ৰামানন্দ ৰচিত গুৰুচৰিততো এই কাহিনী এনেদৰেই বৰ্ণোৱা হৈছে। দাসীক প্ৰণাম কৰোঁতে যেতিয়া আপত্তি কৰিছিলে, তেতিয়া —

বোলে পদ্মপ্ৰিয়া আত কিছু দোষ নাই ॥
আই গোসানীৰ কৃত্য কৰা সৰ্বক্ষণ।
কোনো দোষ তযু মই কৰিলো বন্দন ॥ ২৬৫

(শ্ৰীমোহনচন্দ্ৰ মহন্তৰ পৰা প্ৰাপ্ত পাঠ)।

হৰিবল্লভে লিখা 'ৰামকৃষ্ণদেৱৰ চৰিত'ত পদ্মপ্ৰিয়াৰ ভকতৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাসূচক কাহিনী এটা কোৱা হৈছে। উল্লেখযোগ্য যে মহাপুৰুষীয়া পৰম্পৰামতে গুৰুৰ ওচৰত গৈ হৰিত শৰণ লোৱা শিষ্য-সকলহে ভকত, গুৰু পৰম্পৰাৰ ব্যক্তিসকলক ভকত বোলা নহয়। এইপ্ৰসংগত কথামতে এবাৰ বহাগমহীয়া গোপালদেৱৰ তিৰোভাৱ তিথিৰ সময়তে কীৰ্তনঘৰ আৰু সমীপত বাস কৰি থকা পদ্মপ্ৰিয়াৰ পিছল খাই ভাৰ

তথাত ৰামকৃষ্ণদেৱে (গোপালদেৱৰ পত্নী-মাতৃ) তেওঁলোক [illegible] শুনাৰ আনিবলৈ আঠজন শিষ্যক (ভকতক) পঠাই দিলে। তেওঁলোকে [illegible]— "বোলন্ত ভকত/বক্তা চৰিত্ৰ/নাপাবো মাজ [illegible]। তুমি [illegible] কন্ধ বঢ়াই কেনে নাশিবোহো আপোনাক।" এই বুলি আহিছিলে [illegible] হোৱা পদ্মপ্ৰিয়াক অসুস্থ অৱস্থাত তেওঁলোকে আছিলে একো দেখা নাই বুলি আনিবলৈ ভতিজাকে পুনৰ মানুহ পঠাই দিলে। সেইদিনৰ পৰা পুনৰ ভিতিখনেৰা কবিবৰ্ত্তৃ পদ্মপ্ৰিয়া যাবলৈ ওলাল। তেওঁ [illegible] 'ভকত' কেইজনক খুৱাই-বুৱাই সেৱা জনাই তাৰ পাছত ঘৰলৈ [illegible] বেহৰ হালধি/আটীত থকা ভতিজাকৰ ঘৰলৈ গ'ল। (শ্ৰীমহন্তৰ পদ্য গ্ৰন্থ, পাঠৰ সহায়ত)।

এইদৰে চৰিতপুথিসমূহত খুব্বতৰ সহকাৰে উল্লেখ কৰা পদ্মপ্ৰিয়া অসমীয়া সমাজৰ গৌৰৱৰ থল, প্ৰথম অসমীয়া মহিলা কবি বুলিও তেওঁ আমাৰ চিৰ নমস্য। *

---

* প্ৰবন্ধটো 'লিখিকা'ৰ অষ্টম সংখ্যাত প্ৰকাশ হৈছিল। পাদটীকাৰ কথাখিনি পাছত সংযোজিত কৰা হৈছে।

সূচী

অগ্নিপরীক্ষা ৬২
অবতারবর্ণন পটাবলী ৪১
অদ্ভুত রামায়ণ ৬৪-৬৯
অধ্যাপক উপেন্দ্রচন্দ্র লেখারু
অনন্ত কন্দলী ৮০-৮৭,
অনন্ত কন্দলীর পত্নী ১০৭
অযোধ্যাকাণ্ড ২,৬,৭,৯.৩৯,
৪০,৪২,৬০,৬৬,৬৭,
অমৃত মন্থন ১০
অপবরণবণ্যা লক্ষ্মী ৬২,৫০
অষ্টভুজা ৪০
অসম বান্ধব ১৩৪
অসম সাহিত্য সভা পত্রিকা ১২৯
অসমীয়া রামায়ণী সাহিত্য.
কথাবস্তুর আঁতিগুরি ৫৯ ৬১
অহল্যা বৃত্তান্ত ৬০
উদ্ধবার নাট ৯০
উপাবচব বসু ১৫
উমাপতি ৯৫
উষাপরিণয় কাব্য ৮০
ঋগ্বেদ ৮
কথাগুরুচরিত ১৩৬-১৪৭
কবিমধা জনম
কংসবধ নাট ৯০
কাত্যায়নী ৪৫-৪৮,৭২
কামভস্ম, মদনদহন ১১
কল্পবৃক্ষ ভণ্ডার ৬৯
কালিদাস, কুমারসম্ভব ৯,১২৩
কালিদাস খাটনীয়ার ১৪২
কালিয় দমন নাট ২৬
কীর্তনর খণ্ড সমূহ —
উরেষা-বর্ণন ৭,৮,৪৪,৪৫,১২৭
কংসবধ ৩১,৫৪,৮০
কুঞ্জীর বাহ্যপুরণ ৭৯ ৮৪
চতুর্বিংশতি অবতার ১৪
দামোদর বিপ্রাখ্যান ৫২
ধ্যানবর্ণন ৫২,৬৩
নামাপরাধ ১,২,৯,১৭
নারদর কৃষ্ণদর্শন ১৯ ২১ ২
পাষণ্ডমর্দন ১৮
প্রহ্লাদ চরিত্র ১৮,১৯,৫৯,৬১
বিপ্রপুত্রানয়ন ১৪৬
রাসলীলা ৪৪,৫৬,৭১,৭৪,৮১
৮৬-৮৮
শ্রীকৃষ্ণর বৈকুণ্ঠপ্রয়াণ ২৪
স্যমন্ত হরণ ৫৪
হরমোহন ৪,৬৭,৫০,৫৮,
৮০,৮১
কুমারহরণ কাব্য ৮৩
কৃষ্ণরুক্মিণীর বিহার ৭২
কেলিগোপাল নাট ৫৬, ৭৫,
৭৭,৮৮
কৈবাত পূজা ১০
খণ্ডিতা নায়িকা
খেরশুত্তী আই ১৩৬
খোরাখোরী ১১৯

গঙ্গারাম বসুবাদী
গণেশের মস্তকচ্ছেদ ৫৯
গীতগোবিন্দ ৬৯,৮৭ —
গীতা ৬৯
গুণমালা ১০
গুরুচরিত্র ইতিকথা ১৩৫,১৩৭
গোপালদেব (ভবানীপুরীয়া)
৯০,১২৯
গোপাল আতার পল্লী ১৪০
গোবর্ধনাচার্য ৯৫
গৌড়ীয় বৈষ্ণব সম্প্রদায় ৭০
গৌড়ীয় সঙ্গীততত্ত্ব ১০৬
ঘুমচা-কীর্তন, ঘুমচা বা
গুণ্ডিজল যাত্রা ১২৭
চণ্ডী ৪৩,৪৭
চতুর্ব্যূহী সিদ্ধান্ত ১৬,২৬
চতুঃশ্লোকী ভাগবত ৪১
চন্দ্রাবলী
চারিশিল্প ৩
চিত্রশিখণ্ডী ১৫
চৈতন্যচরিতামৃত ১০৬
চৈতন্য সম্প্রদায় ৯৪
ছান্দোগ্যোপনিষদ ১৬,১৭,২৬
জয়দেব ৮৭-৯৬
ডঃ বাণীকান্ত কাকতি ১০৪
ডঃ মহেশ্বর নেওগ ১০৫
ডঃ রাজেন্দ্র বাবর, প্রাচীন ভারতীয়
পরম্পরা ঔর ইতিহাস ১৪,৩৮
ডঃ সত্যেন্দ্রনাথ শর্মা ৬৯,৭৬,
১২৯
ডঃ সুনীতি কুমার চট্টোপাধ্যায়,
ডঃ সুকুমার সেন ১২৪
ডাঃ নবীনচন্দ্র বরদলৈ ১৩১
তোল বা তমক জাতি ৯
দাইকী পাইক নৃত্য ১৪০
দেবীভাগবত ৪৩,৬২
দেবীস্তব ৫৯,২৭
দৈত্যারী ঠাকুর ৫১,৯০,
ধূর্জটি নায়ক
ধেমালী ৯৫
নামঘোষা ২৬
নারদ উপনিষদ, — পুরাণ স্মৃতি
নারদীয়মহালক্ষ্মীবিলাস ৩৭
নারদ পাঞ্চরাত্র ২৭,৩৭
নারদ-সনৎ কুমার সংবাদ ১৭
নারায়ণ ঠাকুর (আক জেঙ্গ পন্থী)
১৩৮
নাম-সর্বসিদ্ধসংহিতা ৩৬,৩৭,৪৬
৪৭,৫৬,৬৯
নীলকণ্ঠ নীলগ্রীব ১১
পঞ্চরাত্র তন্ত্র ১৫ ১৬-২৮
— সত্র ১৫,২৬
পদ্মপুরাণ ১,১৭,১৮,৩২,৪৫,৬০
পদ্মপ্রিয়া আই ১৪১
পরকীয়া নায়িকা
পরকীয়া প্রেম ৮৮,৯০,৯৪

৫-৭,১৩,১২৬
[illegible] ৭
[illegible] দত্ত ১৫-১৭,২৬,৮৩
— সংহিতা ৪২
[illegible] ঘাট ৩৩-৩৬,৭৪
[illegible] কবি. ৮৩
[illegible] মিত্র ১৪১,১৪৫,১৪৬
[illegible] ৬৮
বংশীগোপালদেব
বরণীত ৮৩-৮২,১২৮
বলদেব উপাধ্যায়,
ভারতীয় দর্শন ১৪,৩৮
বলিছলন কাব্য ১২
বলোরাম মিত্র ৯১,৯২
বস্ত্রহরণ ৭২
বামন পুরাণ ৩৯
বারকরী সম্প্রদায় ৪০
বিচিত্র রামায়ণী কথা, রামব
রাসলীলা ৮৬
বিদ্যাপতি ১২৪
বিরাটপুরুষ ৯,২৭
বিশ্বামিত্র ১১৭
বিষ্ণুপুরাণ ৩৩,৬৮,৮৬
বৃন্দাবনী কাপোর ১৩৬
বৃহন্নারদীয়পুরাণ ১৮
বেদবতী আখ্যান ৬২
ব্যাসকলাই ৫১-৫৮

ব্রহ্মেশ্বরী দেবী ৬৫
ব্রহ্মপুরাণ ৪৪,৬০
ব্রহ্মবৈবর্তপুরাণ ৫৯,৬০,৯১,৯২
ভক্তিরত্নাকর ৫৯
ভদ্রকালী ৪২,৪৭,৫৪
ভবানী পূজা ৪৯-৫১
ভাগবত স্কন্ধ সমূহ —
১মস্কন্ধ ২৬,৫৬
২য়২৬,৪১
৮ম -- ৪,৯,৪৬,৫২,৫৪
১০ম — ২,২৯,৩১,৩২,
৪০-৪৪,৪৭,৫০,৫১,৬২
৭০-৭৭,৮৪,৮৫
১১ শ — ৩৬,৫০,৫১
৫৬,৮০
১২ শ — ২৮,৫৩
ভীম চরিত —
ভূষণ মিত্র ১৩৮
ভূষণদ্বিজের পত্নী — ১০৮
মধুরসাধনা ৭১
মহাকালী ৪০
মহাপুরুষ শ্রীশ্রীগোপালদেবের
চরিত্র ১৪১,১৪৩
মহাসরস্বতী ৪৩
মহাভারত শান্তিপর্ব ১৫-
১৮,৩৭
সভাপর্ব ২৯

প্রসঙ্গ নির্ঘণ্ট

মায়া
বিষ্ণু — ৩,৬,৪০-৪৬,৫৩
ব্রহ্মা —৭,৪০,৪১,৫৩,৬০
যোগ — ৩,৪০-৪৭,৬২,৬৩
মার্কণ্ডেয় ঋষি ৩,৫৩
— পুরাণ ৪৩,৫৬
মাধবাচার্য ১৩,৫২
মুখলগ্না — ১২২
মোহনচন্দ্র মহন্ত বি এল ১২৯,১৫১-৫২
মোহিনীরূপ ৪,৫,১২,৮০
যজুর্বেদ ১১,৬৯,১২২
যদুমণিদেব, কল্পযাত্রা নাট
১২৯,—১৩৪
যক্ষ, রক্ষ ১১
যোগসম্প্রদায় ১৩
রঘুনাথ মহন্ত ৩৯,৬৪ ৬৯
রসমঞ্জরী, রসিকাপ্রিয়া টীকা
রসিক সাম্প্রদায় ৭৬
রা দেবতা ৯
রাধার ক্রমবিকাশ, ভারতের
শক্তিসাধনা ও শাক্তসাহিত্য, ১৪,৩৮,
শশিভূষণদাশগুপ্ত ৪২,৬৯,১১৪,১২৬
রামকৃষ্ণদেবের চরিত ১৪৩ ১৪৬
রামশীল রাগ ১৪৪,১৪৭
রামবিজয় নাট ৫৫,৭৮
রামচরণঠাকুর
রামভক্তিসম্প্রদায় ৮৬
রামসরস্বতী ৮৭
রত্নাকর ৪৩
রামানন্দীয় ১৪৭,[illegible]
রামানুজ ১৩,৫২
রামায়ণ কাণ্ডসমূহ
ঋষি ৫৯-৬৪
অযোধ্যা —, যুদ্ধ — ৬৪
উত্তরা — ৩৮,৪৫,৫৫,৬২,৬৬
রাসক্রমুদী ৮১
রাসলীলার ঐতিহাসিক পৃষ্ঠভূমি
রামধেনু ৭৯,৮৬
রুক্মিণীহরণকাব্য ৮,৪৯-৭২
৭৭ ৮৫
— নাট ৮ ৪৯,৭১,৭৭
রুদ্র ৫,২,১২,১৩
লক্ষ্মণসেন ৯১
লিংগপুজা ৮, ১২
লীলামুক্ত ৮
লীলাবতার ২৮
লেখিকা সমারোহ, লিখিকা
১৪১,১৪৭
শাক্তবাদ ৪২
শংকরাচার্য ১৩
শতপথ ব্রাহ্মণ ১৫
শরণকীর্ত্তি ৯৫
শিবচরিত্রের ক্রমবিকাশ ২,৯,১২,
১২২
শিরস্থ ঝুনা ৬,১২
শিবায়ন কাব্য ১২৩

শূন্যপুরাণ ১২৩,১২৪
শিবতন্ত্র ১৩
শ্রীধরস্বামী ৯০
শ্রীগীতা ৪০
শ্রীরাম আতা আরু রামানন্দর গীত ১০৪
শ্রীশংকর বাক্যামৃত ১৪,৩৮-৯২
শ্রীশ্রীচণ্ডী ৪০
শ্বেতদ্বীপবাসী নারায়ণ ১৫
শ্বেতাশ্বতরোপনিষদ ২৬
সঙ্গীত মকরন্দ ১৭,৩৭
সমুদ্রমন্থন ৫২,৫৪
সহজীয়া ধর্ম ৫৭
সাত্বত তন্ত্র ১৫
সাত্বত মত ১৫,১৬
সামবেদ ১৬,১৭
সাঁজীজিরী ৪৫
সিবল্, সেন্দ্ ৮
সীতাজন্মর প্রসংগ ৬২
সুভদ্রাপূজা ৪৪,৪৫
স্কন্দপুরাণ ৬০,১০০
স্যমন্তহরণ নাট ৯০
হরিবল্লভ ১৪৩,১৪৬
হরিবংশ ৮,২৯,৩২-৩৫,৫০

—x—